## এই সংখ্যাত

# পয়োভৰা

উন্নয়নমূলক বিষয়-বস্তুৰে সমৃদ্ধ
অসমীয়া ভাষাৰ
একমাত্ৰ মাহেকীয়া
আলোচনী


| | | |
|---|---|---|
| ❒ সাংবিধানিক ব্যৱস্থা, আইন আৰু জনজাতি | ভাৰ্জিনিয়া ছাছা | ৩ |
| ❒ আদিবাসীসকলৰ স্ব-শাসনৰ প্ৰকৃত ৰূপায়ণ একমাত্ৰ ৰক্ষাকৱচ | ৰাহুল বেনাৰ্জী | ৭ |
| ❒ খাদ্য বিধেয়ক, বন্য খাদ্য আৰু আদিবাসী লোকসকল | মধু ৰামনাথ | ১১ |
| ❒ ভূমি সংযোজক ঃ গ্ৰাম্য ভূমি প্ৰশাসনৰ অগ্ৰদূত | সঞ্জয় পাটনায়ক | ১৪ |
| ❒ জলবায়ু পৰিৱৰ্তন আৰু ৰাষ্ট্ৰৰ সক্ষমতা | ড° সুভাষ শৰ্মা | ১৯ |
| ❒ উত্তৰ-পূৰ্বাঞ্চল বিশেষকৈ নাগালেণ্ডৰ হিমালয়ৰ পাৰিৱেশিক ব্যৱস্থাৰ অৰ্থনৈতিক বহনক্ষম যোগ্যতা | অধ্যাপক বি কে কোঁৱৰ | ২৬ |
| ❒ সীমিত অৱস্থাৰ সম্প্ৰদায়সমূহৰ বিকাশৰ অৰ্থে ৰাজহুৱা সম্পদৰ উপযুক্ত ব্যৱহাৰ | জাৱেদ আলম খান | ৩২ |
| ❒ মাওবাদী প্ৰভাৱিত জিলাসমূহত বিকাশ আৰু সংহত কৰ্ম আঁচনিৰ সন্দৰ্ভত আদিবাসীৰ দৃষ্টিভঙ্গী | গোবিন্দ চন্দ্ৰ ৰথ | ৩৮ |
| ❒ অসমৰ জলবায়ুত ম'হ পালন | ডাঃ প্ৰবীণ কুমাৰ নেওগ | ৪৪ |
| ❒ ছাবলা ঃ কিশোৰীসকলৰ বাবে সবলীকৰণ আৰু স্ব-সন্মানৰ এক পথ | মনীষা জৈন | ৫০ |
| ❒ উত্তম অনুশীলন | শৈলেন্দ্ৰ সিন্‌হা | ৫২ |
| ❒ ভাঁজ দিয়া আসনসহ ভ্ৰমণ বেগ | নিশা চৌবে | ৫৪ |
| ❒ আপুনি জানেনে? | | ৫৫ |



সঞ্চালক আৰু
মুখ্য সম্পাদক ঃ **ৰাজেশ কে ঝা**
জ্যেষ্ঠ সম্পাদক ঃ **অনুপমা দাস**

**PAYOBHARA**
**VOL. - 44 No. 11**
**চতুশ্চত্বাৰিংশ বৰ্ষ ঃ একাদশ সংখ্যা**
**জানুৱাৰী ঃ ২০১৪**

শিক্ষক, ছাত্ৰ-ছাত্ৰী, শিক্ষা প্ৰতিষ্ঠান আৰু পুথি ভঁৰালৰ বাবে ১০ শতাংশ ৰেহাই

বেটুপাতৰ শিল্পী ঃ
**গজানন পি ধোপে**

পয়োভৰাত প্ৰকাশিত প্ৰবন্ধ-পাতিৰ মতামত লেখকৰ নিজস্ব

পয়োভৰাৰ বছৰেকীয়া গ্ৰাহক মূল্য ঃ ১০০.০০ টকা
দুবছৰৰ গ্ৰাহক মূল্য ঃ ১৮০.০০ টকা
তিনি বছৰৰ গ্ৰাহক মূল্য ঃ ২৫০.০০ টকা
সম্পাদকীয় কাৰ্য্যালয় কে, কে, বি, পথ, নিউ কলনি গৃহ নং ৭, চেনিকুঠি
গুৱাহাটী-৭৮১ ০০৩ ফোন ঃ ২৬৬৫০৯০, ই-মেইল ঃ ypeguw@dataone.in
yojanaasomia@yahoo.co.in
প্ৰকাশক ঃ অতিৰিক্ত সঞ্চালক প্ৰধান (ভাৰপ্ৰাপ্ত), প্ৰকাশন বিভাগ, সূচনা ভৱন, চি জি অ' কমপ্লেক্স, নতুন দিল্লী ঃ ১১০০০৩
মুদ্ৰক ঃ জ্যোতি প্ৰিণ্টাৰ্চ, বামুণীমৈদাম, গুৱাহাটী ঃ ৭৮১ ০২১, ফোন নং ঃ ৯৮৬৪০-৬৩৫৮৪

প

য়ো

ভ

ৰা

## এই সংখ্যাৰ প্ৰসংগত

# আমি কিজানি আন পঞ্চশীল পাহৰিলো

আন্তৰ্জাতিক নেতৃত্বৰ সম্পৰ্কত পঞ্চশীল নামেৰে খ্যাত জৱাহৰলাল নেহৰুৰ পাঁচটা নীতি সম্পৰ্কে আমি সকলোৱে জানো। সি যি কি নহওক, জনজাতীয় লোকসকলৰ উন্নয়নৰ কাৰণে যুগুত কৰা আন পাঁচটা মৌলিক নীতিৰ বিষয়ে অৱশ্যে আমি অৱগত নহয়। এই নীতিসমূহ খ্যাতনামা নৃতত্ত্ববিদ বেৰিয়াৰ এলউইনৰ "এ ফিলচ'ফি ফ'ৰ নৰ্থ ইষ্টাৰ্ণ ফ্ৰণ্টিয়াৰ এৰিয়া" (এন ই এফ এ) নামৰ গ্ৰন্থখনত জৱাহৰলাল নেহৰুৱে লিখা পাতনিত সন্নিৱিষ্ট কৰা হৈছে। জৱাহৰলাল নেহৰুৱে এই গ্ৰন্থকাৰজনক প্ৰশংসা আৰু সন্মানৰ দৃষ্টিৰে চাইছিল। নেহৰুৰ এই দৃষ্টিৰ ভেটি হ'ল জনজাতীয়সকলৰ ভূমি আৰু অৰণ্যৰ ওপৰত থকা অধিকাৰক সন্মান কৰাৰ প্ৰয়োজনীয়তা। ই জনজাতীয়সকলৰ চিন্তা আৰু মূল্যবোধৰ ওপৰত বহিৰাগতৰ দ্বাৰা যিকোনো আৰোপৰ বিৰুদ্ধে এক সঁকিয়নি আৰু "নিজৰ মতে তেওঁলোক বিকশিত হ'বলৈ" এৰি দিয়া উচিত বুলি যুক্তি দৰ্শন। এই নীতিসমূহে জনজাতীয়সকলৰ সামাজিক আৰু সাংস্কৃতিক প্ৰতিষ্ঠানসমূহৰ স্বতন্ত্ৰতা ৰক্ষা আৰু সন্মান কৰাৰ ওপৰত স্পষ্টভাৱে গুৰুত্ব আৰোপ কৰিছে। এই ধাৰণাসমূহ সংবিধানৰ ২৪৪ নম্বৰ অনুচ্ছেদত প্ৰতিধ্বনিত হৈছে আৰু অনুসূচিত জনজাতি লোকৰ পৰম্পৰা আৰু সংস্কৃতি আৰু অনুসূচিত এলেকাসমূহ সংৰক্ষণ কৰাৰ ক্ষেত্ৰত এক জনাদেশ।

জনজাতীয়সকলক প্ৰান্তীয়কৰণ কৰাৰ ইতিহাস কিছু পুৰণি। ঔপনিৱেশিক কালছোৱাত এনে কিছুমান সাংবিধানিক ব্যৱস্থা প্ৰণয়ন কৰা হৈছিল যাৰ ফলত জনজাতীয়সকলৰ ভূমি, অৰণ্য আৰু আন প্ৰাকৃতিক সম্পদৰ ওপৰত থকা পৰম্পৰাগত অধিকাৰৰ পৰা তেওঁলোক বঞ্চিত হৈছিল। ১৯২৭ চনত প্ৰৱৰ্তন কৰা ভাৰতীয় বন আইন অনুসৰি কোনো তথ্য সম্বলিত বৈধ মালিক নথকা সম্পত্তি চৰকাৰে অধিকাৰ কৰিব পাৰে। এই নীতি অনুসৰণ কৰি বৃটিছে বৃহৎ পৰিমাণৰ ভূমি হস্তান্তৰ কৰে। অনুৰূপভাৱে, 'বিশিষ্ট ক্ষেত্ৰ'ৰ ধাৰণাটো ভূমি অধিগ্ৰহণ আইন ১৮৯৪ আইনৰ উৎস, ই ৰাজহুৱা উদ্দেশ্যত যিকোনা ভূমি অধিগ্ৰহণ কৰিবলৈ চৰকাৰক প্ৰাথমিক অধিকাৰ প্ৰদান কৰিছে। জনজাতীয়সকলৰ ভূমি আৰু প্ৰাকৃতিক সম্পদৰ ওপৰত থকা পৰম্পৰাগত অধিকাৰৰ পৰা বঞ্চিত কৰাৰ কাৰণে এই আইন সমালোচিত হয়।

এইটো সত্য যে উদ্যোগ স্থাপন, খনন কাৰ্য কাৰ্যকৰীকৰণ, বৃহৎ বান্ধ নিৰ্মাণ আদি প্ৰকল্পৰ নামত জনজাতীয় লোকসকল স্থানান্তৰ আৰু বঞ্চিত হ'ব লগা হয়। কেইটামান হিচাপ মতে উন্নয়নমূলক এনে কামৰ নামত দেশৰ ১ কোটি জনজাতীয় লোক স্থানচ্যুত হ'বলগীয়া হোৱাৰ লগতে জীৱিকাৰ পথো হেৰুৱাইছে। আধুনিক ৰাষ্ট্ৰই বাস্তৱিকতে নিৰ্দিষ্ট লক্ষ্যত উপনীত হ'বলৈ তেওঁলোকৰ ভূ-খণ্ড জটিল আৰু ওপৰা-উপৰি ৰাজনৈতিক আৰু অৰ্থনৈতিক মণ্ডলত ভাগ কৰা এই গোটসমূহৰ মাজতে জনসাধাৰণ আৰু সম্পদ পুনৰ্বিন্যস্তকৰণ আৰু এই মণ্ডলবোৰ কেনেদৰে আৰু কাৰ দ্বাৰা ব্যৱহাৰ কৰা হ'ব সেই সম্পৰ্কে পৰিষ্কাৰ হোৱাকৈ বিধি প্ৰণয়ন কৰিছে। কিন্তু স্থানীয় লোকৰ অধিকাৰ, তেওঁলোকৰ সংস্কৃতি, জীৱিকা ৰক্ষা কৰাটো ৰাষ্ট্ৰৰ মৌলিক কৰ্তব্য হিচাপে গ্ৰহণ কৰিছে।

ভাৰততো সংবিধানৰ ৫ম আৰু ৬ষ্ঠ সূচীয়ে আদিবাসীসকলক তেওঁলোকৰ ভূমিৰ অধিকাৰ আৰু জনজাতীয়সকলৰ অধিকাৰৰ ঐতিহাসিক নিশ্চিতি প্ৰদান কৰিছে। পঞ্চায়ত (অনুসূচীত এলেকালৈ সম্প্ৰসাৰিত) আইনে (পি ই এছ এ) জনজাতীয়সকলক প্ৰাকৃতিক সম্পদ ব্যৱস্থাপনা আৰু স্ব-প্ৰশাসনৰ ক্ষমতা প্ৰদান কৰিছে। অৰণ্যৰ অধিকাৰ আইনেও ব্যক্তিগত অধিকাৰৰ উপৰি দেশৰ দৰিদ্ৰজনৰো দৰিদ্ৰজনক জীৱিকাৰ অধিকাৰৰ লগতে সমূহীয়া সম্পদৰ ওপৰত সমূহীয়া অধিকাৰ প্ৰদান কৰিছে। অলপতে প্ৰণয়ন কৰা ভূমি অধিগ্ৰহণ আইনে অনুসূচীত এলেকাত স্ব-প্ৰশাসনৰ স্থানীয় নিকায়ৰ অনুমতি অবিহনে ভূমি অধিগ্ৰহণৰ নিষেধাজ্ঞা জাৰি কৰিছে আৰু এনেদৰে প্ৰান্তীয়কৰণ হোৱা লোকৰ ভূমি অধিকাৰ আৰু জীৱিকাৰ বিষয় অভিমুখী কৰিবলৈ বিচাৰিছে।

মাৰ্শ্বাল ছাহলিন্ছে অনুসৰণকাৰীৰ লগতে আদিবাসী আৰু স্থানীয় লোকসকলক মৌলিক আঢ্যৱন্ত সমাজ বুলি অভিহিত কৰিছিল। যিসকলে "জেন পথৰ পৰা আঢ্যৱন্ত"ৰ সীমাৱদ্ধতাত বাস কৰিছিল আৰু কিছু সংখ্যকে প্ৰচুৰ ধাৰণাৰে মৰ্যাদাসম্পন্ন জীৱন বিচাৰিছিল। জনজাতি আৰু প্ৰান্তীয় লোকসকলৰ দুখ-যন্ত্ৰণাৰে এই ব্যৱধান সাঁকো কৰিবলৈ আমি যেন চেষ্টা নকৰো, নহ'লে দীৰ্ঘদিনে গোপন হৈ থকা চকুপানীয়ে আমাৰ জকমকীয়া সপোনবোৰ দুঃস্বপ্নত পৰিণত কৰিব।

# সাংবিধানিক ব্যৱস্থা, আইন আৰু জনজাতি

**ভাৰ্জিনিয়া ছাছা***

ভাৰতত জনজাতি ভাবধাৰা ভৌগোলিক অৱস্থান আৰু বৃহত্তৰ ভাৰতীয় সমাজৰ পৰা একাষৰীয়াকৈ থকা স্থিতিতহে প্ৰধানকৈ গঢ় লৈ উঠে। তেওঁলোকৰ সামাজিক গঠন স্তৰক লৈ নহয়। সেই গঠন প্ৰক্ৰিয়া পৰৱৰ্তী কালৰহে। অৱশ্যে এই প্ৰক্ৰিয়াই সামৰি লোৱা বৃহৎ পৰিসৰৰ গোট আৰু সম্প্ৰদায়ক জনজাতীয় লোক হিচাপে শ্ৰেণীভুক্ত কৰা হয়। বৃহৎ ভাৰতীয় সমাজৰ পৰা আঁতৰত থাকি জীৱন নিৰ্বাহ কৰা এই সকল লোকে নিজ বসতি স্থলৰ এলেকাবোৰত শাসনৰ স্বায়ত্ততা উপভোগ কৰে। মাটি, বনাঞ্চল আৰু অন্যান্য সম্পদৰ ওপৰত তেওঁলোকৰ নিয়ন্ত্ৰণ থাকে আৰু নিজাববীয়া নিয়ম-নীতি, পৰম্পৰা আৰু আচাৰ-পদ্ধতিৰে সেইবোৰত শাসন চলায়। ঔপনিৱেশিক শাসনৰ আগমনৰ লগে লগে জনজাতি আৰু অ-জনজাতিসকলক একক ৰাজনৈতিক আৰু প্ৰশাসনীয় গাঁথনিৰ মাজলৈ আনে যুদ্ধত জয়লাভ কৰি নিজৰ দখললৈ আনি। তাৰ পাছতেই নতুন আৰু সকলো ঠাইতে একেধৰণৰ অ-সামৰিক আৰু অপৰাধমূলক আইন প্ৰচলন কৰা হয় আৰু প্ৰশাসনীয় গাঁথনিও স্থাপন কৰা হয়। কিন্তু এইবোৰ জনজাতীয় পৰম্পৰা তথা নীতিৰ পৰিপন্থী।

এনে ধৰণৰ এই সকলোবোৰ ঘটনাই ব্যাপকভাৱে জনজাতিসকলৰ মাটি অ-জনজাতিলৈ যোৱাৰ পথ মুকলি কৰে। ভুৱা, ঠগ, বন্ধক আদি উপায়েৰে তেনে কাৰ্য সাধন কৰে। এইবোৰ কাণ্ড-কাৰখানা দেখি জাতীয়তাবাদী নেতা-সকলে স্বাধীনোত্তৰ ভাৰতত জনজাতি লোকসকলৰ বাবে বিশেষ উদ্বেগ প্ৰকাশ কৰে। সংবিধানত তেওঁলোকৰ বাবে খোদিত কৰা ব্যৱস্থাৱলীত এইটো প্ৰতিবিম্বিত হয়। ভাৰতৰ মুক্ত নাগৰিক ৰূপে জনজাতীয় লোকসকলক আনক প্ৰদান কৰাৰ দৰেই নাগৰিক, ৰাজনৈতিক আৰু সামাজিক অধিকাৰ সমানভাৱে দিয়া হয়। নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ ভাৰতীয় সংবিধানৰ মূল অধিকাৰৰ পৰিসৰৰ ভিতৰত সন্নিৱিষ্ট কৰা হয় আৰু সামাজিক অধিকাৰ সংবিধানৰ নিৰ্দেশাত্মক সূত্ৰাৱলীত ঠাই দিয়া হয়।

ওপৰত উল্লেখ কৰা ব্যৱস্থাৱলীৰ উপৰি জনজাতীয় লোকসকলক এক নিৰ্দিষ্ট সম্প্ৰদায়ৰ সদস্য হোৱা হেতু কিছুমান বিশেষ অধিকাৰৰ সুবিধাও প্ৰদান কৰা হয়। ইয়াৰ ভিতৰত কেইটামান উল্লেখ্য হ'ল— সাংবিধানিক স্বীকৃতিৰ বাবে ব্যৱস্থাৱলী (৩৪২ অনুচ্ছেদ); সমানুপাত হিচাপত সাংসদ আৰু ৰাজ্যৰ বিধানসভাবোৰত প্ৰতিনিধিত্ব (৩৩০ তথা ৩৩২ অনুচ্ছেদ); সাধাৰণ নাগৰিকে অবাধে আহ-যাহ কৰা অথবা বিশেষ এলেকাত নিগাজীকৈ থাকিবলৈ লোৱা কিম্বা সেইবোৰত সম্পত্তি আহৰণৰ অধিকাৰত বাধা আৰোপ (১৯(৫) অনুচ্ছেদ); তেওঁলোকৰ নিজ ভাষা, দোৱান আৰু সংস্কৃতি আদিৰ সংৰক্ষণ কৰা (২৯ অনুচ্ছেদ)। সংবিধানত আৰু এটা ব্যৱস্থা আছে— যিটোৱে জনজাতীয় লোকসকলৰ সপক্ষত বিশেষভাৱে চাকৰি আৰু নিয়োগৰ ক্ষেত্ৰত সংৰক্ষণৰ বাবে ব্যৱস্থা কৰিবলৈ ৰাজ্যক সমৰ্থৱান কৰি তোলে (সাধাৰণ অৰ্থত ১৪(৪) অনুচ্ছেদ আৰু বিশেষ অৰ্থত ১৬(৪) অনুচ্ছেদ)। তদুপৰি আছে সংবিধানৰ দিক্‌দৰ্শন সূত্ৰাৱলী— যি জনজাতিকে ধৰি সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকসকলৰ শিক্ষা আৰু অৰ্থনৈতিক স্বাৰ্থক বিশেষভাৱে উৎসাহিত কৰে (৪৬ অনুচ্ছেদ)। আনহাতে সংবিধানৰ পঞ্চম অথবা ষষ্ঠ অনুসূচীৰ ব্যৱস্থাৱলী আছে (২৪৪ আৰু ২৪৪(ক) অনুচ্ছেদ)। এই ব্যৱস্থাৱলীয়ে ৰাজ্য এখনক জনজাতি লোক বসবাস কৰা এলেকাক বিশেষ প্ৰশাসনৰ অধীনলৈ আনিবৰ কাৰণে ক্ষমতা প্ৰদান কৰে। সংবিধানৰ ব্যৱস্থাৱলীত অনেক বিষয় আছে যিবোৰে জনগণৰ হিত সাধন কৰিব বিচাৰে। তেনে কেইটামান হ'ল অনুসূচিত আৰু জনজাতিৰ এলেকা সৃষ্টি কৰাৰ পৰা সংসদ আৰু বিধানসভাত প্ৰতিনিধিত্বৰ দিহা কৰা, চৰকাৰী চাকৰিত কিছু শতাংশ পদ তথা শিক্ষা প্ৰতিষ্ঠানত আসন সংৰক্ষণ কৰাৰ বিশেষ সুবিধা প্ৰদান কৰা হয়। চমুকৈ ক'বলৈ হ'লে সংবিধানৰ লক্ষ্য হ'ল জনজাতি লোকসকলক ৰক্ষণাবেক্ষণ দিয়া আৰু তেওঁলোকৰ স্বাৰ্থক অটুট ৰাখি উৎসাহিত কৰা।

*ভাৰ্জিনিয়া ছাছা টাটা ইন্সটিটিউট অৱ ছচিয়েল ছায়েন্সৰ, গুৱাহাটী চৌহদৰ উপ-সঞ্চালক আৰু অধ্যাপক

এই সকলোবোৰ ব্যৱস্থাৰ ভিতৰত যি বৈষম্যই দেখা দিয়ে তাক নস্যাৎ কৰি সুৰক্ষা প্ৰদান কৰাটো হ'ল জনজাতি লোকসকলৰ প্ৰতি দিয়া এক অন্যতম গুৰুত্বপূৰ্ণ অধিকাৰ। সংবিধানত জনজাতীয় লোকসকলৰ বাবে প্ৰদান কৰা অধিকাৰসমূহ কাৰ্যকৰী কৰিবৰ অৰ্থে চৰকাৰে নিৰ্দিষ্ট ব্যৱস্থা উদ্ভাৱন কৰে। সেই অনুযায়ী অনুসূচিত জনজাতি শ্ৰেণীৰ লোকসকলৰ বাবে ৭.৫ শতাংশ চাকৰি চৰকাৰী, অৰ্দ্ধ-চৰকাৰী আৰু শিক্ষা প্ৰতিষ্ঠানসমূহত নিৰ্দ্ধাৰণ কৰা হয়। এই গোটৰ সপক্ষত সুৰক্ষা প্ৰদান কৰা বিষয়টো অনুসূচিত জনজাতিৰ প্ৰাৰ্থীসকললৈ মঞ্জুৰ কৰা ৰেহাই ব্যৱস্থাত পৰিলক্ষিত হয়। পিছে এনে ব্যৱস্থাৱলী থকা সত্ত্বেও তাৰ ফলাফল মুঠেই সন্তোষজনক নহয়। এই কথা অনুসূচিত জাতিৰ লোকতকৈ অনুসূচিত জনজাতিৰ লোকৰ ক্ষেত্ৰত অধিককৈ খাটে। সি যি কি নহওক, তেনে ক'টা পূৰণ কৰিবলৈ ৰাজ্যৰ অসমৰ্থতাক সংবিধানত খোদিত কৰা অধিকাৰসমূহ উলংঘা কৰা ৰূপে বিবেচনা কৰা নহয়। এনে হয়েই, কাৰণ প্ৰথমতঃ সেই অধিকাৰসমূহৰ কথালৈ চায়েই প্ৰয়োজনীয় ব্যৱস্থা হাতত লোৱা হয়। দ্বিতীয়তঃ সেই শ্ৰেণীৰ প্ৰাৰ্থীৰ ক্ষেত্ৰত যিমানলৈকে সংৰক্ষণৰ ব্যৱস্থা আছে সেয়া স্বয়ংক্ৰিয় নহয়। বৰং সংবিধানত নিৰ্দিষ্ট কৰা কিছুমান চৰ্তৰ ওপৰত নিৰ্ভৰ কৰে। উদাহৰণ স্বৰূপে ৩৩৫ অনুচ্ছেদত এইটো কোৱা হৈছে যে অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ দাবী চাকৰি আৰু পদসমূহত নিযুক্তি প্ৰদানৰ ক্ষেত্ৰত প্ৰশাসনৰ সক্ষমতা অক্ষুণ্ণ ৰখাৰ স'তে ৰজিতা খুৱাকৈহে বিবেচনা কৰিব পাৰে। তৃতীয়তঃ যদিও এনে অধিকাৰ জনজাতি লোকসকলক দিয়া হৈছে তথাপি তেওঁলোকে ইয়াৰ সুবিধা গ্ৰহণ কৰিব পাৰে কেৱল জনজাতীয় সম্প্ৰদায়ৰ সদস্যৰূপেহে। ইয়াৰ প্ৰতি সূচলতা প্ৰাপ্ত কৰাটো আনবোৰৰ লগতে সমান চৰ্তত প্ৰাপ্ত কৰিববৈলে বিচৰা এক ব্যক্তি অধিকাৰহে। অধিকাৰো হ'ল ব্যক্তিগত— এই অৰ্থত যে ব্যক্তিজনে তাক পোৱাৰ নিশ্চয়তা কৰিবৰ কাৰণে কিছু কাৰ্যব্যৱস্থা হাতত ল'ব লাগিব। এনেধৰণৰ বিষয়বোৰৰ ক্ষেত্ৰত আদালতত অৱহেলা বা আওকাণ কৰা বুলি প্ৰত্যাহ্বান জনাবলৈও এক নিজাববীয়া কঠিনতা (ইন্‌বিল্ট ডিফিকাল্টি) আছে। মাত্ৰ বৈষম্যমূলক বা উপেক্ষামূলক নিৰ্দিষ্ট গোচৰহে আদালতত তৰিব পাৰি। কিন্তু সংবিধানৰ ৩৩৫ অনুচ্ছেদৰ ওপৰত থিয় দি ইয়াক ৰক্ষা কৰিব পাৰি। চমুকৈ ক'বলৈ হ'লে সুৰক্ষা সাধন বিষয়ক বৈষম্য অৰ্থাৎ নিৰ্দিষ্ট শ্ৰেণীৰ লোকৰ পক্ষত আনবোৰক উপেক্ষা কৰি ল'বলৈ বিচৰা ব্যৱস্থা নিজস্বভাৱে যথেষ্ট নহয়। ইয়াক উপযুক্ত কৰি তুলিবলৈ হ'লে সমতা অৰ্থাৎ সামৰ্থ্য, সম্পদ আৰু প্ৰকৃত সুবিধা সৃষ্টি কৰি সবল কৰিব লাগিব। ইয়াৰ অৰ্থ হ'ল জনজাতি লোকসকলৰ বাবে অৰ্থনৈতিক আৰু সামাজিক অধিকাৰৰ কাৰণে ব্যৱস্থাৱলী সঠিক ৰূপত উপস্থাপন কৰাটো আৱশ্যক। এয়া কেৱল আইন অথবা বিত্তীয় সমৰ্থনৰেই নহয়, তদুপৰি উপযুক্ত ন্যায়িক ব্যৱস্থা, প্ৰশাসনীয় তথা আন্তঃগাঁথনি আৰু বিত্তীয় সমৰ্থনৰে কৰিব লাগিব। পিছে যিবোৰত এনে ব্যৱস্থা নাই অথবা ঘাইকৈ অনুপযুক্ত, তেনে ক্ষেত্ৰত সংবিধানত সন্নিৱিষ্ট ব্যৱস্থাৱলীয়ে জনজাতীয় লোকসকলৰ পক্ষত কোনো ইপ্সিত ফল পোৱাটো টান।

জনজাতীয় লোকসকলৰ বাবে উপযুক্ত সামাজিক আৰু অৰ্থনৈতিক অধিকাৰৰ বিষয়বোৰ উদ্ভাৱন আৰু সম্প্ৰসাৰিত কৰা নাই সেইটো নহয়, কিন্তু কথা হ'ল তেওঁলোকে তেনে অধিকাৰ লাভ কৰিলেও সমস্যাটো সিমানতে অন্ত নপৰে। মাটি আৰু বনাঞ্চলৰ ক্ষেত্ৰত থকা অধিকাৰকো ঔপনিৱেশিক কালৰ ৰাজ্যবোৰে তেওঁলোকৰ পৰা কাঢ়ি লৈছিল আৰু পাছত স্বৰাজোত্তৰ কালৰ ভাৰতীয় প্ৰদেশৰ ক্ষেত্ৰতো তেনে অৱস্থাৰ সলনি নহৈছিল। এইটো সু-প্ৰতিষ্ঠিত কথা যে জনজাতীয় লোকসকলে ঘাইকৈ মাটি আৰু বনাঞ্চলৰ পৰা জীৱন নিৰ্বাহ কৰে। কিন্তু তথাপি ব্ৰিটিছ ৰাজত্ব কালত যি মাটি আহৰণ অথবা তাৰ পৰা সুযোগ-সুবিধা ল'বলৈ প্ৰক্ৰিয়া আৰম্ভ হয় স্বাধীনতা লাভ কৰাৰ পাছতো সেই গতি অব্যাহত থাকে। এই কথা আগতেই উল্লেখ কৰা হৈছে।

অ-জনজাতীয় লোকসকলে তেনেবোৰ মাটিৰ সুবিধা উপভোগ কৰা সমস্যাটোৰ প্ৰতি ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবে প্ৰায় সকলোবোৰ ৰাজ্যতেই— য'ত জনজাতীয় লোক আছে,— তাত আইন প্ৰণয়ন কৰা হৈছে। কোনো কোনো অংশত এনে ধৰণৰ আইন ব্ৰিটিছৰ দিনৰ পৰা আছে। যেনে— ছোটনাগপুৰ ৰায়তী আইন, ১৯০৮ আৰু চাওতাল পৰগণা ৰায়তী আইন, ১৯৪০। ব্ৰিটিছে এনে ব্যৱস্থা জনজাতিসকলৰ বাবে চিন্তা কৰি গ্ৰহণ কৰা নাছিল, বৰং প্ৰশাসনীয় আৰু ৰাজনৈতিক ব্যৱস্থা খৰখেদাকৈ ল'বৰ কাৰণেহে তেনে কৰিছিল। স্বৰাজোত্তৰ কালছোৱাত জনজাতীয় লোক বসবাস কৰা আটাইকেউখন ৰাজ্যতেই আইন প্ৰণয়ন কৰা হয়। এয়া কেৱল জনজাতি লোকসকলৰ পৰা মাটিৰ অধিকাৰ খৰ্ব কৰাক বাধা দিবৰ কাৰণেই নহয়, তদুপৰি তেওঁলোকক সেই মাটিত পুনৰস্থাপন কৰিবৰ বাবেই তেনে আইনৰ ব্যৱস্থা কৰা হয়। কোনো কোনো ৰাজ্যত আনকি অ-

জনজাতীয় লোকসকলৰ স্বাৰ্থক ৰক্ষা কৰিবৰ কাৰণেও আইনবোৰ সংশোধন কৰা হয়। অন্ধ্ৰ প্ৰদেশ (নিৰ্বাচিত এলেকাৰ) ভূমি হস্তান্তৰকৰণ বিধিনিয়ম, ১৯৫৯ক ১৯৭০ চনত সংশোধন কৰা হয় এই আশাত যে সেই সংশোধনে অ-জনজাতীয় লোকসকলৰ স্বাৰ্থকো তাত বাহাল ৰাখিব পাৰে। কেৰালা অনুসূচিত জনজাতি (ভূমি হস্তান্তৰকৰণ আৰু কাঢ়ি লৈ যোৱা আদিৰ পুনৰ স্থাপন বিধি) আইন, ১৯৭৫ক অ-জনজাতীয় লোকসকললৈ ৰেহাই প্ৰদান কৰিবৰ বাবে বাতিল কৰা হয় (বৰ্মা ১৯৯০; ৰাও ১৯৯৬; বিজয় ১৯৯৯)। এনে আইনবোৰ থকা সত্বেও জনজাতীয় ভূমি অ-জনজাতীয় লোকৰ হাতলৈ যোৱা কাৰ্য অব্যাহত থাকে।

সাম্প্ৰতিক বছৰকেইটাত জনজাতি লোকসকলৰ সুৰক্ষা সাধনৰ অৰ্থে সাংবিধানিক ব্যৱস্থাৱলী পুনৰ শক্তিশালী কৰিবৰ কাৰণে দুখন গুৰুত্বপূৰ্ণ আইন প্ৰণয়ন কৰা হয়। তাৰে এখন হ'ল পঞ্চায়তৰ ব্যৱস্থাৱলী (অনুসূচিত এলেকাসমূহলৈ সম্প্ৰসাৰণ) আইন, ১৯৯৬। আইনখনে জনজাতীয় লোকসকলক তেওঁলোকৰ পৰম্পৰা আৰু আচাৰ-বিচাৰক ৰক্ষণাবেক্ষণ আৰু জীয়াই ৰাখিবৰ বাবে ক্ষমতা প্ৰদান কৰে। লগতে তেওঁলোকৰ সাংস্কৃতিক পৰিচয়, সমূহীয়া সম্পদৰাজি আৰু গ্ৰাম সভাৰ জৰিয়তে বাদ-বিবাদসমূহ পদ্ধতিগত বিচাৰেৰে সমাধান কৰাৰো ক্ষমতা দিয়ে। পিছে পঞ্চায়তী আইনৰ ব্যৱস্থাৱলীয়ে আখৰে আখৰে ইয়াৰ প্ৰাপ্য স্থান কমেইহে লাভ কৰে। কাৰণ ষষ্ঠ অনুসূচীত থকা ব্যৱস্থাৱলী বিভিন্ন ৰাজ্যৰ দ্বাৰা কাৰ্যকৰী কৰিবলৈ আইন প্ৰণয়ন কৰা হয়। ইয়াৰ বাহিৰেও অনুসূচিত এলেকাবোৰলৈ নৱম অনুচ্ছেদৰ ক শাখা (পৌৰ নিগম) সম্প্ৰসাৰিত কৰা নহ'লেও অনুসূচিত এলেকা থকা সকলো ৰাজ্যলৈকে ধীৰে ধীৰে ঠেলি দিয়া হয়। এই দিশৰ আনখন আইন হ'ল 'অনসূচিত জনজাতি আৰু অন্যান্য পৰম্পৰাগত বনাঞ্চল বাসিন্দা আইন, ২০০৬'। এই আইনখনৰ লক্ষ্য হ'ল জনজাতি লোকসকলৰ প্ৰতি কৰা পুৰণি কালৰ অন্যায়ক সংশোধন কৰি তেওঁলোকৰ আগতে থকা অধিকাৰক পুনৰ প্ৰতিপন্ন কৰা। পিছে ইয়াৰ ৰূপায়ণৰ ক্ষেত্ৰত স্বীকৃতি আৰু পুনৰস্থাপনৰ দিশত অনেক কঠিনতাৰ মাজেৰে যাব লগা হৈছে।

নিৰ্দেশাত্মক সূত্ৰাৱলীৰ সাংবিধানিক ব্যৱস্থাৱলী অনুযায়ী জনজাতি লোকসকলৰ বাবে দেশখনৰ ডাঙৰ উদ্বেগৰ বিষয় হ'ল তেওঁলোকৰ কল্যাণ আৰু বিকাশ সাধন কৰাটো। ইয়াক সাংবিধানিক ব্যৱস্থাৰ এক ধ্যান ধাৰণাৰে সাধন কৰিবলৈ লোৱা হয় আৰু তাৰ আক্ষৰিক প্ৰতিৰূপ নেহৰুৰ পাঁচটা সূত্ৰ 'পঞ্চশীল'ত অতি সুস্পষ্ট। নেহৰুৱে ভেৰিয়াৰ এলউইনৰ গ্ৰন্থ 'এ ফিল'ছফি অব নেফা'ৰ পাতনিত এই পঞ্চশীল সম্পৰ্কে বিশ্লেষণ কৰে। তেতিয়াৰ পৰাই সেই সূত্ৰসমূহ স্বৰাজোত্তৰ ভাৰতত জনজাতীয় লোকসকলৰ উন্নয়ন সাধনৰ এক নীতিৰূপে গ্ৰহণ কৰি অহা হৈছে। সেই সূত্ৰসমূহৰ ভিতৰত আছে তেওঁলোকৰ নিজ গুণাৱলী আৰু প্ৰতিভাৰে বিকাশ সাধন, ভূমি আৰু বনাঞ্চলত জনজাতিৰ অধিকাৰক সন্মান, প্ৰশিক্ষণ, প্ৰশাসনীয় তথা বিকাশমূলক কাম-কাজ কৰিবলৈ তেওঁলোকৰ নিজৰ লোকসকলেৰে দলবিশেষক গঢ়ি তোলা। পিছে বিভিন্ন আঁচনি হেতা-ওপৰাকৈ কাৰ্যকৰী কৰিবৰ বাবে শাসনৰ অধিক সীমা চেৰাই যাব নালাগিব আৰু তেওঁলোকৰ সামাজিক তথা সাংস্কৃতিক প্ৰতিষ্ঠানসমূহৰ স'তে মতদ্বৈধতাৰ মাজলৈ নগৈ মিলি-জুলি কাম কৰিব লাগিব।

কিন্তু তথাপি জনজাতীয় লোক-সকলৰ প্ৰতি যি দৃষ্টিভঙ্গীৰে চোৱা হয় আৰু ব্যৱস্থাসমূহ অৱলম্বন কৰা হয় সেয়া সম্পূৰ্ণৰূপে বিপৰীত ধৰণৰ। এয়া ঘাইকৈ ৰাষ্ট্ৰীয় বিকাশৰ কথালৈ লক্ষ্য ৰাখিয়েই কৰিব লগা হয়। কথা হ'ল জনজাতীয় লোকৰ উন্নতি সাধন বিষয়টো ৰাষ্ট্ৰীয় বিকাশৰ বাহিৰত ৰাখি কৰিব পৰা নাযায়। কাৰ্যতঃ যিবোৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে— সেয়া হ'ল খৰতকীয়াকৈ ৰাষ্ট্ৰীয় বিকাশ সাধন কৰাটো আৰু এই বিকাশ সাধনক এক গুৰুত্বপূৰ্ণ ব্যৱস্থা ৰূপে চাব পাৰি যাৰ দ্বাৰাই জনজাতীয় সমাজখনৰ সংহতি সাধন কৰিব পাৰি। প্ৰকৃতাৰ্থত ক'বলৈ গ'লে ভৱিষ্যতৰ বিকাশ আৰু সম্পদৰ একত্ৰীকৰণৰ কাৰণে এক উৎপাদনমুখী পৰিকাঠামো গঢ়ি তোলাৰ ৰাষ্ট্ৰীয় লক্ষ্য জনজাতিসকলৰ কল্যাণ সাধন আৰু স্বাৰ্থ ৰক্ষাৰ বিষয়তকৈ অধিক গুৰুত্বপূৰ্ণ। কাজেই ৰাষ্ট্ৰীয় বিকাশ সাধনৰ নামত জনজাতীয় স্বাৰ্থ আৰু কল্যাণমূলক ব্যৱস্থা সততেই জলাঞ্জলি দিয়া হয়।

জনজাতীয় লোকসকলে তেওঁলোকৰ ভাষা, সংস্কৃতি আৰু ধৰ্মক উদগনি জনোৱা তথা ৰক্ষণাবেক্ষণ দিয়াত অসমৰ্থ হৈছে— যদিও সংবিধানৰ ১৯(৫) অনুচ্ছেদত এইবুলি উল্লেখ আছে যে সাংস্কৃতিক কিম্বা ভাষিক সংখ্যালঘুৱে নিজৰ ভাষা আৰু সংস্কৃতি ৰক্ষা কৰাৰ অধিকাৰ আছে। ইয়াৰ অৰ্থ হ'ল যে জনজাতি লোকসকলে ব্যক্তি আৰু গোট হিচাপে নিজৰ ভাষা ব্যৱহাৰ কৰাৰ অধিকাৰ আছে; নিজৰ ধৰ্ম মতে জীৱন নিৰ্বাহ কৰাৰো অধিকাৰ আছে। তেওঁলোকে

নিজৰ ইতিহাস অধ্যয়ন কৰা, সংস্কৃতি, পৰম্পৰা, ঐতিহ্য আদিকো অক্ষুণ্ণ ৰখাৰ অধিকাৰ আছে। ৰাজ্যই তেওঁলোকক আন কোনো সংস্কৃতি অথবা ভাষা তেওঁলোকৰ ওপৰত আইন মতে বলৱৎ কৰিব নোৱাৰে। কথা হ'ল তেওঁলোকৰ ওপৰত ৰাজ্যই কোনো ভাষা বা সংস্কৃতি জোৰকৈ জাপি নিদিব পাৰে, কিন্তু আনপিনে সংবিধানত থকা ব্যৱস্থাক কাৰ্যকৰী কৰাৰ দিশত তেনে কোনো ইতিবাচক পদক্ষেপ গ্ৰহণ কৰা নাই। বৰং যি পদক্ষেপ হাতত লৈছে সেয়া সংবিধানত থকা ব্যৱস্থাৰ স'তে কোনো মিলেই নাই। ৰাজ্যই গ্ৰহণ কৰা ব্যৱস্থা হ'ল জনজাতীয় লোকসকলৰ নিৰ্দিষ্ট ভাষা আৰু সংস্কৃতিক ৰক্ষা আৰু উদগনি দিয়াতকৈ কোনো বৃহৎ সম্প্ৰদায়ৰ ভাষা আৰু সংস্কৃতিৰ মাজত মিলাই দিয়া ব্যৱস্থা গ্ৰহণ কৰে। উদাহৰণ স্বৰূপে জনজাতি লোকৰ ল'ৰা-ছোৱালীক স্কুলৰ যি সুবিধা দিয়া হয় সেয়া নিশ্চিতভাৱে সংশ্লিষ্ট ৰাজ্যখনৰ প্ৰাধান্য বিস্তাৰ কৰা আঞ্চলিক সম্প্ৰদায়ৰ ভাষাত গ্ৰহণ কৰিবলৈ দিয়া হয়। ইয়াৰ ফলত জনজাতি লোকসকলে দিনক দিনে তেওঁলোকৰ নিজৰ ভাষা আৰু সংস্কৃতিৰ জ্ঞান হেৰুৱাইছে। অৱশ্যে এইটো সঁচা যে ভাষা আৰু সংস্কৃতিৰ উত্তৰোত্তৰ বিকাশ সাধন কৰাটো জনজাতীয় লোকসকলৰ ওচৰত এৰি দিয়া হৈছে। তথাপি মানৱৰ ওপৰত আৰু সাংগঠনিক তথা বিত্তীয় সম্পদৰ ওপৰত নিয়ন্ত্ৰণৰ অভাৱৰ হেতু জনজাতীয় লোকসকলে এই দিশত উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ সমৰ্থবান হোৱা নাই। কেৱল যেতিয়া এনেধৰণৰ সমৰ্থন কিবা নহয় কিবা ধৰণেৰে প্ৰাপ্ত হয়, তেতিয়াহে তেওঁলোকে তেওঁলোকৰ সংস্কৃতিক ৰক্ষা কৰিবলৈ সমৰ্থ হয়। এনে অৱস্থাৰ পৰাই এইটো পৰিষ্কাৰ যে কিয় পশ্চিম, উত্তৰ আৰু দক্ষিণ ভাৰতত জনজাতীয় ভাষা আৰু সংস্কৃতিৰ ক্ষেত্ৰত ইমান অধিক স্খলন ঘটিছে। পূব ভাৰতত, বিশেষকৈ উত্তৰ-পূব অঞ্চলত, দৃশ্যপট কিছু ভাল। ইয়াৰ ঘাই কাৰণ হ'ল উত্তৰ-পূব ভাৰতত এক ধৰণৰ প্ৰতিষ্ঠানমূলক ব্যৱস্থা আছে যিটোৱে এনে বিকাশত সুবিধা প্ৰদান কৰে। এই ব্যৱস্থাটোৱে অধিক উৎসাহ লাভ কৰে জনজাতীয় ৰাজ্য আৰু স্বায়ত্তশাসিত জিলা সৃষ্টি কৰাৰ লগে লগে। ইয়াৰ পৰা এইটো পৰিলক্ষিত হয় যে এনে ধৰণৰ সমূহীয়া অধিকাৰ উপলব্ধ কৰিব পাৰি যেতিয়া জনজাতি লোকসকলে নিজে শাসন কৰিবলৈ এক ৰাষ্ট্ৰীয়তা মনোভাব অথবা জাতি ৰূপে নিজকে চাব পাৰে।

পিছে এইটো ব্যঙ্গাত্মক বিষয় যে অনেক অৰ্থপূৰ্ণ সাংবিধানিক ব্যৱস্থা আৰু আইন থকা সত্ত্বেও— যাৰ লক্ষ্য হ'ল জনজাতি সম্প্ৰদায়সমূহৰ কল্যাণ আৰু স্বাৰ্থক অটুট ৰখা আৰু ৰক্ষণাবেক্ষণ দিয়া— তথাপি জনজাতীয় লোক-সকলক সীমামূৰীয়া কৰা প্ৰক্ৰিয়াৰ গতি অব্যাহত আছে। পিছে এনে সীমামূৰীয়া অৱস্থাৰ মূল গুৰি হ'ল বলৱৎ কৰা আইনবোৰ নিজেই। জনজাতীয় লোকৰ পঢ়া আৰু লিখাৰ কোনো পৰম্পৰা নাই আৰু সেয়ে এনে আইনবোৰ ৰেকৰ্ড কৰি ৰখা তথা সেই মতে ব্যৱস্থা গ্ৰহণ কৰাৰ কোনো পৰম্পৰা নাই। আদালতৰ ভাষা আৰু কাম-কাজ তেওঁলোকৰ পৰা সম্পূৰ্ণ বেলেগ। এনেবোৰ পৰম্পৰাৰ অনুপস্থিতিত অ-জনজাতীয় লোক-সকলে সেই আইনৰ সুবিধা গ্ৰহণ কৰি বিভিন্ন উপায়েৰে জনজাতীয় লোকৰ মাটি দখল কৰি নিজৰ কৰি লয়। অ-জনজাতীয় লোকৰ দ্বাৰা সাধাৰণতে চোৰা-চিতা কৰা থলুৱা প্ৰশাসন জনজাতিৰ মুৰব্বীসকলৰ স'তে মিলি-জুলি কাম কৰে যাৰ দ্বাৰাই জনজাতি লোকৰ মাটি অ-জনজাতি লোকলৈ সহজভাৱে হস্তান্তৰ হোৱাৰ নিশ্চয়তা কৰে।

ওপৰোক্ত সকলো বিষয়কে মিলাই এইটো ক'ব পাৰি যে জনজাতি লোকসকলক ৰক্ষা কৰা আইন আছে আৰু সাধাৰণ নাগৰিকত্ব আৰু মানৱ স্থিতিৰ বাবেও আইন আছে। পিছৰ আইন নাগৰিকত্বৰ উপৰি মানৱ অধিকাৰৰ ক্ষেত্ৰত নিৰ্দিষ্ট কৰা। জনজাতি লোকসকলৰ বাবে অধিকাৰৰ অৰ্থ হ'ল নাগৰিক অধিকাৰ আৰু বিশেষকৈ মানৱ অধিকাৰ ৰক্ষা কৰা বিষয়টো। এই প্ৰক্ৰিয়াত এটা গোটৰ বাবে অৰ্থ কৰা নিৰ্দিষ্ট আইনবোৰ যদিও সীমিত পৰিসৰৰ তথাপি সততেই সাধাৰণ আইনৰ তলৰ অৰ্থাৎ বাছ-বিচাৰ যোগ্য হয়। সেই একেদৰে জনজাতি সুৰক্ষা সাধন ধ্যান দিয়া আইন আছে আৰু ৰাজহুৱা স্বাৰ্থৰ বাবে লক্ষ্য কৰা আইনো আছে। তেনে ৰাজহুৱা স্বাৰ্থ হ'ল— মাটি অধিগ্ৰহণ আইন, সংৰক্ষণ আইন, বন আইন, বন্যপ্ৰাণী আইন ইত্যাদি। এই পিছৰ আইন ৰাজহুৱা স্বাৰ্থ আৰু উদ্দেশ্যৰ বাবে আগৰ আইনৰ ওপৰত প্ৰাধান্যতা সততেই আহি পৰে আৰু সেই কাৰণে জনজাতিসকলৰ অধিকাৰ-সমূহক ৰাষ্ট্ৰ আৰু ৰাজহুৱা স্বাৰ্থৰ কাৰণত জলাঞ্জলি দিব লগা হয়। চমুকৈ ক'বলৈ হ'লে ভাৰতৰ ন্যায়িক ব্যৱস্থা আৰু যিসকলে ইয়াক পৰিচালনা কৰে সেই সকলে জনজাতি লোকসকলৰ ন্যায়িক ব্যৱস্থা তথা ন্যায়গত অধিকাৰ-সমূহৰ প্ৰতি সাধাৰণতেই ভাৱি-চিন্তি চাব লগা হয় আৰু কিছুমান বিষয়ৰ ক্ষেত্ৰত দেশখনৰ উদ্দেশ্যই ইয়াত আগ ঠাই পায়। ❐

# আদিবাসীসকলৰ স্ব-শাসনৰ প্ৰকৃত ৰূপায়ণ একমাত্ৰ ৰক্ষাকৱচ

**ৰাহুল বেনাৰ্জী***

**সাংবিধানিক সাঁথৰ**

২০০১ চনৰ এপ্ৰিলৰ এটা বেচ গৰম দিনৰ পিছবেলাৰ কথা। মধ্য প্ৰদেশৰ দেৱাছ জিলাৰ বাগলি টেহছিলৰ কাটুকিয়া গাঁৱৰ আদিবাসী মটিয়াভাই পেটেল নিজৰ ঘৰত বহি আছিল। ঘৰটো জহি-খহি গৈছে। তেনে অৱস্থাত মটিয়াভাইক দেখি তেতিয়াৰ ৰাষ্ট্ৰীয় অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি আয়োগৰ অধ্যক্ষ শ্ৰীদিলীপ সিঙে সুধিছিল, ভাৰতৰ নাগৰিক হিচাপে নিজৰ ঘৰখনত মৰ্যাদা সহকাৰে জীয়াই থকাৰ তেওঁৰ জানো অধিকাৰ নাই।

পিছে কথা হ'ল মটিয়া পেটেলৰ দৰে আদিবাসীসকলক স্বতন্ত্ৰ ভাৰতত এই প্ৰশ্নটো বাৰে বাৰে কিয় কৰিব লগা হৈছে যি ক্ষেত্ৰত তাৰ কোনো এক সন্তোষজনক উত্তৰপোৱা হোৱা নাই? সাংবিধানিক ৰক্ষণাবেক্ষণ আৰু অন্যান্য কল্যাণমূলক আইন প্ৰণয়ন কৰা সত্বেও আদিবাসীসকলে যেতিয়াই কোনো এক বৈশিষ্ট্যপূৰ্ণভাৱে তেওঁলোকৰ অধিকাৰৰ বাবে দাবী জনায় কিয় ৰাজ্য চৰকাৰৰ কৰ্কশ হাতৰ বলি হ'ব লগা হয়? কিয় অনুসূচিত এলেকা আইন ১৯৯৬ৰ অধীনৰ পঞ্চায়ত সম্প্ৰসাৰণ ব্যৱস্থাই আদিবাসীসকলৰ বাবে তেনেদৰে কল্যাণ সাধন কৰাত অসমৰ্থ হৈছে? অথচ এই আইনখনক প্ৰাৰম্ভিক অৱস্থাত আদিবাসীসকলৰ ক্ষেত্ৰত কৰি অহা সকলোবোৰ অবিচাৰৰ এক 'কৱচ' ৰূপে প্ৰশংসা কৰা হৈছিল? স্বাধীনতা লাভৰ ছয় দশকৰ পাছতো আদিবাসীৰ স্ব-শাসন কিয় এতিয়াও বাস্তৱায়িত হোৱা নাই? এই সকলোবোৰ জ্বলন্ত প্ৰশ্নৰ উত্তৰ পাবলৈ বিভিন্ন ন্যায়িক ব্যৱস্থাৱলী যিবোৰে ওপৰত উল্লেখ কৰা আইনখন প্ৰণয়ন কৰাৰ পথ প্ৰশস্ত কৰে আৰু ইয়াৰ পৰৱৰ্তী কালৰ অ-ৰূপায়িত অৱস্থা সম্বন্ধে ইতিহাস জনাৰ প্ৰয়োজন হ'ব।

খান আব্দুল গাফৰ খান আৰু জয়পাল সিঙৰ দৰে আদিবাসী নেতাসকলৰ উপস্থিতিয়ে এক প্ৰভাৱ পেলায়— যাৰ ফলত সংবিধান সভাত (কনষ্টিটিৱেণ্ট এছেম্বলী) আদিবাসী সম্প্ৰদায়সমূহৰ গুণগত বৈশিষ্ট্য আৰু শোষণবিহীন প্ৰকৃতিক প্ৰশংসা কৰা হয়। লগতে তেওঁলোকক আধুনিক অৰ্থনীতিৰ স'তে সমন্বিত কৰাৰ প্ৰক্ৰিয়া বাহাল ৰাখিবলৈ ভবা হয়— যাতে তেওঁলোকে সা-সুবিধাবোৰ গ্ৰহণ কৰিব পাৰে। তাৰ ফলস্বৰূপে সংবিধানত অনেক ব্যৱস্থাৰ দিহা কৰা হয় আৰু আদিবাসীসকলৰ কল্যাণ তথা সুৰক্ষা সাধনৰ অৰ্থে ভালেমান আইন প্ৰণয়ন কৰা হয়। সি যি কি নহওক, ১৯৫০ দশকৰ আগভাগৰ পৰা আৰম্ভ কৰা কেন্দ্ৰীভূত পৰিকল্পনা প্ৰক্ৰিয়াত গুৰুত্ব আৰোপ কৰা আধুনিক ঔদ্যোগিক বিকাশ কাৰ্যসূচীৰ আৱশ্যকতা তথা ৰাজ্যিক কৰ্তৃপক্ষসমূহৰ আদিবাসী-সকলক ক্ষমতাহীন কৰিবলৈ হাতত লোৱা ব্যৱস্থাই এনে এক নীতি গ্ৰহণ কৰিবলৈ আগবাঢ়ি যায় যিটো আদিবাসী এলেকাসমূহত অধিকভাৱে অনুপ্ৰৱেশ কৰাটোকে সূচায়। এয়া ঔপনিৱেশিক কালত গ্ৰহণ কৰা পদক্ষেপতকৈ একোৱ চৰা। উদ্দেশ্য হ'ল সেইবোৰ এলেকাত থকা বিশাল প্ৰাকৃতিক সম্পদৰাজিক কামত লগোৱা।

স্বতন্ত্ৰ ভাৰত চৰকাৰে আধুনিক ঔদ্যোগিক বিকাশ সাধনত ইন্ধন যোগাবৰ বাবে ব্ৰিটিছৰ দিনৰ সম্পদ উপলব্ধকৰণ নীতিকেই অব্যাহত ৰাখে। ব্ৰিটিছে ভাৰতীয় দণ্ডবিধি আইন ১৮৬০ চনত আৰু অপৰাধী নীতি বিষয়ক আইন (চি আৰ পি চি) ১৮৬১ চনত প্ৰণয়ন কৰে। কিছু সামান্য সংশোধনেৰে এইবোৰ আইন এতিয়াও প্ৰচলন হৈ আছে আৰু এনে ধৰণে বিধিবদ্ধ কৰা হৈছে যে প্ৰশাসনে সহজ উপায়েৰে সংগঠিত ৰাজহুৱা মতভেদক দমন কৰিব পাৰে।

এই সকলোবোৰ ক্ষেত্ৰত আটাইতকৈ ডাঙৰ ত্ৰুটী হ'ল এই যে গান্ধীজীৰ 'গ্ৰাম স্বৰাজ'ৰ ভাৱধাৰা অথবা স্বায়ত্তশাসিত গ্ৰাম্য অনুষ্ঠান স্থাপনৰ জৰিয়তে তৃণমূল স্তৰত গণতন্ত্ৰক উদগনি জনোৱা ভাৱধাৰাকো উৰাই দিয়া হয়। ৰাষ্ট্ৰ নীতিৰ মূল সূত্ৰাৱলীত পঞ্চায়তী-ৰাজক অন্তৰ্ভুক্ত কৰা হয়। বিনামূলীয়া শিক্ষা, স্বাস্থ্য আৰু পৌষ্টিক সেৱা তথা এক মৰ্যাদাপূৰ্ণ জীৱিকা নিৰ্বাহৰ উপায়ৰ দৰে মূল অধিকাৰকো এই ধাৰাত

---

*ৰাহুল বেনাৰ্জী এগৰাকী সমাজকৰ্মী আৰু উন্নয়নশীল গৱেষক

অন্তৰ্ভুক্ত কৰা হয়। এনেদৰে যিবোৰ ব্যৱস্থাৱলীয়ে আদিবাসী লোকসকলক সজাগ আৰু স্বাস্থ্যৱান কৰি তুলিব পাৰিলেহেঁতেন তথা তেওঁলোকৰ নিজস্ব গুণৰাজিৰে নিজৰ বিকাশমূলক কাম-কাজসমূহ ৰূপায়ণ কৰিবৰ কাৰণে এক প্ৰতিষ্ঠানমূলক গাঁথনি যোগান ধৰিব পাৰিলেহেঁতেন সেইবোৰ সম্পূৰ্ণৰূপে স্বাধীনতা লাভ কৰাৰ পাছত কেন্দ্ৰ তথা ৰাজ্য উভয়তে অৱজ্ঞা কৰা হয়। আৰু এনেদৰেই আভ্যন্তৰীণ ঔপনিৱেশবাদ তথা সামন্তবাদৰ দৰে এক আকাৰৰ ৰূপ ধাৰণ কৰিবলৈ পথ প্ৰশস্ত কৰি তোলে। বিষয়বোৰ আৰু অধিক জটিল কৰি তোলা হয় যেতিয়া মূল অধিকাৰ-সমূহকো সহজভাৱে প্ৰাপ্ত কৰাৰ ক্ষেত্ৰতো নিশ্চিত হোৱা নাযায়। কাৰণ তেনেবোৰ সমস্যা সমাধান কৰিবৰ বাবে উচ্চ ন্যায়ালয় আৰু উচ্চতম ন্যায়ালয়ৰ ওচৰ চপাৰ ক্ষেত্ৰত বিপুল ধনৰাশি ব্যয়ৰ কথাটো জড়িত আছে। যি ক্ষেত্ৰত তেতিয়াৰ দিনৰ ৰাজন্যবৰ্গ, ভূ-স্বামী আৰু ঔদ্যোগপতিসকলে দুখীয়া লোকে ন্যায় প্ৰদানৰ পথ বন্ধ কৰিবলৈ সঘনে আদালতলৈ যাব পাৰে, তেনে ক্ষেত্ৰত দুখীয়াসকলে তেনে কৰাটো সম্ভৱ হৈ নুঠে আৰু শাসনকৰ্তাসকলৰ বেআইনী কাম-কাজক সহ্য কৰিব লগা হয়।

**আদিবাসীসকলৰ সমস্যা**

পূৰ্বতে উল্লেখ কৰাৰ দৰে সংবিধানত হিত সাধনৰ অৰ্থে বিশেষ ব্যৱস্থাৱলী সন্নিৱিষ্ট কৰা হৈছে। অসম, মেঘালয়, ত্ৰিপুৰা আৰু মিজোৰামক ষষ্ঠ অনুসূচীৰ ব্যৱস্থাৱলীৰ দ্বাৰা সামৰি ল'ব লাগিব আৰু আনহাতে অন্ধ্ৰ প্ৰদেশ, ছত্তিশগড়, মহাৰাষ্ট্ৰ, উৰিষ্যা, ঝাৰখণ্ড, হিমাচল প্ৰদেশ, মধ্য প্ৰদেশ, গুজৰাট আৰু ৰাজস্থানক পঞ্চম অনুসূচীৰে সামৰি ল'ব লাগিব। এই ব্যৱস্থাৱলীৰ আঁৰত থকা ঘাই দৰ্শনৰ বিষয় হ'ল জনজাতীয় লোকসকলৰ এক অনন্য সমূহীয়া ধৰণৰ সংস্কৃতি আছে। সেয়া এক সুকীয়া জীৱন ধাৰাৰ ওপৰত প্ৰতিষ্ঠিত আৰু আধুনিক ঔদ্যোগিক বিকাশ কাৰ্যৰ দ্বাৰা প্ৰভাৱান্বিত কৰি তোলা জীৱন শৈলীৰ পৰা সম্পূৰ্ণ বিপৰীত। সেয়ে এই সংস্কৃতিক আধুনিক বিকাশ প্ৰক্ৰিয়াৰ দুৰন্ত ছাপৰ পৰা আঁতৰাই সংৰক্ষণ কৰাটো প্ৰয়োজন। এই দৃষ্টিভঙ্গী পোষণ কৰা প্ৰথমজন ব্যক্তি আছিল ব্ৰিটিছ প্ৰশাসক, নৃতত্ত্ববিদ আৰু সমাজ কৰ্মী ভেৰিয়াৰ এলউইন। এই ক্ষেত্ৰত এৱেঁই নেহৰুক প্ৰভাৱান্বিত কৰিছিল তথা জনজাতীয় এলেকাসমূহৰ বাবে 'পঞ্চশীল'ৰ ঘাই হোতা আছিল। পিছে তৃণমূল পৰ্যায়ৰ পৰা আঁতৰি আহি ক্ষমতাৰ ভীষণ ভাৰসাম্যহীনতালৈ চাই এই মহৎ ভাবাদৰ্শ বাস্তৱত পৰিণত হোৱাৰ ক্ষেত্ৰত এক সপোন হৈয়েই থাকে।

ষষ্ঠ অনুসূচীৰ অধীনত থকা ব্যৱস্থাৱলী মতে স্বায়ত্বশাসিত জিলা পৰিষদ প্ৰতিষ্ঠানৰ জৰিয়তে সেইবোৰ এলেকাত বসবাস কৰা জনজাতীয় লোকসকলৰ প্ৰশাসনৰ কাৰণে নিজাববীয়া নীতি দিহা কৰিব লাগে। স্বায়ত্তশাসিত জিলা পৰিষদবোৰক জনজাতীয় লোকসকলৰ জীৱনৰ বহু দিশ নিৰ্ণয় কৰা সন্দৰ্ভত সেই লোকসকলক কিছু ক্ষমতা দিলেও সেইবোৰ নিজে থকা ৰাজ্যখনৰ অধিক ক্ষমতাৰ দ্বাৰা সীমিত কৰা হয়। অসম আৰু ত্ৰিপুৰাৰ ক্ষেত্ৰত জনজাতীয় লোকসকললৈ কোনো বিশেষ ৰেহাই দানৰ পক্ষপাতিত্ব নথকা অ-জনজাতীয় লোকসকলে ৰাজ্যৰ বিধানসভাত প্ৰাধান্য বিস্তাৰ কৰে আৰু জিলা পৰিষদৰ ক্ষমতাৰ স্বাভাৱিক ৰূপায়ণত হেঙাৰ সৃষ্টি কৰে। মেঘালয় আৰু মিজোৰামত ৰাজ্যিক পৰ্যায়ৰ জনজাতীয় নেতাসকলে জিলা পৰিষদসমূহৰ সকলো ক্ষমতা নিজৰ ফলীয়া কৰি লয়। পৰিষদৰ দ্বাৰা গ্ৰহণ কৰা আইন আৰু বিধিসমূহত অনুমোদন নজনাবৰ কাৰণে সমস্যাৰ সৃষ্টি কৰে আৰু বিকাশমূলক কাম-কাজ হাতত ল'বৰ কাৰণে তেওঁলোকৰ (পৰিষদ) বাবে থকা পুঁজিৰ ক্ষেত্ৰত সীমাৱদ্ধতা আনি দিয়ে। জনজাতীয় লোকসকলৰ উন্নয়ন আৰু সবলীকৰণ কৰাটোৱেই হ'ল নিয়ম, কিন্তু উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত তেওঁলোকৰ আশা-আকাংক্ষা পূৰণ কৰাৰ ক্ষেত্ৰত জিলা পৰিষদসমূহ যথেষ্ট পিছপৰি থাকিব লগাত পৰে (ৰয়-বৰ্মণ, ১৯৯৭)।

পঞ্চম অনুসূচীৰ এলেকাসমূহৰ অৱস্থা আৰু শোচনীয়। এই অনুসূচীৰ ৫ ধাৰাৰ প্ৰাসঙ্গিক অংশ এনেধৰণৰ—

**৫ (২)** ঃ এখন ৰাজ্যৰ যিকোনো এলেকা— যি সাম্প্ৰতিক স্তৰত অনুসূচিত এলেকাৰূপে পৰিগণিত, তেনে এলেকাৰ শান্তি আৰু সুপ্ৰশাসনৰ বাবে ৰাজ্যপালে বিধি-নিয়ম কৰিব পাৰে। চলিত ক্ষমতাৰ সাধাৰণ বিষয়লৈ দৃষ্টি ৰাখি কোনো বিদ্বেষৰ ভাব নাৰাখি এনে বিধি-নিয়মসমূহে—

ক) তেনে এলেকাৰ মাটি অনুসূচিত জনজাতিৰ লোকৰ মাজত অথবা আনক হস্তান্তৰ কৰাত নিষেধ কিম্বা বাধা আৰোপ কৰিব পাৰে;

খ) এনে এলেকাৰ অনুসূচিত জনজাতিৰ লোকলৈ মাটিৰ আবণ্টন বিধিবদ্ধ কৰিব পাৰে;

গ) এনে এলেকাত অনুসূচিত জনজাতিৰ লোকক টকা ধাৰে দিওঁতাসকলক ঋণদাতা ৰূপে কাৰবাৰ কৰাৰ ক্ষেত্ৰত বিধিবদ্ধ কৰিব পাৰে।

৫ (৩) ঃ এই অনুচ্ছেদৰ উপ-অনুচ্ছেদ (২)ত উল্লেখিত এনে যিকোনো কাৰ্য বিধিবদ্ধ কৰাৰ ক্ষেত্ৰত ৰাজ্যপালে সংসদ অথবা ৰাজ্যৰ বিধানসভাৰ যিকোনো আইন অথবা তেনে এলেকাত সম্প্ৰতি প্ৰযোজ্য যিকোনো আইনক বাতিল কিম্বা সংশোধন কৰিব পাৰে।

এনেদৰে প্ৰতিপাদ্যমূলকভাৱে এখন ৰাজ্যৰ ৰাজ্যপালৰ কাৰণে ৰাজ্যখনৰ আদিবাসী বিধায়কসকলেৰে গঠিত জনজাতীয় উপদেষ্টা পৰিষদৰ পৰামৰ্শ মতে ভাৰতীয় বন আইন আৰু মাটি অধিগ্ৰহণ আইনৰ প্ৰয়োগক বাধা কিম্বা বাতিল কৰা সম্ভৱ। এই ব্যৱস্থাৱলীৰ অতি গুৰুত্বপূৰ্ণ দিশটো হ'ল এই যে ৰাজ্যপালে আদিবাসী এলেকাসমূহত 'শান্তি আৰু সু-প্ৰশাসন'ৰ নিশ্চয়তা কৰিবৰ অৰ্থে সেইবোৰ ৰূপায়িত কৰিব পাৰে। সংবিধান তৈয়াৰ কৰোঁতাসকলে অনুভৱ কৰিছিল যে এয়া সম্ভৱ হ'ব পাৰে যদিহে আদিবাসী লোকসকলক তেওঁলোকৰ নিজা আইন আৰু আচাৰ-পদ্ধতি অনুসৰি বিকাশ সাধন কৰিবলৈ দিয়া হয়। পিছে ই কেতিয়াও কাৰ্যত পৰিণত নহ'ল, কাৰণ ই এক বাধ্যতামূলক ব্যৱস্থা নহয়, মাত্ৰ ৰাষ্ট্ৰ নীতিৰ নিৰ্দেশনাত্মক সূত্ৰসমূহৰ দৰে এক পৰামৰ্শহে। এনে সূত্ৰৰ ৰূপায়ণৰ বাবে দেশত কাৰ্যবাহীৰ ওপৰতহে নিৰ্ভৰ কৰিব লগা হয়।

তাৰ পৰিণাম স্বৰূপে আদিবাসী এলেকাসমূহত শান্তি কিম্বা সু-প্ৰশাসন বিৰাজ কৰা নাই। স্বাধীনতা লাভৰ পৰৱৰ্তী ষাঠি বছৰৰ ইতিহাস মধ্য ভাৰতৰ আদিবাসীসকলৰ অসংখ্য সংগ্ৰামেৰে ভৰা। আৰু সেই সংগ্ৰাম তেওঁলোকে ভাৰতীয় বন আইন তথা ভূমি অধিগ্ৰহণ আইনক নিৰ্মমভাৱে ৰূপায়ণ কৰিবলৈ লওঁতে ৰাজ্যই কৰা অন্যায়ৰ বিৰুদ্ধে কৰিব লগা হয়। লগতে পঞ্চম অনুসূচীক ৰূপায়ণ নকৰা বিষয়টো ইয়াত জড়িত আছে। আদিবাসীসকলৰ বৃহৎ সংগঠনৰ দ্বাৰা বিস্তৃত আকাৰত প্ৰতিবাদ কৰা হয়।

ছামঠা বনাম অন্ধ্ৰ প্ৰদেশৰ (১৯৯৭ তথা এছ চি চি ১৯১) গোচৰটোলৈ মন কৰক। গুচৰীয়াই অন্ধ্ৰ প্ৰদেশে অনুসূচিত আদিবাসী এলেকাত খনিজ খনন কৰিবলৈ এটা ব্যক্তিগত কোম্পানীক লীজত দিবলৈ কৰা সিদ্ধান্তৰ বিৰুদ্ধে যুঁজে আৰু সেই যুঁজখন উচ্চতম ন্যায়ালয় পায়গৈ। উচ্চতম ন্যায়ালয়ে এক ঐতিহাসিক ৰায়দান সংবিধান সভাৰ বিতৰ্কৰ আলমত প্ৰদান কৰে। ৰায়দানত কোৱা হয় যে পঞ্চম অনুসূচী তৈয়াৰ কৰোঁতে সংবিধানৰ প্ৰতিষ্ঠাতাসকলৰ অভিপ্ৰায় আছিল আদিবাসী লোক-সকলক তেওঁলোকৰ মাটিৰ অধিকাৰ হেৰুওৱাৰ পৰা ৰক্ষা কৰা। সংবিধানত যদিও প্ৰকৃত শব্দটো ৰাজ্যপালে তেওঁলোকৰ লাভাৰ্থে কাম 'কৰিব পাৰে' বুলি উল্লেখ আছে তথাপি তাক ' কৰিব' বুলিহে পঢ়া উচিত। আৰু এনেদৰে আদিবাসীসকলৰ মাটি অনা-আদিবাসীক হস্তান্তৰ কৰাক উপযুক্তভাৱে বাধা দিয়া হয়। এই দৃষ্টিভঙ্গীক ওড়িছাৰ শেহতীয়া নিয়ামগিৰি গোচৰটোৰ ক্ষেত্ৰত উচ্চতম ন্যায়লয়ে দিয়া ৰায়দানৰ দ্বাৰা আৰু অধিক সবল কৰা হয়। ন্যায়ালয়ৰ উক্ত ৰায়দানত এইবুলি কোৱা হয় যে তেওঁলোকৰ মাটি পৰম্পৰাগতভাৱে ব্যৱহাৰ কৰি থকাৰ বাহিৰেও আন কামত ব্যৱহাৰ কৰিব পাৰে নেকি সেই সম্বন্ধে সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত আদিবাসী গ্ৰামসভাৰ শেষ কথা হ'ব। এইটোৱে সম্প্ৰতি আদিবাসীসকলৰ স্ব-শাসনৰ বাবে আন্দোলন চলাই থাকিবলৈ ক্ষমতা প্ৰদান কৰিছে। ইয়াৰ পাছত বিস্তৃত কৰা হ'ব।

**প্ৰতিশ্ৰুতিমূলক ব্যৱস্থা**

ৰাজনৈতিক সজাগতা আৰু সাক্ষৰতাৰ স্তৰ বৃদ্ধি হোৱাৰ লগে লগে তথা বিকাশৰ কেন্দ্ৰীভূত ভাবধাৰা সঠিকভাৱে গা কৰি উঠিব নোৱাৰা বাবে তৃণমূল পৰ্যায়ৰ প্ৰশাসন প্ৰতিষ্ঠানৰ অভাৱ দেখ দেখকৈয়ে এক সমস্যা হৈ পৰিছে। সেয়ে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ কান্ধৰ পৰা উত্তৰদায়ীতাৰ কিছু বোজা ল'বলৈ এক তিনি তৰপীয়া গণতান্ত্ৰিক প্ৰতিষ্ঠান যোগান ধৰাটো প্ৰয়োজন হৈ পৰে। ফলস্বৰূপে ঘাই সুঁতিৰ দলবিলাকৰ ভিতৰত তথা বিভিন্ন গণ সংগঠন আৰু এন জি অ'ৰ তৰফৰ ছাপৰ সৃষ্টি হয় আৰু মুৰকত ১৯৯২ চনত ৭৩তম সংবিধান সংশোধন গ্ৰহণ কৰাৰ পথ প্ৰশস্ত কৰে আৰু ইয়াৰ দ্বাৰাই পঞ্চায়তীৰাজক বাধ্যতামূলক কৰা হয়। সংবিধানৰ নৱম ভাগৰ ২৪৩ এম (৪) (২) অনুচ্ছেদত এইদৰে কোৱা হৈছে যে 'সংসদে আইনৰ দ্বাৰা এই ভাগটোৰ ব্যৱস্থা অনুসূচিত এলেকালৈ সম্প্ৰসাৰিত কৰিব পাৰে... এই স্বৰ্তত যে এনে বিধিত নিৰ্দিষ্ট কৰা ধৰণে এনে ব্যতিক্ৰম আৰু সংশোধন কাৰ্যত আগবাঢ়িব পাৰে।' এয়াই হ'ল পোন প্ৰথমবাৰৰ বাবে লোৱা ব্যৱস্থা— যাৰ দ্বাৰাই এক কেন্দ্ৰীয় আইনক অনুসূচিত এলেকাবোৰলৈ স্বয়ংক্ৰিয়-ভাৱে সম্প্ৰসাৰণ কৰা হোৱা নাই। লগতে এইটোও কোৱা হয় যে সংসদে প্ৰণয়ন কৰা এনে আইন সংবিধান সংশোধন কৰা নুবুজায় আৰু সেয়ে এক সহজ গৰিষ্ঠতাৰে ইয়াক গ্ৰহণ কৰিব পাৰে। এই বিশেষ আইনৰ ব্যৱস্থা ৰাজ্যপালে পঞ্চম অনুসূচীৰ ব্যৱস্থাৱলী ৰূপায়ণ কৰাৰ অপাৰগতাৰ কথালৈ মন কৰিয়েই কৰা হয়।

পিছে কেন্দ্ৰীয় চৰকাৰে এই বিশেষ আইনখন গ্ৰহণ কৰা তথা অনুসূচিত এলেকাবোৰলৈ ৭৩তম সংশোধনৰ ব্যৱস্থাৱলী সম্প্ৰসাৰণ কৰাত কোনো উৎসাহ নেদেখুৱায়। শেহত যেনিবা চৰকাৰে ১৯৯৪ চনত সাংসদ আৰু বিশেষজ্ঞৰ এখন কমিটী গঠন কৰে। উক্ত কমিটীয়ে এই উদ্দেশ্য সাধনৰ বাবে প্ৰণয়ন কৰিব লগা বিশেষ আইনখনৰ পৰিকাঠামো সম্পৰ্কে পৰামৰ্শ আগবঢ়াব আৰু নতুন আইনখনৰ ভাবৰাজিৰ স'তে ৰজিতা খুৱাকৈ গ্ৰহণযোগ্যভাৱে অন্যান্য ব্যৱস্থাত থকা আৱশ্যকীয় বিষয় পৰিৱৰ্তন সধা সম্পৰ্কেও মত জ্ঞাপন কৰিব। কমিটীৰ অধ্যক্ষ প্ৰাক্তন সাংসদ শ্ৰীদিলীপ সিং ভুৰিয়াই ১৯৯৫ চনৰ ১৭ জানুৱাৰীত প্ৰতিবেদন দাখিল কৰে। তাৰ পাছৰ পৰাই ইয়াক ভুৰিয়া কমিটী ৰূপে জনা যায়। প্ৰতিবেদনত ঘাইকৈ প্ৰশাসন আৰু বিকাশৰ সকলো ক্ষেত্ৰতে আদিবাসী গ্ৰাম সভাৰ গুৰুত্বৰ কথা উল্লেখ কৰিছে আৰু গ্ৰাম সভাক এক ক্ষুদ্ৰ আদিবাসী প্ৰতিষ্ঠান ৰূপে গণ্য কৰিছে। ইয়াক প্ৰশাসনীয় পঞ্চায়ত ৰূপে ধৰা হোৱা নাই। এনে পঞ্চায়তত এক বা ততোধিক গাঁও থাকিব পাৰে। গ্ৰাম সভাৰ কাৰণে এয়া কাম-কাজ কৰাৰ ক্ষেত্ৰত বৃহৎ ক্ষেত্ৰ হ'ব পাৰে। সেয়ে তাক সীমিত অৱস্থাত ৰাখিবলৈ লোৱা হয়। অনুসূচিত এলেকাবোৰলৈ পঞ্চায়তৰ ব্যৱস্থাৱলী সম্প্ৰসাৰণ বিষয়ক আইনখন প্ৰণয়ন ক্ৰমে আদিবাসী এলেকাবোৰত গ্ৰাম সভাৰ কৰিবলগা কেনে ধৰণৰ ঘাই কাম-কাজসমূহ আছে তাক প্ৰতিষ্ঠিত কৰিছে— যদিও ইয়াক যিমানখিনি ক্ষমতা লাভ কৰিব লাগিছিল সিমান বিস্তৃত ক্ষমতা প্ৰদান কৰা হোৱা নাই।

**ভ্ৰম আৰু বাস্তৱ**

১৯৯৭ চনত মধ্য প্ৰদেশ পঞ্চায়ত-ৰাজ আইনখন অনুসূচিত এলেকাৰ সম্প্ৰসাৰণ আইন অনুসৰি সংশোধন কৰা হয় আৰু ১৯৯৮ চনত ইয়াৰ ৰূপায়ণৰ বাবে বিধি-নিয়ম যুগুতোৱা হয়। গ্ৰাম সভা অথবা গ্ৰাম পৰিষদক ঘাই সিদ্ধান্ত নিৰ্ণায়ক সংস্থা কৰা হয়; আৰু সেয়ে আদিবাসীৰ জীৱনধাৰা আৰু সংস্কৃতিৰ প্ৰতি ধ্যান দিয়াৰ ক্ষেত্ৰত এক বিশেষ থলুৱা চৰকাৰী ব্যৱস্থা ৰূপে গ্ৰহণ কৰিবলৈ ন্যায়িকভাৱে সম্ভৱ কৰি তোলে। ভিল আদিবাসীৰ প্ৰাধান্য থকা সমগ্ৰ পশ্চিম মধ্য প্ৰদেশ অঞ্চলটোত এই ব্যৱস্থাৱলী ৰূপায়ণ কৰিবৰ বাবে হেঁচা প্ৰয়োগ কৰিবলৈ লোকসকলক একত্ৰিত কৰাৰ কাম গঢ়ি উঠে।

১৯৯৯ চনৰ পৰা এই অঞ্চলটোত বৃষ্টিপাতৰ পৰিমাণ তেনেই কম। বাৰৱানি আৰু ঝাবুৱা জিলা দুখনৰ কিছুমান টেহছিলক চৰকাৰীভাৱে খৰাং পীড়িত এলেকা ৰূপে ঘোষণা কৰা হয়; কিন্তু আন কিছুমান ঠাইত তেনে কৰা নহয়। তাৰ কাৰণ হ'ল সেইবোৰ ঠাইৰ ফচলৰ পৰিমাণ স্বাভাৱিক ফচলৰ ৩৭ শতাংশ স্তৰতকৈ কম নহয়। এখন জিলা বা টেহছিলক খৰাং এলেকা ৰূপে ঘোষণা কৰিবৰ কাৰণে সেই উল্লেখিত শতাংশ স্তৰতকৈ কম হ'ব লাগে। সি যি কি নহওক, খৰাং পীড়িত এলেকা ঘোষণা কৰাৰ পাছতো সাহায্য কামৰ বাবে এই দুখন জিলাত প্ৰত্যেককে ৩ আৰু ৪ কোটি টকাৰ মাজত পুঁজি মঞ্জুৰ কৰা হয়। বাকী বিভিন্ন কেন্দ্ৰীয় চৰকাৰৰ আঁচনিসমূহৰ জৰিয়তে সাধাৰণতে পাব লগা নিম্নতম ধনৰাশি আছেই। অঞ্চলটোৰ বাকী অংশই একো নাপায়। সেয়ে আদিবাসীসকলৰ গণ সংগঠনবোৰে চৰকাৰে যথেষ্টভাৱে সাহায্যমূলক কাম-কাজ হাতত ল'বৰ কাৰণে হেঁচা প্ৰয়োগ কৰাৰ ক্ষেত্ৰত বিৰাট অভিযান চলায়। ভূমি আৰু জল সংৰক্ষণ কাম-কাজৰ আঁচনি ৰাইজে যুগুতাই উলিয়ায় আৰু গ্ৰাম সভাই তাক মঞ্জুৰো কৰে তথা ইয়াৰ কাৰ্যকৰণৰ অৰ্থে প্ৰশাসন বিভাগলৈ পঠাই দিয়া হয়।

ইয়াৰ পৰিণতি হ'ল 'ছাহুকাৰ'-সকলক সুবিধা প্ৰদান কৰা। আদিবাসী লোক অন্য কোনো পদ্ধতিৰ অবৰ্তমানত এই 'ছাহুকাৰ'সকলৰ ওচৰলৈ যাব লগা হয় আৰু কামৰ বাবদ সুতৰ হাৰৰ বোজা বহন কৰিব লগা হয়। সেই সুতৰ হাৰ প্ৰতি মাহে ১০ শতাংশ বা ততোধিক স্তৰলৈ বাঢ়ি যায়। এই পৰিস্থিতিলৈ লক্ষ্য কৰি আদিবাসীসকলৰ গণ সংগঠনে এটা মাত্ৰ পথ বাছি উলিয়ায় যিটোৰ দ্বাৰাই অৱস্থাৰ উন্নয়ন সাধন কৰিব পাৰি; আৰু সেয়া হ'ল বিভিন্ন আইনৰ অধীনত চৰকাৰে ছাহুকাৰৰ বিৰুদ্ধে কাৰ্যব্যৱস্থা হাতত লোৱাটো। পিছে ইয়াৰ পৰা বিশেষভাৱে সকাহ নাপালে, কিয়নো পঞ্চায়তী ব্যৱস্থাৰ সম্প্ৰসাৰণ বিষয়ক আইনখনৰ সুবিধা গ্ৰহণ কৰাৰ ক্ষেত্ৰত গণ সংগঠনবোৰ সিমান শক্তিশালী নাছিল। সৰহভাগ ঠাইতেই সাধাৰণতে এনে সমস্যা আছে আৰু উল্লেখিত আইনখন ঘাইকৈ কাগজতহে আবদ্ধ আছে।

**আগলৈ কৰিবলগা কাম**

সঠিকভাৱে ৰূপায়ণ কৰাৰ ব্যৱস্থা গ্ৰহণ নকৰা সত্ত্বেও পঞ্চায়তী ব্যৱস্থাৰ সম্প্ৰসাৰণ বিষয়ক আইনখনে আদিবাসীসকলক বৰ্দ্ধিতভাৱে স্বায়ত্ততা প্ৰদান কৰাৰ অৰ্থে হেঁচা প্ৰয়োগ কৰিবলৈ ন্যায়িক তথা জনতাৰ ফালৰ পৰা অধিক সুবিধা প্ৰদান কৰিছে। এয়া উচ্চতম ন্যায়ালয়ে প্ৰদান কৰা ছামঠা আৰু

**(৪৩ পৃষ্ঠাত চাওক)**

# খাদ্য বিধেয়ক, বন্য খাদ্য আৰু আদিবাসী লোকসকল

মধু ৰামনাথ*

বলানগীৰৰ পৰা ৬০ কিলোমিটাৰ নিলগৰ গন্ধমাদন পাহাৰৰ পাদদেশত কেন্দ্ৰভাটা গাঁওখন অৱস্থিত। গাঁওখন সেউজীয়া অৰণ্যৰে ভৰপূৰ আৰু এক বৃহৎ এলেকাজুৰি কপাহ আৰু মাকৈ-জহাৰে ভৰা। এই অৰণ্য সীমামূৰীয়া নৱৰংগপুৰ জিলালৈ বিস্তাৰিত হৈ আছে। ৰামায়ণৰ দিনৰ পৰাই খ্যাতি থকা এই অঞ্চলৰ অৰণ্যৰ পৰা কাঠ আৰু ঔষধী গছৰ চোৰাং বেহাৰ কথা আলোচনা কৰাৰ উপৰি অৰণ্যখনৰ পৰা আদিবাসী লোকসকলে সংগ্ৰহ কৰা খাদ্যৰ বিষয়েও আলোচনা কৰাত মই আগ্ৰহী আছিলোঁ। যিটো ঘৰত আমি বহি গাঁৰৰ মানুহৰ লগত কথা পাতিছিলোঁ তাত তেওঁলোকে কৈছিল যে তেওঁলোকে যোৱা চাৰি বছৰ ধৰি মিঠা আলু খান্দি খোৱা নাই। ইয়াৰ কাৰণ এয়া নহয় যে মিঠা আলু উপলভ্য নহয়, কোনো মহিলা অথবা ল'ৰা-ছোৱালীয়ে সেয়া সংগ্ৰহ কৰিবলৈ হাবিলৈ নোযোৱাটোহে ইয়াৰ কাৰণ। তেওঁলোকে মাত্ৰ কাঠ বা বাঁহ আনিবৰ বাবেহে হাবিলৈ যায়। একেধৰণৰ ঘটনাই আন গাঁওবোৰতো ঘটি আছিল। তাত হাবিৰ পৰা সেউজীয়া খাদ্য সংগ্ৰহ কৰা আৰু খোৱাৰ পৰিমাণ কমি আহিছে। বয়স্ক লোকক বাদ দি খুব কমেইহে খোৱাৰ উপযোগী উদ্ভিদ চিনি পাইছিল। এনেদৰে খাদ্য সংগ্ৰহৰ পৰিৱৰ্তে খাদ্য ক্ৰয় কৰাৰ প্ৰৱণতাৰ ফলস্বৰূপে মানুহে প্ৰায়ে গাঁৰৰ পৰা নিলগত দিন মজুৰি কৰাৰ চিন্তা কৰিবলগাত পৰে। ইয়াৰ প্ৰভাৱ তেওঁলোকৰ স্বাস্থ্যত প্ৰতিফলিত হৈছিল, বিশেষকৈ মহিলাসকলৰ স্বাস্থ্যত। কিয়নো মহিলাসকল ৰক্তহীনতাত ভুগিছিল।

মৰ্যাদাসহকাৰে জীৱন নিৰ্বাহৰ অৰ্থে সুলভ মূল্যত উপযুক্ত পৰিমাণৰ গুণগত খাদ্য লাভ কৰাটো নিশ্চিত কৰাৰ যোগেদি খাদ্য তথা পুষ্টিগত সুৰক্ষা দিয়াৰ কাৰণেই ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন ২০১৩ প্ৰস্তুত কৰা হৈছিল। এই উচ্চাকাংক্ষিত উদ্দেশ্য সাৰোগত কৰা আইনখনৰ ১৫টা অধ্যায়ত বিভিন্ন বিষয় সামৰি লোৱা হৈছে আৰু ১৪ নম্বৰ অধ্যায়ত অসুৰক্ষিত আৰু জনজাতীয় অঞ্চলৰ কথা উল্লেখ কৰা হৈছে। দ্বিতীয় অনুসূচীত পুষ্টিৰ মানৰ কথা উল্লেখ কৰা হৈছে। (১) (ঘ)ৰ তৃতীয় অনুসূচীত খাদ্যশস্য উৎপাদনৰ ভূমি আৰু পানীৰ নায্যতাবিহীন অপসাৰণ নিষিদ্ধ কৰি কৃষিখণ্ডক পুনৰুজ্জীৱিতকৰণৰ লক্ষ্য নিৰ্দ্ধাৰিত কৰা হৈছে। আইনখনত খাদ্যশস্য যেনে ধান আৰু ঘেঁহুৰ কথাহে কোৱা হৈছে আৰু আন কেতবোৰ কৃষিজাত উৎপাদিত সামগ্ৰীৰ কথা উল্লেখ কৰা হৈছে। তাত জনজাতীয় তথা গ্ৰামাঞ্চলৰ লোকে খোৱা বিভিন্ন ধৰণৰ বন্য তথা অশস্যজাত খাদ্যৰ কথাৰ লেশমানো উল্লেখ নাই। কেৱল সংগ্ৰহ কৰাত হোৱা ব্যয়ৰ বাদে আন কোনোধৰণৰ ব্যয় নথকা ৪০০ৰো অধিক প্ৰজাতি থকা ভাৰতবৰ্ষৰ দৰে এখন দেশত এনেধৰণৰ ত্ৰুটী আশ্চৰ্যকৰ।

সুৰক্ষাৰ অৰ্থ বিচাৰি চালে আমি পাম যে বিপদ অথবা আশংকাৰ পৰা মুক্তি অথবা স্বাধীনতাই হ'ল সুৰক্ষা। খাদ্য সুৰক্ষাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ যোগেদি খাদ্য আৰু পুষ্টিৰ সুৰক্ষাৰ আশাপ্ৰদ পৰিস্থিতিৰ নিশ্চিতকৰণেই ইয়াৰ নিহিত অৰ্থ বুজায়। আমাৰ গ্ৰামাঞ্চল তথা অৰণ্য অঞ্চলত বাস কৰা জনতাই উপযুক্ত পৰিমাণৰ খাদ্য আৰু পুষ্টিক লৈ অনিশ্চয়তাত ভুগিছে নে তেওঁলোকৰ খাদ্য প্ৰদান কৰা উৎসৰ সংকোচন অথবা অস্তিত্বক লৈ অনিশ্চয়তাত ভুগিছে? প্ৰাকৃতিক সম্পদৰ উপলভ্যতাৰ ওপৰত ভিত্তি কৰি অঞ্চল ভেদে এই জটিল অথচ সময়োপযোগী প্ৰশ্নৰ উত্তৰ ভিন্ন হ'ব। কিন্তু এয়া দুৰ্ভাগ্যজনক যে যোৱা দুই-তিনি দশকজুৰি খাদ্য সুৰক্ষাৰ ক্ষেত্ৰত জনসাধাৰণে উপভোগ কৰিবলগা সুবিধাক চৰকাৰী নীতিত উপেক্ষা কৰি অহা হৈছে। খনন, নদী আৰু জলাশয়ৰ প্ৰদূষণৰ ফলত বৃহৎ পৰিমাণৰ ভূমি আৰু জলভূমি অপসাৰিত হৈছে যাৰ ফলত খাদ্য সুৰক্ষা আইন ২০১৩ জনসাধাৰণে গ্ৰহণ কৰিব লগা হৈছে।

ওপৰত উল্লেখ কৰা ধৰণৰ পৰিস্থিতি ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলত পৰিলক্ষিত হয় য'ত মাকৈজহা,

কাঠফুলা, পাৰিজাত, কন্দ, কীট-পতংগ, মাছ, কেঁকোৰা আদিকে ধৰি চাৰিশৰো অধিক বন্য খাদ্যশস্য পৰম্পৰাগতভাৱে উৎপাদন আৰু ভোগ কৰা হয়। খনিজ ধাতু, ভিটামিন আৰু সূক্ষ্ম পৰিপোষকৰ ফালৰ পৰা এই সকলোবোৰ খাদ্যৰে বিশেষ পৰিপুষ্টিমূলক মূল্য আছে। যিটো সাধাৰণতে উৎপাদিত বা প্ৰস্তুত কৰা খাদ্যৰ ক্ষেত্ৰত পোৱা নাযায়। আটাইতকৈ গুৰুত্বপূৰ্ণ কথা এয়ে যে এনেধৰণৰ খাদ্য সাধাৰণ জৈৱ খাদ্যৰ ঊৰ্দ্ধত; যিবোৰ গ্ৰামাঞ্চলৰ হাবি-বননি, অনুৰ্বৰ ভূমি, চাপৰি, নদীৰ পাৰ আৰু বাট-পথৰ দাঁতিত সহজেই উপলভ্য।

এয়া সঁচা যে হাবি-বননিৰ পৰা সংগ্ৰহ কৰা খাদ্য-শস্যৰ পৰিমাণ যথেষ্ট, কিন্তু স্বাস্থ্য আৰু আৰ্থিক দিশত ইয়াৰ চৰকাৰী চিনাক্তকৰণ হোৱা নাই। মাছ, কেঁকোৰা আৰু বতৰ অনুযায়ী হোৱা খাদ্যশস্যই অপুষ্টিজনিত সমস্যাক দূৰতে ৰাখে। তদুপৰি এনেধৰণৰ খাদ্যৰ প্ৰায়ভাগৰে ঔষধি গুণ আছে। এই সকলোবোৰ সহজেই উপলব্ধ। তাৰ বাবে মাত্ৰ সমাজত এতিয়াও বৰ্তি থকা কৌশল তথা জ্ঞানৰ দৰকাৰ। জনজাতীয় আৰু পাহাৰত বাস কৰা জনগোষ্ঠীসমূহে খোৱা বন্য খাদ্যশস্যৰ পৰিমাণ লক্ষণীয় হেতুকে তেওঁলোকৰ জীৱনধাৰাত বন্য খাদ্যশস্যৰ ভূমিকাও অন্যতম। কিন্তু দুৰ্ভাগ্যজনকভাৱে ৰাজ্যসমূহে এই বিষয়টো উপেক্ষা কৰি আহিছে। তাৎপৰ্যপূৰ্ণ কথা এয়ে যে বিগত দশকত অৰণ্যৰ পৰা কৃষিভূমিৰ অপসাৰণৰ প্ৰক্ৰিয়া দ্ৰুত হোৱাৰ সময়তে খাদ্য সুৰক্ষা আৰু খাদ্যৰ অধিকাৰ আদি বিষয়ে গুৰুত্ব লাভ কৰিছে। প্ৰতিশ্ৰুতিপূৰ্ণ খাদ্য সুৰক্ষাৰ আইনখনত প্ৰধান খাদ্যশস্যই গুৰুত্ব লাভ কৰাৰ বিপৰীতে পৰম্পৰাগত শস্য যেনে বজ্ৰ আৰু দাইল আদিক উপেক্ষা কৰা হৈছে। ইয়াৰ ফলস্বৰূপে প্ৰধান খাদ্যশস্যৰ পৰিপূৰক হিচাপে কাম কৰা এনেবোৰ খাদ্যশস্যৰ ভূমিকা হ্ৰাস পাইছে।

আদিবাসী লোকসকলে হাবি-বননিৰ পৰা সংগ্ৰহ কৰা প্ৰায়বোৰ খাদ্যশস্যই মাটি-পানীৰ গুণাগুণৰ লগতে জলবায়ু তথা স্থানীয় পৰিস্থিতিতন্ত্ৰৰ পৰিৱৰ্তনৰ সূচাংক হিচাপে কাম কৰে। কেতবোৰ মাছৰ অভাৱ হ'লে তেওঁলোকে প্ৰদূষিত নৈৰ কথা কয়। আকৌ কেতবোৰ কাঠফুলাৰ অভাৱ হ'লে অৰণ্যত হোৱা ক্ষতি সাধনৰ কথা তেওঁলোকে আঙুলিয়াই দিয়ে। ফল-ফুল আদি গছত ফুলাৰ সময় চায়ে তেওঁলোকে বৰ্ষা ঋতু অথবা গ্ৰীষ্মকালৰ বৰ্ণনা দিব পাৰে। পৰিস্থিতি বিজ্ঞান অথবা জলবায়ু বিজ্ঞানৰ ক্ষেত্ৰত এজন জীৱবিজ্ঞানীয়ে কাচিৎহে এনেধৰণৰ কথাত গুৰুত্ব দিয়ে। আদিবাসী লোকসকলে জীৱন ধাৰণৰ প্ৰক্ৰিয়াত ব্যৱহাৰিক দিশত লাভ কৰা এনে জ্ঞানে আমাক এই ক্ষেত্ৰসমূহত গুৰুত্বপূৰ্ণ তথ্য যোগান ধৰিব পাৰে।

প্ৰায়ভাগ বন্য খাদ্যশস্য সংগ্ৰহ কৰাৰ বাবে আগতীয়া জ্ঞান আৰু কৌশলৰ প্ৰয়োজন হয়। মাছ ধৰাৰ বাবে বাঁহৰ প্ৰয়োজন হয়। আকৌ বাঁহৰ পৰা মাছ ধৰিব পৰা ফান্দ তৈয়াৰ কৰাৰ বাবে কৌশল আৰু মাছৰ গতি-বিধি জানি ফান্দ পতাৰ বাবে জ্ঞানৰ প্ৰয়োজন হয়। তদুপৰি কেতবোৰ মাছ বিহপাত দি ধৰা হয় যাৰ বাবে তৃণৰ কোনটো অংশ অধিক ফলপ্ৰসূ আৰু তাৰ মাত্ৰাৰ বিষয়ে জ্ঞান থকাটো জৰুৰী। ডিঙিৰ খজুৰতি অথবা অইন পাৰ্শ্বক্ৰিয়া নোহোৱা কৰাৰ বাবে প্ৰায়ভাগ কন্দই বিশেষ প্ৰক্ৰিয়াৰ মাজেৰে খোৱাৰ উপযোগী কৰা হয়। খাদ্য সুৰক্ষা আইনখনে কৃষিগত উৎপাদনৰ ওপৰত অত্যধিক গুৰুত্ব আৰোপ কৰাৰ ফলত ভূমি আৰু জল প্ৰদূষণ হ'ব আৰু খাদ্য সংগ্ৰহৰ বাবে আদিবাসী লোকে তেওঁলোকৰ জ্ঞান তথা কৌশল ব্যৱহাৰ কৰাৰ লগতে পৰিৱেশৰ ওপৰত সূক্ষ্ম নজৰ ৰখাটো জৰুৰী। এই লেখাৰ উদ্দেশ্য এনে নহয় যে সকলোৱে খাদ্য সংগ্ৰহৰ কামত নিয়োজিত হ'ব লাগিব। কিন্তু লেখাটোৰ জৰিয়তে এই কথা স্পষ্ট কৰিবলৈ চেষ্টা কৰা হৈছে যে খাদ্য সুৰক্ষা আইনখনে বৃহৎ সংখ্যক জনজাতীয় জনসংখ্যাক আহ্বান কৰাটোৱে আমাৰ সহজাত জ্ঞানৰ প্ৰতি অৱহেলা কৰিব পাৰে।

ওপৰত উল্লেখ কৰা ধৰণে খাদ্য সংগ্ৰহ কৰা পৰম্পৰাৰ অস্তিত্বক ভাবুকি প্ৰদান কৰা আন এক কাৰক হ'ল গ্ৰামাঞ্চল তথা অৰণ্যাঞ্চলৰ পৰা আদিবাসী যুৱচামৰ চহৰলৈ হোৱা বৃহৎ মাত্ৰাৰ প্ৰব্ৰজন। ইয়াৰ ফলত নতুন প্ৰজন্মলৈ এটা গোষ্ঠীৰ পৰা প্ৰৱাহ হ'ব লগা জ্ঞান আৰু কৌশলত বাধাৰ সৃষ্টি হৈছে। এই গোষ্ঠীসমূহৰ যুৱচামে তেওঁলোকৰ গৃহভূমিৰ পৰা খাদ্য সংগ্ৰহ কৰাৰ পৰিৱৰ্তে সাহায্য অথবা দোকানৰ সামগ্ৰীৰ ওপৰত নিৰ্ভৰশীল হোৱাত আগ্ৰহী। খাদ্য সংগ্ৰহৰ এই ধাৰাৰ পৰিৱৰ্তনৰ লগে লগে অৰণ্যৰ প্ৰতি তেওঁলোকৰ ধাৰণাও সলনি হৈছে। গ্ৰীষ্মকালত হোৱা বনজুই, অইন উদ্দেশ্যত অৰণ্যভূমিৰ ব্যৱহাৰ, অৰণ্যাঞ্চলত কপাহ, জোৱাৰ আদি নগদী শস্য উৎপাদন (য'ত বুজন পৰিমাণৰ ৰাসায়নিক দ্ৰব্য ব্যৱহাৰ কৰা হয়) আদি বিষয়ে তেওঁলোকক প্ৰভাৱান্বিত নকৰে। এয়া তাৎপৰ্যপূৰ্ণ যে পূৰ্বৰ প্ৰজন্মই নিৰ্ভৰশীল হোৱা প্ৰাকৃতিক সম্পদৰ পৰা বৰ্তমানৰ প্ৰজন্মই ব্যৱধান বঢ়াই আনিছে।

বনাঞ্চলৰ পৰা সংগ্ৰহ কৰা বিভিন্ন খাদ্যৰ দিশসমূহ খাদ্য সুৰক্ষা আইনখনে চালি-জাৰি চোৱাৰ সময়ত আদিবাসী জ্ঞান আৰু সংস্কৃতিৰ প্ৰতি যাতে ভাবুকিৰ সৃষ্টি নহয় তাৰ প্ৰতি গুৰুত্ব ৰাখিব লাগিব। তাৰ বাবে ৰাজ্য চৰকাৰসমূহে প্ৰথমতে মূল্যায়নৰ ব্যৱস্থা কৰা উচিত। মূল্যায়নৰ বিষয়সমূহ হ'ল— (ক) পৰিৱেশৰ পৰা স্থানীয় লোকে সংগ্ৰহ কৰা খাদ্যৰ প্ৰকাৰ, (খ) পূৰ্বতে এই খাদ্যসমূহ উপলভ্য আছিল নে নাই আৰু যদি আছিল, তেন্তে তাৰ উৎপাদনৰ পৰিমাণৰ হ্ৰাস বৃদ্ধি, (গ) পূৰ্বতে উপলব্ধ হোৱা কিবা খাদ্য এতিয়া উপলব্ধ নহয় নেকি? (ঘ) এক বিশেষ অঞ্চলৰ পৰা খাদ্যশস্য নোহোৱা হোৱাৰ কাৰণ, (ঙ) তেনে অঞ্চলৰ পৰা দুষ্প্ৰাপ্য হ'ব ধৰা খাদ্যশস্য সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছেনে ইত্যাদি। এনেধৰণৰ বিষয়বস্তুৰ মূল্যায়নৰ যোগেদি গ্ৰামাঞ্চল তথা বনাঞ্চলত বাস কৰা লোকৰ প্ৰচলিত খাদ্য সুৰক্ষাৰ বিষয়ে বুজিব পৰা যাব। ডেকউলাৰ 'অৰিজিন অব কাল্টিভেটেড প্লেন্টচ' নামৰ গ্ৰন্থখনত ২৪৯ বিধ খোৱাৰ উপযোগী প্ৰজাতিৰ কথা উল্লেখ কৰা হৈছে যিটো মানৱ কল্যাণৰ বাবে বিশেষ গুৰুত্বপূৰ্ণ বিবেচিত হ'ব পাৰে। তাৰ বাবে তেনে ধৰণৰ বনৰীয়া খাদ্যশস্যৰ ঘৰুৱা উৎপাদনৰ বাবে গৱেষণাৰ সময় আহি পৰিছে।

এই লেখাৰ জৰিয়তে মই ক'ব খোজো যে খাদ্য সুৰক্ষা আইনখনে কেৱল সাহায্য প্ৰদান কৰাৰ কাম কৰা অথবা ফলাফলৰ প্ৰতি গুৰুত্ব নিদিয়াকৈ কাৰ্যকৰী কৰাৰ ওপৰত গুৰুত্ব দিয়াৰ বিপৰীতে তাতকৈ অধিক আশাপ্ৰদ ব্যৱস্থা গ্ৰহণৰ প্ৰতি লক্ষ্য ৰখা উচিত। ২০০৩ বৰ্ষৰ পিছত কেন্দ্ৰীয় ভাৰতবৰ্ষৰ ভালেমান গাঁৱত সাহায্যকৃত খাদ্যশস্য প্ৰদান কৰাৰ পিছত গৰু চৰাবলৈ চৰণীয়া পথাৰৰ অভাৱ দেখা গৈছিল। ইয়াৰ ফলস্বৰূপে বনাঞ্চলত গৰু-ছাগলীয়ে ক্ষতি সাধন কৰাৰ লগতে খেতি পথাৰতো উৎপাদিত খাদ্যশস্য খাই ক্ষতি সাধন কৰিবলৈ লয়। কৃষিজড়িত দিন মজুৰি ব্যয়বহুল হোৱাৰ ফলত প্ৰায়ভাগ মুকলি পথাৰত খেতি কৰা নহয়গৈ। আকৌ চৰকাৰে খাদ্যশস্য প্ৰায় সস্তীয়া মূল্যত প্ৰদান কৰাৰ ফলত জনজাতীয় লোকসকলে এনেধৰণৰ সমস্যাৰ প্ৰতি গুৰুত্ব প্ৰদান নকৰা হয়গৈ।

খাদ্য সুৰক্ষা আইনখন ফলপ্ৰসূ হ'বৰ বাবে তৃতীয় অনুসূচীৰ ১(ঘ)ৰ জল আৰু ভূমিৰ অপসাৰণৰ বিষয়লৈ গুৰুত্ব আৰোপ কৰিব লাগিব যাতে প্ৰমুখ খাদ্যশস্যৰ লগতে পৰিপূৰক খাদ্যশস্য উপলভ্য হয়। এয়া মন কৰা উচিত যে খাদ্য সংগ্ৰহৰ প্ৰক্ৰিয়াই ভালেমান জনগোষ্ঠীৰ মাজত বিভিন্ন পৰম্পৰাগত কৌশল, পৰিস্থিতিতন্ত্ৰ, সংস্কৃতি আদিক জীয়াই ৰখাত সহায় কৰে। তদুপৰি স্থানীয় পৰিৱেশ চোৱা-চিতা কৰাতো ই সহায়ক হয়। সদৌ শেষত মই ক'ব খোজো যে বনাঞ্চল ব্যৱস্থাপনাৰ ক্ষেত্ৰত বনাঞ্চলৰ দৈনন্দিন ব্যৱহাৰ যেনে খাদ্য সংগ্ৰহ আদিয়ে যথেষ্ট সহায় কৰে। এটা মৰ্যাদাসম্পন্ন জীৱন ধাৰণৰ বাবে পৰ্যাপ্ত খাদ্য সাহায্য পোৱাৰ ফলত বনাঞ্চলৰ পৰা নিজকে দূৰত ৰখাটোৱে বনাঞ্চল ব্যৱস্থাপনাত বিৰূপ প্ৰভাৱ পেলোৱাটো ধুৰুপ। ❐


**পয়োভৰাৰ পৰৱৰ্তী সংখ্যাৰ**

## বিষয় সম্ভাৰ

ফেব্ৰুৱাৰী ২০১৪ — **জনস্বাস্থ্য**

মাৰ্চ ২০১৪ — **প্ৰশাসনীয় সংস্কাৰ**

উপৰোক্ত বিষয়সমূহৰ বাবে অভিজ্ঞ ব্যক্তিৰ পৰা প্ৰবন্ধ-পাতি বিচৰা হ'ল। বিষয়সমূহ উত্তৰ-পূৰ্বাঞ্চলৰ তথ্যপাতিৰে সমৃদ্ধ হ'ব লাগিব। উপযুক্ত বিবেচিত হ'লে যথা সংখ্যাত প্ৰকাশ কৰা হ'ব। লগতে বিভিন্ন পুথি, আলোচনী বিক্ৰেতা সকলকো তেওঁলোকৰ প্ৰয়োজনীয় কপিৰ বাবে আমাৰ কাৰ্যালয়ৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ কৰা হ'ল।

সম্পাদক, **পয়োভৰা**

কে.কে.বি. পথ, নিউ কলনি, গৃহ নং-৭

চেনিকুঠি, গুৱাহাটী-৭৮১০০৩

ফোন নং-২৬৬৫০৯০, ই-মেইল ঃ yojanaasomia@yahoo.co.in

# ভূমি সংযোজক ঃ গ্ৰাম্য ভূমি শাসনৰ অগ্ৰদূত

**সঞ্জয় পাটনায়ক***

**পাতনি ঃ**

সমগ্ৰ বিশ্বজুৰি ভূমি হ'ল এনে একমাত্ৰ মূৰ্ত সম্পদ যিটো পৰিয়ালৰ বাবে খুবেই মূল্যৱান। তেওঁলোকে এই ভূমিৰ লালন-পালন কৰে, পবিত্ৰ জ্ঞান কৰে, এটাৰ পৰা আন এটা প্ৰজন্মলৈ ইয়াক প্ৰেৰণ কৰে আৰু তাৰ পৰাই জীৱিকা নিৰ্বাহ কৰে তথা আত্মোপলব্ধি কৰে। সি যি কি নহওক, ভাৰতবৰ্ষৰ কেতবোৰ জটিল আৰু দুৰূহ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক দ্বন্দ্ব গ্ৰাম্য ঋণগ্ৰস্ততা আৰু গৃহহীন কৃষকৰ পৰাই বিশেষকৈ উপেক্ষিত আৰু ভূমি অস্তিত্বহীন লোকৰ বাবে সৃষ্টি হৈছে। দেশখনৰ গ্ৰামাঞ্চলৰ দৰিদ্ৰতাৰ মূল কাৰণ বিশ্বৰ অন্যান্য প্ৰান্তৰ দৰে ভূমিৰ ব্যৱহাৰ তথা নিয়ন্ত্ৰণৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত।

স্বাধীনোত্তৰ কালছোৱাৰ ভূমি অধিনিয়মে ভূমি ৰাজহ মূল্যায়নৰ ক্ষেত্ৰত ঔপনিৱেশিক কালছোৱাত পোখা মেলা শোষণ আৰু অবিচাৰপূৰ্ণ ব্যৱস্থা সংস্কাৰ সাধনত গুৰুত্ব আৰোপ কৰা নাছিল। কৃষিখণ্ডৰ বিকাশেই এই সময়ছোৱাৰ মূলমন্ত্ৰ হৈ পৰে আৰু ঔপনিৱেশিক শাসন কালত অন্যায়-অবিচাৰৰ বলি হোৱা দৰিদ্ৰ শ্ৰেণীৰ অৱস্থাৰ উন্নয়নৰ চাবি-কাঠী হিচাপে উক্ত খণ্ডৰ উন্নয়নক লক্ষ্য কৰি লোৱা হয়। পট্টাৰ অধিকাৰীসকলক স্বত্বাধিকাৰ দিয়াৰ বাবে ৰাজ্য চৰকাৰসমূহে মধ্যভোগীসকলৰ কৰ্তনৰ তথা কৃষকৰ বাবে সুৰক্ষা কৰচৰ ব্যৱস্থা লয়। ভূমিহীন দৰিদ্ৰ আৰু ভূমিৰ অধিকাৰী ধনী শ্ৰেণীৰ মাজত পূৰ্বতে সৃষ্টি হোৱা ব্যৱধান নোহোৱা কৰাৰ বাবে কেন্দ্ৰ তথা ৰাজ্য চৰকাৰে ১৯৪৭ চনৰ পাছৰ পৰ্যায়ত কেতবোৰ ভূ-সংশোধনী আইন বলৱৎ কৰে। ভূমিৰ সৰ্বোচ্চ সীমাৰ ব্যৱস্থাৰ প্ৰৱৰ্তনৰ যোগেদি ভূমিৰ পুনৰ্বিতৰণৰ ওপৰত এই উন্নয়নমূলক আইনসমূহে বিশেষ মনোযোগ দিয়ে। এক কথাত ক'বলৈ হ'লে কৃষকক ভূমি প্ৰদান কৰাটোৱে এই আইনসমূহৰ মুখ্য উদ্দেশ্য আছিল বুলি ক'ব পাৰি। কৃষিখণ্ডৰ উৎপাদন বৃদ্ধিৰ উদ্দেশ্যে ভূমিৰ যথাৰ্থ তথা ফলদায়ক ব্যৱহাৰৰ লক্ষ্যত উপনীত হোৱাটোও এই আইনসমূহৰ অন্যতম উদ্দেশ্য আছিল।

কেতবোৰ উন্নয়নমূলক ভূমি সংস্কাৰ আইন কাৰ্যকৰী কৰি উৰিষ্যাৰ ৰাজ্য চৰকাৰে ভূমিহীন কৃষকক ভূমি তথা ভূমিৰ সাময়িক স্বত্ব প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰে য'ত ভূমিৰ সৰ্বোচ্চ সীমা নিৰ্দ্ধাৰণ কৰাৰ যোগেদি বিশেষকৈ অনুসূচিত জাতি আৰু জনজাতীয় পৰিয়াললৈ ভূমিৰ পুনৰ্বিতৰণৰ ব্যৱস্থা কৰা হয়। জনজাতীয় ভূমি অধিকাৰৰ সুৰক্ষাৰ বাবে ৰাজ্য চৰকাৰখনে শক্তিশালী আইনী ব্যৱস্থাও হাতত লয় যাতে ভূমিৰ অধিকাৰ অ-জনজাতীয় লোকৰ হাতলৈ নাযায়। সি যি কি নহওক, ৰূপায়ণৰ ক্ষেত্ৰত সৃষ্টি হোৱা কেতবোৰ সমস্যাৰ বাবে উক্ত ব্যৱস্থাৰ সফলতা সীমিত হৈ ৰয়। ইয়াৰ ফলত ভূমিৰ স্বত্বক লৈ ভালেমান জ্বলন্ত সমস্যাই দেখা দিয়ে। ভূমিহীন কৃষকে চৰকাৰে প্ৰদান কৰা ভূমি ব্যৱহাৰ কৰাৰ পৰিৱৰ্তে চৰকাৰী ভূমি দখল কৰাটো আৰু চৰকাৰী অনুমতি নোহোৱাকৈ চৰকাৰী মাটি দখল কৰি থকাটো গ্ৰামাঞ্চলৰ দৈনন্দিন ঘটনা হৈ পৰে।

**গৃহ ভূমি বিতৰণ আৰু উন্নয়ন প্ৰচেষ্টাৰ সীমিত সাফল্য ঃ**

উৰিষ্যাৰ ৰাজ্য চৰকাৰৰ ৰাজহ বিভাগে ২০০৫-০৬ বৰ্ষত ভূমিহীনৰ পৰিগণনাৰ ওপৰত ভিত্তি কৰি বসুন্ধৰা নামৰ এক গৃহভূমি প্ৰদানৰ আঁচনি হাতত লোৱা হয়। পৰিগণনা অনুযায়ী এক মিলিয়নৰ এক-চতুৰ্থাংশ লোকক গৃহ-ভূমিহীন হিচাপে চিনাক্ত কৰি বসুন্ধৰা আঁচনিৰ অধীনত ৪ দশমিক (২০০৮ চনলৈ ই ১০ দশমিক হয়গৈ)কৈ তেনে পৰিয়ালক সুবিধা যোগান ধৰা হয়। কিন্তু ২০০৮-০৯ বৰ্ষৰ শেষৰ ফালে এই আঁচনিখনে সমাধান কৰিব খোজা সমস্যাসমূহ মোকাবিলা কৰাৰ ক্ষেত্ৰত কঠোৰ প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাটো পৰিলক্ষিত হয়। ২০০৯-১০ বৰ্ষত লেণ্ডেচা (তেতিয়াৰ গ্ৰামীণ বিকাশ সংস্থা)ই প্ৰকল্প ক্ষেত্ৰৰ নিৰ্বাচিত কেইখনমান গাঁৱত বসুন্ধৰা আঁচনিৰ ৰূপায়ণৰ অগ্ৰগতিৰ ওপৰত এক

*সঞ্জয় পাটনায়ক ওড়িছাৰ লেণ্ডেছাৰ ৰাজ্যিক সঞ্চালক

মূল্যায়ন কৰে। ক্ষেত্ৰ পৰ্যায়ৰ ৰাজহ কৰ্মচাৰীৰ অভাৱ আঁচনিখনৰ সীমিত সফলতাৰ মুখ্য কাৰণ হিচাপে উক্ত মূল্যায়নত প্ৰমাণিত হয়। গৃহভূমিহীন গ্ৰামীণ পৰিয়ালৰ চিনাক্তকৰণ তথা প্ৰতিষ্ঠাপনৰ ক্ষেত্ৰত পৃথক ৰূপায়ণৰ নিৰ্দেশনাৱলী নথকাটোও আইনখনৰ অন্যতম আসোঁৱাহ হিচাপে অধ্যয়নটোত প্ৰকাশ পায়।

**দীৰ্ঘদিনীয়া ভূমি সম্পৰ্কীয় সমস্যাৰ সমাধান ঃ**

কাৰ্যকুশলতাৰ সমস্যাৰ সমাধানৰ বাবে লেণ্ডেচাই ক্ষেত্ৰভিত্তিক ৰাজহ বিষয়াৰ অতিৰিক্ত ক্ষমতা বঢ়াবৰ বাবে প্ৰশিক্ষিত স্থানীয় যুৱক নিয়োগ কৰি এটা পৰীক্ষামূলক আৰ্হি প্ৰস্তুত কৰে। এই প্ৰশিক্ষিত যুৱকসকলৰ সমূহীয়া সম্পদ ব্যক্তি চমুকৈ চি আৰ পি অথবা ভূমি সংযোজক বোলা হৈছিল। ৰাজহ পৰিদৰ্শকৰ অতিৰিক্ত ক্ষমতা হিচাপে স্থানীয় সমূহৰ দ্বাৰা নিৰ্বাচিত এই যুৱকসকলক লেণ্ডেচাই প্ৰশিক্ষণ দিছিল। ক্ষেত্ৰ পৰ্যায়ত ৰাজহ বিষয়াই ভূমিহীন পৰিয়ালৰ সঠিক চিনাক্তকৰণৰ বাবে সমীক্ষা চলাব নোৱাৰৰ পৰিপ্ৰেক্ষিতত সময়ৰ তাগিদা আৰু চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰকল্পৰ সীমাৱদ্ধতা দূৰ কৰাৰ উদ্দেশ্য আগত ৰাখি ভূমি সংযোজক-সকলক নিয়োগ কৰা হয়। প্ৰকল্পটোৱে আৰ্হি প্ৰস্তুত কৰোঁতে লেণ্ডেচাই এটা স্তৰভিত্তিক আৱণ্টনৰ পৰিকল্পনা তথা ভূমি সংযোজকসকল তথা ৰাজহ পৰিদৰ্শকৰ সময়সীমা, নিৰ্দ্ধাৰিত ভূমিকা আৰু দায়িত্ব সম্পৰ্কত ৰাজহ বিষয়া-সকলৰ লগত আলোচনা কৰে।

ভূমি সংযোজকসকলৰ মুখ্য কামসমূহ হ'ল বিভিন্ন উৎসৰ পৰা তথ্য সংগ্ৰহ কৰা, ত্ৰিকোণিক ভিত্তিত (পৰিয়ালৰ তালিকাৰ সৈতে অধিকাৰৰ নথিত থকা পৰিয়ালৰ তালিকাৰ তুলনা) ভূমিহীন পৰিয়ালৰ চিনাক্তকৰণ, ক্ষেত্ৰ সত্যাপনৰ সময়ত ৰাজহ পৰিদৰ্শকক সহায় আগবঢ়োৱা, আৰু আৱশ্যকীয় প্ৰপত্ৰ তথা আবেদন পূৰণ কৰা। প্ৰতিটো গৃহ ভূমিহীন আৰু ভূমিহীন পৰিয়ালেই যাতে শিবিৰ আকাৰত ৰাজহ বিভাগে পতা আইনী প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰে সেয়া নিশ্চিত কৰাটোও ভূমি সংযোজকৰ দায়িত্বৰ ভিতৰত পৰে। এনেদৰে ৰাজহ বিভাগৰ নতুন আঁচনি আৰু কাৰ্যসূচী সম্পৰ্কত ৰাইজক অৱগত কৰাৰ যোগেদি ভূমি সংযোজকসকলে ৰাজহ পৰিদৰ্শক আৰু ৰাইজৰ মাজৰ ব্যৱধান আঁতৰাই যোগসূত্ৰ স্থাপন কৰাৰ গুৰু দায়িত্বও পালন কৰে।

**ভূমি সংযোজক আৰ্হিৰ পৰিমাপণ ঃ**

ভূমি সংযোজক আৰ্হিৰ সফল পৰীক্ষণৰ অন্তত এই কথা সঁচা প্ৰতিপন্ন হয় যে প্ৰশিক্ষিত গ্ৰাম্য যুৱকে ক্ষেত্ৰ পৰ্যায়ত ৰাজহ বিষয়ক অতিৰিক্ত সহায় আগবঢ়াব পাৰে আৰু নিৰ্দ্ধাৰিত সময়সীমাৰ ভিতৰত ভূমি আৱণ্টন কৰাত সহায় কৰিব পাৰে। বসুন্ধৰা আঁচনিৰ মূল্যায়নৰ যোগেদি ধৰা পৰা ভূমি আৱণ্টন সম্পৰ্কীয় দীৰ্ঘদিনীয়া সমস্যাৰ সমাধান লেণ্ডেচাই বাহ্যিকভাৱে সাহায্যপ্ৰাপ্ত চৰকাৰী কাৰ্যসূচী উৰিষ্যা জনজাতি সশক্তিকৰণ তথা জীৱিকা কাৰ্যসূচী চমুকৈ অ' টি ই এল পি-ক পৰামৰ্শ আগবঢ়ায়।

এনেদৰে অ' টি ই এল পি আৰু লেণ্ডেচাই যুটীয়াভাৱে ভূমি আৱণ্টনৰ এক কাৰ্যসূচী ৰূপায়ণ কৰিবৰ বাবে একমত হয়। এই কাৰ্যসূচীত এই সিদ্ধান্ত লোৱা হয় যে অ' টি ই এল পি-এ ভূমি সংযোজক আঁচনি ৰূপায়ণত নিযুক্ত কৰিব আৰু উৰিষ্যাৰ ৭ খন জিলাৰ প্ৰকল্পটোৰ অধীনস্থ ১০৫৬ খন গাঁৱৰ ভূমিহীন পৰিয়ালে ভূমি পোৱাটো নিশ্চিত কৰাৰ উদ্দেশ্যে লেণ্ডেচাই ক্ষমতা নিৰ্মাণৰ ক্ষেত্ৰত কাৰিকৰী সহযোগিতা আগবঢ়াব। খুব কম সময়ৰ ভিতৰতে প্ৰায় ৯৮ শতাংশ প্ৰকল্পৰ অধীনস্থ গাঁৱত ভূমি সংযোজকে প্ৰায় ৩০ হাজাৰ ভূমিহীন পৰিয়াল চিনাক্ত কৰাত সহায় কৰে। ২০১৩ বৰ্ষৰ নৱেম্বৰ মাহলৈ প্ৰকল্পৰ অধীনস্থ গাঁওসমূহত প্ৰায় ১৬০০০ পট্টা প্ৰদান কৰা হয়।

ভূমি সংযোজক আৰ্হিৰ সফলতাৰ ভিত্তিত উৰিষ্যা চৰকাৰে ৰাজ্যখনৰ ১২ খন জিলাৰ ১৮ হাজাৰখন গাঁৱৰ ১১৮টা জনজাতীয় খণ্ডলৈ ভূমি আৱণ্টনৰ আঁচনি সম্প্ৰসাৰণ কৰে। জনজাতীয় খণ্ডত ১.২ মিলিয়ন জনজাতীয় পৰিয়াল থকালৈ চাই ভূমি আৱণ্টনৰ আঁচনিখনে প্ৰায় আধা মিলিয়ন পৰিয়ালৰ উপকাৰ সাধন কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে। এই পদক্ষেপৰ বাবে উৰিষ্যা চৰকাৰৰ অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি উন্নয়ন বিভাগে প্ৰমুখ বিভাগ হ'ব। ভূমিহীনক ভূমি প্ৰদান কৰাটো নিশ্চিত কৰাৰ বাবে অ' টি ই এল পি আৰু লেণ্ডেচাই ৰাজহ বিভাগ তথা জিলা প্ৰশাসনক সহযোগিতা আগবঢ়াই যাব। এই ক্ষেত্ৰত জিলা পৰ্যায়ত সংহত জনজাতীয় উন্নয়ন সংস্থাই সুবিধা আগবঢ়োৱাৰ সমানে সমানে খণ্ড পৰ্যায়ত বেচৰকাৰী সংস্থাসমূহে সহায়ৰ হাত আগবঢ়াব।

**জনসাধাৰণৰ অংশগ্ৰহণৰ যোগেদি শাসন ব্যৱস্থাৰ সংস্কাৰ ঃ**

ভূ-প্ৰশাসন তথা ভূমিহীনৰ চিনাক্তকৰণৰ দায়িত্ব সম্পূৰ্ণৰূপে ৰাজ্য চৰকাৰৰ ওপৰত ন্যস্ত থাকে। এই

প্ৰকল্পটোৱে এক নিদৰ্শন ৰাখিলে য'ত স্থানীয় ধ্যান-ধাৰণা আৰু পৰম্পৰাগত জ্ঞানসমৃদ্ধ স্থানীয় যুৱ প্ৰতিনিধি আৰু গ্ৰাম্য সমাজৰ সক্ৰিয় সহযোগ তথা অংশগ্ৰহণৰ যোগেদি পিছলৈ ৰাজহ বিষয়াৰ দ্বাৰা সত্যাপন কৰিব পৰাকৈ ভূমিহীনৰ তালিকা (ভূমিহীনৰ চৰকাৰী সংজ্ঞাৰ ভিত্তিত) প্ৰস্তুত কৰিব পাৰি। এনেদৰে ভূমি আবণ্টন জনসাধাৰণৰ দ্বাৰা পৰিচালিত প্ৰক্ৰিয়া হৈ পৰে।

কেৱল ভূমিহীন পৰিয়ালৰ তালিকা প্ৰস্তুত কৰাতেই স্থানীয় লোকৰ ভূমিকা সীমাৱদ্ধ হৈ থকা নাছিল। ক্ষেত্ৰ পৰ্যায়ৰ সত্যাপনৰ সময়ত চিনাক্তকৃত পৰিয়ালে তেওঁলোকৰ ভূমিৰ চিনাক্তকৰণ তথা সীমা নিৰ্দ্ধাৰণ প্ৰক্ৰিয়াত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰিছিল যাতে সীমা আৰু অধিকাৰক লৈ পাছলৈ কোনো ধৰণৰ বিতৰ্ক বা সংঘৰ্ষৰ সৃষ্টি নহয়। পূৰ্বতে গাঁওবাসীয়ে কোন ভূমিহীন আৰু কোনে ভূমি লাভ কৰিছে সেই কথা জনাৰ খুব কম সুযোগ পাইছিল। ভূমি আবণ্টন প্ৰক্ৰিয়াত ভূমি সংযোজকে দৰিদ্ৰ তথা ভূমিহীন পৰিয়ালৰ অংশগ্ৰহণ নিশ্চিত কৰাৰ লগে লগে ভূমি আবণ্টন প্ৰক্ৰিয়া জনসাধাৰণৰ দ্বাৰা পৰিচালিত প্ৰক্ৰিয়া হৈ পৰে। ভূমি আবণ্টন আৰু পুনৰ্সংস্থাপনৰ দৰে এক জটিল সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত চৰকাৰী আৰু বেচৰকাৰী প্ৰতিনিধিক সংহতভাৱে কাম কৰোৱাৰ যোগেদি উৰিষ্যাত কাৰ্যদক্ষ দল প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত ভূমি সংযোজক কাৰ্যসূচী লেখত ল'বলগীয়া।

এয়া হ'ল একধৰণৰ বিৰল উদাহৰণ য'ত ৰাজ্য চৰকাৰে নিজৰ জটিল আৰু মূল কাৰ্যাৱলীৰ ক্ষেত্ৰত নাগৰিক সমাজৰ সহযোগিতা গ্ৰহণ কৰিছে। ভূমি সংযোজক আৰ্হি এক সু-অনুশীলন হিচাপে পৰিগণিত হৈছে য'ত এক দক্ষ আৰু সামূহিক পৰিকল্পনা তথা নিৰীক্ষণ প্ৰক্ৰিয়াৰ যোগেদি আঁচনি ৰূপায়ণ কৰা হয়। ইয়াৰ আত্মসহায়ক ব্যৱস্থাই ব্যক্তিৰ পৰা সমূহীয়া স্বাৰ্থ ৰক্ষা কৰাত অৰিহণা যোগাইছে। অংশগ্ৰহণকাৰী প্ৰক্ৰিয়াটো সাধাৰণ ভাষাত একধৰণৰ উন্নয়নমূলক হস্তক্ষেপৰ ব্যৱস্থা— য'ত চৰকাৰী ব্যৱস্থাক জনসাধাৰণে সমৰ্থন আগবঢ়ায়। কিন্তু ভূমি-সংযোজক আৰ্হি অনুযায়ী জনসাধাৰণ প্ৰক্ৰিয়াটোত সক্ৰিয়ভাৱে সোমাই পৰে, ভূমিহীনৰ চিনাক্তকৰণৰ যোগেদি সিদ্ধান্ত গ্ৰহণৰ প্ৰক্ৰিয়াত বিশেষ ভূমিকা লয় যিটো সিদ্ধান্ত পৰৱৰ্তী পৰ্যায়ত চৰকাৰৰ দ্বাৰা সত্যাপন কৰা হয়। এই প্ৰক্ৰিয়াই অংশগ্ৰহণকাৰী উন্নয়নৰ সংজ্ঞাক নতুনকৈ যুকিয়াই চোৱাৰ লগত নেতৃত্বৰ ভূমিকাৰ সাল-সলনি ঘটাইছে। ভূমি আবণ্টন প্ৰক্ৰিয়াৰ উত্তৰণৰ ক্ষেত্ৰত আন এক উল্লেখযোগ্য ইন্ধন হ'ল জনসাধাৰণৰ আৱশ্যকতা পূৰণৰ ক্ষেত্ৰত চৰকাৰক সহায় কৰিব পাৰি বুলি জনসাধাৰণৰ সামৰ্থ্যৰ ওপৰত চৰকাৰৰ অগাধ বিশ্বাস। এই বিকশিত বিশ্বাসে দুয়োপক্ষৰ মাজত থকা এক ভ্ৰান্ত ধাৰণা দূৰ কৰে যে স্থানীয় সমাজ আৰু চৰকাৰে একেলগে কাম কৰিব নোৱাৰে বা কৰিলেও তাৰ ভাল ফলাফল নোলায়।

উন্নয়নৰ পটভূমিৰ বিকাশৰ কথা বিবেচনা কৰি চালে এটা কথা স্পষ্ট হয় যে উন্নয়নৰ জটিল প্ৰত্যাহ্বানৰ প্ৰতি কাৰ্যকৰী সঁহাৰি আগবঢ়োৱাৰ ক্ষেত্ৰত চৰকাৰী প্ৰতিষ্ঠানসমূহক উন্নত পৰ্যায়ৰ সামৰ্থ্যৰ প্ৰয়োজন আছে। ভূমিহীনক ভূমি প্ৰদান কৰা প্ৰক্ৰিয়াটো এনে এক জটিল আৰু কঠিন বিষয় যিটো বিষয়ত সফলতা লাভ কৰাৰ বাবে বিভিন্ন শক্তিক একগোট কৰি পাৰস্পৰিকভাৱে পৰিপূৰক অংশীদাৰী ব্যৱস্থা খুবেই প্ৰয়োজনীয়। ভূমি সংযোজক আৰ্হি এনে একধৰণৰ অংশীদাৰী মঞ্চ যাৰ যোগেদি চৰকাৰৰ ভূমিহীন পৰিয়ালৰ চিনাক্তকৰণ প্ৰক্ৰিয়াত স্থানীয় নাগৰিক সমাজৰ স্বদেশী তথা পৰম্পৰাগত জ্ঞান প্ৰক্ৰিয়াটোৰ গুৰুত্বপূৰ্ণ অংশ বুলি প্ৰতিপন্ন হৈছে। ইয়ে ভূ-প্ৰশাসনত স্থানীয় অংশগ্ৰহণৰ সুবিধা নিশ্চিত কৰিছে।

**জ্ঞানৰ উপলব্ধকৰণ আৰু সৃষ্টিৰ বিকেন্দ্ৰীকৰণ**

মাটিৰ মালিকীস্বত্বৰ বিষয়ে মৌলিক জ্ঞান উপলব্ধকৰণৰ ক্ষেত্ৰত বিকেন্দ্ৰীকৰণৰ এক উৎকৃষ্ট উদাহৰণ হ'ল ভূমি সংযোজক আৰ্হি। জ্ঞানৰ বিকেন্দ্ৰীকৰণৰ এই প্ৰক্ৰিয়া ভূমি সংযোজকজনে গাঁওবাসীক গাঁৰৰ ভূমিৰ পট্টাৰ হিচাপ দেখুওৱাব পৰা আৰম্ভ হয়। গাঁও সভাৰ জৰিয়তে ভূমিহীন পৰিয়ালৰ চূড়ান্ত তালিকা ভূমি সংযোজকজনে প্ৰস্তুত কৰাৰ যোগেদি এই প্ৰক্ৰিয়া আগবাঢ়ে। জ্ঞানৰ বিকেন্দ্ৰীকৰণৰ এই প্ৰক্ৰিয়া কেতবোৰ কাৰ্যকলাপৰ জৰিয়তে সম্পূৰ্ণ হয়।

ভূমিহীন পৰিয়াল চিনাক্তকৰণৰ প্ৰক্ৰিয়াৰ এক অংশ হিচাপে ভূমি সংযোজকজনে গাঁৰৰ পট্টাৰ নথি ৰাজহুৱা কৰে আৰু এই হিচাপৰ ব্যৱহাৰৰ বিষয়ে গাঁওবাসীক জনায়। সামূহিক স্তৰত এই নথি ৰখা কাৰ্যই তথ্যৰ বিষয়ে গাঁওবাসীৰ জ্ঞান বঢ়ায় আৰু গাঁৰৰ ভূমিৰ স্বত্বৰ খতিয়ানৰ বিষয়ে স্বচ্ছতাৰ সৃষ্টি কৰে। পূৰ্বতে গাঁৰৰ পট্টাৰ নথি কেৱল ৰাজহ পৰিদৰ্শকৰ হাততে আছিল আৰু বিশেষকৈ অনুসূচিত অঞ্চলত খুব কম সংখ্যকেহে ইয়াৰ ব্যৱহাৰৰ বিষয়ে জানিছিল। কিন্তু ভূমি সংযোজকে জনসাধাৰণৰ লগতে থাকি কাম কৰাৰ ফলত ৰাজহৰ নথিৰ বিষয়ে

সৰ্বসাধাৰণেও জানিব পৰা হ'ল।

উত্তৰপুৰুষে ভূমিৰ পাব লগা ভাগ নিশ্চিত কৰাৰ বাবে ভূমি সংযোজকে বংশাৱলী (য'ত পূৰ্বপুৰুষৰ ভূমিৰ ভাগৰ বিষয়ে উল্লেখ থাকে) প্ৰস্তুত কৰে। এই কাম উক্ত পৰিয়ালৰ সদস্য আৰু ৰাজহ পৰিদৰ্শকৰ উপস্থিতিত কৰা হয়। একান্নৱৰ্তী পৰিয়ালত পিতৃকে পৰিয়ালৰ মুৰব্বী হিচাপে ধৰা হয় আৰু সেই অনুসাৰে তেওঁকেই ভূমিৰ অধিকাৰী বুলি ধৰা হয়। এনেদৰে পৰিয়ালৰ প্ৰতিজনৰ ভাগত পৰিব লগা ভূমিৰ নিশ্চিতকৰণ কৰা নহয়গৈ। কিন্তু ৰাজহ পৰিদৰ্শকৰ মূল্যায়ন আৰু চিনাক্তকৰণ প্ৰক্ৰিয়াত ভূমি সংযোজকৰ অংশগ্ৰহণৰ লগে লগে দুই দশমিক (২/১০০ একৰ)তকৈ কম ভূমি পোৱা উত্তৰ-পুৰুষজনকো গৃহভূমিহীন বুলি ধৰিব পৰা হ'ল। পৰিয়ালৰ ভূমিৰ ভাগ নিৰ্ণয় কৰাৰ বাবে স্বচ্ছ প্ৰক্ৰিয়াৰে বংশাৱলী প্ৰস্তুত কৰাৰ ফলত ব্যক্তিৰ ভূমিৰ ভাগক উলংঘা কৰাৰ ফলত হ'ব পৰা কন্দল আঁতৰোৱাতো ভূমি সংযোজকজন সহায়ক হয়।

ভূমি সংযোজকজনে ভূমিহীন পৰিয়ালৰ চূড়ান্ত তালিকা প্ৰস্তুত কৰি গাঁৱৰ সভাত সেয়া ৰাজহুৱা কৰে। গাঁৱৰ সভাত ডাঙৰ ডাঙৰকৈ তালিকাভুক্ত নাম পঢ়ি শুনোৱাটোৱে গাঁওবাসীসকলৰ কোনটো পৰিয়াল গৃহভূমিহীন বা ভূমিহীন আৰু ভূমিহীন অথবা গৃহ ভূমিহীন পৰিয়ালৰ বাছনিৰ ব্যৱহৃত প্ৰক্ৰিয়াৰ বিষয়ে জনাত সহায় কৰে।

ৰাজহ পৰিদৰ্শকৰ দ্বাৰা ক্ষেত্ৰ সত্যাপনৰ সময়ত ভূমিহীন হিচাপে চিনাক্ত কৰা পৰিয়ালে অধিকাৰ কৰি থকা চৰকাৰী ভূমিৰ চিনাক্তকৰণ আৰু পৃথকীকৰণ প্ৰক্ৰিয়াত সক্ৰিয়ভাৱে ভাগ ল'ব পাৰে। ইয়ে ভৱিষ্যতে ভূমিৰ সীমা আৰু স্বত্বক লৈ হ'ব পৰা কন্দল আঁতৰোৱাত সহায় কৰে। ভূমিহীনজনক ভূমি প্ৰদানৰ সমগ্ৰ প্ৰক্ৰিয়া পূৰ্বতে কেৱল ৰাজহ বিভাগ আৰু ৰাজহ পৰিদৰ্শকৰ কাৰ্যালয়লৈকেই সীমাৱদ্ধ আছিল। গাঁওবাসীসকলে নাজানিছিল যে কোন ভূমিহীন আৰু কোনে ভূমি লাভ কৰিছে আৰু কি ধৰণৰ ভূমি লাভ কৰিছে। তদুপৰি ভূমি সংযোজকৰ সহায়ত ৰাজহ পৰিদৰ্শকে প্ৰতিখন গাঁৱতে ক্ষেত্ৰ সত্যাপন কৰিব পৰা হ'ল। ৰাজহ পৰিদৰ্শকৰ ওপৰত বিভিন্ন দায়িত্ব ন্যস্ত থকা বাবে ইয়াৰ অনুশীলন পূৰ্বতে হোৱা নাছিল।

**ভূমি অধিকাৰৰ গুৰুত্ব সম্পৰ্কত সৰ্বসাধাৰণক অৱগতকৰণ ঃ**

ভূমিহীনজনক চিনাক্ত কৰাৰ প্ৰক্ৰিয়া এনে হৈ পৰে যে ভূমি সম্পৰ্কীয় সকলো বিষয় ৰাজহুৱা জ্ঞান হৈ পৰে। ভূমি সংযোজক আৰ্হিৰ আঁৰত থকা মূল দৰ্শনেই হৈছে 'মানুহৰ বন্ধু' এজন সৃষ্টি কৰা যিজনে ভূমি সম্পৰ্কীয় সমস্যাৰ সমাধানৰ ক্ষেত্ৰত চৰকাৰ আৰু সমাজৰ মাজত সামাজিক যোগসূত্ৰ স্থাপন কৰাত সহায় কৰিব পাৰে। পৰীক্ষামূলক প্ৰকল্প আৰু অ' টি ই এল পি-ৰ পৰিমাপণৰ যোগেদি ভূমি সংযোজন আৰ্হিয়ে মানুহক সহায় কৰাত ফলপ্ৰসূ হয়। বিশেষকৈ ভূমিহীনসকলে এটুকুৰা গৃহভূমি পোৱাটো যে তেওঁলোকৰ অধিকাৰ সেই কথা বুজাত সহায় কৰে, যিটোৰ চাহিদা পূৰ্বতে নাছিল।

ভূমি পট্টাৰ নথি দেখুওৱাৰ যোগেদি আৰু ক্ষেত্ৰ সত্যাপনৰ প্ৰক্ৰিয়াত অন্তৰ্ভুক্ত কৰি চৰকাৰী ভূমিত বেদখল কৰা পৰিয়ালৰ চিনাক্তকৰণত ৰাজহ পৰিদৰ্শকক ভূমি সংযোজকে সহায় কৰে। এনে অধিক দখল সম্পৰ্কীয় বিষয় ৰাজহুৱা কৰাৰ যোগেদি ভূমি সংযোজকে ৰাজহ পৰিদৰ্শকক সমৰ্থন আগবঢ়ায়। ইয়ে ভূমি সংযোজকজনক গাঁওবাসীৰ আস্থা আৰু বিকাশ অৰ্জন কৰাত সহায় কৰে আৰু যিয়ে পৰৱৰ্তী পৰ্যায়ত তেওঁলোকৰ সমস্যা সমাধান কৰাৰ সমানে সমানে দৰিদ্ৰৰ স্বাৰ্থৰ হকে ওকালতি কৰিব পাৰে।

পূৰ্বতে ৰাজহ প্ৰক্ৰিয়াত সমগ্ৰ নাগৰিক সমাজ জড়িত নোহোৱা বাবে চৰকাৰী ভূমি অবৈধভাৱে দখল কৰি থকা বিষয়টো অলক্ষিত হৈ ৰৈছিল আৰু ৰাজহ পৰিদৰ্শকে উচ্ছেদৰ বিষয়টোৰ দায়িত্ব গাত পাতি লৈ কাৰ্যব্যৱস্থা গ্ৰহণ কৰিবলৈ উৎসাহিত হোৱা নাছিল। কিন্তু গাঁওবাসীৰ সমৰ্থনত চৰকাৰী ভূমি বেদখলৰ পৰিমাণ তুলনামূলকভাৱে কমি আহে আৰু গাঁওবাসীয়ে ইয়াক নিজস্ব সমস্যা হিচাপে গণ্য কৰিবলৈ লয়।

চৰকাৰী ভূমিৰ বেদখলৰ হিচাপ নিৰ্ণয়ত গাঁৱৰ শিক্ষিত যুৱকক নিয়োগ কৰাটো ভূমি আবণ্টনৰ ক্ষেত্ৰত এক নব্য আৰ্হি হিচাপে পৰিগণিত হয়, কিয়নো হিচাপ নিৰ্ণয়ৰ বিষয়টো এজন ব্যক্তি বিশেষৰ ওপৰত নিৰ্ভৰশীল হৈ পৰে।

**এটা ৰাজহুৱা-ব্যক্তিগত-সামূহিক অংশীদাৰী আৰ্হি ঃ**

চৰকাৰী ভূমিৰ দখল বিধিসন্মত কৰাত গাঁৱৰ শিক্ষিত যুৱকৰ অংশগ্ৰহণ ভূমি আবণ্টনৰ ক্ষেত্ৰত এক নব্য আৰ্হি হিচাপে পৰিগণিত হয়; কিয়নো ভূমিহীন পৰিয়ালৰ গণনা এজন বেচৰকাৰী ব্যক্তিৰ সামৰ্থ্যৰ ওপৰত নিৰ্ভৰশীল হৈ পৰে। ৰাজহ অভিযানৰ পূৰ্বতে নাগৰিক সমাজ অথবা ব্যক্তি বিশেষৰ কোনো ধৰণৰ ভূমিকা নাছিল। ভূমি আবণ্টন আৰু পুনৰ্সংস্থাপন এনে এটা ক্ষেত্ৰ আছিল য'ত সৰ্বসাধাৰণৰ অংশগ্ৰহণ সম্ভৱপৰ নাছিল। দেশখনত পোন

প্ৰথমবাৰৰ বাবে সম্পূৰ্ণ চৰকাৰী আওতাত থকা ক্ষেত্ৰ এখনত ৰাজ্যিক আৰু অ-ৰাজ্যিক ব্যক্তি-প্ৰতিষ্ঠানৰ মাজত অংশীদাৰী ব্যৱস্থা সম্ভৱ হয়। অ-ৰাজহ ব্যক্তিক ভূমি আবণ্টনৰ বিষয়ত জড়িত কৰোৱাৰ যোগেদি চৰকাৰক প্ৰয়োজনীয় সমৰ্থন আগবঢ়োৱাত সমূহীয়া সামৰ্থ্যক স্বীকৃতি দিয়াত মুকলি মনৰ পৰিচয় দিছে। কঠিন সমস্যাৰ সামাজিক সমাধানত স্থানীয় যুৱকৰ সামৰ্থ্যকো ই স্বীকৃতি দিছে।

তদুপৰি অভিলেখ মানৰ সময়সীমাৰ ফলাফল দিব পৰাকৈ চৰকাৰ আৰু সৰ্বসাধাৰণৰ মাজৰ যোগসূত্ৰ পুনৰ্সংস্থাপনৰ কঠিন কামো ভূমি সংযোজকসকলে কৰিব পাৰে। ভূমি আবণ্টনৰ দৰে এক জটিল প্ৰক্ৰিয়াও ৰাজ্য চৰকাৰ আৰু নাগৰিক সমাজে নিজস্ব ভূমিকা আৰু দায়িত্ব স্পষ্টৰূপত জানি লৈ ভূমি আবণ্টন আঁচনিৰ যোগেদি সফলভাৱে সমাধা কৰিব পাৰে।

ভূমি সংযোজক আৰ্হিয়ে ভূমিহীন পৰিয়ালৰ চিনাক্তকৰণতে কেৱল সৰ্বসাধাৰণৰ অংশগ্ৰহণ নিশ্চিত নকৰে, ৰাজহ বিষয়াসকলক তেওঁলোকে যাতে ভূমি সম্পৰ্কীয় তথ্য যোগান ধৰিব পাৰে সেই কথাও সুনিশ্চিত কৰে।

**বিকেন্দ্ৰীকৃত ভূ-শাসনৰ যোগেদি সশক্তিকৰণ ঃ**

বিকেন্দ্ৰীকৃত অভিযানৰ বৈশিষ্ট্য-সম্পন্ন ভূমি-সংযোজক আৰ্হিয়ে ভূ-শাসনৰ ক্ষেত্ৰত দেখা দিয়া জটিলতা আৰু কাৰিকৰী সমস্যাৰ সমাধান কৰাত পঞ্চায়তীৰাজ ব্যৱস্থাৰ কৰ্মকৰ্তা উন্নয়নৰ স্থানীয় কাৰক আৰু নাগৰিক সমাজৰ যথাৰ্থ সদ্ব্যৱহাৰৰ যোগেদি প্ৰক্ৰিয়াটো গণমুখী আৰু উজু কৰি তুলিছে। ভূমি আবণ্টন প্ৰক্ৰিয়া সুচল আৰু ত্বৰান্বিত কৰাৰ বাবে ভূমি-সংযোজকৰ নিয়োগৰ ফলত ভূমি আবণ্টনৰ বিষয়টোক অগ্ৰাধিকাৰ দিয়াৰ বাবে ৰাজহ পৰিদৰ্শকসকল উৎসাহিত হয় যিটো পূৰ্বতে কৰ্মচাৰীৰ নাটনিৰ বাবে সম্ভৱপৰ হৈ উঠা নাছিল। বহু ৰাজহ বিষয়াই এই কথা উত্থাপন কৰিছিল যে ভূমিহীন পৰিয়ালৰ চিনাক্তকৰণৰ ক্ষেত্ৰত তেওঁলোকে মান নিৰ্দ্ধাৰণৰ পদ্ধতি অৱলম্বন নকৰা হেতুকে তেওঁলোকে তালিকাভুক্ত কৰা পৰিয়ালৰ সংখ্যা সঠিক নাছিল। সি যি কি নহওক, পূৰ্বে প্ৰচলিত ব্যৱস্থাত তেওঁলোকৰ বাবে আন কোনো বিকল্পও হাতত নাছিল। কিছুমান ৰাজহ পৰিদৰ্শকে আনকি এই কথাও ব্যক্ত কৰিছিল যে অতিৰিক্ত কৰ্মচাৰীৰ অভাৱৰ বাবে তেওঁলোকে ভূমি আবণ্টনৰ পূৰ্বে কাচিৎহে ক্ষেত্ৰ সত্যাপনৰ সমীক্ষা চলাইছিল।

সমূহীয়া স্তৰত তথ্য মজুত ৰখাৰ প্ৰক্ৰিয়া আৰু সময়ে সময়ে তাক ৰাজহুৱা কৰাৰ ব্যৱস্থাই ভূমি আবণ্টনৰ বিষয়ত সামূহিক অংশগ্ৰহণ সক্ৰিয় কৰি তোলে। ভূমিৰ নথি সম্পৰ্কত বৰ্দ্ধিত জ্ঞান আৰু ভূমি-সংযোজকৰ উপস্থিতিয়ে ৰাজহ চক্ৰ কাৰ্যালয়ত সৰ্বসাধাৰণৰ আহ-যাহ তুলনামূলকভাৱে বৃদ্ধি কৰে। ভূমি-সংযোজক কাৰ্যসূচীয়ে ভূমি আবণ্টনৰ প্ৰক্ৰিয়াত সামূহিক সদস্য জড়িত হোৱাৰ যোগেদি এক লক্ষণীয় মাত্ৰাত সবলীকৰণৰ সূচনা কৰে। তদুপৰি ৰাজহ পৰিদৰ্শক তথা সৰ্বসাধাৰণৰ মাজৰ যোগসূত্ৰ স্থাপনকাৰী হিচাপে ভূমি সংযোজকে ভূমি বিবাদ নিষ্পত্তি কৰাৰ ক্ষেত্ৰতো আগভাগ ল'বলৈ ধৰে যিটো তেওঁলোকৰ কাৰ্য পৰিসৰৰ ভিতৰত নপৰে।

দুই সন্তানৰ নামত যুটীয়াভাৱে থকা ভূমিৰ অধিকাৰৰ ক্ষেত্ৰত ভূমি আবণ্টন প্ৰক্ৰিয়াত মহিলাৰ অংশগ্ৰহণ ভূ-সংযোজক আৰ্হিৰ প্ৰচলনৰ লগে লগে বৃদ্ধি পোৱাটো পৰিলক্ষিত হয়। ২০১৩ বৰ্ষৰ নৱেম্বৰ মাহলৈ পট্টা বিতৰণৰ পৰিসংখ্যা অনুসৰি গৃহভূমি আৰু কৃষিভূমি বিতৰণৰ ৯৪ শতাংশই যুটীয়াভাৱে নাম কৰা আছিল আৰু ইয়াৰে ২.৫ শতাংশ পট্টা মহিলা মুৰব্বী থকা পৰিয়ালে লাভ কৰে। ভূমি আবণ্টনৰ পাছত মহিলাসকলে লাভ কৰা ভূমি চৰকাৰী আঁচনি আৰু কাৰ্যসূচীৰ যোগেদি সৃষ্টিমূলকভাৱে ব্যৱহাৰ কৰাত তেওঁলোকে উৎসাহ আৰু আগ্ৰহ প্ৰকাশ কৰে। এই ক্ষেত্ৰত মহিলাসকলে চৰকাৰী সেৱা লাভ কৰাৰ বাবে ব্যৱহাৰকাৰী গোট গঠন কৰাৰো নজিৰ আছে। মহিলা মুৰব্বী থকা পৰিয়ালৰ ক্ষেত্ৰত শিশুৰ শিক্ষাৰ বাবে বাসস্থানৰ প্ৰমাণ হিচাপে ভূমিৰ পট্টা ব্যৱহাৰ কৰিব পৰা গৈছিল যিটো ল'ৰা-ছোৱালীক বিদ্যালয়ত নামভৰ্তি কৰোৱাৰ বাবে প্ৰয়োজন হয়। ❐

২০১৩ চনৰ জানুৱাৰী মাহৰ প্ৰথম সপ্তাহৰ পৰা ৰোজগাৰ সমাচাৰ (উৰ্দু) ই-সংস্কৰণ আমাৰ হিন্দীৰ ৱেবচাইট www.rojgarsamachar.gov.in যোগে উপলব্ধ হৈছে। বৰঙণি দাতা/পাঠকসকলে ৱেবচাইট ই-সংস্কৰণ (উৰ্দু)ত click কৰি এই সংস্কৰণ পঢ়িব পাৰিব।

# জলবায়ু পৰিৱৰ্তন আৰু ৰাষ্ট্ৰৰ সষ্টমতা

ড° সুভাষ শৰ্মা*

**ভূমিকা ঃ**

জলবায়ু হ'ল এক দীৰ্ঘ কালৰ বতৰৰ গতিধাৰাৰ (ধৰক এক শতিকা বা তেনে ধৰণৰ) ফল। এই বতৰে ভিন্ন সময়ত ভিন্ন ৰূপ ধাৰণ কৰে। কাজেই ইয়াৰ স্থিতিও কমদিনীয়া। ১৯৯২ চনত অনুষ্ঠিত হোৱা ৰাইঅ' ধৰিত্ৰী সন্মিলন তথা জলবায়ু পৰিৱৰ্তন বিষয়ক ৰাষ্ট্ৰসংঘৰ পৰিকাঠামো সন্মিলনৰ (ইউ এন ফ্ৰেমৱৰ্ক কনভেনচন অন ক্লাইমেট চেঞ্জ) পৰা এইটো বহুলভাৱে স্বীকৃতি দিয়া হৈছে আৰু গ্ৰহণো কৰা হৈছে যে বিশ্বৰ বিভিন্ন ঠাইত বিভিন্ন আকাৰত জলবায়ুৰ পৰিৱৰ্তন ঘটে। গ্ৰীষ্ম কালত তাপমাত্ৰা বৃদ্ধি পায়; শীতকাল চমু হয় কিন্তু শীতৰ প্ৰকোপ চৰা হয়; বৃষ্টিপাত কোনো ঠাইত অধিক আৰু কোনো ঠাইত তেনেই কম; সাংঘাতিক ধৰেণ কুঁৱলীয়ে আৱৰি ধৰে আৰু অধিক সঘনে ই ছানি ধৰে; বানপানী আৰু খৰাং বতৰৰ দৰে ঘটনাৱলী সঘনেই চৰম অৱস্থাত উপনীত হয়; এটা বছৰত মুঠ বৃষ্টিপাতৰ মাত্ৰা একে হ'লেও খৰাং পৰিস্থিতি আৰু বানপানী কিন্তু অধিক হয়; এচিড বৰষুণো হয় আৰু তেনেদৰে নানা প্ৰাকৃতিক ঘটনাৱলী ঘটি থাকে। গোলকীয় উষ্ণতা অধিককৈ অনুভৱ কৰা যায় আৰু সেয়ে সমগ্ৰ বিশ্বত এই বিষয়টোৰ স'তে জড়িত থকা আটায়ে ইয়াক মানি লৈছে।

দেখ দেখকৈ জলবায়ু হ'ল এক গোলকীয় বিষয়। ঠাই বিশেষৰ পৰিণাম ইয়াৰ স'তে জড়িত আছে। জলবায়ু পদ্ধতি পাঁচটা অনুভাগৰ গতিময়তা আৰু ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ দ্বাৰা নিৰ্দিষ্ট কৰা হয়। সেই অনুভাগকেইটা হ'ল— বায়ুমণ্ডল, ভূ-ভাগৰ সমতল, হাইড্ৰোস্ফিয়েৰ, ক্ৰায়োস্ফিয়েৰ আৰু জৈৱমণ্ডল। জলবায়ু পদ্ধতিৰ গতি-গোত্ৰ আভ্যন্তৰীণ তথা বহিঃশক্তিৰ দ্বাৰা পৰিচালিত হয়। বহিঃশক্তি হ'ল, যেনে— আগ্নেয়গিৰি উদ্গীৰণ, সৌৰমণ্ডলৰ তাৰতম্য অথবা মানৱ সৃষ্ট কৰ্ম-কাণ্ড। এনে কৰ্মকাণ্ডৰ ভিতৰত উল্লেখ্য হ'ল গ্ৰীণ হাউছ গেছ কিম্বা ভূ-ভাগত সাধন কৰা পৰিৱৰ্তন কাৰ্য। বিভিন্ন গৱেষকে এইটো অনুমান কৰিছে যে ২১০০ চনৰ ভিতৰত বিশ্বই তিনিৰ পৰা চাৰি ডিগ্ৰী চেলছিয়াছ উষ্ণতাৰ অভিজ্ঞতা অনুভৱ কৰিব। জলবায়ু বিষয়ক আন্তঃচৰকাৰী পেনেলৰ মতে ১৮৫০ চনৰ পৰা অতিকৈ তাপযুক্ত বৰ্ষবোৰ আছিল— ১৯৯৮, ২০০৫, ২০০২, ২০০৩ আৰু ২০০৪ (ক্ৰমাগত তাপমাত্ৰা কমি আহে)। ব্ৰিটেইনৰ বতৰ বিজ্ঞান কাৰ্যালয়ৰ মতে গোলকীয় গড় হিচাপৰ তাপমাত্ৰা প্ৰত্যেক দশকতে ০.১৫ ডিগ্ৰী চেলছিয়াছকৈ বৃদ্ধি পাইছে। ২০০১-২০১০ বৰ্ষৰ কালছোৱা ১৯৯১-২০০০ দশকটোতকৈ ০.২০ ডিগ্ৰী চেলছিয়াছ অধিক তাপমাত্ৰা আছিল (১৯৯১-২০০০ বৰ্ষত ১৯৬১-৯০ দশকতকৈ ০.২৪° ডিগ্ৰী চেলছিয়াছ আৰু ২০০১-২০১০ দশকত ১৯৬১-৯০ দশকতকৈ ০.৪৪ ডিগ্ৰী চেলছিয়াছ অধিক আছিল)।

নিঃসন্দেহে অনেক কাৰণৰ দ্বাৰা জলবায়ু আক্ৰান্ত হয়। সেয়া তলত দিয়া হ'ল ঃ

১) দ্ৰাঘিমাংশ সহ সৌৰ বিকীৰণ আৰু তাৰতম্য, যেনে— উচ্চ দ্ৰাঘিমাংশত শক্তিৰ নাটনি আৰু নিম্ন দ্ৰাঘিমাংশত অতিমাত্ৰা শক্তি।
২) বৃহৎ জলাধাৰাৰ নিকটতম— ভাগ ভাগ মাটি আৰু পানী।
৩) পৰ্বতৰ বাধা, যেনে— মহাৰাষ্ট্ৰ, মুম্বাই আৰু পুণেত পৰ্বতৰ দৃশ্যপট সুকীয়া সুকীয়া আৰু সেয়ে পুণে মুম্বাইতকৈ ঠাণ্ডা।
৪) সমুদ্ৰৰ তাপমাত্ৰা আৰু প্ৰবাহ।
৫) উচ্চতা— অধিক উচ্চতাৰ ঠাই ঠাণ্ডা।
৬) শাক-পাচলি আৰু বনাঞ্চলৰে আবৃত ভূমি।
৭) বায়ুমণ্ডলৰ ছাপ (বায়ুমণ্ডল ৭৮.০৯% নাইট্ৰোজেন, ২০.৯৫% অক্সিজেন, ০.৯৩% অৰ্গেন আৰু ০.০৪% কাৰ্বন-ডাই-অক্সাইড)।

জলবায়ু পৰিৱৰ্তনৰ তিনিটা ঘাই বৈশিষ্ট্য হ'ল—

(ক) নিম্ন পৰিমাত্ৰাৰ পৰা অৱস্থান্তৰ
(খ) সময়-কালৰ পৰা পৰ্যায়ৰ প্ৰভেদ
(গ) সলনি হৈ থকা জলবায়ুৰ স্থিতি।

পিছে জলবায়ু পৰিৱৰ্তনৰ সন্দৰ্ভত অনেক অনিশ্চয়তা আছে। তাৰে তিনিটা হ'ল এনে ধৰণৰ—

*ড° সুভাষ শৰ্মা পাটনাত থকা শ্ৰম সম্পদ বিভাগৰ প্ৰধান সচিব

প্ৰথম, অঞ্চলগতভাৱে জলবায়ুৰ পৰিৱৰ্তন কেনেদৰে হ'ব সেয়া হ'ল এক ধূসৰ ক্ষেত্ৰ।

দ্বিতীয়, ভিন ভিন খণ্ডত জলবায়ু পৰিৱৰ্তনৰ অনিশ্চিত প্ৰভাৱ।

তৃতীয়, অনাকাংক্ষিত প্ৰভাৱৰ পৰা (যেনে— আগ্নেয়গিৰি) সম্ভাব্য আশ্চৰ্যজনক পৰিণাম।

**মানুহৰ দ্বাৰা সংঘটিত কাম-কাজ আৰু জলবায়ু পৰিৱৰ্তন**

এইটো সঁচা কথা যে জলবায়ু পৰিৱৰ্তন বিষয়ক আন্তঃচৰকাৰী পেনেলৰ চতুৰ্থ বাৰ্ষিক প্ৰতিবেদনৰ মতে যোৱা দহ হাজাৰ বছৰত যি সৰ্বমুঠ গ্ৰীণ হাউছ গেছ নিৰ্গমন হৈছিল সেয়া ১৭৫০ চনৰ পৰা নিৰ্গমন হোৱা তেনে গেছৰ (যেনে— কাৰ্বনডাই অক্সাইড, মিথেল, নাইট্ৰাছ অক্সাইড) ক্ৰমবৰ্দ্ধমান প্ৰভাৱ অধিক আছিল। ইপিনে ১৯৯৫-২০০৫ বৰ্ষৰ কালছোৱাত কাৰ্বনডাই অক্সাইডৰ স্তৰ ২০% বৃদ্ধি পায়। আনহাতে এইটোও মন কৰিবলগা বিষয় যে স্বাভাৱিকভাৱে সংঘটিত হোৱা গ্ৰীণহাউছ গেছেও (যেনে— জলীয় বাষ্প) প্ৰায় ৫০% মুঠ উষ্ণতাত বৰঙণি যোগায়। ইয়াৰ ফলত ধৰিত্ৰীত নিৰ্বাহ কৰা সকলো ধৰণৰ জীৱৰ কাৰণে এক প্ৰয়োজনীয় স্থিৰ জলবায়ুৰ অৱস্থা সৃষ্টি কৰে। কিন্তু যোৱা ২০০ বছৰ বা তেনে কালছোৱাত মানুহৰ দ্বাৰা সংঘটিত কৰা কাম-কাজৰ হেতু গ্ৰীণ হাউছ গেছৰ নিৰ্গমনে এই স্থিৰ জলবায়ুত বেয়াকৈ আক্ৰান্ত কৰে আৰু ঔদ্যোগিক দেশবোৰত সামগ্ৰীৰ অতিমাত্ৰা ব্যৱহাৰ কৰা অভ্যাস এই দুখলগা অৱস্থাৰ বাবে ঘাইকৈ দায়ী। নিৰ্দিষ্টভাৱে ক'বলৈ গ'লে বাৰ্ষিক গোলকীয় মানৱসৃষ্ট কাৰ্বনডাই অক্সাইডৰ নিৰ্গমনৰ মাত্ৰা প্ৰায় ৩৮ গিগা টন (জি টি)লৈ বৃদ্ধি পায় আৰু ২০১০ চনত জীৱাশ্ম ইন্ধন জ্বলোৱাৰ পৰাই নিৰ্গমনৰ মাত্ৰা ৩০.৬ জি টি স্পৰ্শ কৰেগৈ। তদুপৰি এইটো অনুমান কৰা হয় যে প্ৰাক্ ঔদ্যোগিক কালত বায়ুমণ্ডলত কাৰ্বনডাই অক্সাইডৰ পঞ্জীভূত পৰিমাণ আছিল ২৮০ পি পি এম, কিন্তু ২০১০ চনত ৩৯০ পি পি এম-লৈ বৃদ্ধি পায়। ই প্ৰাক্-ঔদ্যোগিক যুগৰ ৫৬০ জি টিৰ তুলনাত ৭৮০ জি টি কাৰ্বনডাই অক্সাইডৰ সমান। কীলিং আৰু ছাৰ্টেজৰ মতে গোলকীয় উষ্ণতাৰ প্ৰায় ৫৫%ৰ ঘাই কাৰক হ'ল এই অতিৰিক্ত কাৰ্বনডাই অক্সাইড আৰু বাকীখিনি অন্যান্য গ্ৰীণ হাউছ গেছ নিৰ্গমনৰ পৰা আহে। এইটো নক'লেও হয় যে নাইট্ৰাছ অক্সাইডৰ প্ৰভাৱ অধিক বিপজ্জনক, কিয়নো গোলকীয় উষ্ণতাৰ ক্ষেত্ৰত এক কিলো নাইট্ৰাছ অক্সাইডৰ প্ৰভাৱ এক কিলো কাৰ্বনডাই অক্সাইডতকৈ ৩০০ গুণৰো অধিক বেছি। আৰু কৃষি হ'ল নাইট্ৰাছ অক্সাইড নিৰ্গমনৰ বৃহত্তম উৎস। কেৱল সেয়াই নহয়, নাইট্ৰোজেনযুক্ত সাৰ (ইউৰিয়া, এম'নিয়াম আদি) যেতিয়া মাটিত মিহলোৱা হয়, তেতিয়া এক ৰাসায়নিক প্ৰতিক্ৰিয়াৰ (হাইড্ৰোলিছিছ) সৃষ্টি হয় আৰু উদ্ভিদে $NO_3$ ৰূপে নাইট্ৰোজেন গ্ৰহণ কৰিলে আন এক বাইপ্ৰডাক্ট অৰ্থাৎ উপ-পদাৰ্থ ($N_2O$) নাইট্ৰাছ অক্সাইড উৎপন্ন হয়। এই পদাৰ্থবোৰ বায়ুমণ্ডললৈ গুচি যায়। ফলস্বৰূপে গোলকীয় উষ্ণতাৰ পথ প্ৰশস্ত কৰে। দুৰ্ভাগ্যজনকভাৱে এই নাইট্ৰাছ অক্সাইডৰ অণুবোৰ বায়ুমণ্ডলত ১২০ বছৰ কাল থাকে। ভাৰতৰ সেউজ বিপ্লৱ অঞ্চলৰ ঠাইবোৰত (পঞ্জাব, হাৰিয়ানা, পশ্চিম উত্তৰ প্ৰদেশ) পৰিস্থিতি বেয়ালৈ গৈছে। তাৰ কাৰণ হ'ল অধিক ওখ নোহোৱা ঘেঁহুৰ তথাকথিত 'যাদুকৰী' বীজবোৰক অধিক মাত্ৰাৰ নাইট্ৰোজেনযুক্ত সাৰৰ প্ৰয়োজন হয়। পৰিণাম স্বৰূপে মাটিৰ গুণগত দিশৰ অৱনতি ঘটে, জলস্তৰো কমি আহে, পানী আৰু মাটি ভাগত লৱণীয়তাই গা কৰি উঠে আৰু জৈৱ-বিচিত্ৰতা (ধান-ঘেঁহুৰ কৃষি কৰ্ষণ) হ্ৰাস পায়। উক্ত আন্তঃচৰকাৰী পেনেলৰ মন্তব্য হ'ল শীৰ্ষ নিৰ্গমন অৱস্থাৰ প্ৰতিবাৰৰ বিলম্বতাই প্ৰায় ০.৫ ডিগ্ৰী চেলছিয়াছ উষ্ণতা সংযোগ কৰিব পাৰে আৰু আজি যি গ্ৰীণ হাউছ গেছ নিৰ্গত হ'ব সেইবোৰে আগতঃ দশকবোৰত সম্পূৰ্ণ মাত্ৰাত উষ্ণতাক উদগনি জনাব। এইটো কোৱা নিষ্প্ৰয়োজন যে ভাৰতত কাৰ্বনডাই অক্সাইডৰ জীৱাশ্ম ইন্ধনে গ্ৰীণ হাউছ গেছৰ নিৰ্গমনত ৫৬% বৰঙণি যোগায়। ২০০৫ চনত জনমূৰি গোলকীয় কাৰ্বনডাই অক্সাইডৰ নিৰ্গমন মাত্ৰা আছিল ৪.৫ টন আৰু ভাৰতত ২০৩০ চনত ইয়াৰ জনমূৰি নিৰ্গমন মাত্ৰা হ'ব ৫ টন।

তদুপৰি জৈৱিক বৈচিত্ৰ্য বিষয়ক ৰাষ্ট্ৰসংঘ সন্মিলনত যি প্ৰাকৃতিক পৰিৱৰ্তনৰ বিষয়ে উল্লেখ কৰা হয় সেয়া এনে ধৰণৰ—

(ক) গোলকীয় নিম্ন সমুদ্ৰপৃষ্ঠ ১০-২০ ছেণ্টিমিটাৰ বৃদ্ধি (বৰ্তমানৰ প্ৰতিবছৰে বৃদ্ধি হাৰ হ'ল ৩ মিলিলিটাৰ)।

(খ) ছুইজাৰলেণ্ডত তুষাৰ নৈসমূহৰ সামগ্ৰিক ভলিউম ২/৩ ভাগ হ্ৰাস পায়।

(গ) আৰ্কটিকৰ তুষাৰৰ ঘনতা গৰম দিনৰ শেষৰ পিনে আৰু শৰৎ কালৰ আগছোৱাত ৪০ শতাংশ হ্ৰাস পায়।

(ঘ) মাউণ্ট কেনিয়াই ৯২ শতাংশ বৰফখণ্ড হেৰুৱায় আৰু মাউণ্ট

কিলিমাঞ্জাৰোই হেৰুৱায় ৮২ শতাংশ।

(ঙ) নাইজাৰ, লেক চাদ আৰু চেনিগালৰ বৃহৎ অৱবাহিকা ভাগত মুঠ প্ৰাপ্ত জলৰাশিৰ পৰিমাণ ৪০-৬০% হ্ৰাস পায়।

(চ) উপকূল ৰেখাত ৭০% বলুকাৰাশিৰ পুনৰ স্থিতি।

(ছ) আলাস্কাৰ বনাঞ্চলৰ ১০০ কিলোমিটাৰ ক্ষেত্ৰভাগত উত্তৰমুখী গতিধাৰাত প্ৰত্যেক এক ডিগ্ৰী তাপমাত্ৰা বৃদ্ধি সূচায়।

আমি যদি বিশ্বত মুঠ গ্ৰীণ হাউছ গেছ নিৰ্গমনৰ বিষয়ে চাওঁ তেনেহ'লে দেখিবলৈ পাম যে চীন, আমেৰিকা, ৰাছিয়া, ই ইউ আৰু ভাৰত হ'ল সৰ্বাধিক মাত্ৰাত তেনে গেছ নিৰ্গমন কৰা দেশ (১নং তালিকাত দ্ৰষ্টব্য)।

১নং তালিকা ঃ **২০০৬ চনত বিভিন্ন দেশত গোলকীয় গ্ৰীণ হাউছ গেছ নিৰ্গমন**

| | দেশ | মুঠ গ্ৰী.হা.গে. নিৰ্গমন (বছৰি নিযুত টন) | মুঠ গ্ৰী.হা.গে. নিৰ্গমনৰ শতাংশ হাৰ |
|---|---|---|---|
| ১ | চীন | ৬০১৭ | ২১.৮% |
| ২ | আমেৰিকা | ৫৯০২ | ২০.৩% |
| ৩ | ৰাছিয়া | ১৭০৪ | ০৫.৭% |
| ৪ | ইউৰোপীয় সংঘ | প্ৰাপ্ত নহয় | ২৪.৫% |
| ৫ | ভাৰত | ১২৯৩ | ০৪.৭% |

এইটো অনুমান কৰা হৈছে যে ভাৰতত সেউজ গৃহ গেছৰ নিৰ্গমন মাত্ৰা প্ৰতিবছৰে ১২৯৩ নিযুত টনৰ পৰা বাৰ্ষিক ২৭৫০-৩৬০০ নিযুত টনকৈ বৃদ্ধি পাব আৰু ২০৩১ চনৰ ভিতৰত বাৰ্ষিক ৪৯০০-৫৭০০ নিযুত টনকৈ বৃদ্ধি হ'ব। ভাৰতৰ নিৰ্গমন ছবিখনত বিদ্যুৎ খণ্ডতেই সৰ্বাধিক (৩৭.৮%) হয়। তাৰ পিছতেই আছে কৃষি (১৭.৬%), পৰিবহন (৭.৫%), আবাসিক খণ্ড (৭.২%), চিমেণ্ট (৬.৮%), লোক আৰু তীখা (৬.২%) ইত্যাদি। তলৰ ২নং তালিকাত সবিশেষ দিয়া হ'ল—

২নং তালিকা ঃ **ভাৰতত গ্ৰীণ হাউছ গেছ নিৰ্গমনৰ লেখ**

| | খণ্ড | % হাৰ নিৰ্গমন |
|---|---|---|
| ১ | বিদ্যুৎ | ৩৭.৮% |
| ২ | কৃষি | ১৭.৬% |
| ৩ | পৰিবহন | ৭.৫% |
| ৪ | আবাসিক খণ্ড | ৭.২% |
| ৫ | চিমেণ্ট | ৬.৮% |
| ৬ | লো আৰু তীখা | ৬.২% |
| ৭ | অন্যান্য শক্তি | ৫.৩% |
| ৮ | অন্যান্য উদ্যোগ | ৮.৭% |
| ৯ | জাবৰ-জোঠৰ | ৩.০% |
| | মুঠ | ১০০.০% |

উৎস ঃ এম অ' ই এফ (২০১০)

এয়া হ'ল গেছ নিৰ্গমনৰ ৰাষ্ট্ৰীয় ছবি; কিন্তু ৰাজ্যত হোৱা নিৰ্গমনৰ ছবিখন সুকীয়া। উদাহৰণ স্বৰূপে সকলো মেট্ৰোপলিটান মহানগৰৰ ভিতৰত সৰ্বাধিক সংখ্যক যানবাহন থকা দিল্লীৰ পৰিবহন খণ্ডই সৰ্বাধিক মাত্ৰাত গেছ নিৰ্গমনত বৰঙণি যোগায়। দিল্লীত প্ৰতিবছৰৰ ১৫.৪১ নিযুত টন মুঠ নিৰ্গমনৰ ভিতৰত ৪৬% হ'ল পৰিবহন খণ্ডৰ। অনেক বছৰৰ পৰা দিল্লীক ঘন কুঁৱলীয়ে আৱৰি ৰাখে। ইয়াৰ কাৰণ হ'ল হাৰিয়ানা, পঞ্জাব আৰু পশ্চিম উত্তৰ প্ৰদেশত জ্বলোৱা ধানখেৰৰ পৰা সৰু সৰু টুকুৰাবোৰ বতাহত ভাঁহি আহে। এই অৱস্থা আৰু শোচনীয় হয় যেতিয়া যান-বাহনৰ পৰা বিপুল পৰিমাণে ধোঁৱা নিৰ্গত হৈ ছায়া আচ্ছন্ন পৰিৱেশৰ স'তে মিলি যায়। ২০১২ চনৰ ২৬ অক্টোবৰ-৮ নৱেম্বৰৰ কালছোৱাত ধূসৰ পৰিৱেশে শ্বাস-প্ৰশ্বাস আৰু এজমা ৰোগ বৃদ্ধিৰ বাট মুকলি কৰে।

ভাৰতত বায়ু প্ৰদূষণে বছৰি ৬.২০ লাখ লোকৰ মৃত্যু ঘটায় আৰু সমগ্ৰ বিশ্বত ইয়াৰ সংখ্যা হ'ল ৩২ লাখ (২০০০ চনৰ ৮ লাখৰ পৰা চাৰিগুণ বৃদ্ধি)। ৩নং তালিকাত দিল্লীৰ নিৰ্গমন ছবিখন দাঙি ধৰা হ'ল।

বৰ্তমানে বিশ্বৰ চহৰীয়া লোকৰ জনসংখ্যা ৫০ শতাংশতকৈ অধিক আৰু এনে চহৰবাসী লোকে খাদ্য, জল, আশ্ৰয়, পৰিবহন, শক্তি আৰু যোগাযোগৰ কাৰণে প্ৰতিষ্ঠান, পৰিৱেশ তথা আন জীৱন নিৰ্বাহৰ পদ্ধতিৰ ওপৰত নিৰ্ভৰ কৰে। থলুৱা ক্ষেত্ৰবোৰৰ উপৰি আৰু দূৰলৈ চায় যাতে

৩নং তালিকা ঃ **দিল্লীত (২০০৭ চনত) গ্ৰীণ হাউছ গেছ নিৰ্গমনৰ লেখ**

| খণ্ড | % হাৰ নিৰ্গমন |
|---|---|
| ১। পৰিবহন | ৪৬% |
| ২। ঘৰুৱা | ৩৪% |
| ৩। বাণিজ্যিক | ১২% |
| ৪। উদ্যোগ | ৮% |
| মুঠ | ১০০.০০ |

তেওঁলোকৰ প্ৰয়োজনীয়তাবোৰ পূৰণ হয়। পিছে ক্ষেত্ৰবোৰ ভিন ভিন ধৰণে জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱে স্পৰ্শ কৰে। নিঃসন্দেহে মানৱৰ উৎপাদনশীলতা, স্বাস্থ্য আৰু শক্তি প্ৰত্যক্ষভাৱে তাপমাত্ৰাৰ বৃদ্ধিৰ দ্বাৰা আক্ৰান্ত হয়। ভাৰতৰ চহৰৰ জনসংখ্যা বছৰি ৭০ লাখ বৃদ্ধি পায় আৰু কেৱল দিল্লীতেই ৫ লাখ বাঢ়ে। কেৱল তাপ বৃদ্ধিয়েই শীতলীকৰণ ব্যৱস্থা চাহিদাৰ বাট মুকলি নকৰে (ৰেফ্ৰিজেৰেটৰ, এচি, কুলাৰ ইত্যাদি), তদুপৰি আন বিষয়বোৰ জীৱন ধাৰণৰ ক্ষেত্ৰত জড়িত আছে। সঘনে আৰু সময়ে সময়ে গভীৰ বৃষ্টিপাতে পথৰ ওপৰেদি পানী বৈ গৈ বানৰ সৃষ্টি কৰে আৰু বহু চহৰতেই যান-বাহনৰ চলাচলত বেয়াকৈ আক্ৰান্ত কৰে। চহৰৰ বানপানী হ'ল এক নতুন আৰু ভীষণ ধৰণৰ সমস্যা— বিশেষকৈ মুম্বাই আৰু দিল্লীত। দিল্লীৰ প্ৰকৃত নগৰীকৰণৰ হাৰ হ'ল ৫৫ শতাংশ। ২০২১ চনৰ ভিতৰত ই ৮৫ শতাংশ স্পৰ্শ কৰাৰ আশা আছে। তেতিয়া দিল্লীৰ নিৰ্গমনৰ স্থিতি অধিক বেয়া হ'ব পাৰে যদিহে সাম্প্ৰতিক গতিধাৰা কোনো বাধা নোহোৱাকৈ অব্যাহত থাকে। পিছে এইটোও এক লক্ষণীয় বিষয় যে বিজ্ঞান আৰু পৰিৱেশ কেন্দ্ৰৰ (চেণ্টাৰ ফৰ ছায়েন্স এণ্ড এনভাইৰণমেণ্ট) দৰে নাগৰিক সমাজ সংগঠনসমূহৰ পৰা অহা হেঁচাৰ ফলত চি এন জি ইন্ধন (তুলনামূলক-ভাৱে পৰিষ্কাৰ এনাৰ্জি) বাছ, টেক্সী আৰু অ'টোৰিক্সাৰ দৰে ৰাজহুৱা পৰিবহন যান-বাহনৰ প্ৰচলন কৰা হয়। ২০০৭-১২ বৰ্ষৰ কালছোৱাত পাটনাৰ দৰে বহু ৰাজ্যৰ ৰাজধানীত ব্যক্তিগত যান-বাহন অনেক গুণে বৃদ্ধি পায়। তাৰ ফলস্বৰূপে গাড়ীবোৰৰ পৰা যি গেছ নিৰ্গত হয় তাৰ মাত্ৰাও অনেক গুণে বৃদ্ধি পায় আৰু ই পৰিৱেশ প্ৰদূষণত যথেষ্টভাৱে বৰঙণি যোগায়।

এক আনুমানিক হিচাপ মতে ভাৰতত দৈনিক ১৩৭৫ খন মটৰগাড়ীৰ সংযোজন ঘটে আৰু সেয়ে পৰিবহনৰ পৰা গেছ নিৰ্গমন হোৱা কথাটো হ'ল এক ডাঙৰ উদ্বেগৰ বিষয়। আন এক হিচাপ মতে গোলকীয়/ৰাষ্ট্ৰীয় ভাৰতত ৮০ শতাংশ শক্তি জীৱাশ্ম ইন্ধনৰ পৰা আহে। এতিয়া যি অৱস্থা হৈছে সেয়া আৰু ভিন্ন ধৰণে অধিক বৃদ্ধি পালে ইতিমধ্যে বাধাপ্ৰাপ্ত চহৰাঞ্চলৰ জীৱন ধাৰাত বেয়াকৈ প্ৰভাৱ পৰিব— যাৰ ফলত জল, অনাময় ব্যৱস্থা, খাদ্য, শিক্ষা, স্বাস্থ্য আৰু অন্যান্য প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ মস্কিল হ'ব। স্থায়ী বাসিন্দা-সকলৰ উপৰি প্ৰব্ৰজন কৰা লোক তথা ক্ষণস্থায়ীভাৱে অহা লোকসকলৰ বাবে ডাঙৰ সমস্যাৰ বিষয় হৈ পৰিব।

দেখ দেখকৈ এইটো চিন্তাৰ বিষয় যে কেনেকৈ আৰু কিমানখিনিলৈকে চহৰৰ লোকে জলবায়ু পৰিৱৰ্তনৰ ফল ভুগিব অথবা ইয়াৰ স'তে তাল-মিল ৰাখি আগলৈ ভাল এটা কিবা কৰিব। সেয়ে নগৰ, চহৰ আৰু মেট্ৰোৰ অপৰিকল্পিত বিকাশৰ বৃদ্ধিলৈ চাই গাঁথনিগত দিশ আৰু নগৰীকৰণ প্ৰক্ৰিয়া সঠিকভাৱে কৰাটো হ'ল বৰ গুৰুত্বপূৰ্ণ কথা। মাৰ্কাছময়েঞ্চে সঠিকভাৱে মন্তব্য কৰে যে জলবায়ু পৰিৱৰ্তনৰ প্ৰতি চহৰীয়া লোকৰ স্পৰ্শকাতৰ বিষয়টো পদ্ধতি বিশেষৰ দুৰ্বল ব্যৱস্থাৰ পৰিণামৰ ফল আৰু জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱৰ প্ৰতি নিজকে খাপ খাই ল'ব নোৱাৰাৰ অক্ষম অৱস্থা। এই ক্ষেত্ৰত জনসংখ্যাৰ ভিন্ন স্থিতিৰ বিষয়টোও আছে। উদাহৰণ স্বৰূপে উপকূলীয় অঞ্চলৰ চহৰবোৰত বাস কৰা ধনী লোকসকল হঠাতে উদ্ভৱ হোৱা ধুমুহা, বা-মৰলি আৰু সমুদ্ৰপৃষ্ঠ উচ্চতাৰ পোনপটীয়া প্ৰভাৱৰ প্ৰতি চহৰ এলেকাৰ ভিতৰুৱা অঞ্চলত দুখীয়া লোকতকৈ অধিক স্পৰ্শকাতৰ হ'ব পাৰে। আনহাতে ধুমুহা, ঘূৰ্ণী বতাহ আৰু সমুদ্ৰপৃষ্ঠৰ জলৰাশি ওপৰলৈ উঠি যেতিয়া কৃষি উৎপাদনক আক্ৰান্ত কৰে তেতিয়া চহৰৰ ভিতৰুৱা ঠাইত বাস কৰা দুখীয়া লোকসকল খাদ্য মূল্যৰ বৃদ্ধি হোৱাৰ বাবদ পৰোক্ষভাৱে অধিককৈ আক্ৰান্ত হ'ব পাৰে; কিন্তু উপকূলীয় অৱস্থানত বসবাস কৰা ধনী লোকে এনে বিষয়লৈ কটাক্ষকে নকৰে।

উপৰোক্ত প্ৰভাৱৰ সন্দৰ্ভত উদাহৰণ স্বৰূপে ক'বলৈ গ'লে হাওৰাৰ উপকূলীয় পৰিৱেশ আৰু জোপোহা গছবোৰ ঘূৰ্ণীবতাহ আৰু ধুমুহাই সহজেই আক্ৰান্ত কৰিব পাৰে; আৰু সেয়ে দ ঠাই তথা নদীৰ লগত সংলগ্ন থকা খালবোৰৰ দাঁতিত বসবাস কৰা দুখীয়া লোকসকল অধিকভাৱে আক্ৰান্ত হয়। উপকূলীয় পৰিৱেশ পদ্ধতিক অটুট নৰখাৰ বাবে এনে হয়। তদুপৰি উত্তৰ প্ৰদেশৰ গঙ্গা নদীৰ মাজভাগৰ নিম্ন অঞ্চলত থকা গোৰখপুৰ চহৰখনে বৃষ্টিপাতৰ পৰিৱৰ্তন হেতু (গৰমৰ দিনত গড় হিচাপে বৃষ্টিপাত বৃদ্ধি পায়) পানী জমা হয় আৰু বানপানীয়েও দেখা দিয়ে। জলাধাৰসমূহৰ অৱস্থা শোচনীয় হোৱাৰ হেতু আৰু অপৰিকল্পিত বিকাশ

তথা হোৱাই-নোহোৱাই মাটি দখলৰ অৱস্থাই তেনে কৰে। তদুপৰি জল বিশুদ্ধকৰণ আঁচনিৰ অভাৱ, প্ৰতিদিনে সৃষ্টি হোৱা মলৰ সু-ব্যৱস্থাকৰণৰ সমস্যা, নলা-নৰ্দমাবোৰ বোকাৰে পুত যোৱা আৰু বিল, পুখুৰী আদিৰ পৰা উদ্ভৱ হোৱা প্ৰদূষণে ভীষণ অৱস্থাৰ ৰূপ ধাৰণ কৰিছে।

মধ্য প্ৰদেশৰ ইন্দোৰ চহৰখনত যথেষ্ট জল যোগানৰ নাটনিৰ হেতু বেচৰকাৰী খণ্ডই ১৯৯০ দশকৰ পৰা জল যোগানৰ কাম হাতত লয়। মুঠ খোৱাপানী যোগানৰ ১০ শতাংশ এই খণ্ডই দায়িত্ব লয়। কিন্তু বিধিবদ্ধহীন জল যোগানে স্বাস্থ্যৰ কাৰণে সমস্যাৰ সৃষ্টি কৰিছে। ওজৰ-আপত্তিবোৰ নিষ্পত্তি কৰাৰ কোনো উপযুক্ত পদ্ধতি নাই। তদুপৰি ভিন্ন ৰূপত জলবায়ু পৰিৱৰ্তন সাধনে পানী দূষিত হোৱা সমস্যা বৃদ্ধি কৰিছে। পুৰণি আৰু নিকৃষ্ট মানৰ পানীৰ পাইপৰ হেতু নলাৰ পানী মলৰ স'তে মিহলি হয়। এনেদৰে জল যোগানৰ নামত দূষিত পানীহে যোগান ধৰা হয়। জলবায়ু পৰিৱৰ্তনে এনে পুতৌ লগা অৱস্থাক আৰু শোচনীয় কৰি তোলে।

আনহাতে ভাৰতৰ ৬০ শতাংশ জনসংখ্যাই কৃষিৰ ওপৰত নিৰ্ভৰ কৰে। কিন্তু এই কৃষি জলবায়ুৰ ফলত উদ্ভৱ হোৱা বিভিন্ন ঘটনাৱলীৰ ফলত প্ৰচুৰভাৱে নষ্ট হয়। তাক তলত দিয়া হ'ল—

ক) ৬০% কৃষি এলেকা ভূমিকম্পৰ প্ৰতি স্পৰ্শকাতৰ।
খ) ৪০% কৃষি বানপানীত নষ্ট হয়।
গ) ৬৮% কৃষি খৰাং পৰিস্থিতি আক্ৰান্ত হোৱাৰ সম্ভাৱনা।
ঘ) উপকূলীয় অঞ্চলৰ ৭০% ঘূৰ্ণী বতাহৰ ফলত আক্ৰান্ত হোৱাৰ সম্ভাৱনা (৮০০ কিলোমিটাৰ সৰ্বমুঠ উপকূলীয় এলেকা)।

**স্পৰ্শকাতৰ দিশ**

বিভিন্ন সংগঠন আৰু প্ৰতিষ্ঠানৰ মাজত স্পৰ্শকাতৰ বিষয়ৰ সন্দৰ্ভত ভিন ভিন মত আছে। আনপিনে ভাৰতৰ বিভিন্ন অঞ্চল আৰু ৰাজ্যত ইয়াৰ পৰিব্যাপ্তি আৰু গভীৰতা আদি সম্পৰ্কেও নিজৰ ধাৰণা আছে।

অৱস্থান (সুঁতি আদিৰ ক্ষেত্ৰত) আৰু বিভিন্ন পৰ্যায়ৰ ক্ষেত্ৰতো (সম্প্ৰদায়, জিলা আৰু ৰাজ্য) ভিন ভিন ধাৰণা আছে। উদাহৰণ স্বৰূপে উত্তৰ ভাৰতৰ গংগা অৱবাহিকা অঞ্চলত জলবায়ু পৰিৱৰ্তনক লৈ গ্ৰহণ কৰা এক অধ্যয়নত বিভিন্ন দৃষ্টিভংগী উপলব্ধ হয়। তাক তলত দিয়া হ'ল—

(ক) উজনি সোঁত বোৱা ভাগত বান সুৰক্ষা ব্যৱস্থাপনাৰ অধিক গুৰুত্ব আৰু খৰাং আশংকাযুক্ত মধ্য ভাগ তথা নামনি ভাগত জল সংৰক্ষণ জলাধাৰ আৰু জীৱিকা নিৰ্বাহৰ ভিন্নমুখীতাত অধিক গুৰুত্ব। এই অঞ্চলৰ মানুহখিনিৰ বিকল্প পন্থা হ'ল ঘাইকৈ 'সেউজ ব্যৱস্থা' (ক্ষেত্ৰ পৰ্যায়ত ক্ষুদ্ৰ আকাৰৰ জল ব্যৱস্থাপনা আৰু বৰষুণৰ পানীৰ সুব্যৱহাৰ) আৰু 'নীলা ব্যৱস্থা' (ব্যাপক আকাৰত জলাধাৰ বান্ধ)। কিন্তু গংগা অৱবাহিকা ক্ষেত্ৰভাগৰ বাবে এইবোৰ কম নিৰ্ভৰযোগ্য ৰূপে চোৱা হয়।

(খ) জিলা আৰু ৰাজ্যিক স্তৰত অনুষ্ঠান-প্ৰতিষ্ঠানবোৰে বিকল্প ব্যৱস্থা গ্ৰহণত গুৰুত্ব আৰোপ কৰিবৰ কাৰণে খৰচৰ কথাটোকেই ঘাই বিষয় ৰূপে চায়। উজনি সুঁতিৰ লোকৰ ক্ষেত্ৰত জিলা স্তৰৰ সংগঠনবোৰৰ বাবে মথাউৰিসমূহ শক্তিশালী কৰাৰ দৰে অধিক খৰচী বিকল্পক কম গুৰুত্ব প্ৰদান কৰে। সেই একেদৰে বানপানী আক্ৰান্ত ঠাইবোৰৰ পৰা লোকসকলক বেলেগ ঠাইত অৱস্থান কৰাটো কম পছন্দৰ বিষয় হয় আৰু তেনে সম্ভাৱনাও তেনেই কম। ইয়াৰ কাৰণ হ'ল অধিক খৰচ আৰু কমভাৱে সামাজিক গ্ৰহণযোগ্যতা।

(গ) জড়িত থকা সংগঠনসমূহৰ উচ্চ পৰ্যায়ত (ৰাজ্য আৰু জিলা) বৰ্তমানে থকা কাৰ্যসূচী আৰু আঁচনিসমূহৰ (যেনে— পৰিসৰ বিস্তৃতিকৰণ আৰু শস্য বীমা) স'তে খাপ খুৱাই লোৱাটোকে পছন্দ কৰে।

(ঘ) সমাজৰ লোকসকলে তৎকালীন লাভ হোৱাটোকে বিচাৰে। বনানী-কৰণৰ দৰে দীৰ্ঘদিনীয়া ব্যৱস্থাতকৈ জল সংৰক্ষণৰ বাবে প্ৰয়োজন জলাধাৰ গঠনৰ প্ৰতিহে আগ্ৰহী।

(ঙ) সামাজিকভাৱে গ্ৰহণযোগ্য বিষয়— জিলা পৰ্যায়ৰ কৰ্তৃপক্ষই গৰমকালিৰ ধান খেতিতকৈ কম পানীৰ প্ৰয়োজন হোৱা শস্যৰ (মাহ, শাক-পাচলি) প্ৰতি ধ্যান দিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰে। কিন্তু লোকসকলে ইয়াক কমেইহে মানিব খোজে।

(চ) বৰ্তমানে যিবোৰ ব্যৱস্থাৰ যোগান ধৰা হৈছে তাৰ মাজত থকা প্ৰভেদ আৰু সমৰ্থন প্ৰদান কৰা প্ৰতিষ্ঠান-সমূহৰ ওপৰত কৃষকৰ আত্মবিশ্বাসৰ অভাৱৰ হেতু তেওঁলোকে নতুন কাৰিকৰী কৌশল আৰু অভ্যাস-ৰাজি গ্ৰহণ কৰিবলৈ ভাল নাপায়।

ইয়াৰ উপৰি ভিন ভিন ৰাজ্যৰ ভিন ভিন স্থিতিস্থাপকতা আৰু স্পৰ্শকাতৰ বিষয় আছে। উদাহৰণ স্বৰূপে বিহাৰত ৭৩% এলেকা বানপানী আশংকাযুক্ত, ১৭% খৰাং আশংকা আৰু ১০% পানী

আৰব্ধ হৈ থকা এলেকা আছে। ২০১৩ চনৰ জুন-অক্টোবৰ মাহছোৱাত বহু জিলাতেই খৰাং অৱস্থাই দেখা দিয়ে আৰু পাঁচখন জিলাৰ লোক বানপানীত আক্রান্ত হয়। উত্ত বিহাৰৰ নদীবোৰৰ অৱবাহিকা অঞ্চলৰ প্ৰায় ৮৫% এলেকা ৰাজ্যখনৰ ভিতৰত থাকিলেও কাষতেই আছে নেপাল। কোশী নৈখন হ'ল বিহাৰৰ শোকৰ নৈ। তিনি শ্ৰেণীৰ নদীৰ বাবে ৰাজ্যখন বানপানীত ভুগিব লগা হয়। সেয়া হ'ল—

১) হিমালয় অঞ্চলৰ পৰা উৎপত্তি হোৱা কেইখনমান নদীয়ে জলপৃষ্ঠত বৰফ কঢ়িয়াই শুকান বতৰতো বৈ থাকে। নদীকেইখন হ'ল— কোশী, গণ্ডক, কৰ্ণানি (ঘগ্ৰা) আৰু মহাকালী (ছাৰদা)।
২) মহাভাৰত পৰ্বতমালাৰ পৰা উৎপত্তি হোৱা নদীকেইখন স্থলভাগৰ পানীৰ দ্বাৰা মিলিত হৈ স্পন্দিত হৈ উঠে। এই নদীকেইখন হ'ল— মেচী, কানকাই, কমলা, বাগমতি, পশ্চিম ৰাপ্তি আৰু বাবাই। গোটেই বছৰটো প্ৰৱাহিত হৈ থাকিলেও বতৰ বিশেষত ইয়াৰ জলাধাৰ কম-বেছি হৈ থাকে।
৩) দক্ষিণ শিৱালিক পৰ্বতমালাৰ পৰা উৎপত্তি হোৱা সৰু সৰু নদীকেইখন বতৰ বিশেষে ন ৰূপ লয় আৰু বাৰিষা কালত বানপানীৰ সৃষ্টি কৰে।

প্ৰকৃতাৰ্থত উত্তৰ বিহাৰৰ আটাইকেইখন জিলাক (২১ খন জিলা) নেপালৰ পৰা উৎপত্তি হোৱা বানে বেয়াকৈ আক্ৰান্ত কৰে। ফলস্বৰূপে থলুৱা লোকসকলে সঘনেই সাহায্যৰ বাবে বৈ থাকে। ইয়াৰ বাহিৰেও সমুদ্ৰপৃষ্ঠ ওপৰলৈ উঠিলে আৰু ধুমুহা তথা ঘূৰ্ণী বতাহৰ ধৰণ-কৰণৰ পৰিৱৰ্তন ক্ৰমে অনেক উপকূলীয় চহৰ ভাবুকিৰ সন্মুখীন হ'ব লগা হয়। এই চহৰবোৰ অন্ধ্ৰ প্ৰদেশ, তামিলনাডু, কেৰালা, মহাৰাষ্ট্ৰ, গুজৰাট, পশ্চিম বঙ্গ, ওড়িছা, আন্দামান-নিকোবৰ দ্বীপপুঞ্জ আৰু গোৱাত অৱস্থিত।

**সমস্যা সমাধানৰ প্ৰয়াস**

জলবায়ুৰ ক্ষেত্ৰত বিভিন্ন ৰাজ্যৰ গুৰুত্বৰ বিষয়বোৰো বিভিন্ন ধৰণৰ। কাজেই ৰাজ্যবোৰে ভিন ভিন স্তৰত সমস্যা সমাধানৰ বাবে ৰাজ্যিক কৰ্ম পৰিকল্পনা তৈয়াৰ কৰিব লাগে। ২০১৩ চনৰ ছেপ্টেম্বৰলৈকে মাত্ৰ ২০ খন ৰাজ্যই এনে পৰিকল্পনা তৈয়াৰ কৰে। ওড়িছা এই ক্ষেত্ৰত প্ৰথম ৰাজ্য। জলবায়ু পৰিৱৰ্তনৰ বিষয়বোৰ চোৱাচিতা কৰিবলৈ এটা সুকীয়া বিভাগ থকা একমাত্ৰ ৰাজ্য হ'ল গুজৰাট। গ্ৰহণ কৰা আঁচনি দুই ধৰণৰ— পৰিকল্পিত আৰু অপৰিকল্পিত (স্বায়ত্তপূৰ্ণ)। পৰিকল্পিত গ্ৰহণ কৰিব লগা উপায়সমূহৰ অৰ্থ হ'ল এক ইঙ্গিত লক্ষ্যৰ কাৰণে নিৰ্দিষ্ট নীতিৰ সিদ্ধান্ত। তেনে লক্ষ্য হ'ল— আৰ্দ্ৰভূমিৰ পুনৰস্থাপন, ঘূৰ্ণীবতাহে সৃষ্টি কৰা সমস্যাৰ সমাধান ইত্যাদি। প্ৰকৃততে এনে গ্ৰহণীয় ব্যৱস্থাৰ তিনিটা আকাৰ আছে—

১) অভিপ্ৰেত— স্বায়ত্তপূৰ্ণ অথবা পৰিকল্পিত
২) কাৰ্যকৰণ— পৰৱৰ্তী প্ৰতিক্ৰিয়া, চলিত অৱস্থা অথবা গ্ৰহণযোগ্য
৩) অস্থায়ী— হ্ৰস্বম্যাদ (তাৎক্ষণিক) অথবা দীৰ্ঘ ম্যাদ (ক্ৰমবৰ্দ্ধমান)
৪) স্থান সম্বন্ধীয়— স্থানীয় অথবা ব্যাপক

দেখ দেখকৈ খা-খবৰ ৰখা আৰু সচেতন লোকে খৰতকীয়া ফলাফলৰ বাবে পৰিকল্পিত, গ্ৰহণযোগ্য আৰু থলুৱাভাৱে অৱলম্বন কৰিব পৰা ব্যৱস্থাকহে পছন্দ কৰে। বিভিন্ন ৰাজ্যই তলত উল্লেখ কৰা পদক্ষেপ গ্ৰহণ কৰা আৱশ্যক ঃ

প্ৰথম, থলুৱা আৰু আঞ্চলিক আৱশ্যকতাৰ স'তে ৰজিতা খোৱা বাস্তৱ আৰু নিৰ্দিষ্ট ধৰণৰ ব্যৱস্থাৰ বাবে আমি তলৰ পৰা ওপৰলৈ চোৱা দৃষ্টিভঙ্গী গ্ৰহণ কৰা উচিত। তেনেদৰে পৰিকল্পনা তলৰ পৰা কৰা উচিত। স্বামীনাথন ফাউণ্ডেচন তথা আই এফ এফ চি অ'ই কৃষক-সকলক হেল্পলাইনৰ যোগান ধৰিছে। তেনেদৰে সৌৰ বায়োমাছ-ভিত্তিক শীতল ভাণ্ডাৰ প্ৰযুক্তি (নতুন দিল্লী টি ই আৰ আই-ৰ দ্বাৰা ডিজাইন কৰা) সফল হৈছে আৰু ফিজিয়ে ইয়াক অৱলম্বন কৰিছে।

দ্বিতীয়তঃ কৃষি খণ্ডৰ কাৰণে দক্ষতাক গঢ় দিয়া বিষয়টোত অধিক গুৰুত্ব আৰোপ কৰিব লাগিব (বিকাশীল দেশবোৰত কাৰিকৰী কৌশল আৰু প্ৰতিষ্ঠানমূলক সামৰ্থ্য)। এয়া প্ৰাক্-মৌচুমী, মৌচুমী, মৌচুমীৰ পৰৱৰ্তী কাল আৰু শীত কালৰ কাৰণে কৰিব লাগিব। বানপানীৰ আগজাননী, বানপানী প্ৰতিহত ব্যৱস্থা, বানপানী আক্ৰান্ত অঞ্চলবোৰ নিৰ্দিষ্ট কৰি তাৰ আশু সমাধান কাৰ্য হাতত ল'ব লগা প্ৰয়োজনীয় বিষয়। ভাৰতত বতৰৰ আগজাননী দিয়া কাৰ্য এতিয়ালৈকে পৈণত হোৱা নাই আৰু সঠিক নহয়। সেয়ে এই ক্ষেত্ৰত প্ৰযুক্তিৰ নতুন নতুন ব্যৱস্থা অতি আৱশ্যক। তদুপৰি মাটি আৰু তাৰ পৌষ্টিক গুণ কিমান আছে তাৰ সঠিক তথ্য আৰু শস্যৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰা বিষয়বোৰৰ লগত বতৰৰ আগজাননীকো মিলাই উপায় উলিওৱা প্ৰয়োজন। হঠাতে হোৱা বৰষুণৰ পানীৰ ব্যৱস্থা কৰিবলৈ নলা-নৰ্দমা পদ্ধতিক উন্নত কৰা উচিত। খৰাং কালত জল যোগানৰ বাবে বৃহৎ

জলাধাৰ নিৰ্মাণ কৰা উচিত। ভূঁইকঁপ আৰু ঘূৰ্ণী বতাহৰ সময়তো এনে জল যোগান ব্যৱস্থাৰ প্ৰয়োজন। ধুমুহাত খহি পৰিব নোৱাৰা গাঁথনি নিৰ্মাণ কৰা দৰকাৰ আৰু নিম্ন এলেকাবোৰত মথাউৰি নিৰ্মাণ কৰা আৱশ্যক।

তৃতীয়তঃ চাৰিটা অত্যাৱশ্যকীয় দিশৰ বাবে ভাৰতত 'ক্লীন ডেভেলপমেণ্ট মেকানিজম'ৰ (চি ডি এম) বাবে ব্যৱস্থা গ্ৰহণ কৰা উচিত। উক্ত চাৰিটা দিশ অথবা বিষয় হ'ল— অতিৰিক্ত নিয়োগ উদ্ৰেক, সামাজিক অসমতা দূৰীকৰণ, জীৱনৰ গুণগত দিশৰ উন্নতিৰ অৰ্থে মূল সা-সুবিধাসমূহৰ জৰিয়তে সামাজিক কল্যাণ সাধন; অৰ্থনৈতিক কল্যাণ (জনগণৰ প্ৰয়োজনৰ স'তে ৰজিতা খোৱা অতিৰিক্ত বিনিয়োগ); পৰিৱেশমূলক কল্যাণ (সম্পদসমূহ অক্ষুণ্ণ ৰখা, জৈৱ বৈচিত্ৰ্যৰ অনুকূল পৰিৱেশ, প্ৰদূষণৰ স্তৰ হ্ৰাস, ভাল অনাময় ব্যৱস্থা); প্ৰযুক্তিমূলক কল্যাণ (প্ৰাকৃতিকভাৱে নিৰাপদ প্ৰযুক্তিৰ হস্তান্তৰ, শক্তি সক্ষম যোজনা ইত্যাদি)। তদুপৰি এই চি ডি এম দৃশ্যপট বহল-ভিত্তিক হোৱা প্ৰয়োজন। লগতে থলুৱা স্তৰত লোকসকলে অংশগ্ৰহণ কৰিব পৰাও হ'ব লাগে। বৰ্তমানে বৃহৎ ভাৰতীয় কৰ্পোৰেট গৃহবোৰে ক্ষমতাত থাকি প্ৰাধান্য বিস্তাৰ কৰিছে। সেইদেখি ভাৰতত চি ডি এম যোজনাবোৰক বিধিবদ্ধ কৰিবৰ কাৰণে এক শক্তিশালী, স্বচ্ছ তথা সক্ৰিয় নিয়ামক কৰ্তৃপক্ষৰ ব্যৱস্থা কৰাটো হ'ল সময়ৰ আহ্বান— যাতে পৰিৱেশ আৰু থলুৱা লোকসকলৰ বাবে পৰিপন্থী বিষয় নহয় তাৰ কাৰণে তেনেবোৰ যোজনাক পুংখানুপুঙ্খ ৰূপে পৰীক্ষা কৰা প্ৰয়োজন।

চতুৰ্থতে, যদিও ভাৰতে যুটীয়া বন ব্যৱস্থাপনা কমিটী, গ্ৰীণ ইণ্ডিয়া মিছন, বনাঞ্চল বাসিন্দা অধিকাৰ আইন, সমূহীয়া বন ব্যৱস্থাপনাৰ জৰিয়তে আৰ ই ডি ডি-ক (ৰিডিউচিং এমিছনছ ফ্ৰম ডিফৰেষ্টেচন এণ্ড ফৰেষ্ট ডিগ্ৰেডেছন) অৰ্থাৎ বনাঞ্চল ধ্বংস তথা অৱনমিত কৰাৰ পৰা ৰক্ষা কৰিবৰ কাৰণে নিৰ্গমন হ্ৰাস কৰা কাৰ্যক উৎসাহিত কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ, তথাপি প্ৰকৃত কাম-কাজত সেইটো পৰিলক্ষিত হোৱা নাই। বৰং থলুৱা লোকসকলক বনাঞ্চল কিম্বা বন্যপ্ৰাণী সংৰক্ষণ কৰাৰ নামত বন বিষয়া আৰু কৰ্মচাৰীসকলে শোষণহে কৰিছে। এই ক্ষেত্ৰত বন বিষয়া-ঠিকাদাৰ-বেপাৰীৰ সম্পৰ্ক বৃদ্ধি পাইছে। চৰকাৰেও থলুৱা সম্প্ৰদায়ৰ প্ৰতিবাদ সত্ত্বেও ব্যক্তিগত কোম্পানী, প্ৰতিষ্ঠান আদিক বনাঞ্চল, মাটি, পানী আৰু খনি আবণ্টন কৰাত বেচ উদাৰতা দেখুৱায়। সেয়ে বনাঞ্চলৰ সুৰক্ষা সাধনৰ বাবে সম্পূৰ্ণৰূপে স্বচ্ছতা অৱলম্বন কৰা প্ৰয়োজন। ইয়াৰ কাৰণে থলুৱা লোক-সকলক এই স্পৰ্শকাতৰ বিষয় সম্পৰ্কে বাস্তৱত কি কৰিব লাগিব সেই বিষয়ে সজাগ কৰা উচিত। লগতে তেওঁলোকৰ নিজস্ব জ্ঞান পদ্ধতি, সমূহীয়া অভিজ্ঞতাৰ প্ৰতি গুৰুত্ব প্ৰদান কৰি সমাধানৰ প্ৰয়াস কাৰ্যত সম্পূৰ্ণৰূপে জড়িত কৰা উচিত।

পঞ্চম বিষয়টো হ'ল নতুন উদাৰতাবাদৰ (যিটোৱে জনসাধাৰণতকৈ কৰ্পোৰেট প্ৰতিষ্ঠানসমূহৰ স্বাৰ্থ অধিকভাৱে ৰক্ষা কৰে) ভাবধাৰাক জনতাৰ উন্মেষ সাধন বিকাশ বিকল্প ভাবধাৰাৰ ব্যৱস্থাক ঠাই দিব লাগে— যিটোৱে জনতাৰ অংশগ্ৰহণ, ৰাজনৈতিক বিকেন্দ্ৰীকৰণ, সামাজিক সমতা, অৰ্থনৈতিক দৃষ্টি সাধন, কাৰিকৰী ব্যৱস্থাৰ বহন ক্ষমতাৰ ওপৰত আলোকপাত কৰা উচিত। লগতে প্ৰাকৃতিক অৱস্থাক যাতে অটুট ৰাখিব পৰা যায় আৰু সাংস্কৃতিক দিশসমূহৰ ধ্যান-ধাৰণা যাতে থলুৱা লোকসকলৰ বাবে গ্ৰহণযোগ্য হয়, বিশেষকৈ দুখীয়া লোকসকলে নিজৰ আত্মবিশ্বাস গঢ়ি তুলিবলৈ আঁকোৱালি লয় তাৰ প্ৰতিও আলোকপাত কৰা প্ৰয়োজন। এনে বিকল্প বিকাশ ভাৱধাৰা নীতি থলুৱা লোক, তৃণমূল পৰ্যায়ৰ নাগৰিক সমাজ সংগঠন আৰু চৰকাৰৰ অংশীদাৰেৰে তৈয়াৰ কৰা উচিত। পিছে তথাকথিত চৰকাৰী-বেচৰকাৰী অংশীদাৰ (পাব্লিক-প্ৰাইভেট পাৰ্টনাৰশ্বিপ) ভাবধাৰাক গ্ৰহণ কৰিব নালাগে। কিয়নো বাস্তৱতে ই বেচৰকাৰী খণ্ডৰ লাভৰ বাবে ৰাজহুৱা পুঁজিক ন্যস্ত কৰাহে বুজায়।

সেয়ে জলবায়ু পৰিৱৰ্তনৰ প্ৰতি নিজকে খাপ খুৱাই ল'বৰ কাৰণে আৰু তাৰ আশু সমাধান কৰিবৰ অৰ্থে সকলোৱে মিলিজুলি আলাপ-আলোচনাৰ মাজেৰে জ্ঞান লাভ কৰাই হ'ল তেনে কামত অংশগ্ৰহণৰ মূল চাবি-কাঠী। বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু সংগঠনৰ মাজত যোগাযোগৰ যি বাধা আছে তাৰ সাঁকো সোনকালেই গঢ়া উচিত। শক্তিৰ সক্ষমতা গঢ়ি তুলিব পৰা বিল্ডিং, মল আদিৰ সুব্যৱস্থা কৰা উপায় আৰু ৰাজহুৱা পৰিবহন ব্যৱস্থাৰ প্ৰতি ধ্যান প্ৰদানেৰে চহৰীয়া লোকৰ জীৱনধাৰাক উন্নত কৰিবলৈ ৰাষ্ট্ৰীয় মিছন (নেচনেল মিছন অন চাছটেইনেবল হেবিটেট) প্ৰতিশ্ৰুতিবদ্ধ আৰু পৰিৱেশৰ প্ৰতি সজাগ হ'বলৈ সচেষ্ট; তথাপি ৰূপায়ণ ক্ষেত্ৰত এক বৃহৎ প্ৰভেদ দেখা যায়। যিহেতু প্ৰতিকাৰতকৈ প্ৰতিহত ব্যৱস্থা ভাল, সেই কাৰণে বিপদকালীন বিষয়বোৰ সন্দৰ্ভত আগজাননী পদ্ধতি সোনকালে আৰু সম্পূৰ্ণৰূপে বিকাশ কৰি উলিওৱা উচিত।

**(৫৬ পৃষ্ঠাত চাওক)**

# উত্তৰ-পূৰ্বাঞ্চল বিশেষকৈ নাগালেণ্ডৰ হিমালয়ৰ পাৰিৱেশিক ব্যৱস্থাৰ অৰ্থনৈতিক বহনক্ষম যোগ্যতা

**অধ্যাপক বি কে কোঁৱৰ***

হিমালয় পাৰিৱেশিক ব্যৱস্থাই ৫১ নিযুততকৈ অধিক লোকক সামৰি লৈছে। ভাৰতৰ উত্তৰ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ খোৱাপানী, জলসিঞ্চন, জল-বিদ্যুতৰ বাবে ব্যৱহাৰ কৰা পানীৰে পূৰ্ণ নদী, জৈৱ বৈচিত্ৰ্য সংৰক্ষণ, উচ্চমানৰ কৃষিৰ বাবে ঐশ্বৰ্যশালী ভিত্তি, বহনক্ষম পৰ্যটনৰ বাবে নয়নাভিৰাম দৃশ্যাৱলী দানেৰে অঞ্চলটোৰ পাৰিৱেশিক সুৰক্ষা দিয়াৰ ক্ষেত্ৰত ইয়াৰ যথেষ্ট অৱদান আছে। এই পাৰিৱেশিক ব্যৱস্থা আৰু বিচিত্ৰ। এই পাৰিৱেশিক ব্যৱস্থাৰ পাহাৰীয়া অঞ্চলত বাস কৰা অধিবাসীয়ে পাহাৰীয়া ঠাই উপযোগী খেতি কৰে আৰু বিভিন্ন পাৰিৱেশিক-ভৌগোলিক বিপদৰ আশংকাত দিন অতিবাহিত কৰিব লগা হয়। হিমালয় গৃহ বৰফ আৰু ইয়াৰ হিমবাহ সিন্ধু, গংগা, লুইত (ব্ৰহ্মপুত্ৰ) আদি চিৰ পৰিপূৰ্ণ নদ-নদীত সজীৱ পানীৰ এক বিশাল উৎস। বৰফ গলনৰ দৰে প্ৰাকৃতিক পৰিঘটনা হেৰফেৰ হ'লে পানীৰ পৰ্যাপ্ততা আৰু জলবিদ্যুৎ শক্তিৰ উৎপাদনত বিৰূপ প্ৰভাৱ পৰিব পাৰে। সেউজ গৃহৰ প্ৰভাৱত বৃদ্ধি পোৱা গোলকীয় উষ্ণতাৰ ফলত হোৱা বৰফ গলনেৰে ভাৰত বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে।

**পূব-দক্ষিণ হিমালয় অঞ্চল**

ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চল আধিক্যৰ ভূমি আৰু নিঃসন্দেহে মনোমোহা ঠাই। ইয়াৰ ২,৫৫,৯৯৭ কিলোমিটাৰ এলেকাৰ ৬০০০ কিলোমিটাৰ এলেকাত আছে শীতল জলবায়ু প্ৰভাৱিত অৰুণাচল প্ৰদেশৰ সুউচ্চ শৃংগসমূহ আনহাতে উপক্ৰান্তীয় জলবায়ুৰ ৯০ হাজাৰ কিলোমিটাৰজোৰা এলেকাত ব্ৰহ্মপুত্ৰ নদৰ (লুইতৰ পলাসপুষ্ট সমভূমি আৰু কৃষিভূমিৰে সৈতে বাস কৰা বিশাল জনসংখ্যা। ইয়াৰ দক্ষিণাঞ্চলত আছে মেঘালয়ৰ উচ্চ ভূমি (এম এছ এল-ৰ পৰা ৬০০-১৮০০ মিটাৰ) যাৰ দক্ষিণত আছে বাংলাদেশৰ সমভূমি আৰু উত্তৰত ব্ৰহ্মপুত্ৰ উপত্যকা। শীৰ্ষত বহল উপত্যকাৰে ইয়াত আছে বহু আকৰ্ষণীয় গভীৰ খাৰৈ। বিশ্বৰ ভিতৰত সৰ্বোচ্চ বৰষুণপুষ্ট স্থান মৌচিনৰাম ইয়াতে অৱস্থিত। বিভিন্ন ভূ-তাত্বিক যুগৰ শিল ইয়াত দেখা যায়।

**অঞ্চলটোত প্ৰৱেশৰ সুবিধা**

অঞ্চলটোৰ সমভূমি অঞ্চলৰ বাহিৰে বৃহৎ অংশত যোগাযোগৰ ব্যৱস্থাৰ অভাৱ। বিমান বন্দৰ, ৰেলপথ আৰু গাড়ী চলিব পৰা বেছিভাগ ঠাই ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাত অৱস্থিত। ইয়াৰ পাহাৰীয়া ঠাইসমূহত ৰেলপথ নাই আৰু উপত্যকাৰ সমভূমিৰ লগত যোগাযোগৰ বাবে গাড়ী চলাচল কৰিব পৰা বেছি পথো নাই। অঞ্চলটোত খনিজ আৰু অন্যান্য উদ্যোগিক উন্নয়নৰ ক্ষেত্ৰত এনে দুৰ্বল আন্তঃগাঁথনি প্ৰধান প্ৰতিবন্ধক হিচাপে পৰিগণিত হৈছে।

**অঞ্চলটোৰ খনিজ সম্পদ থকা স্থানসমূহ**

উত্তৰ-পূব ভাৰত অ-ধাতৱিক খনিজ সম্পদ, বিশেষকৈ উচ্চমানৰ চুণশিল, উচ্চ ছালফাৰ আৰু নিম্ন ছহিৰে গঠিত কয়লাৰ বাবে চহকী। ডল'মাইট, বোকা, নিম্নমানৰ গ্লাছ চেণ্ড আৰু নিম্নমানৰ গ্ৰেফাইট ইয়াত পোৱা যায়। নিৰ্মাণ কাৰ্যত ব্যৱহাৰ হোৱা গ্ৰেভল, বালি, বোকা, পুঞ্জীভূত কোমল শিলৰ বিপুল ভাণ্ডাৰ আছে।

**পেট্ৰলজাত সামগ্ৰী**

অসম খাৰুৱা তেল উৎপাদনৰ ক্ষেত্ৰত দেশৰ ভিতৰতে চহকী। উজনি অসমৰ ডিগবৈত প্ৰথম খাৰুৱা তেলৰ সন্ধান পোৱা গৈছিল আৰু ১৮৯২ চনত এছিয়াৰ প্ৰথম তেল শোধনাগাৰটো প্ৰতিষ্ঠা কৰা হৈছিল। গুজৰাট বেচিন আৰু আৰব সাগৰৰ বম্বেৰ হাইত তেল খাদৰ আৱিষ্কাৰ নোহোৱালৈকে অসমে অকলেই দেশৰ প্ৰায় ৫৪% তেল উৎপাদন কৰিছিল। বিগত ১০-১৫ বছৰৰ ভিতৰত অৰুণাপ্ৰদেশ, ত্ৰিপুৰা আৰু নাগালেণ্ডতো তেলৰ উৎপাদন সম্প্ৰসাৰিত হৈছে।

**অঞ্চলটোত অৰ্থনীতি**

বনজাত সম্পদ, নদী আৰু অৰণ্য পৰিৱেশ পৰ্যটন, চুণশিল উদ্যোগ, পেট্ৰলজাত সামগ্ৰী, কয়লাৰ খনি, ধান, শাক-পাচলি, চাহ খেতিয়েই অসমৰ মুখ্য

*অধ্যাপক বি কে কোঁৱৰ নাগালেণ্ড য়ুনিভাৰচিটিৰ উপাচাৰ্য

অৰ্থনৈতিক উদ্যোগ। অঞ্চলটোৰ পাহাৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশ, মেঘালয়, মিজোৰাম, নাগালেণ্ড আৰু ছিক্কিমৰ ক্ষেত্ৰত বনজাত সম্পদ; কয়লা খনি (মেঘালয়ৰ বাহিৰে আন ৰাজ্যত সংগঠিত খণ্ড নাই), দীঘলকৈ কটা বা ফলা আৰু ঝুম খেতি, ফলৰ খেতি, নিৰ্মাণ সামগ্ৰী (শিলৰ টুকুৰা) আৰু পৰ্যটনে যথেষ্ট বৰঙণি যোগাইছে।

| পৰিসীমা | উত্তৰ-পূৰ্বাঞ্চল | নাগালেণ্ড |
|---|---|---|
| প্ৰধান খনিজাত সামগ্ৰী | কয়লা, ডল'মাইট, চূণশিল, মেগ্নেটাইট, প্ৰাকৃতিক গেছ, তেল, চিলিমেনাইট আৰু ইউৰেনিয়াম | কয়লা, চূণশিল, মেগ্নেটাইট |
| গৌণ খনিজাত সামগ্ৰী | এপেটাইট্, এছ্বেছটজ, নিৰ্মাণত প্ৰয়োজন হোৱা শিল, বোকা, ক্ৰমাইট, ক'বাল্ট, তাম, ফায়াৰক্লে, গ্লাছ ছেণ্ড, সোণ, গ্ৰেফাইট, চীনামাটি, সীহ-দস্তা, লিগ্নাইট, মাৰ্বল, নিকেল, ফছফেট, প্লটিনয়ডছ, বিৰল মাটি, ছিলিমেনাইট, টেল্‌ক, টিন আৰু টাংষ্টেন | বেছ মেটেল ছালফাইড, ক্ৰ'মাইট, ক'বল্ট, নিকেল, প্লেটিনয়ড |

**নাগালেণ্ড**

নাগালেণ্ড আৰাকান— য়ুমা পৰ্বতমালাৰ উত্তৰত অৱস্থিত। কেৱল অসমৰ সমভূমি অঞ্চলৰ পাশ্বৰৰ্তী পাদদেশৰ বাহিৰে প্ৰায় সমগ্ৰ ৰাজ্য পাহাৰীয়া। ইয়াৰ অৱস্থানৰ বৈশিষ্ট্যৰ কাৰণে পূৱ এছিয়া অঞ্চলৰ আন্তৰ্জাতিক ব্যৱসায় আৰু বাণিজ্যৰ সক্ৰিয় কেন্দ্ৰ হিচাপে বিকাশৰ বাবে প্ৰচুৰ সম্ভাৱনা আছে।

**নাগালেণ্ডত কৃষি**

ভাৰতৰ জনজাতি বসতি প্ৰধান পাহাৰীয়া ঠাই, নাগালেণ্ডক ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ বনাঞ্চলৰ ভূমিভাগত স্থান সলনিকৰণ খেতি কৰা হয়। নগা জনজাতীয় জীৱনত, গাঁৱৰ জ্যেষ্ঠসকলে ঝুম খেতিৰ বাবে বনাঞ্চলৰ ঠাই বাছনি কৰে আৰু গাঁওখনৰ পৰিয়ালসমূহৰ মাজত বিতৰণ কৰে। প্ৰাক-বাৰিষা কালত ঘন অৰণ্য ভাঙি কিছুদনিৰ বাবে শুকাবলৈ দিয়া হয়। ইতিমধ্যে ডাঙৰ গছৰ ডালবোৰ কাটি পেলোৱা হয় আৰু আঁতৰাই পেলোৱা হয়। সমগ্ৰ অঞ্চলটো খেতিৰ বাবে উপযোগী কৰি তোলা হয়; বাকী ৰৈ যোৱা গছৰ ডাল-পাতবোৰত জুই লগাই দিয়া হয়। বাৰিষাৰ পূৰ্বেই শস্য ৰোপণৰ বাবে মাটিখিনি প্ৰস্তুত কৰি তোলা হয়। বাৰিষাৰ লগে লগে পথাৰত ধান আৰু আন খেতিৰ বীজ ৰোপণ কৰা হয়। সমগ্ৰ শ্ৰম সমূহীয়া কাৰ্যৰ দ্বাৰা সমাপণ হয়। ৰাসায়নিক সাৰ বা পতঙ্গ-প্ৰতিৰোধী ঔষধ ব্যৱহাৰ কৰা নহয়। জলসিঞ্চনো কৰা নহয় কিন্তু অপতৃণবোৰ নিৰাই দিয়া হয়।

শাক-পাচলি আৰু মাহ, বিলাহী, পিয়াঁজ, আদা, জলকীয়া, কল, মাটিকঠাল, নাচপতি, লতাবেল আদিৰো খেতি কৰা হয়। ধানৰ লগতে গোমধান, জোৱাৰ আদিৰ খেতিও কৰা হয়। ছেপ্তেম্বৰ-অক্টোবৰ মাহৰ সময়ছোৱাত কৰা ধানখেতি এক সামাজিক গুৰুত্বপূৰ্ণ

**তালিকা-১ ঃ উত্তৰ-পূৰ্বাঞ্চল আৰু নাগালেণ্ডৰ বুনিয়াদী পৰিসংখ্যা**

| পৰিসীমা | উত্তৰ-পূৰ্বাঞ্চল | নাগালেণ্ড |
|---|---|---|
| পথৰ দূৰত্ব | ১,১৬,৫৫১ কিলোমিটাৰ | ৮,৮০৫ কিলোমিটাৰ |
| জনসংখ্যা | ৩,৬৫,৪৭,৩১৪ | ১৯,৭৯,০০০ |
| অৰণ্য অঞ্চল | ১,৬৬,২৭০ কিলোমিটাৰ$^২$ | ১৪,৩৬০ কিলোমিটাৰ$^২$ |
| এলেকা | ২,৫৫,৯৯৭ কিলোমিটাৰ$^২$ | ১৬,৫২৭ কিলোমিটাৰ$^২$ |
| মুঠ কঠিন শিল অঞ্চল | ১,৮৭,৬২১ কিলোমিটাৰ$^২$ | ১৫,৭০০ কিলোমিটাৰ$^২$ |
| জনসংখ্যাৰ ঘনত্ব | প্ৰতি কিলোমিটাৰত ১২৪ জন | প্ৰতি কিলোমিটাৰত ৭৫ জন |
| চতুঃসংখ্যক অঞ্চল | ৬৭,৩৭৬ কিলোমিটাৰ$^২$ | ৮২৭ কিলোমিটাৰ$^২$ |
| গাঁও | ৩৯,৭২০ | ৯৬৩ |
| সাক্ষৰতা | ৪৭% | ৭০% |

কাম। আন এখন বনাঞ্চললৈ খেতি স্থানান্তৰ কৰাৰ পূৰ্বে একেডোখৰ ঠাইত প্ৰথমে ২ বা ৩ বছৰত ক্ৰমাগতভাৱে ২/৩টা খেতি কৰা হয়। ২ বা ৩টা ক্ৰমাগত খেতি কৰাৰ পাছত খেতিপথাৰখনত উৰ্বৰা শক্তি কমে সেয়েহে কেইবছৰমানৰ বাবে ঠাইখিনিত হাল বাই খেতি নকৰাকৈ ৰখা হয় (বৰ্তমান ঝুম খেতিৰ সময় চক্ৰ হৈছে ৪-৫ বছৰ)। অতীতত এই সময় চক্ৰ ২০ৰ পৰা ৩০ বছৰ আছিল। সি যি কি নহওক, বৰ্তমান খেতি নকৰাকৈ এই মাটিখিনি ৰখাৰ সময় চক্ৰ হ'ল ৩ৰ পৰা ৮ বছৰ মাত্ৰ। ইতিমধ্যে আন অৰণ্য পুৰি খেতিৰ বাবে উপযোগী কৰি তোলা হয়। এইদৰে প্ৰতিবছৰে অনিয়ন্ত্ৰিতভাৱে স্থান সলনি কৰা কৃষিৰ বাবে হেক্টৰ হেক্টৰ অৰণ্য ভূমি নিবিচৰা ধৰণে ব্যৱহাৰ হৈছে আৰু পদ্ধতিয়েই সলনি হৈ গৈছে।

প্ৰায় ৮৭,৩৩৯ হেক্টৰ মাটিত ঝুম খেতি আৰু ৬২,০৯১ হেক্টৰ এঢলীয়া মাটি খলপা কাটি খেতি কৰা হয়। অৰণ্য কাটি জুই লগাই দিয়া হয় আৰু ছাইৰ দ্বাৰা উৰ্বৰা কৰা মাটিত শস্যৰ বীজ ৰোপণ কৰা হয়। এই সম্পূৰ্ণ প্ৰক্ৰিয়াটো ৪/৫ বছৰৰ ভিতৰত সম্পূৰ্ণ হয়। এই সময়ছোৱা বেছি হ'লে মাটি বেছি সাৰুৱা হয় আৰু শস্য ভাল হয়।

**ৰাজ্যখনৰ অৰ্থনীতি**

নাগালেণ্ডৰ অৰ্থনীতি মৌলিকভাৱে কৃষি অৰ্থনীতি। ৰাজ্যখনৰ অৰ্থনীতিৰ বৈশিষ্ট্য হ'ল— ৰাজ্যখনত অনুপস্থিত মালিক নাই আৰু নাই ভূমিহীন কৃষক। তাৰ গ্ৰাম্য সমাজ ইমান সংগঠিত যে, সকলোলৈকে আছে খাদ্য, বস্ত্ৰ আৰু বাসস্থানৰ নিশ্চিতি। জনসাধাৰণ উৎপাদনশীল কৰ্মত লাভজনকভাৱে নিয়োজিত আৰু তাত ৰাহি শ্ৰমিক নাই। তাত গাঁৱৰ মুনিহ আৰু তিৰোতাৰে গঠিত গোটে সমূহীয়া শ্ৰম প্ৰদান কৰাৰ ব্যৱস্থা আছে। ইয়াৰ প্ৰতিদানত দলৰ প্ৰতিজন সদস্য উপকৃত হয়।

নাগালেণ্ডৰ দৰে জনজাতীয় বসতি-প্ৰধান অঞ্চলত অৰ্থনৈতিক উন্নয়নৰ প্ৰতিবন্ধক হ'ল ভৌগোলিক অৱস্থান আৰু আৰ্থ-সামাজিক অৱস্থা। ভৌগোলিক অৱস্থানৰ পাৰ্বত্য অঞ্চল, গভীৰ অৰণ্য আৰু কষ্টকৰ পৰিবহনৰ লগত সম্পৰ্কিত, সামাজিক অন্তৰায় হ'ল— আধুনিক তথ্যৰ অভাৱ আৰু উৎপাদনৰ আদিম পদ্ধতিসমূহ। অৰ্থনৈতিক অসুবিধাসমূহ হ'ল মূলধনৰ অভাৱ, বজাৰ ব্যৱস্থাৰ অভাৱ আৰু তেনেধৰণৰ কিছুমান কাৰণ।

ৰাজ্যখনৰ পথৰ মুঠ দৈৰ্ঘ হ'ল ৯,৩১৫ কিলোমিটাৰ। ডিমাপুৰ ৰেল আৰু আকাশী পথৰ সেৱাৰে সংযোজিত। ৰাজ্যখনৰ বনাঞ্চল সংৰক্ষিত, সুৰক্ষিত আৰু বেচৰকাৰী বনাঞ্চল আদি তিনিটা ভাগত বিভক্ত কৰা হৈছে। বনাঞ্চলৰ পৰিমাণ ৰাজ্যখনৰ ভূমিৰ মুঠ পৰিমাণৰ প্ৰায় ৩৩%। সম্প্ৰসাৰিত আৰু ব্যাপক খনিজ জৰীপ আৰু অনুসন্ধানত ৰাজ্যখনৰ খনিজ সম্পদৰ সম্ভাৱনাপূৰ্ণ ছবি দেখা যায়। ৰাজ্যখনৰ গুৰুত্বপূৰ্ণ খনিজ সম্পদৰ ভিতৰত উচ্চ স্তৰৰ চুণশিল, কয়লা, তাম, ক্ৰ'মিয়াম, শ্লেট, তেল আৰু প্ৰাকৃতিক গেছ অন্যতম।

**কৃষিভিত্তিক বাণিজ্য আৰু অৰ্থনীতি**

নাগালেণ্ডৰ কৃষিও বনাঞ্চল, কুটীৰ শিল্প আৰু পৰ্যটনৰ ওপৰত নিৰ্ভৰশীল। ২০০৯ চনত ৰাজ্যখনৰ মুঠ ঘৰুৱা উৎপাদন আছিল ৯,২৮৮ কোটি। ৰাজ্যখনৰ অৰ্থনীতিৰ এক বৈশিষ্ট্য হ'ল যে ৰাজ্যখনত কোনো ভূমিহীন কৃষক নাই। নাগালেণ্ডত উৎপাদন হোৱা বিভিন্ন প্ৰকাৰৰ শস্য হ'ল— ঘেঁহু, মাহজাতীয় শস্য, তৈলবীজ, কুঁহিয়াৰ, ক'লকেছিয়া, ধঁপাত, ধান, জোৱাৰ আদি। ৰাজ্যখনত উৎপাদন হোৱা শস্য পৰ্যাপ্ত নোহোৱাৰ বাবে আন ৰাজ্যৰ পৰা খাদ্য সামগ্ৰী আমদানি কৰিবলগীয়া হয়। ইয়াৰ কাৰণ হ'ল— ইয়াৰ জনসাধাৰণে কৰা পুৰণি অবহনক্ষম ঝুম খেতি— যাৰ ফলত মাটিৰ উৰ্বৰা শক্তি কমি যায় আৰু ভূমি স্খলন আদি। এইবোৰ কাৰকে ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশত হেঙাৰ সৃষ্টি কৰিছে। ৰাজ্যখনৰ অৰ্থনীতি বনাঞ্চলৰ ওপৰতো নিৰ্ভৰশীল। বনাঞ্চলৰ ভালেমান উৎপাদিত সামগ্ৰীয়ে ৰাষ্ট্ৰীয় আৰু আন্তৰাষ্ট্ৰীয় পৰ্যায়ৰ বজাৰৰ পৰা ৰাজ্যখনলৈ ৰাজহ কঢ়িয়াই আনিছে। কুটীৰ শিল্পৰ পৰাও ৰাজ্যখনলৈ যথেষ্ট ৰাজহ আহে। কুটীৰ শিল্পৰ ভিতৰত মৃৎ শিল্প, বস্ত্ৰ সামগ্ৰী আৰু কাঠৰ সামগ্ৰী প্ৰধান। কুটীৰ উদ্যোগৰ অন্তৰ্গত বস্ত্ৰ শিল্পৰ ৰাষ্ট্ৰীয় আৰু আন্তৰাষ্ট্ৰীয় বজাৰ আছে।

**নাগালেণ্ডৰ উদ্যান শস্য**

সৌ সিদিনালৈকে ৰাজ্যখনৰ বেছিভাগ কৃষকৰ বাবে উদ্যান শস্য আছিল এক অনগ্ৰসৰ কাৰ্য, কাৰণ সমগ্ৰ বছৰটো তেওঁলোকে খাদ্য সামগ্ৰী উৎপাদনৰ কামত অতি ব্যস্ত হ'বলগীয়া হোৱাৰ বাবে বাণিজ্যিক ভিত্তিত উদ্যান শস্যৰ বিষয়ে ভাবিবলৈ আহৰি নাছিল। তদুপৰি বৃক্ষৰোপণ আৰু উদ্যান ভিত্তিক শস্য পূৰঠ হোৱাৰ বাবে দীৰ্ঘ সময়ৰ প্ৰয়োজন হোৱা বাবে উদ্যান শস্যৰ খেতি প্ৰায় সকলো পৰিয়ালত এখন সৰু বাগানৰ মাজত সাধাৰণতে সীমাবদ্ধ। মাত্ৰ যোৱা দশকটোত ৰাজ্যখনৰ উদ্যান শস্যৰ উন্নয়নত মনোযোগ দিয়া হৈছে।

ৰাজ্যখনৰ গ্ৰাম্য অৰ্থনীতিৰ বিকাশত বৃক্ষৰোপণ আৰু উদ্যান শস্য খণ্ডই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। ৰাজ্যখনৰ বৰ্ণাঢ্য কৃষি জলবায়ু, বিভিন্ন প্ৰকাৰৰ মাটি আৰু প্ৰচুৰ বৰষুণে বহু ধৰণৰ বৃক্ষৰোপণ আৰু ফল, শাক-পাচলি, মছলা, ফুল, কাঠফুলা, ঔষধি আৰু সুগন্ধি গছৰ দৰে উদ্যান শস্য উৎপাদনত অৰিহণা যোগাইছে। ভৌগোলিক অৱস্থানে ৰাজ্যখনত উদ্যান শস্যৰ উন্নয়নত আশ্চৰ্যকৰ সুবিধা দান কৰিছে।

**উদ্যান শস্য সামৰি লোৱা তালিকা**

ৰাজ্যখনৰ ৩৬,১৭৭ হেক্টৰ মাটি উদ্যান শস্যই সামৰি লৈছে আৰু ই মুঠ শস্য পথাৰ এলেকাৰ (৩.৬৩ হেক্টৰ) ৯.৯৫%ক প্ৰতিনিধিত্ব কৰিছে। ৰাজ্যখনে ১.৫৭ লাখ মেট্ৰিক টন ফল, ১.৪০ লাখ মেট্ৰিক টন শাক-পাচলি আৰু ০.০৮ লাখ মেট্ৰিক টন ৰোপিত শস্যৰ উৎপাদন কৰে। ৰাজ্যখনত প্ৰায় ৫৮,৩৭০ হেক্টৰ কৃষিকৰ্মৰ উপযোগী পতিত ভূমি আৰু ১,৫৭,২১০ হেক্টৰ স্থায়ী হালবোৱা অথচ শস্য নিসিঁচা ভূমি আছে। ইয়াৰে ২৯,০০০ হেক্টৰ ভূমিত উদ্যান শস্য বিকাশ কৰিব পৰা যায়। তদুপৰি সম্ভাৱনাপূৰ্ণ ভূগৰ্ভস্থ জলসম্পদ উপযুক্তভাৱে ব্যৱহাৰ আৰু অতিৰিক্ত ১০% এলেকাত জলসিঞ্চনৰ ব্যৱস্থা কৰি উচ্চ মূল্যৰ উদ্যান শস্য আৰু শাক-পাচলিৰ খেতিৰ বাবে ব্যৱহাৰ কৰিব পৰা যাব। উচ্চতাৰ ওপৰত ভিত্তি কৰি মাটিকঠাল, কল, টেঙাজাতীয় ফল, মধুৰিআম আদি উপ-ক্ৰান্তীয় ফল আৰু বগৰী, পীচ, নাচপতি, লতাবেল আৰু বিভিন্ন প্ৰকাৰৰ বাদামৰ দৰে নাতিশীতোষ্ণ ফলৰ খেতি যথেষ্ট সম্ভাৱনাপূৰ্ণ। শাক-পাচলিৰ ভিতৰত গুৰুত্বপূৰ্ণ হ'ল— আলু, কাছাভা, ক'ল'কাছিয়া, বন্ধাকবি, ফুলকবি, মটৰ মাহ আৰু তিয়ঁহ আৰু প্ৰধান মছলাৰ ভিতৰত আদা, জলকীয়া, ইলাচী, নহৰু, জালুক আদি। ৰোপণ কৰা শস্যৰ ভিতৰত আৰিকা, নাৰিকল, চাহ আৰু ৰবৰ খেতি বাণিজ্যিক ভিত্তিত কৰিব পৰা সম্ভাৱনাপূৰ্ণ খেতি। ফল-মূলৰ ভিতৰত মাটিকঠাল, মাণ্ডৰিন সুমথিৰা আৰু লতাবেলৰ (পেছন ফ্ৰুট) খেতি ইতিমধ্যে বাণিজ্যিক ভিত্তিত কৰা হৈছে। জলবায়ুৰ বহনক্ষমতা, প্ৰণালীসন্মত স্থান বিৰৰণ আৰু বজাৰৰ সম্ভাৱনাৰ ওপৰত ভিত্তি কৰি উদ্যান শস্য বিভাগে বাণিজ্যিক উন্নয়নৰ বাবে নিম্নোক্ত শস্যসমূহ খেতিৰ বাবে চিনাক্ত কৰিছে ঃ

নাগালেণ্ডৰ সম্ভাৱনাপূৰ্ণ শস্য ফল ঃ লতাবেল, সুমথিৰা, মাটিকঠাল আৰু কল।

শাক-পাচলি ঃ পানীলাউ, স্কোৱাছ, কবি, আলু, মাহ, পিয়াঁজ আৰু কোমোৰা।

ফুল ঃ গ্লেডিয়লি, গোলাপ, লিলিয়াম, অৰ্কিড আৰু এনথুৰিয়াম।

মছলা ঃ আদা, ইলাচী, হালধি আৰু জালুক।

ঔষধ আৰু সুগন্ধি গছ ঃ পাচাউলি, নিম, অগৰ আৰু গিন্‌চেং।

ৰোপণ কৰা শস্য ঃ আৰিকা, নাৰিকল, চাহ আৰু বাদাম।

**সম্ভাৱনাপূৰ্ণ উদ্যান শস্যৰ আঁচনি**

ফল খেতি ঃ মাটিকঠাল, সুমথিৰা, লতাবেল, কিৰি ফল আৰু কলৰ খেতি বাণিজ্যিক ভিত্তিত কৰিব পাৰিলে ৰাজ্যখনৰ অৰ্থনীতি বিকাশ হোৱাৰ সম্ভাৱনা আছে।

**মছলাৰ বিকাশ ঃ** বিকাশৰ বাবে মছলাৰ ভিতৰত আদা, নহৰু, জালুক, ইলাচি, জলকীয়া আদি প্ৰধান খেতি। এইবোৰ খেতিৰ বাবে ৰাজ্যখনৰ জলবায়ু উত্তম। ক্ষেত্ৰ অধ্যয়নৰ দ্বাৰা এইটো প্ৰতীয়মান হৈছে যে, বাণিজ্যিক মূল্য আৰু নিশ্চিত বজাৰৰ বাবে কৃষকে আদা আৰু জলকীয়া খেতিৰ ওপৰত গুৰুত্ব দিছে।

**চাহ খেতি ঃ** ৰাজ্যখনৰ পাহাৰীয়া আৰু অসমৰ পাৰ্শ্বৱৰ্তী পাদদেশত বাণিজ্যিক ভিত্তিত উচ্চমানৰ চাহপাত উৎপাদনৰ সম্ভাৱনা আছে বুলি প্ৰমাণিত হৈছে। ৰাজ্যখনৰ ভূ-সম্পত্তি ভগা অংশৰ দৰে হোৱাৰ কাৰণে নাগালেণ্ডত চাহখেতি মূলতঃ ক্ষুদ্ৰ খেতিয়কৰ শস্য হৈ আছে। গাঁওসমূহত চাহখেতি সমূহীয়া ভিত্তিত কৰিব পাৰি। এনে ব্যৱস্থাই শ্ৰমিকৰ অভাৱ দূৰ কৰাৰ লগতে সমবায় ভিত্তিত কাৰখানা স্থাপন কৰি সেউজীয়া পাত সংসাধন কৰা আৰু আনুযঙ্গিক সুবিধা লাভত সহায় কৰিব। পূৰ্ণ পৰ্যায়ৰ কাৰখানা স্থাপন নোহোৱা পৰ্যন্ত উৎপাদনকাৰীয়ে অসমত থকা নিকটৱৰ্তী চাহবাগানত সেউজীয়া পাত বিন্যস্ত কৰিব পাৰিব। সংসাধনৰ সুবিধাৰ অভাৱ, শ্ৰমিকৰ উচ্চ মূল্য, দক্ষ মানৱশক্তিৰ অভাৱ আৰু বৰ্তমান প্ৰচলিত ভূমি মালিকীস্বত্ব ব্যৱস্থাই এই খেতিত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে। ৰাজ্যখনত ক্ষুদ্ৰ চাহ খেতিয়কৰ সংখ্যা ক্ৰমাগতভাৱে বৃদ্ধি পাইছে আৰু কৃষকসকল চাহবাগিচাসমূহৰ উন্নয়ন সধাত ব্ৰতী হৈছে। ৰাজ্যখনৰ ওখা আৰু মন জিলা চাহখেতিৰ বাবে সম্ভাৱনাপূৰ্ণ ঠাই হিচাপে উন্নয়ন সধাৰ থল আছে।

**ৰবৰ খেতি ঃ** ৰবৰ হ'ল বৰষুণপুষ্ট শস্য আৰু প্ৰান্তৱৰ্তী মাটিত সুচাৰু কৃষি ব্যৱস্থাপনাৰ অনুশীলনেৰে লহ্‌পহকৈ বৃদ্ধি কৰাব পৰা যায়। বৃক্ষহীন টকলা ঠাই আৰু অতিমাত্ৰাত ঝুম খেতি কৰা

স্থান আৰু কোনো অৰ্থনৈতিক কামৰ অবিহনে কৃষি নকৰাকৈ থকা পাশ্বৰৰ্তী পাদদেশত ৰবৰ খেতি কৰাটো সম্ভৱপৰ। সংহত অঞ্চলত দলগত প্ৰচেষ্টা হিচাপে ৰবৰ ৰোপণৰ বিকাশ সাধন কৰিব পাৰি।

**কাঠফুলাৰ খেতি ঃ** ৰাজ্যখনৰ অনুকূল কৃষি জলবায়ু আৰু নিশ্চিত বজাৰ সুবিধা থকাৰ পৰিপ্ৰেক্ষিতত কাঠফুলা খেতিৰ উন্নয়নৰ সম্ভাৱনা চিহ্নিত কৰা হৈছে। বিভাগে কাঠফুলা বীজ উৎপাদন কৰে আৰু নামমাত্ৰ দৰত আগ্ৰহী উৎপাদনকাৰীক যোগান ধৰে।

### সংসাধন আৰু মূল্য সংযোজন

ৰাজ্যখনত মাটিকঠাল, সুমথিৰা, লতাবেল আদি প্ৰচুৰ পৰিমাণে উৎপন্ন হ'লেও উৎপাদনকাল অতি চুটি আৰু ঋতুকালীন শস্য পূৰঠ হোৱাৰ পৰৱৰ্তী পৰ্যায়ৰ প্ৰয়োজনীয় প্ৰযুক্তি বিজ্ঞান আৰু মজুতকৰণৰ সুবিধাৰ অভাৱ, কম পৰিবহন আৰু যোগাযোগ, উপযুক্ত বজাৰকৰণ আৰু আন্তঃগাঁথনিৰ অভাৱে এই সম্ভাৱনাপূৰ্ণ বিকাশত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে। এনে ধৰণৰ কাৰকৰ ফলত উৎপাদন সামগ্ৰীৰ মূল্য কমাৰ কাৰণে উৎপাদনকাৰীৰ বাবে হতাশজনক হৈ পৰে। এই ক্ষেত্ৰত শ্ৰেষ্ঠ বিকল্প হ'ল ৰস ঘনীভূত কৰা, কুঁহিয়াৰৰ ৰস, জাম আদিৰ দৰে মূল্য সংযোজিত উৎপাদন কৰাটো।

### ঔষধ আৰু সুগন্ধি গছ

ৰাজ্যখন জৈৱ বৈচিত্ৰ্যত চহকী। অঞ্চলটোৰ আশ্চৰ্যজনক জলবায়ুৰ কাৰণে চিৰসেউজ অৰণ্যৰ পৰা ব্যাপক প্ৰজাতিৰ উদ্ভিদ আৰু জীৱকুলৰ পয়োভৰ দেখা যায়। চিৰসেউজ অৰণ্যসমূহৰ মাটি ঔষধ আৰু গুল্ম গছেৰে পৰিপূৰ্ণ। ইয়াৰে বহু ঔষধ আৰু গুল্ম গছ ঔষধ বা প্ৰয়োজনীয় তেল থকা সম্পদ, যিবোৰ অপৰ্যাপ্তভাৱে ব্যৱহাৰ কৰা হোৱা নাই।

**চিত্ৰনলাৰ খেতি ঃ** চিত্ৰনলা এবিধ গুৰুত্বপূৰ্ণ ঔষধ আৰু সুগন্ধি গছ। ৰাজ্যখনত এই খেতি বাণিজ্যিক ভিত্তিত কৰা হৈছে। জাভা চিত্ৰনলা— চিত্ৰনলা তেলৰ শ্ৰেষ্ঠ উৎস। জিৰে'নিয়াম তেল, চিত্ৰনলা তেল, হাইড্ৰক্সিল চিত্ৰনলাও আন অনুৰূপ উচ্চ মূল্যৰ সুগন্ধি গছ। এই তেল হ'ল সুগন্ধি চাবোন, স্প্ৰে, ডিঅ'ড'ৰেণ্টছ, ডিটাৰজেণ্ট, পলিচ, মহ খেদোৱা ক্ৰীম আদিত প্ৰয়োগৰ বাবে সুগন্ধি ৰসায়নৰ বিভিন্ন কেঁচা সামগ্ৰী। এই তেলসমূহৰ দেশত বিৰাট চাহিদা আছে। অসমৰ যোৰহাটত থকা চি এছ আই আৰ— এন ই আই এছ টি (আৰ আৰ এল) ৰাজ্যখনত চিত্ৰনলা খেতিৰ সংসাধন প্ৰৱৰ্তন কৰা প্ৰথম সংস্থা। ইয়াৰ পাছত '৭০ৰ প্ৰথম দশকত নাগালেণ্ডৰ মোকক্‌চোং জিলাৰ য়াওগিমচেন গাঁৱত পৰীক্ষামূলক প্ৰদৰ্শনমূলক গোট স্থাপন কৰা হয়। কৃষকসকলে ইয়াক ঝুম খেতিত আকৰ্ষণকাৰী আৰু লাভজনক বিকল্প হিচাপে পালে আৰু অধিক ভূমিত চিত্ৰনলা খেতিৰ ব্যৱস্থা কৰিলে।

**লেমন গ্ৰাছৰ খেতি ঃ** লেমন গ্ৰাছৰ পৰা উৎপাদিত তেল ভিটামিন 'এ'ৰ প্ৰধান উৎস। আৰ আৰ এল-এ ১৯৮০ চনত ৰাজ্যখনত এই প্ৰযুক্তি আৰম্ভ কৰে আৰু তেনেই কম সময়ৰ ভিতৰতে ভালেমান কৃষকে এই খেতিত হাত দিয়ে। আৰ আৰ এল-এ নাগালেণ্ডত এই ঘাঁহ গছৰ খেতিৰ বাবে উদগনিমূলক ব্যৱস্থা গ্ৰহণ কৰে আৰু বাণিজ্যিক ভিত্তিত ইয়াৰ খেতি কৰিবলৈ কৃষকসকলক প্ৰণোদিত কৰে।

**পাচাউলি খেতি ঃ** পাচাউলি খেতিৰ বাবেও ৰাজ্যখনৰ জলবায়ু অনুকূল। পাচাউলিৰ তেল উচ্চ পৰ্যায়ৰ সুগন্ধি তেলত ব্যৱহাৰ কৰা হয়। এই উচ্চ মূল্যৰ বৃক্ষ প্ৰজাতি ৰাজ্যখনৰ বিকল্প বাণিজ্যিক শস্য হিচাপে পৰিগণিত হৈছে। এই শস্যই স্থানীয় কৃষকৰ মাজত আগ্ৰহৰ সৃষ্টি কৰিছে আৰু ডিমাপুৰ জিলাত অধিকভাৱে এই খেতি বাণিজ্যিক ভিত্তিত কৰা হৈছে। ডিছটিলেইশ্বন গছো বহু এলেকাত বাণিজ্যিক অভিযান হিচাপে গ্ৰহণ কৰা হৈছে।

**আলঙ্কাৰিক গছ/পুষ্প উদ্যোগ ঃ** বিগত বছৰসমূহত পুষ্প উদ্যোগ কৃষি ব্যৱসায়ত এক প্ৰধান বিকল্প হিচাপে পৰিগণিত হৈছে। পুষ্প উদ্যোগত ফুলৰ কাটিং (সজীৱ), কন্দ, আলু, টাবত থকা ফুল, শুকান গছ, শুকান ফুল আদি অন্তৰ্গত। পুষ্প উদ্যোগ ৰাজ্যখনৰ কৃষি খণ্ডৰ বিকাশত প্ৰচুৰ অৰিহণা যোগোৱাৰ সম্ভাৱনাৰে পূৰ্ণ। ৰাজ্যিক উদ্যান শস্য বিভাগে ৰপ্তানিৰ বজাৰত দিব পৰাকৈ ব্যৱসায়ভিত্তিত খেতি কৰাৰ কাৰণে কেইবাবিধো ফুল বাচনি কৰিছে। এই ফুলকেইবিধ হ'ল— মিলিয়াম, এন্থু'ৰিয়াম, কাৰ্ণেজন আৰু গোলাপ। গোলাপ আৰু লিলিয়ামৰ বাণিজ্যিক ভিত্তিত খেতি আৰম্ভ হৈছে আৰু ঘৰুৱা আৰু বিদেশৰ বজাৰলৈ ৰপ্তানি কৰা হৈছে।

ৰাজ্যখনত উদ্যান শস্যৰ পুলি ৰোপণৰ বাবে পুলি, ফুল, ঔষধ আৰু সুগন্ধিজাতীয় গছ আৰু আলঙ্কাৰিক গছ ৰোপণৰ বাবে পুলি তৈয়াৰ কৰাৰ কাৰণে বাণিজ্যিক নাৰ্চাৰী স্থাপনৰ যথেষ্ট সম্ভাৱনা আছে। ৰাজ্যখনত উদ্যান শস্যৰ বিকাশৰ ক্ষেত্ৰত প্ৰধান অন্তৰায় হ'ল— পৰ্যাপ্ত পৰিমাণৰ গুণগত ৰোপণৰ বাবে পুলিৰ অভাৱ, বিশেষকৈ ফল আৰু ৰোপণৰ ক্ষেত্ৰত এইটো পৰিলক্ষিত হয়। বাণিজ্যিক নাৰ্চাৰী গোটসমূহ অত্যন্ত

লাভদায়ক আৰু ৰাজ্যখনৰ ব্যক্তিগত উদ্যোগপতিসকলে এনে গোটসমূহক উৎসাহিত কৰিব পাৰে।

শ্ৰেণীৱদ্ধকৰণ, ক্ৰম অনুসৰি সজোৱা, পেকিং কৰা, পৰিবহনৰ কাৰণে উৎপাদক কোম্পানী আৰু কৃষক সংস্থা গঠন আৰু ফল, ফুল আৰু শাক-পাচলিৰ বিক্ৰী কৰাৰ কাৰণে সুবিধা সৃষ্টি কৰাৰ প্ৰয়োজন। কেইবছৰমানৰ আগলৈকে নাগালেণ্ডে ফুল আমদানি কৰিছিল কিন্তু বৰ্তমান ৰাজ্যখনে নিজে উচ্চমানৰ ফুল উৎপাদন কৰি বাহিৰত বজাৰ দখল কৰাৰ বাবে গৌৰৱ কৰিব পাৰিছে।

জৈৱিক কৃষিৰ বাবে ৰাজ্যখনত জৈৱিক সাৰ উৎপাদন এক সম্ভাৱনাপূৰ্ণ উদ্যোগ হ'ব পাৰে। ফুল, ফল আৰু শাক-পাচলিৰ বৃহৎ উৎপাদনকাৰী হিচাপে নাগালেণ্ডে আভ্যন্তৰীণ আৰু বাহিৰৰ বজাৰৰ বাবে জৈৱ-সাৰ উৎপাদন কৰি ৰাজ্যখনৰ গ্ৰাম্য অৰ্থনীতি বৰ্দ্ধন কৰিব পাৰে।

**জলবায়ু পৰিৱৰ্তন সম্পৰ্কীয় কাৰ্যকৰী আঁচনি (এ পি চি চি)**

হিমালয় সম্পৰ্কিত পৰিৱেশতন্ত্ৰ ৰক্ষাৰ কাৰণে এন এ পি পি চি-ৰ দৰে জলবায়ু পৰিৱৰ্তন সম্পৰ্কীয় ৰাজ্যিক কাৰ্যকৰী আঁচনিখন গঠন কৰা হ'ব। এই আঁচনিয়ে নিম্নোক্ত বিষয়সমূহ সামৰি ল'ব পাৰে—

ক) জৈৱ বৈচিত্ৰ্য আৰু বন্যপ্ৰাণী সংৰক্ষণ আৰু সুৰক্ষিতকৰণ।
খ) পৰম্পৰাগত জ্ঞান সমাজ আৰু তেওঁলোকৰ জীৱিকা।
গ) হিমালয়ৰ পৰিৱেশতন্ত্ৰ অক্ষুণ্ণ ৰখাৰ বাবে আঁচনি।
ঘ) পৰিৱেশৰ লগত খাপ খোৱা কৃষি আৰু উদ্যোগ।
ঙ) ভূমি আৰু মাটি সংৰক্ষণ।

বিভিন্ন সমৰ্থ গঠনৰ বাবে তলত দিয়া প্ৰচেষ্টাসমূহ গ্ৰহণ কৰিব পাৰি—

ক) জনসাধাৰণৰ জ্ঞান সামৰ্থ্য গঠন কৰা
খ) প্ৰতিষ্ঠানগত সামৰ্থ্য গঠন কৰা
গ) এনেধৰণৰ জ্ঞান প্ৰতিষ্ঠানসমূহৰ মাজত ভাল সমন্বয় সাধন কৰা।
ঘ) জ্ঞান প্ৰতিষ্ঠানৰ অভাৱ থকা স্থানত ব্যৱধান আঁতৰাবৰ বাবে নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত নতুন প্ৰতিষ্ঠান নিৰ্মাণ কৰা।
ঙ) পৰম্পৰাগত জ্ঞান ব্যৱস্থাত হিমালয় অঞ্চলৰ কৃষি, পৰিৱেশ, পৰ্যটন আৰু জৈৱ-বৈচিত্ৰ্যৰ এলেকাসমূহত প্ৰতিষ্ঠানগত সামৰ্থ্য গঠন কৰা ইত্যাদি
চ) বিকাশৰ কৌশল আৰু অবিৰত শিক্ষণৰ বাবে সামৰ্থ্য গঠন কৰা। ❐

### জনজাতীয়সকলৰ উন্নয়নৰ পাঁচটা মৌলিক নীতি

১। মানুহে নিজৰ প্ৰতিভা অনুযায়ী বিকশিত হোৱা উচিত আৰু আমি তেওঁলোকৰ ওপৰত যিকোনো আৰোপ কৰাৰ পৰা আঁতৰি থকা উচিত। তেওঁলোকৰ পৰম্পৰাগত কলা আৰু সংস্কৃতিক সকলো প্ৰকাৰে উৎসাহিত কৰিবলৈ চেষ্টা কৰা উচিত।
২। ভূমি আৰু অৰণ্যৰ ওপৰত থকা জনজাতীয়সকলৰ অধিকাৰক সন্মান কৰা উচিত।
৩। প্ৰশাসন আৰু উন্নয়নৰ কাম কৰিবলৈ তেওঁলোকৰ নিজৰ মানুহৰ গোট গঠন কৰা আৰু তেওঁলোকক আমি প্ৰশিক্ষণ দিবলৈ চেষ্টা কৰা উচিত। বাহিৰৰ কাৰিকৰী লোকৰ নিঃসন্দেহে প্ৰয়োজন হ'ব, বিশেষকৈ আৰম্ভণিৰ সময়ত। কিন্তু জনজাতীয় ভূ-ভাগত বেছি সংখ্যক বাহিৰা লোকক অনাটো পৰিহাৰ কৰি চলিব লাগে।
৪। আমি এই এলেকাসমূহত প্ৰয়োজনাধিক পৰিচালনা আৰু বহু বিশিষ্ট আঁচনিৰে তেওঁলোকক মষিমূৰ কৰা উচিত নহয়। আমি তেওঁলোকৰ নিজৰ সামাজিক আৰু সাংস্কৃতিক প্ৰতিষ্ঠানৰ জৰিয়তে কাম কৰা উচিত; কিন্তু প্ৰতিদ্বন্দ্বিতাৰে নহয়।
৫। পৰিসংখ্যা বা ব্যয় কৰা ধনৰাশিৰ পৰিমাণেৰে নহয়, কিন্তু তাত জড়িত মানুহৰ চাৰিত্ৰিক গুণেৰেহে আমি ফলাফল বিচাৰ কৰিব পাৰো।

# সীমিত অৱস্থাৰ সম্প্ৰদায়সমূহৰ বিকাশৰ অৰ্থে ৰাজহুৱা সম্পদৰ উপযুক্ত ব্যৱহাৰ

**জাৱেদ আলম খান***

অনুসূচিত জনজাতি, অনুসূচিত জাতি, ধৰ্মীয় সংখ্যালঘু, মহিলা, ল'ৰা-ছোৱালী আৰু প্ৰতিবন্ধী লোকক ভাৰতত সীমিত অৱস্থাত থকা সম্প্ৰদায়ৰ লোক হিচাপে বিবেচনা কৰা হয়। ভাৰতৰ মুঠ জনসংখ্যাৰ ভিতৰত ধৰ্মীয় সংখ্যালঘু, অনুসূচিত জনজাতি, অনুসূচিত জাতিৰ শতাংশ হাৰ হ'ল যথাক্ৰমে (২০০১ চনৰ লোক পিয়ল মতে) ১৯, ১৬ আৰু ৮। মুছলমান লোকৰ সংখ্যা হ'ল মুঠ জনসংখ্যাৰ প্ৰায় ১৫ শতাংশ। দেশখনৰ ভিতৰত এওঁলোকেই হ'ল সংখ্যালঘু সম্প্ৰদায়ৰ এক বৃহৎ ভাগ। সীমামূৰীয়া শব্দটোৱে এই প্ৰক্ৰিয়াক বুজায় যি প্ৰক্ৰিয়া বা ব্যৱস্থাত অসুবিধাগ্ৰস্ততাৰ মাজত থকা সম্প্ৰদায়ৰ লোকসকলে সুচল প্ৰৱেশৰ বাধাৰ সন্মুখীন হয়, বৈষম্যৰো সন্মুখীন হয় আৰু ৰাজহুৱা সা-সামগ্ৰীৰ ব্যৱস্থাকৰণৰ সন্দৰ্ভত তেওঁলোকে নিজকে এক অংশস্বৰূপ অভাৱৰ ভাব অনুভৱ কৰে— যিটোৱে বিকাশৰ অসমতা আৰু ন্যায় দানৰ অভাৱৰ পথ প্ৰশস্ত কৰে। অনুসূচিত জনজাতি আৰু অনুসূচিত জাতিৰ লোকসকল ভাৰতীয় সমাজখনৰ অতি অসুবিধাগ্ৰস্ততাত ভোগা শ্ৰেণীৰ লোক। তেওঁলোকৰ আৰ্থ-সামাজিক স্থিতি আন সামাজিক গোটবোৰতকৈ বহু তলত। ইয়াৰ কাৰণ হ'ল বিভিন্ন ধৰণৰ বৈষম্যমূলক আৰু শোষণাত্মক কাম-কাজ বছৰৰ পাছত বছৰ ধৰি তেওঁলোকৰ বিৰুদ্ধে কৰি থকা হয়। তাৰ উপৰি ভৌগোলিক অৱস্থা, সমাজৰ পৰা বাহিৰত থকা, আৰ্থ-সামাজিকভাৱে শোষণ আৰু দীৰ্ঘকালৰ একাষৰীয়া স্থিতিও তাৰ বাবে জগৰীয়া। তেওঁলোক মানৱ বিকাশ আৰু অৰ্থনৈতিক দিশ উভয়ৰ ক্ষেত্ৰতে বাকী জনসংখ্যাৰ পৰা পিছত আছে।

এই প্ৰতিকূল অৱস্থাত জীৱন নিৰ্বাহ কৰা লোকসকলৰ ওপৰত আলোকপাত কৰা আৱশ্যকতা বহু দিনৰ আগৰ পৰাই ভবা হৈছে। ১৯৫১ চনৰ আগভাগৰ পৰা ভাৰতৰ বিকাশ পৰিকল্পনাৰ মূল বিষয় হৈ আহিছে। কিন্তু পৰিকল্পনা আয়োগে বিভিন্ন প্ৰয়াস কৰা সত্বেও অসুবিধা-গ্ৰস্ততাত ভোগা সম্প্ৰদায়ৰ লোকসকল যিদৰে বঞ্চিত হৈ আছে তাৰ মাত্ৰা হ্ৰাস পোৱা নাই। ১৯৭০ দশকৰ পৰা আয়োগে অনুসূচিত জাতি, জনজাতি, ধৰ্মীয় সংখ্যালঘু আদি লোকসকলক অধিকাৰ-ভিত্তিক লাভ প্ৰদান কৰিবলৈ বিভিন্ন নীতি অৱলম্বন কৰি অনেক ব্যৱস্থা আৰম্ভ কৰে। এনেবোৰ নীতিৰ দ্বাৰা পৰিচালিত লাভসমূহৰ ভিতৰত পুঁজিৰ নিৰ্দ্ধাৰণ আৰু অন্যান্য কল্যাণমূলক বিষয় তেওঁলোকৰ বাবে বিশেষকৈ কেন্দ্ৰীয় ৰাজ্যৰ বাজেটত ধৰা হয়। এই ব্যৱস্থা পূৰ্বৰ দৃষ্টিভঙ্গীৰ পৰা একেবাৰে বিপৰীত; কাৰণ পূৰ্বতে বিভিন্ন চৰকাৰী কাম-কাজৰ পৰা যিমানখিনি লাভ হয় তাৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰি এই শ্ৰেণীৰ লোকৰ বাবে চিন্তা কৰা হৈছিল।

যিহেতু ভাৰত হ'ল এখন কল্যাণ-মূলক ৰাষ্ট্ৰ সেই দিশৰ পৰা অসুবিধা-গ্ৰস্ততাৰ মাজত জীৱন নিৰ্বাহ কৰা লোকসকলৰ মানৱ বিকাশৰ স্তৰ ভালেমান প্ৰধান কাৰ্যসূচীৰ জৰিয়তে অধিক গুৰুত্ব আৰোপ কৰিবলৈ লোৱা হৈছে। একাদশ আৰু দ্বাদশ পাঁচ বছৰীয়া পৰিকল্পনাৰ ঘোষিত নীতিত চৰকাৰে এই বুলি দৃঢ়তাৰে কয় যে মানৱ বিকাশ আৰু সৰ্বাত্মক দিশৰ বিকাশ সাধন কৰিবলৈ অৰ্থনৈতিক বৃদ্ধি সূচী হ'ল এক প্ৰয়োজনীয় বিষয়। এনে বৃদ্ধিৰ অবিহনে বিকাশ কিম্বা সৰ্বাত্মক দিশৰ বিকাশ প্ৰাপ্ত কৰিব পৰা নাযায়। ইয়াৰ বাহিৰেও এইটো কোৱা হয় যে কেন্দ্ৰীয় চৰকাৰে একাদশ আৰু দ্বাদশ পৰিকল্পনাৰ কালছোৱাত বিকাশ খণ্ডৰ কিছুমান কাৰ্যসূচী আৰু আঁচনিৰ বাবে বাজেট আবণ্টনৰ ধনৰাশি বৃদ্ধি কৰে। ইয়াৰ অতিৰিক্ত এই সকলোবোৰ কাৰ্যসূচী আৰু আঁচনিৰ পৰিকল্পনা, ৰূপায়ণ আৰু পুনৰীক্ষণৰ ক্ষেত্ৰত অসুবিধা শ্ৰেণীৰ লোকসকলৰ অংশগ্ৰহণৰ নিশ্চয়তা কৰা হ'ব। বিত্তমন্ত্ৰীয়ে ২০১৩-১৪ বৰ্ষৰ কেন্দ্ৰীয় বাজেটৰ কাৰণে দিয়া ভাষণত এই কথাটো স্বীকাৰ কৰে। তেওঁৰ বক্তব্য হ'ল ঃ "ভাৰতৰ বহুবাদ আৰু বৈচিত্ৰ্যৰ বাবে তথা শতিকাৰ পাছত শতিকা ধৰি অৱহেলা, বৈষম্য আৰু বঞ্চনাৰ কাৰণে জনগণৰ অনেক শ্ৰেণীৰ লোক পিছপৰি থাকিব যদিহে আমি তেওঁলোকৰ প্ৰতি

বিশেষ মনোযোগ নিদিওঁ। কিন্তু বাজেটত আবণ্টিত ধনৰাশিৰ দিশৰ পৰা এই দুখীয়া আৰু সীমিত অৱস্থাত থকা লোকসকলৰ প্ৰতি যি 'মনোযোগ' দিয়া হৈছে সেয়া বৰ্তমান অৱস্থাত প্ৰয়োজনতকৈ অনেক কম।"

এই প্ৰবন্ধটোত চৰকাৰে অৱলম্বন কৰা বাজেট আৰু পৰিকল্পনা প্ৰক্ৰিয়াত অসুবিধাগ্ৰস্ততাত ভোগা সম্প্ৰদায়সমূহৰ (অনুসূচিত জনজাতি, অনুসূচিত জাতি আৰু সংখ্যালঘু) কিমানখিনিক অন্তৰ্ভুক্ত কৰা হৈছে আৰু তাৰ গতি-প্ৰকৃতি সম্বন্ধে অৱলোকন কৰা হৈছে? তদুপৰি তেওঁলোকৰ বাবে যি আঁচনি যুগুতোৱা হৈছে আৰু সম্পদৰাশি কিমান সেই সম্পৰ্কেও দৃষ্টি নিক্ষেপ কৰা হৈছে জানো?


**অনুসূচিত জাতিৰ উপ-আঁচনি আৰু জনজাতীয় উপ-আঁচনি**

১৯৭০ দশকৰ আগলৈকে পঞ্চবাৰ্ষিক পৰিকল্পনাবোৰ এক সাধাৰণ ধাৰণা লৈয়ে ৰূপায়ণ কৰা হয়। ইয়াৰ বাবে বঞ্চিত সম্প্ৰদায়ৰ লোকসকলৰ আৱশ্যকতাৰ বিষয়ে কোনো বিবেচনাই কৰা নহয়। নীতি তৈয়াৰ কৰোঁতাসকলে যেনিবা এইটো উপলব্ধি কৰে যে অভিপ্ৰেত লাভখিনি অনুসূচিত জাতি আৰু জনজাতি লোককে ধৰি দুখীয়া-সকলৰ ওচৰ গৈ নাপায়। সেয়ে বাজেট আৰু পৰিকল্পনা প্ৰক্ৰিয়াত অন্তৰ্ভুক্ত-কৰণৰ জৰিয়তে অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ বাবে পোন-পটীয়াকৈ 'নীতিৰ দ্বাৰা পৰিচালিত' লাভখিনি নিশ্চয়তা কৰিবৰ উদ্দেশ্যে ১৯৭০ দশকৰ কালছোৱাত পৰিকল্পনা আয়োগে পৰিকল্পনা কৌশল পদ্ধতি প্ৰচলন কৰে। সেই কৌশলৰ বিষয় হ'ল— অনুসূচিত জাতিৰ কাৰণে বিশেষ অনুভাগ আঁচনি আৰু জনজাতীয় উপ-আঁচনি। পাছত অনুসূচিত জাতিৰ এই অনুভাগ আঁচনিখনক অনুসূচিত জাতিৰ উপ-আঁচনি ৰূপে নামাংকিত কৰা হয়। এই দুয়োখন আঁচনিৰ প্ৰধান উদ্দেশ্য হ'ল মুঠ জনসংখ্যাৰ ভিতৰত (২০০১ চনৰ মতে ৰাষ্ট্ৰীয় পৰ্যায়ত যথাক্ৰমে ১৬% আৰু ৮%) এই সম্প্ৰদায়সমূহৰ সমানুপাত অনুযায়ী অনুসূচিত জাতি আৰু জনজাতিসকলৰ উন্নয়নৰ বাবে পৰিকল্পনাৰ পুঁজি প্ৰাপ্ত কৰা।

এই কৌশল পদ্ধতিৰ অধীনত আঁচনি ৰূপায়ণ কৰিব লগা প্ৰত্যেক মন্ত্ৰণালয়ৰ কাৰণে সুকীয়া বাজেট ব্যৱস্থাত অনুসূচিত জাতি আৰু জনজাতিৰ বাবে পৰিকল্পনা পুঁজি নিৰ্দ্ধাৰণ কৰিব লাগিব। যথাক্ৰমে অনুসূচিত জাতি আৰু জনজাতিৰ বাবে বিশেষকৈ ব্যয় কৰা বুজাবলৈ জনজাতি উপ-আঁচনিক ক'ড/বাজেট হেড ৭৮৯ আৰু জনজাতীয় উপ-আঁচনি ক'ড/বাজেট হেড ৭৯৬ৰে চিহ্নিত কৰিব লাগিব। ইয়াত সেই আবণ্টনৰাশিও অন্তৰ্ভুক্ত কৰিব পাৰে। যিখিনি অনুসূচিত জাতি আৰু জনজাতিৰ লোক সৰহ সংখ্যক আছে তেনে ঠাই আৰু এলেকাত লাভৱান্বিত হোৱাকৈ ক্ষেত্ৰ উন্মেষ সাধন আঁচনিৰ বাবে থকা ধনৰাশি আবণ্টন কৰা হৈছে। এই পদ্ধতি ৰূপায়ণৰ অৰ্থে তেনে লোকসকলৰ উন্নয়নৰ প্ৰাসঙ্গিক নতুন আৰু উপযুক্ত বিভাগীয় কাৰ্যসূচী আৰু আঁচনিসমূহ তৈয়াৰ কৰাৰ ওপৰতো গুৰুত্ব দিয়ে। দুয়োখন উপ-আঁচনিৰ পুঁজি আন কাৰ্যসূচীলৈ নিব নোৱাৰে আৰু পুঁজিৰ ধনৰাশি নিৰন্তৰ অৰ্থাৎ খৰচ হ'লে পুনৰ পূৰ্ণ কৰি সক্ষম কৰি ৰাখিব লাগিব।

অনুসূচিত জাতিৰ উপ-আঁচনিৰ অধীনত আবণ্টিত পৰিকল্পনা পুঁজিৰ পৰিমাণ ২০১৩-১৪ বৰ্ষৰ কেন্দ্ৰীয় বাজেটৰ মুঠ আবণ্টনৰ ৯.৭২ শতাংশ স্পৰ্শ কৰে। কিন্তু এই ধনৰাশিও উপ-আঁচনিৰ বাবে নিৰ্দিষ্ট কৰা অংশৰ ১৬.২ শতাংশ কম হয়। অনুসূচিত জাতিৰ উপ-আঁচনিৰ ক্ষেত্ৰত ২০১২-১৩ বৰ্ষৰ আবণ্টনত কিছু বৃদ্ধি দেখা যায়। পিছে এয়া ঘাইকৈ কেন্দ্ৰীয় চৰকাৰৰ মুঠ পৰিকল্পনা আবণ্টনৰাশি যথেষ্টভাৱে কম আছিল। ৩,৯১,০২৭ কোটি টকাৰ পৰা ৩,২৪,৫১১ কোটি টকালৈ হ্ৰাস পাইছিল; কিন্তু আনপিনে অনুসূচিত জাতিৰ উপ-আঁচনি অংশ মুঠ পৰিকল্পনা আবণ্টনত সমানুপাতভাৱে বৃদ্ধি পাইছিল।


**১নং গ্ৰাফ ঃ** অনুসূচিত জাতিৰ বাবে মুঠ পৰিকল্পনা আবণ্টনৰাশি কেন্দ্ৰীয় চৰকাৰৰ মুঠ পৰিকল্পনা আবণ্টনৰ % হিচাপত (ৰাজ্য আৰু কেন্দ্ৰশাসিত অঞ্চলবোৰলৈ দিয়া কেন্দ্ৰীয় সাহায্যক বাদ দি)




**উৎস ঃ** কেন্দ্ৰীয় বাজেটৰ বাজেট ব্যয়ৰ ভলিউম ১ৰ ২১ বিবৃতিৰ পৰা সম্পাদিত (বিভিন্ন বছৰৰ)

২নং গ্ৰাফত যোৱা কেইবছৰমানৰ মুঠ আবণ্টনৰাশিৰ ভিতৰত অনুসূচিত জাতিৰ কাৰণে আবণ্টিত সমানুপাতৰ গতিধাৰা দেখুওৱা হৈছে। নিৰ্দিষ্ট ৮ শতাংশ চিহ্ন আবণ্টনৰাশিয়ে স্পৰ্শ নকৰাটো পৰিলক্ষিত হৈছে। ২০১৩-১৪ বৰ্ষৰ কালছোৱাত জনজাতীয় উপ-আঁচনিৰ অংশ হ'ল মুঠ পৰিকল্পনা আবণ্টনৰ প্ৰায় ৫.৭৫ শতাংশ।

**২নং গ্ৰাফ ঃ** অনুসূচিত জনজাতিৰ বাবে মুঠ পৰিকল্পনা আবণ্টনৰাশি— কেন্দ্ৰীয় চৰকাৰৰ মুঠ পৰিকল্পনা আবণ্টনৰ % হিচাপত (ৰাজ্য আৰু কেন্দ্ৰশাসিত অঞ্চলবোৰলৈ দিয়া কেন্দ্ৰীয় সাহায্যক বাদ দি)




**উৎস ঃ** কেন্দ্ৰীয় বাজেটৰ বাজেট ব্যয়ৰ ভলিউম ১ৰ ২১ বিবৃতিৰ পৰা সম্পাদিত (বিভিন্ন বছৰৰ)

২০১৩-১৪ বৰ্ষৰ বাজেট বিৰৰণত অনুসূচিত জাতিৰ উপ-আঁচনি আৰু অনুসূচিত জনজাতিৰ উপ-আঁচনিৰ সন্দৰ্ভত পোন প্ৰথমবাৰৰ বাবে প্ৰকৃত ব্যয়ৰ ধনৰাশিৰ সংখ্যা দিয়া হয়। ইয়াক বাজেটত অধিক স্বচ্ছতা প্ৰদানৰ দিশত গ্ৰহণ কৰা পদক্ষেপ ৰূপে ল'ব পাৰি। তদুপৰি বিত্তমন্ত্ৰীয়ে তেওঁৰ বাজেট ভাষণত এইটোও গুৰুত্ব দিয়ে যে উপ-আঁচনিৰ বাবে আবণ্টন কৰা পুঁজি আন আঁচনিলৈ নিব নোৱাৰিব আৰু সেই পুঁজি যি উদ্দেশ্যৰ বাবে নিৰ্দিষ্ট কৰা হৈছে তাৰ বাবেহে খৰচ কৰিব লাগিব। পিছে বাস্তৱ ক্ষেত্ৰত কি হয় আৰু অনুসূচিত জাতি সম্প্ৰদায়ৰ লোকৰ ওপৰত কি প্ৰভাৱ পৰে সেই সন্দৰ্ভত অনেক কৰিব লগা আছে।

দুয়োখন উপ-আঁচনিৰ অধীনত ব্যয় সম্বন্ধে জনোৱা প্ৰতিবেদনত অনেক সমস্যাৰে ত্ৰুটীপূৰ্ণ হয়। প্ৰথমতঃ বাজেট বিৰৰণত প্ৰতিফলিত হোৱা মুঠ আবণ্টনৰাশি কেন্দ্ৰৰ সকলোবোৰ মন্ত্ৰণালয় আৰু বিভাগসমূহৰ মুঠ পৰিকল্পিত বাজেটৰ ১৬ আৰু ৮ শতাংশতকৈও অনেক কম হয়। ইপিনে দুয়োখন উপ-আঁচনিৰ বাবে পূৰ্ণ পুঁজি প্ৰদান কৰাটোৰেই নিৰ্দ্ধাৰণ ব্যৱস্থা। দ্বিতীয়তঃ এই বিৰৰণত মাত্ৰ ২৫-২৮টা মন্ত্ৰণালয় আৰু বিভাগেহে পৰিসংখ্যাৰ বিষয়ে জানিবলৈ দিয়ে। ইয়াৰ পৰা এইটো বুজা যায় যে আন মন্ত্ৰণালয় আৰু বিভাগবোৰে অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ উপ-আঁচনিবোৰ ৰূপায়িত কৰাত অসমৰ্থ হয়। তেওঁলোকে কয় যে অনুসূচিত জাতি আৰু জনজাতিৰ কাৰণে ধনৰাশি ভাগ ভাগ কৰিব নোৱাৰা সমস্যাৰ সন্মুখীন হয়— যদিও তেওঁলোকৰ ওচৰত বিভাজনৰ বাবে অনেক পৰিমাণৰ পৰিকল্পনা পুঁজি থাকে। তৃতীয়তঃ যিবোৰ মন্ত্ৰণালয়ে বাজেট বিবৃতিত ব্যয় সম্বন্ধে জনায় তাত দুয়োখন উপ-আঁচনিৰ সন্দৰ্ভত বাস্তৱ ৰূপত খৰচ কৰাৰ পৰিসংখ্যা নিদিয়ে।

ইয়াৰ বাহিৰেও ২০১০ চনত অনুসূচিত জাতি আৰু জনজাতিৰ উপ-আঁচনিসমূহ ৰূপায়ণৰ বাবে নৰেন্দ্ৰ যাদৱ কমিটীয়ে আগলৈ কৰিব লগা যি চিত্ৰ দাঙি ধৰিছিল তাত মূল সমস্যাটো সমাধান কৰা দেখা নগ'ল। মূল বিষয়টো আছিল বিকাশমূলক কাৰ্যসূচীৰ পৰিকল্পনা আৰু ৰূপায়ণত অনুসূচিত জাতি তথা অনুসূচিত জনজাতিক অন্তৰ্ভুক্ত কৰাটো। বহু আঁচনিত কামৰ গুৰি ধৰা মন্ত্ৰণালয়বোৰে নিজৰ পৰিকল্পনা আবণ্টনৰাশিৰ এক অংশৰ বিষয়েহে জনায় আৰু সেয়া অনুসূচিত জাতি, অনুসূচিত জনজাতিক উপকৃত কৰিবৰ কাৰণে থকা পুঁজি অংশ ৰূপে দেখুৱায়— যদিও তেনে আঁচনি অথবা অনুভাগ অনুসূচিত জাতি আৰু জনজাতিৰ নিৰ্দিষ্ট প্ৰয়োজনীয়তাৰ অৰ্থে লক্ষ্য কৰা নহ'বও পাৰে। মুঠৰ ওপৰত ক'বলৈ গ'লে বহুতো কেন্দ্ৰীয় আঁচনি সাধাৰণ দৃষ্টিভঙ্গীৰ ওপৰত ভিত্তি কৰি তৈয়াৰ কৰা হয়। অৰ্থাৎ সমগ্ৰ জনসংখ্যাৰ বাবেই এই দৃষ্টিভঙ্গী গ্ৰহণ কৰে আৰু কাৰ্যসূচী হাতত লোৱা মন্ত্ৰণালয়ে ধাৰণা কৰি লয় যে জনগণৰ আন শ্ৰেণীৰ লোকৰ লগতে অনুসূচিত জাতি আৰু জনজাতিৰ লোকসকলো ইয়াৰ পৰা উপকৃত হ'ব।

অনেক বছৰৰ পৰা এই দুয়োখন উপ-আঁচনিৰ অধীনত যি প্ৰতিবেদন দিয়া হয় অধিককৈ 'পশ্চাৎপদ বাজেট' প্ৰকৃতিৰ। এনে বাজেটত কেন্দ্ৰীয় বাজেট যুগুতোৱা প্ৰক্ৰিয়াত মন্ত্ৰণালয়সমূহৰ পৰিকল্পনা বাজেট চূড়ান্ত কৰাৰ পাছতহে

অনুসূচিত জাতিৰ বাবে আবণ্টনৰাশি নিৰ্দ্ধাৰণ কৰা হয়। বাজেট তৈয়াৰ পৰ্যায়ত অনুসূচিত জাতিৰ উপ-আঁচনি আৰু অনুসূচিত জনজাতিৰ উপ-আঁচনি যুগুতাবৰ কাৰণে কোনো বিশেষ ব্যৱস্থা নোলোৱাকৈ এনে কৰা হয়। এনে মন্ত্ৰণালয়বোৰৰ কাৰ্যসূচী আৰু আঁচনিবোৰ পৰীক্ষা কৰোঁতে এইটো পৰিলক্ষিত হয় যে তেওঁলোকে সাধাৰণতে 'ধাৰণা' কৰি লয় যে কোনো এক আঁচনিৰ পুঁজিৰ কোনো এক অংশই অনুসূচিত জাতিক উপকৃত কৰিব। কিন্তু ই দুয়োখন উপ-আঁচনিৰ ক্ষেত্ৰত থকা কাৰ্যকৌশল ৰূপায়িত কৰা উদ্দেশ্যক নস্যাৎ কৰিছে। অনুসূচিত জাতি আৰু জনজাতিৰ বাবে অৰ্থ কৰা যোজনাসমূহ যিমানদূৰ সম্ভৱ পৰা যায় সিমানেই হিত-উন্মেষ সাধন দৃষ্টিভংগী থাকিব লাগে আৰু আন্তঃগাঁথনি তথা মূল সা-সুবিধা সম্পৰ্কিত আঁচনিবোৰত অনুসূচিত জাতি আৰু জনজাতিৰ লোক প্ৰাধান্য বিস্তাৰ কৰা সৰু এলেকাবোৰক সামৰি ল'ব লাগে।

তদুপৰি দুয়োখন উপ-আঁচনিৰ ঘাই উদ্দেশ্য সকলো মন্ত্ৰণালয়ৰ মুঠ পৰিকল্পনা বাজেটৰ ১৬ শতাংশ অনুসূচিত জাতিক উপকৃত কৰিবৰ কাৰণে ঠিক প্ৰতিবেদন দিয়াটোৱেই হ'ব নালাগে; আৰু সেয়ে বহু মন্ত্ৰণালয়কে এনে এক উদ্দেশ্যলৈ ঠেলি দিছে যে সেয়া কেৱল পশ্চাৎ প্ৰেক্ষাপটৰ সম্বন্ধে আলোকপাত কৰাহে। উপ-আঁচনিৰ ঘাই উদ্দেশ্য হ'ব লাগে সকলো মন্ত্ৰণালয়কে কেইটামান বিষয়ত উৎসাহিত কৰা। সেই বিষয়কেইটা হ'ল— (১) অনুসূচিত জাতিৰ ক্ষেত্ৰত কোনবোৰ খণ্ডত অধিক অসুবিধা বা প্ৰত্যাহ্বান থাকিব পাৰে তাক চিনাক্ত কৰা; (২) তেনে অসুবিধা বা প্ৰত্যাহ্বানক সমাধান কৰিবৰ বাবে তেওঁলোকে কি ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে; আৰু (৩) এনে বিশেষ ব্যৱস্থাৰ বাবে কিমান অতিৰিক্ত সম্পদ লাগিব। অনুসূচিত জাতি/জনজাতিৰ বাবে বিশেষ ব্যৱস্থাৰ কাৰণে খটুৱা এই অতিৰিক্ত সম্পদৰাজিৰ বিষয়ে উপ-আঁচনিৰ অধীনত জনোৱা উচিত।

**ধৰ্মীয় সংখ্যালঘুসকলৰ বাবে বাজেট**

২০০৬ চনত ছচাৰ কমিটীয়ে আগবঢ়োৱা অনুমোদনাৱলী ক্ৰমেই একাদশ পৰিকল্পনাত পোন প্ৰথমবাৰৰ বাবে কেন্দ্ৰীয় চৰকাৰে 'খৰতকীয়া আৰু সৰ্বাত্মক বিকাশ'ৰ কথা চিন্তা কৰি মুছলমান আৰু অন্য সংখ্যালঘুসকলে ভোগ কৰি অহা বঞ্চনা, বহিৰ্ভূত আৰু অসমতাৰ সমস্যাসমূহ সমাধান কৰিবলৈ প্ৰতিজ্ঞা কৰে। ২০০৬-০৭ বৰ্ষৰ পৰা সংখ্যালঘুসকলৰ কল্যাণ সাধনৰ বাবে চাৰিটা মূল কাৰ্যসূচী আৰম্ভ কৰে। ইয়াত শিক্ষা আৰু অৰ্থনৈতিকভাৱে সবলীকৰণ, মূল ৰাজহুৱা সেৱাসমূহত সুচল প্ৰৱেশ, সংখ্যালঘু প্ৰতিষ্ঠানক শক্তিশালী কৰা আৰু ক্ষেত্ৰ বিকাশ কাৰ্যসূচী। ধৰ্মীয় সংখ্যালঘুসকলে সন্মুখীন হোৱা বিকাশ সাধনৰ সমস্যাবোৰ সমাধান কৰিবলৈ তৈয়াৰ কৰা দুটা বিকাশ কৌশল পদ্ধতি হ'ল— প্ৰধানমন্ত্ৰীৰ ১৫ দফীয়া কাৰ্যসূচী আৰু সংখ্যালঘু অধ্যুষিত জিলা তথা খণ্ডসমূহৰ বাবে বহুখণ্ডীয় বিকাশ কাৰ্যসূচী। ১৫ দফীয়া কাৰ্যসূচীত মুঠ আবণ্টনৰাশিৰ ১৫% পুঁজি নিৰ্দ্ধাৰণ তথা সংখ্যালঘুসকলৰ বিকাশ সাধনৰ অৰ্থে নিৰ্বাচিত কেইখনমান মূল কাৰ্যসূচীৰ অধীনত লক্ষ্য সাধনৰ বিষয়টোতো ধ্যান দিবলৈ ঠিক কৰা হয়। অতিৰিক্ত উন্নয়ন আঁচনি আৰু কাৰ্যসূচীও সংখ্যালঘুসকলক পোনপটীয়াকৈ উপকৃত কৰিবৰ বাবে উদ্ভাৱন কৰিব লাগিব। বহুখণ্ডীয় বিকাশ কাৰ্যসূচী হ'ল এক ক্ষেত্ৰত বিকাশ কাৰ্যসূচী যাৰ দ্বাৰাই সংখ্যালঘু অধ্যুষিত জিলাবোৰত শিক্ষা, পৌষ্টিকতা, কাম-কাজত অংশগ্ৰহণৰ সুবিধা পায় আৰু মূল ৰাজহুৱা সেৱাসমূহৰ প্ৰতিও সুচল প্ৰৱেশ ঘটে।

১৫-দফীয়া কাৰ্যসূচী আশী দশকৰ পৰাই চলি আছে আৰু ২০০৬ চনত কেন্দ্ৰীয় চৰকাৰে ইয়াক আৰু অধিক উজ্জীৱিত কৰি তোলে। শিক্ষা, নিয়োগ আৰু দক্ষতাৰ বৃদ্ধি তথা বসবাসৰ অৱস্থাৰ উন্নীতকৰণৰ দৰে মূল বিষয়বোৰৰ ওপৰত আলোকপাত কৰিবলৈ লোৱা হয়। লগতে বছা বছা আঁচনি আৰু ব্যৱস্থাসমূহক ইয়াৰ আওতালৈ আনি মুছলমান লোক তথা আন সংখ্যালঘুসকলৰ মাজত নিৰাপত্তা প্ৰদানৰ ক্ষেত্ৰতো ধ্যান দিবলৈ লোৱা হয়। সম্প্ৰতি এঘাৰটা কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰণালয় তথা বিভাগ ১৫-দফীয়া কাৰ্যসূচীত জড়িত হৈ পৰিছে বুলি দাবী কৰে। সেই মন্ত্ৰণালয়কেইটা হ'ল— গ্ৰাম্য বিকাশ, চহৰ বিকাশ, বাসগৃহ আৰু চহৰৰ দৰিদ্ৰতা উপশম, শ্ৰম আৰু নিয়োগ, সংখ্যালঘু পৰিক্ৰমা, গৃহ, বিত্ত, মহিলা আৰু শিশু বিকাশ, স্কুল শিক্ষা আৰু সাক্ষৰতা তথা কাৰ্মিক আৰু প্ৰশিক্ষণ মন্ত্ৰণালয়। আঁচনিকেইখন হ'ল— ইন্দিৰা আবাস যোজনা, আজীৱিকা, ৰাষ্ট্ৰীয় গ্ৰাম্য খোৱাপানী কাৰ্যসূচী, চহৰৰ আন্তঃগাঁথনি তথা প্ৰশম, ক্ষুদ্ৰ আৰু মজলীয়া চহৰ বিষয়ক চহৰৰ আন্তঃগাঁথনি বিকাশ আঁচনি, সংহত বাসগৃহ বস্তি বিকাশ কাৰ্যসূচী, চহৰৰ দুখীয়া লোকৰ বাবে মূল সেৱা, স্বৰ্ণজয়ন্তী গ্ৰাম, সংখ্যালঘুৰ প্ৰতি ঋণ প্ৰদান গুৰুত্ব খণ্ড, সংহত শিশু বিকাশ সেৱা, স্বৰোজগাৰ যোজনা, ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান, সৰ্বশিক্ষা অভিযান, কস্তুৰবা গান্ধী বালিকা বিদ্যালয় আৰু মাদ্ৰাছা আধুনিকীকৰণ কাৰ্যসূচী।

এইটো অনুমান কৰা হয় যে একাদশ পৰিকল্পনাৰ মুঠ পুঁজিৰ প্ৰায় ৬ শতাংশ (গুৰুত্বপূৰ্ণ খণ্ড ঋণ দানক বাদ দি) সংখ্যালঘুসকলৰ বাবে ধৰা হয়। সংখ্যা-লঘুৰ বাবে ৰখা মুঠ আবণ্টনৰ ৭০ শতাংশ জৱাহৰলাল নেহৰু নগৰ নবীকৰণ মিছন আঁচনিত ধৰা হয়। এই নবীকৰণ আঁচনিত মুছলমান লোকৰ অন্তৰ্ভুক্তি কিমানলৈকে হৈছে তাক অৱলোকন কৰিলে এইটো পোৱা যায় যে ৰাজ্য আৰু জিলা স্তৰত ইয়াৰ চিন-মোকাম নায়েই যেন লাগে, কাৰণ এই মিছনৰ অধীনত আবণ্টন কৰা সৰহভাগেই নিৰ্দিষ্টজনক নহয় আৰু যি পদ্ধতিৰে প্ৰতিবেদন দাখিল কৰা হয় তাত প্ৰকৃত ব্যয় আৰু সংখ্যালঘু হিতাধিকাৰী-সকলৰ পৰিসংখ্যা সুকীয়াকৈ দিয়া নহয়। ইয়াৰ বাহিৰেও কেইখনমান আঁচনি আছে যিবোৰে সংখ্যালঘু সম্প্ৰদায়ক পোন-পটীয়াকৈ হিত সাধন কৰে সেইবোৰত মুঠ আবণ্টন ৰাশিৰ সামান্য অংশহে প্ৰদান কৰা হয়। তেনে আঁচনিৰ ভিতৰত উল্লেখ্য হ'ল ইন্দিৰা আবাস যোজনা, স্বৰ্ণজয়ন্তী গ্ৰাম সেৱা যোজনা, ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান আৰু চহৰী ৰোজগাৰ যোজনা। তলত দিয়া ১নং তালিকাত ২০১২-১৩ বৰ্ষত সংখ্যালঘুক মুঠ পৰিকল্পনাৰ ৮ শতাংশ আবণ্টন কৰা দেখুওৱা হৈছে। এই পৰিকল্পনা পুঁজি ১৫-দফীয়া কাৰ্যসূচী তথা বহুখণ্ডীয় বিকাশ কাৰ্যসূচীৰ জৰিয়তে বিভিন্ন মন্ত্ৰালয় আৰু বিভাগসমূহে থিৰ কৰিছিল।

বাজেট নিৰ্দ্ধাৰণ প্ৰক্ৰিয়াত সংখ্যালঘু অন্তৰ্ভুক্তিকৰণৰ সন্দৰ্ভত সম্প্ৰতি ঘাই মন্ত্ৰণালয়সমূহৰ জৰিয়তে সামৰি লোৱা সংখ্যালঘু লোকৰ কাৰণে থকা আঁচনি আৰু কাৰ্যসূচীবোৰত কোনো সুকীয়া বাজেট বিৰৰণ দিয়া নহয়। মঞ্জুৰী দান বিষয়ক বিস্তৃত চাহিদা তালিকাত সংখ্যালঘুৰ বাবে পুঁজি সৰবৰাহকৰণৰ

১নং তালিকা ঃ **২০১২-১৩ বৰ্ষত সংখ্যালঘুৰ বাবে আবণ্টিত পুঁজি**

কোটি টকা হিচাপত

| আঁচনি | ২০১২-১৩ |
|---|---|
| মাদ্ৰাছা শিক্ষা কাৰ্যসূচীৰ আধুনিকীকৰণ | ১৮২.৪৯ |
| সংখ্যালঘু প্ৰতিষ্ঠানৰ বাবে আন্তঃগাঁথনি বিকাশ | ২৮.৩৮ |
| ৰাষ্ট্ৰীয় গ্ৰাম্য খোৱাপানী কাৰ্যসূচী | ১৪৪৩.৭৯ |
| ক্ষুদ্ৰ আৰু মজলীয়া চহৰৰ বাবে চহৰ আন্তঃগাঁথনি বিকাশ আঁচনি | ২৬৪২.১৯ |
| চহৰৰ আন্তঃগাঁথনি আৰু প্ৰশাসন | ৯০৯৭.২৪ |
| নগৰ নবীকৰণ মিছন-সংহত বাসগৃহ বস্তি বিকাশ কাৰ্যসূচী | ২২৩৫.৮৩ |
| নগৰ নবীকৰণ মিছন-চহৰৰ দুখীয়া লোকলৈ মূল সেৱা | ৭২৫৪.৮৪ |
| ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ মান উন্নীতকৰণ (৬০টা আই টি আই) | ৮.৮২ |
| স্বৰ্ণজয়ন্তী চহৰী ৰোজগাৰ যোজনা | ৩০.৮৮ |
| ইন্দিৰা আবাস যোজনা | ১৫৩৩.৬২ |
| সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰণালয় | ২২০০ |
| সংখ্যালঘুৰ ক্ষেত্ৰত মুঠ ব্যয় | ২৬৬৫৭.৫৮ |
| কেন্দ্ৰীয় চৰকাৰৰ মুঠ ব্যয় | ১৪৩০৮২৫ |
| কেন্দ্ৰীয় চৰকাৰৰ মুঠ পৰিকল্পনা ব্যয় | ৩১৭১৮৪.৬২ |
| মুঠ ব্যয়ত সংখ্যালঘু সন্দৰ্ভত % হিচাপত ব্যয় | ২ |
| মুঠ পৰিকল্পনা ব্যয়ত সংখ্যালঘুৰ ক্ষেত্ৰত % হিচাপত ব্যয় | ৮ |

**উৎস ঃ** ২০১২-১৩ৰ কেন্দ্ৰীয় বাজেটৰ ভলিউম ১ আৰু ২ৰ বাজেট ব্যয়ৰ ২১ বিবৃতিৰ পৰা সম্পাদিত।

কোনো বৃহৎ আৰু ক্ষুদ্ৰ হিচাপ-নিকাচৰ শিতান সৃষ্টি কৰা নহয়। কাজেই সংখ্যালঘু মন্ত্ৰণালয়ৰ বাহিৰে বাজেট যুগুতোৱাৰ সময়ত অন্যান্য ঘাই মন্ত্ৰণালয়বোৰে সংখ্যালঘুৰ বাবে মুঠ আবণ্টনৰাশি নিৰ্দিষ্ট কৰিবলৈ কোনো ব্যৱস্থা নাই। মানৱ সম্পদ বিকাশ মন্ত্ৰণালয়ে কেৱল মাদ্ৰাছা আধুনিকীকৰণ কাৰ্যসূচীৰ ক্ষেত্ৰতহে আবণ্টনৰাশিৰ সবিশেষ প্ৰদান কৰে। ২০১৩-১৪ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত মুঠ বাজেটৰ মাত্ৰ ০.২৩ শতাংশহে সংখ্যালঘুৰ বাবে বিশেষকৈ নিৰ্দ্ধাৰণ কৰা হয়; কিন্তু আনপিনে সংখ্যালঘুৰ সংখ্যা হ'ল দেশখনৰ মুঠ জনসংখ্যাৰ (২০০১ৰ পিয়ল অনুসাৰে) প্ৰায় ১৯ শতাংশ।

আন দুটা বিষয়ৰো প্ৰতিশ্ৰুতি পালন কৰিব লগা আছে। এটা হ'ল কাৰ্মিক আৰু প্ৰশিক্ষণ বিভাগে সংখ্যালঘুৰ হকে ৰাজহুৱা নিয়োগ ব্যৱস্থাত ১৫ শতাংশ অংশ ভাগ নিশ্চয়তা কৰা; আৰু আনটো হ'ল বিত্তীয় সেৱা বিভাগে সংখ্যালঘুসকলৰ বাবে মুঠ গুৰুত্বপূৰ্ণ খণ্ডৰ বাৰ্ষিক ঋণৰ ১৫ শতাংশ বিতৰণ কৰাৰ লক্ষ্য স্থিৰ কৰা বিষয়টো।

চৰকাৰী হিচাপ মতে সংখ্যালঘু-সকললৈ প্ৰদান কৰা গুৰুত্বপূৰ্ণ খণ্ডৰ ঋণৰ পৰিমাণ ৰাষ্ট্ৰীয় পৰ্যায়ত ২০১২-১৩ বৰ্ষত ১,৭১,৯৬০ কোটি টকা হয়। এয়া গুৰুত্বপূৰ্ণ খণ্ডৰ মুঠ ঋণ পৰিমাণৰ ১৫ শতাংশতকৈ অধিক। কিন্তু এতিয়াও হিতাধিকাৰীসকলক যোগান ধৰা তথ্যৰ কোনো ব্যৱস্থা নাই আৰু কি উদ্দেশ্যৰ বাবে সংখ্যালঘুসকলক এই ঋণ প্ৰদান কৰা হৈছে তাৰো ব্যৱস্থা নাই। ২০১০-১১ বৰ্ষৰ কালছোৱাত মুঠ নিয়োগৰ ক্ষেত্ৰত সংখ্যালঘুৰ শতাংশ হাৰৰ অংশভাগ হ'ল ১১.৫৫। গুৰুত্বপূৰ্ণ খণ্ডৰ ঋণ আৰু নিয়োগৰ পৰিসংখ্যাই সুকীয়া সুকীয়া পৰিমাণৰ তথ্য প্ৰদান নকৰে। সেয়ে এতিয়ালৈকে জনা নাযায় যে গুৰুত্বপূৰ্ণ খণ্ডৰ ঋণ দান আৰু নিয়োগ ব্যৱস্থাত মুছলমানসকলৰ অন্তৰ্ভুক্তি-কৰণৰ অৱস্থা উন্নত হৈছে নে নাই। ছচাৰ কমিটীত আলোকপাত কৰাৰ দৰে ৰাজহুৱা খণ্ডৰ নিয়োগ আৰু ঋণ প্ৰদানৰ ক্ষেত্ৰত মুছলমান লোকসকলৰ প্ৰাপ্তিত এক ডাঙৰ প্ৰভেদ আছে। সেইদেখি নিয়োগ আৰু ঋণৰ সূচলতা সম্পৰ্কীয় তথ্যপাতি জৰুৰী ভিত্তিত ৰাজহুৱা কৰা উচিত।

অনেক গৱেষণামূলক অধ্যয়নৰ পৰা এইটো পৰিলক্ষিত হৈছে যে সাত বছৰ কালৰ নীতি ব্যৱস্থাসমূহ হাতত লোৱাৰ পাছতো কাৰ্যকৰণ, আঁচনি তৈয়াৰ, বাজেট আবণ্টন, পুঁজিৰ ব্যৱহাৰ আৰু মুছলমানসকলৰ উন্নয়ন সাধনৰ বাবে যি নিৰ্দিষ্ট চৰকাৰী কাৰ্যসূচীবোৰ আছে তাৰ প্ৰস্তুতিত বাস্তৱৰ স'তে তাল-মিল ৰাখি কৰা হৈছে নে নাই সেয়া এতিয়াও উদ্বেগৰ বিষয় হৈ আছে।

**সামৰণি**

পৰ্যাপ্ত সম্পদৰাজিৰ সন্দৰ্ভত অনুসূচিত জাতি আৰু জনজাতিসকলৰ উপ-আঁচনিৰ পৰিকল্পনা কৌশল পৰিকল্পনা পুঁজিৰ ৯ আৰু ৫ শতাংশৰে গঠিত। ২০১২-১৩ বৰ্ষত সংখ্যালঘুৰ ক্ষেত্ৰত কৰা পৰিকল্পনা ব্যয়ৰ শতাংশ হাৰ হ'ল মুঠ পৰিকল্পনা ব্যয়ৰ ৮ শতাংশ। অসুবিধাগ্ৰস্ততাত ভোগা সম্প্ৰদায়সমূহক জিলাবোৰত হাতত লোৱা বিকাশ কাৰ্যসূচীৰ বিকেন্দ্ৰীকৃত পৰিকল্পনা, ৰূপায়ণ আৰু পুনৰীক্ষণ প্ৰক্ৰিয়াত অন্তৰ্ভুক্ত কৰা হোৱা নাই। অনুসূচিত জাতিৰ উপ-আঁচনি, জনজাতিৰ উপ-আঁচনি আৰু ১৫-দফীয়া কাৰ্যসূচী যাতে উপযুক্তভাৱে ৰূপায়ণ কৰা হয় তাৰ কাৰণে অনুমোদনমূলক ব্যৱস্থাৰ পৰা অধিকাৰ প্ৰদান ব্যৱস্থালৈ পৰিৱৰ্তন সধাৰ প্ৰয়োজন আছে। কেন্দ্ৰীয় চৰকাৰে এনে উপ-আঁচনি আৰু ১৫-দফীয়া কাৰ্যসূচীক ন্যায়িক মৰ্যাদা প্ৰদান কৰা উচিত।

অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু সংখ্যালঘুৰ কাৰণে পৰিকল্পনা আবণ্টনৰাশিৰ নিৰ্দ্ধাৰণ ৰাষ্ট্ৰীয় পৰ্যায় আৰু সংশ্লিষ্ট ৰাজ্য স্তৰৰ মুঠ জনসংখ্যাৰ ভিতৰত তেওঁলোকৰ অংশ কিমান তাৰ সমানুপাত হিচাপত কৰা উচিত। আন্তঃগাঁথনি বিকাশৰ নামত এক ধাৰণা কৰি ব্যয় কৰা বন্ধ কৰিব লাগে। সকলো মন্ত্ৰণালয় আৰু বিভাগবোৰক সীমিত স্তৰত থকা লোকসকলে ভোগ কৰা কঠিনতা আৰু প্ৰত্যাহ্বানবোৰ চিহ্নিত কৰিবলৈ উৎসাহিত কৰা উচিত— যাতে সেই বিশেষ ধৰণৰ সমস্যাসমূহ সমাধান কৰিব পাৰে। সেই অনুযায়ী অতিৰিক্ত সম্পদ আবণ্টন কৰা হ'ব আৰু তেওঁলোকৰ বাবে বিশেষ যোজনাৰ জৰিয়তে ব্যয় কৰা হ'ব। ইয়াৰ বাহিৰেও ২০১৪-১৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত সংখ্যালঘুসকলৰ বাবে আঁচনি আৰু কাৰ্যসূচীৰ সন্দৰ্ভত বিত্তীয় আবণ্টনৰ ক্ষেত্ৰত এক সুকীয়া বিৱৰণৰ ব্যৱস্থা প্ৰচলন কৰিব পাৰে। অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ ক্ষেত্ৰত কৰাৰ দৰেই সংখ্যালঘুসকলৰ বাবেও এক সুকীয়া শিতান খুলিব পাৰে। সংখ্যালঘু-সকলৰ বাবে বাজেট আবণ্টনৰাশি নিশ্চয়েই নিৰন্তৰজনক (নন-লেপচেবল) হ'ব লাগিব। ইয়াৰ অতিৰিক্ত সাধাৰণ উদ্দেশ্যৰ ব্যয়ৰ ক্ষেত্ৰত এইবোৰ আঁচনিৰ পৰা পুঁজি আন কামৰ বাবে লৈ যোৱা অভ্যাসক ৰোধ কৰিবৰ বাবে এক ব্যৱস্থাৰ দিহা কৰি শক্তিশালী কৰা আৱশ্যক। ❐

*'পয়োভৰা'ত প্ৰকাশিত প্ৰবন্ধপাতিৰ ওপৰত পাঠকৰ কিবা মন্তব্য থাকিলে অথবা প্ৰকাশিত তথ্যৰ উপৰিও পঢ়ুৱৈ সমাজক অধিক তথ্য জনাব বিচাৰিলে, সেই বিষয়ে আমালৈ লিখি পঠিয়াই যেন। উপযুক্ত বিবেচিত হ'লে 'পয়োভৰা'ত প্ৰকাশ কৰা হ'ব।*

# মাওবাদী আক্ৰান্ত জিলাসমূহত বিকাশ আৰু সংহত কৰ্ম আঁচনিৰ সন্দৰ্ভত আদিবাসীৰ দৃষ্টিভঙ্গী

গোৱিন্দ চন্দ্ৰ ৰথ*

**বিকাশ সচেতন গোট ৰূপে আদিবাসী**

আমি ছত্তীশগড়ৰ ছুৰগুজা জিলাৰ সাতখন গাঁৱত এক জৰীপ কৰিছিলোঁ আৰু ৪০৭ জন লোকৰ সাক্ষাৎকাৰ গ্ৰহণ কৰিছিলোঁ। তেওঁলোকৰ ভিতৰত ৩৬৫ জন আদিবাসী (অনুসূচিত জনজাতি) আৰু ৪২ জন অন্যান্য পিছপৰা সম্প্ৰদায়ৰ শ্ৰেণীৰ অ-আদিবাসী লোক। সাক্ষাৎকাৰ গ্ৰহণ কৰা আদিবাসীসকলৰ ভিতৰত আছিল ৬৪ জন ওৰাণ, ৩৪ জন গণ্ড, ২৪ জন কানৱাৰ, ১৩ জন মাঝৱাৰ আৰু ৮ জন মাঝি। অ-আদিবাসীসকলৰ ডাঙৰ গোটবোৰৰ ভিতৰৰ লোক আছিল ৰাজৱাৰ, ছনি, যাদৱ আৰু লোহাৰাৰ। আমি তেওঁলোকক বিকাশ সাধনৰ বাবে অতি গুৰুত্বপূৰ্ণ প্ৰয়োজনীয় বিষয়বোৰ কি কি বুলি ভাবে সেই কথা সুধিছিলোঁ। তেওঁলোকে অনেক আৱশ্যকীয় বিষয় সম্পৰ্কে তালিকা দাঙি ধৰে। আমি সেইবোৰক গতি-প্ৰকৃতিৰ সাদৃশ্যতাৰ ওপৰত নিৰ্ভৰ কৰি বাৰটা শিতানত ভাগ কৰিছিলোঁ। আশ্চৰ্যজনকভাৱে সৰহভাগ প্ৰয়োজনীয় বিষয় কৃষি সম্পৰ্কীয় আছিল। সেইবোৰৰ বিষয়ে আমি পাছত বিশ্লেষণ কৰিম। কিন্তু মন কৰিব লগা গুৰুত্বপূৰ্ণ কথা হ'ল এই যে তেওঁলোকৰ কোনেও ৰাস্তা-পদূলি, সমূহীয়া স্বাস্থ্য কেন্দ্ৰ, বিজুলী, হস্তচালিত পাম্প, বৃহৎ বান্ধ নিৰ্মাণ, খনিসমূহ মুকলি কৰা অথবা ব্যাপক আকাৰৰ উদ্যোগ স্থাপন কৰাৰ বিষয়ে উল্লেখ নকৰিলে। পিছে আধুনিক জগতৰ বিকাশ সাধনৰ বাবে এইবোৰকেই অত্যাৱশ্যকীয় বিষয় ৰূপে বিশ্বাস কৰা হয়। মাত্ৰ তিনিজন লোকে 'ভাল শিক্ষা'ৰ বিষয়ে উল্লেখ কৰে। 'ভাল' শব্দটোৰে গুণগত শিক্ষাৰ কথাকে বুজাইছে— যিটো তেওঁলোকৰ গাঁৱৰ স্কুলবোৰে প্ৰদান কৰিবলৈ অপাৰগ। এই গুণগত শিক্ষাৰ প্ৰতি থকা উদ্বেগে এইটোকে উদ্ভাসিত কৰি তুলিছে আদিবাসীসকলেও তেওঁলোকৰ জীৱনত শিক্ষাৰ গুৰুত্ব কিমান সেইটো বুজি উঠিছে।

এটা প্ৰশ্ন মোৰ মনত বাৰে বাৰে উদয় হৈছে যে আমাৰ জৰীপ কালত আধুনিক বিকাশৰ প্ৰয়োজনীয়তা সম্পৰ্কে কিয় তেওঁলোকে নীৰৱতা অৱলম্বন কৰাটোকে পছন্দ কৰিলে? মই এই গাঁওবোৰলৈ আকৌ গ'লোঁ আৰু সঁহাৰি জনাওঁতাসকলৰ স'তে এইবোৰ কথা আলোচনা কৰিলোঁ। পূৰ্বতে মোৰ এক ভুল ধাৰণা আছিল যে এই লোকসকল আধুনিক বিকাশ সাধনৰ প্ৰয়োজনীয়তা সম্পৰ্কে উপযুক্তভাৱে সজাগ নহয়। কিন্তু তেওঁলোকৰ কথা-বতৰাৰ পৰা এইটো উপলব্ধি কৰিলোঁ যে আদিবাসী লোকসকল শিক্ষা, খাদ্য নিৰাপত্তা, কৃষি আৰু স্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰত গাঁওসমূহত যিবোৰ তেওঁলোকে প্ৰাপ্ত কৰিছে সেই সম্পৰ্কে চৰকাৰী আঁচনিসমূহৰ সন্দৰ্ভত বেচ সজাগ। কোনখন বিকাশ আঁচনি ৰূপায়ণৰ বাবে কোনটো প্ৰতিষ্ঠান বা সংস্থাৰ দায়িত্ব আছে সেইটোও তেওঁলোকে জানে। তেওঁলোকৰ প্ৰয়োজন অনুসাৰে আঁচনিসমূহৰ বিষয়ে সংশ্লিষ্ট প্ৰতিষ্ঠানবোৰৰ ওচৰত আৰ্জি দাখিল কৰাটোকহে পছন্দ কৰে। ইয়াৰ দ্বাৰাই তেওঁলোকে এইটো বুজাব খোজে যে তেওঁলোক নিজেই একো একোটি 'বিকাশ সচেতন গোট'। বিকাশ সাধন পৰিসৰৰ ভিতৰত জানি-বুজিয়েই তেওঁলোকে নিজকে ৰাখিব খোজে। তদুপৰি এই সজাগতাক বিভিন্ন সংস্থা— তেহেলৈ সেয়া চৰকাৰীয়েই হওক বা বেচৰকাৰীয়েই হওক— বিকাশ ব্যৱস্থাৰ সুবিধাসমূহ প্ৰাপ্ত কৰিবৰ কাৰণে দৰদাম কৰাত তেওঁলোকে ব্যৱহাৰ কৰে।

এই প্ৰবন্ধটো তিনিটা ভাগত বিভক্ত কৰা হৈছে। প্ৰথম ভাগত কেনেদৰে সঁহাৰি জনাওঁতাসকলে তেওঁলোকৰ নিজ নিজ এলেকাত বিকাশ আঁচনিবোৰৰ কাম চলিছে সেই বিষয়ে দৈনন্দিন লাভ কৰা অভিজ্ঞতাৰ ওপৰত আলোকপাত কৰিবলৈ লোৱা হৈছে। দ্বিতীয় ভাগত বিকাশ সাধনৰ অৰ্থে তেওঁলোকে কিবোৰ অতি আৱশ্যক বিষয় বুলি ভাবে সেই সম্বন্ধে বহলাই ক'বলৈ লোৱা হৈছে

*গোৱিন্দ চন্দ্ৰ ৰথ এলাহাবাদৰ চেণ্ট্ৰেল ইউনিভাৰ্ছিটিৰ জি বি পন্ত ছ'চিয়েল ছায়েন্স ইনষ্টিটিউটৰ সেৱাৰত এগৰাকী প্ৰবক্তা

আৰু তৃতীয় ভাগত নক্সাল আক্রান্ত জিলাবোৰৰ বিকাশ সাধনৰ বাবে ভাৰত চৰকাৰে যুগুতোৱা সংহত কৰ্ম আঁচনিৰ পৰিসৰ সন্দৰ্ভত জৰীপ কাৰ্যৰ নিৰ্দ্ধাৰণ সম্পৰ্কে ব্যক্ত কৰিবলৈ লোৱা হৈছে।

**বিকাশ আঁচনি আৰু দায়িত্বত থকা সংস্থা**

আমাৰ প্ৰশ্নৰ উত্তৰ দিওঁতাসকলে তেওঁলোকৰ এলেকাবোৰত ৰূপায়ণ কৰি থকা বিভিন্ন চৰকাৰী আঁচনিৰ পৰা বিকাশৰ কিছু আভাস পায়। নিজে যেনেদৰে বুজি উঠিছে তাৰ ওপৰত নিৰ্ভৰ কৰি তেওঁলোকে এই আঁচনিবোৰ তিনি শ্ৰেণীত ভগায় আৰু কোনবোৰ সংস্থা আঁচনি ৰূপায়ণ কৰাৰ ক্ষেত্ৰত উপযুক্ত সেই অনুযায়ী সংস্থাসমূহক অৱস্থান কৰে।

বিকাশ আঁচনিৰ প্ৰথম শ্ৰেণীত অন্তৰ্ভুক্ত কৰা হয় স্কুল, ৰাস্তা-পদূলি (প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা), গৃহ (ইন্দিৰা আবাস যোজনা), বিদ্যুৎ, খোৱাপানী আৰু শৌচাগাৰ। গাঁওবাসীয়ে যদি এনেবোৰ আঁচনিৰ কোনো এখনৰ প্ৰয়োজনবোধ কৰে তেনে ক্ষেত্ৰত তেওঁলোক ৰাইজৰ প্ৰতিনিধি, অৰ্থাৎ সাংসদ, বিধায়ক আৰু পঞ্চায়তৰ সদস্যৰ ওচৰলৈ যোৱাটো পছন্দ কৰে। জিলা কালেক্টৰ আৰু খণ্ড উন্নয়ন বিষয়াৰ দৰে উচ্চ স্তৰৰ চৰকাৰী বিষয়াৰ ওচৰলৈ যাব খোজে। ইয়াৰ কাৰণ হ'ল তেনে সাংসদ আৰু বিধায়কসকলে নিৰ্বাচনী অভিযান কালত এই আঁচনিবোৰ যোগান ধৰিবৰ কাৰণে আশ্বাস দিছিল। ইয়াৰ অৰ্থ হ'ল এইবোৰ মঞ্জুৰ কৰিবৰ বাবে তেওঁলোকৰ ক্ষমতা আৰু ৰাজনৈতিক সম্পৰ্ক আছে। উচ্চ স্তৰৰ চৰকাৰী বিষয়াসকলে ইয়াৰ ৰূপায়ণৰ বাবে কাম কৰে আৰু কিবা যদি দুৰ্নীতি তথা খেলি-মেলি হয় তাৰ কাৰ্য ব্যৱস্থা গ্ৰহণ কৰে।

দ্বিতীয় শ্ৰেণীৰ বিকাশ আঁচনি খাদ্য সুৰক্ষা সন্দৰ্ভৰ। সেয়া হ'ল ৰাজহুৱা বিতৰণ প্ৰণালী, বনাঞ্চল অধিকাৰ আইনৰ অধীনস্থ বন ভূমিৰ সন্দৰ্ভত পট্টা প্ৰদান, তেন্দু পাতৰ দৰে সৰু-সুৰা বনজ উৎপাদিত সামগ্ৰীৰ ক্ষেত্ৰত বিপণন মূল্য প্ৰাপ্ত কৰা, মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আইনৰ অধীনত ১০০ দিনৰ কৰ্ম দিন, সংহত শিশু বিকাশ আঁচনিৰ অধীনত মধ্যাহ্ন ভোজন আৰু অঙ্গনবাড়ীৰ কাম-কাজ, বৃদ্ধ বয়সৰ তথা বিধৱা পেঞ্চন। এই আঁচনিসমূহ অধিকাৰ প্ৰদানৰ পৰিসৰৰ ভিতৰত ধৰা হয়; আৰু সেই অধিকাৰবোৰ হ'ল— খাদ্যৰ অধিকাৰ, কামৰ অধিকাৰ, মাটিৰ অধিকাৰ তথা এক গুণমান জীৱন অতিবাহিত কৰাৰ অধিকাৰ। এই অধিকাৰ-ভিত্তিক বিকাশ আঁচনিসমূহৰ জৰিয়তে চৰকাৰে লোকসকলৰ হিতাৰ্থে আৱশ্যকীয় ব্যৱস্থাৰ দিহা কৰে; কিন্তু আমাৰ প্ৰশ্নৰ উত্তৰ দিওঁতাসকলে বিতৰণ পদ্ধতিত সমস্যা উদ্ভৱ হোৱা দেখা পায়। এই সমস্যাসমূহৰ ভিতৰত আছে দুৰ্নীতি, পলমকৈ ধন প্ৰদান, মাষ্টাৰ ৰোলত ভুৱা কৰ্মীৰ অন্তৰ্ভুক্তি, অধিকৃত বন ভূমিৰ ওপৰত অধিকাৰ দাবী কৰা আবেদন-পত্ৰ অনৰ্থকভাৱে নাকচ, ল'ৰা-ছোৱালীৰ মাজত বিতৰণ কৰাৰ পৰিৱৰ্তে আবণ্টিত ৰেচন সামগ্ৰী ঘৰলৈ যোৱা ইত্যাদি কাৰ্য। এনে পৰিস্থিতিত সঁহাৰি জনাওঁতাসকলে অ-চৰকাৰী সংস্থা— বিশেষকৈ সমাজ কৰ্মী, নাগৰিক সংগঠন অথবা স্থানীয় এন জি অ'ৰ ওচৰলৈ সমাধানৰ বাবে যাবলৈ ভাল পায়। আঁচনিসমূহ তৈয়াৰ কৰাৰ আগতে এই সংস্থা অথবা প্ৰতিষ্ঠানবোৰে ৰেলী আৰু স্মাৰক-পত্ৰৰ জৰিয়তে ৰাজহুৱা কণ্ঠস্বৰ তুলিছিল— যাতে এনেবোৰ হেঁচা প্ৰয়োগৰ ফলত চৰকাৰে আঁচনিবোৰ আৰম্ভ কৰে। এতিয়া সেই সংস্থাবোৰে গাঁৱলৈ আহি আঁচনিবোৰ উপযুক্তভাৱে কাম কৰিছে নে নাই তাৰ ভু ল'বলৈ আহে। বিতৰণ পদ্ধতিৰ ক্ষেত্ৰত যদি সমস্যা আছে এই সংস্থাবোৰে ৰাজহুৱা শুনানিৰ দিহা কৰিবলৈ লয়— যাতে তেনে পদ্ধতি স্বচ্ছতাৰ মাজেৰে ৰাইজৰ সেৱা আগবঢ়ায় আৰু যি প্ৰতিষ্ঠান বা বিভাগে উচিত মতে কাম কৰা নাই তাৰ বিৰুদ্ধে কাৰ্য ব্যৱস্থা হাতত ল'বলৈও দাবী জনায়। আদিবাসী লোকসকলে সক্ৰিয় কৰ্মীসকলৰ লগত পূৰ্বৰ দৰে এতিয়াৰ ৰেলী অৰ্থাৎ সমদল যাত্ৰাত অংশগ্ৰহণ কৰে।

বিকাশ আঁচনিৰ তৃতীয় শ্ৰেণী হ'ল তেওঁলোকৰ জীৱিকা নিৰ্বাহৰ উৎস সম্পৰ্কিত বিষয়ৰ। তেনে উৎস হ'ল, যেনে কৃষি আৰু সৰু সৰু বনজ উৎপাদিত সামগ্ৰীসমূহ। লোকসকলে খেতিৰ ক্ষেত্ৰত কিবা সমস্যা উদ্ভৱ হ'লে চুবুৰীয়া লোকৰ স'তে আলোচনা কৰি তেনে সমস্যা সমাধান কৰিবলৈ বিচাৰে। শেহতীয়াকৈ জনদিয়েক এন জি অ'ই মাকৈ খেতি কৰিবৰ কাৰণে দিহা-পৰামৰ্শ আগবঢ়ায়। এই খেতি পদ্ধতিত বীজবোৰ বিস্তৃত আকাৰত সিঁচি নেপেলাই শাৰী শাৰীকৈ বীজ পেলোৱাৰ ব্যৱস্থা কৰা হয়। তেনেদৰে ধান বিস্তৃতকৰণ পদ্ধতিৰে (ছিষ্টেম অব ৰাইচ ইনটেন্সিফিকেচন) ধান খেতি কৰিবলৈ দিহা-পৰামৰ্শ আগবঢ়ায়। আদিবাসী লোকসকলে এন জি অ' আৰু কেতিয়াবা গাঁও পঞ্চায়তৰ কৃষি বিষয়াৰ ওচৰলৈ পৰামৰ্শ গ্ৰহণ কৰিবলৈ যায়। তেওঁলোকে এইটোও জানিবলৈ দিয়ে যে এনেবোৰ সমস্যাৰ বিষয়ে আলাপ-আলোচনা কৰিবলৈ গৱেষক, সাংবাদিক

আৰু বিকাশ কাৰ্যত জড়িত থকা পেছাদাৰীসকলৰ ওচৰলৈ যোৱাটো পছন্দ কৰে। ইয়াৰ কাৰণ হ'ল এনে ব্যক্তিসকলে তেওঁলোকৰ বতৰা বিকাশৰ নীতিসমূহ তৈয়াৰ কৰিবৰ কাৰণে সংশ্লিষ্ট মন্ত্ৰণালয়ক অৱগত কৰিব পাৰে। লোকসকলে জানিবলৈ দিয়া মতে চৰকাৰে এনে ব্যক্তিসকলৰ (সাংবাদিক, গৱেষক আদি) কথা শুনে আৰু সেই অনুযায়ী আঁচনি তৈয়াৰ কৰিবলৈ তৎপৰ হয়।

সঁহাৰি জনাওঁতা ব্যক্তিসকলে বিকাশ আঁচনিৰ সন্দৰ্ভত যি শ্ৰেণীবদ্ধকৰণৰ কথা ক'লে সেইবোৰ সঙ্গতিবিহীন হ'ব পাৰে, কিন্তু তেওঁলোকৰ বক্তব্যত এক অন্তৰ্নিহিত সত্যতা আছে এই যে আদিবাসীসকলে বিকাশ সাধনৰ বাবে প্ৰয়োজনীয় বিষয়বোৰ এটা বিভাগ অথবা প্ৰতিষ্ঠানকে নকয়। তেওঁলোকে বৰং উন্নয়নৰ বিভিন্ন আৱশ্যকীয় বিষয়বোৰ ক'বৰ কাৰণে বিভিন্ন সংস্থা বা প্ৰতিষ্ঠানক বাছি লয়। কাজেই আদিবাসীসকলৰ বাবে বিকাশ আঁচনিসমূহ তৈয়াৰ কৰিবৰ কাৰণে বিভিন্ন সংস্থাৰ পৰা নিজস্ব দৃষ্টিভঙ্গীসমূহ সংগ্ৰহ কৰিবৰ অৰ্থে পৰিকল্পনা প্ৰক্ৰিয়াৰ প্ৰয়োজন হয়। কেৱল এটা সংস্থা বা বিভাগৰ ওপৰত নিৰ্ভৰ কৰিলে নহয় (যেনে ৰাষ্ট্ৰীয় চেম্পল ছাৰ্ভে সংগঠনৰ পৰিসংখ্যা, লোক পিয়লৰ তথ্য, জৰীপৰ তথ্য অথবা মূল্যাংকন প্ৰতিবেদনৰ পৰা একপক্ষ তথ্যই যথেষ্ট নহয়।)।

**উন্নয়নৰ বাবে প্ৰধান প্ৰয়োজনীয়তাসমূহ**

সঁহাৰি জনাওঁতাসকলৰ বৰ্তমান জীৱন নিৰ্বাহৰ ক্ষেত্ৰত ক'বলৈ গ'লে তেওঁলোকে প্ৰথমে কৃষিৰ ওপৰত নিৰ্ভৰশীল, দ্বিতীয় হ'ল বেতন আৰু তৃতীয় উৎস হ'ল ক্ষুদ্ৰ বনজ উপজ সামগ্ৰী। কিছুসংখ্যক পূৰ্ণকালীন

১নং তালিকা ঃ **লোকসকলৰ জীৱিকাৰ উৎস**

| ক্ৰমিক সংখ্যা | উৎসৰ নাম | প্ৰথম উৎস | দ্বিতীয় উৎস | তৃতীয় উৎস |
|---|---|---|---|---|
| ১ | কৃষি | ৩৭৪ (৯১%) | ৭ (২%) | ১ (.২%) |
| ২ | বেতন | ২০ (৫%) | ৩৫৫ (৮৭%) | — |
| ৩ | চাকৰি | ২ (৫%) | ৩ (.৭%) | ২ (.৫%) |
| ৪ | ক্ষুদ্ৰ বনজ উপজ সামগ্ৰী সংগ্ৰহ | — | ২৪ (৬%) | ২৯৬ (৭৩%) |
| ৫ | অন্যান্য | ৭ (২%) | ১ (.২%) | ২ (.৫%) |
| ৬ | একোৱেই নাই | ৪ (১%) | ১৭ (৪.২%) | ১০৬ (২৬%) |
| ৭ | সৰ্বমুঠ | ৪০৭ | ৪০৭ | ৪০৭ |

চাকৰিয়াল আৰু জনদিয়েক কমাৰ-কুমাৰৰ কামত পৰম্পৰাগতভাৱে ন্যস্ত থকাসকলৰ বাহিৰে সৰ্বাধিক সংখ্যক সঁহাৰি জনাওঁতা (৯১%) আৰু তেওঁলোকৰ পৰিয়ালবৰ্গ কৃষি-ভিত্তিক কাম-কাজত জড়িত থাকে (১নং তালিকাত দ্ৰষ্টব্য)। এইবোৰ গাঁৱৰ লেণ্ডস্কেপ হাবি-বননি আৰু পাহাৰেৰে আবৃত। ইয়াৰ মাজতেই আছে কৃষিভূমি। প্ৰায়ে এনে ভূমি পাহাৰৰ হেলনীয়া ঠাইত তৈয়াৰ কৰা হয়। প্ৰায়ভাগ এনে মাটি আকাৰত সৰু, উৰ্বৰা নহয় আৰু শিলেৰে ভৰি থাকে। ইয়াৰ উৎপাদন সামগ্ৰী— প্ৰায়ভাগেই ধান আৰু মোটা শস্যৰ (ক'দো আৰু সৌনা) দৰে এবিধ শস্যৰেই খাদ্যৰ আৱশ্যকতা একেলগে মিলাই পূৰণ কৰে ৩২% পৰিয়ালৰ ক্ষেত্ৰত এমাহৰ বাবে, ২৮% পৰিয়ালৰ ক্ষেত্ৰত একৰ পৰা তিনি মাহৰ বাবে আৰু ১৭% পৰিয়ালৰ ক্ষেত্ৰত তিনি মাহৰ পৰা পাঁচ মাহৰ বাবে। ইয়াৰ পৰা এইটো পৰিলক্ষিত হয় যে বৰ্তমান যি অৱস্থাত কৃষিৰ স্থিতি বিৰাজমান তাৰে সমগ্ৰ বছৰটোৰ কাৰণে তেওঁলোকৰ খাদ্য নিৰাপত্তা প্ৰদান কৰাটো সম্ভৱ নহয়।

যি ক্ষেত্ৰত আদিবাসীসকল এনে সংকট অৱস্থাত থাকে সেয়ে তেওঁলোকৰ কিছু সুবিধাজনক প্ৰয়োজনীয়তা সম্বন্ধে নাম উল্লেখ কৰিবলৈ সোধা হৈছিল— যাতে তেনে বিষয়বোৰক পৰিকল্পনা প্ৰক্ৰিয়াত অন্তৰ্ভুক্ত কৰিব পৰা যায়। তেওঁলোকৰ উত্তৰসমূহ একেলগে ২নং তালিকাত দিয়া হৈছে। ১০ কলমত সুৰা নিষেধ সম্পৰ্কিত প্ৰয়োজনীয়তা, ১১ কলমত ভাল বিদ্যালয় আৰু ১২ কলমত 'অন্যান্য' ৰূপে উল্লেখ কৰা হৈছে। এই শেহৰ কলমটো সাধাৰণ শ্ৰেণীৰ অধীনত ৰাখিব পাৰে। বাহিৰৰ লোকে যদিও সুৰাপানক তেওঁলোকৰ অনুন্নত অৱস্থাৰ কাৰণ ৰূপে চায়, আদিবাসীসকলে কিন্তু ইয়াক কাচিৎহে তেওঁলোকৰ বিকাশৰ ক্ষেত্ৰত এক বাধা ৰূপে গণ্য কৰে। তথাপি তেওঁলোকৰ মাজৰেই বহল দৃষ্টিভঙ্গী থকা ভাগটোৰ ৩.১২ শতাংশই এই সত্যতাক উপলব্ধি কৰিছে আৰু সম্পূৰ্ণ সুৰাপান নিষেধ কৰাৰ ওপৰত জোৰ দিয়ে। সেই একে শ্ৰেণীৰ লোকসকলে তেওঁলোকৰ ল'ৰা-ছোৱালীৰ বাবে গুণগত শিক্ষাৰ কাৰণে চহৰৰ দৰেই গাঁওবোৰতো থকাৰ পোষকতা কৰে। ১-৯ কলমত তালিকাভুক্ত কৰা আৱশ্যকতাবোৰ গ্ৰাম্য

বিকাশৰ তিনিটা জনাজাত খণ্ড সম্পৰ্কে উল্লেখ কৰা হৈছে। সেয়া হ'ল— উদ্যান শস্য, পশু পালন আৰু কৃষি। তাৰ ভিতৰত কৃষি সম্বন্ধীয় প্ৰয়োজনীয়তা অধিক সংখ্যকৰ। সঁহাৰি জনাওঁতাসকলৰ অধিক শতাংশ লোকে ইয়াৰ প্ৰতি আগস্থান দিয়াটো প্ৰকাশ কৰে। তেওঁলোকৰ প্ৰয়োজনীয় বিষয়বোৰ সংগ্ৰহ কৰোঁতে আমি সেইবোৰ খণ্ডত সন্মুখীন হোৱা সমস্যাৰ ধৰণ-কৰণ সম্পৰ্কে উল্লেখ কৰিবলৈ কৈছিলোঁ। বিভিন্ন সমস্যাৰ লগতে এই প্ৰয়োজনীয়তাবোৰৰ সম্বন্ধে আমি পাছত আলোচনা কৰিম।

**(১) উদ্যান শস্য**

এই খণ্ডটোত শাল আৰু টীক কাঠৰ দৰে দামী বৃক্ষ ৰোপণ কৰাৰ ওপৰত জোৰ দিয়া হয়। তেনেদৰে আম, চিকু আৰু ছিঁৱালৰ দৰে অধিক উৎপাদনক্ষম ফল-মূলৰ ওপৰতো জোৰ দিয়া হয়। তেওঁলোকে উদ্যান শস্যৰ ক্ষেত্ৰত সততে দেখা পাঁচটা ডাঙৰ সমস্যাৰ কথা উল্লেখ কৰে। প্ৰথম গছবোৰ জীয়াই ৰাখিবলৈ পানীৰ অভাৱ। ইয়াৰ কাৰণ বৰষুণৰ বতৰ অন্ত পৰাৰ পাছতেই পানীৰ নাটনি অনুভৱ কৰা হয়। বৰষুণৰ পানী বৈ যোৱাৰ পাছতেই হাবিৰ নদীবোৰ আৰু ইয়াৰ জান-জুৰি শুকাই যায়। দৈনন্দিন ব্যৱহাৰৰ কাৰণে হস্তচালিত পাম্পহে উৎস হৈ পৰে। কিছুমান চেক্ বান্ধ নিৰ্মাণৰ যোজনা আৰম্ভ কৰিলেও ইয়াৰ সুফল বিস্তৃতভাৱে প্ৰাপ্ত কৰা দেখা নাযায়। দ্বিতীয় শ্ৰেণীৰ সমস্যা হ'ল গছপুলি কিনা আৰু ৰোপণ কৰা গছ-গছনিবোৰ তত্ত্বাৱধান ল'বৰ কাৰণে বিনিয়োগ পুঁজিৰ নাটনি। তৃতীয়টো হ'ল ৰান্ধনিশালৰ চৌপাশে বাউণ্ডেৰী অৰ্থাৎ আবেষ্টনীৰ অভাৱ। তেনে আবেষ্টনী থাকিলে তেওঁলোকে ফল দিয়া গছ ৰোপণ কৰিব পাৰে আৰু শাক-পাচলিৰ খেতিও কৰিব পাৰে। অনাই-বনাই ফুৰা গৰুৰ জাকে ইয়াক খাই পেলায়। চতুৰ্থ সমস্যাটো হ'ল উদ্যানশস্য বিভাগে সময়মতে বীজ, গছপুলি আৰু সাৰ যোগান নধৰে। পঞ্চম সমস্যাটো হ'ল বগা পৰুৱাবোৰৰ সংহাৰী ৰূপ ধাৰণ। সেই পৰুৱাবোৰে গছবোৰ ধ্বংস কৰি পেলায়।

২নং তালিকা ঃ **বিকাশৰ আৱশ্যকতা**

| **ক্ৰমিক সংখ্যা** | **আৱশ্যকতাৰ নাম** | **সঁহাৰিদাতাৰ শতাংশৰ হাৰ*** |
|---|---|---|
| ১ | দামী কাঠৰ বৃক্ষ ৰোপণ আৰু অধিক উৎপাদনক্ষম ফল-মূল | ১.৪৭ |
| ২ | পশু পালন | ৪.৪২ |
| ৩ | জলসিঞ্চন | ৫৪.০৫ |
| ৪ | মাটি সমান কৰা | ৪৪.৭১ |
| ৫ | পুঁজি বিনিয়োগ | ২৫.৩০ |
| ৬ | সময় মতে সাৰ আৰু বীজ | ২১.১৩ |
| ৭ | হালোৱা গৰু | ১৪.৯৮ |
| ৮ | প্ৰয়োজন হোৱা মাটি | ৩.১৯ |
| ৯ | কৃষি সা-সঁজুলি | ০.৪৯ |
| ১০ | সুৰা নিষেধ | ০.২৪ |
| ১১ | ভাল বিদ্যালয় | ১.২২ |
| ১২ | অন্যান্য | ৬.১৪ |

*প্ৰতিটো স্তম্ভই হ'ল মুঠ সঁহাৰি জনাওঁতা ৪০৭ৰ শতাংশ হিচাপ।

**(২) পশু পালন**

এই সন্দৰ্ভত প্ৰথমে ক'বলৈ গ'লে সঁহাৰি জনাওঁতাসকলৰ তেনেই সামান্য সংখ্যক লোকে (৪.৪২ শতাংশ) পশু পালনক বিকাশ সাধনৰ এক প্ৰয়োজনীয় বিষয় ৰূপে উল্লেখ কৰিছিল। এইটো সাধাৰণতে ধৰি লোৱা ভাবধাৰাৰ তেনেই বিপৰীত। আদিবাসী লোকসকল এক গ্ৰাম্য পৰিৱেশৰ মাজত জীৱন নিৰ্বাহ কৰে যেতিয়া তেওঁলোকে নিশ্চয়ে পশু পালন কাৰ্যক আগ ঠাই দিয়ে বুলি ভবা হয়। পিছে সেইটো নহয়। এই বিপৰীত গতিধাৰা অনেক সমস্যাৰ লগত জড়িত আছে আৰু সেইবোৰ সমস্যা হ'ল, যেনে— পশু খাদ্যৰ সংকট, প্ৰয়োজনীয় পুঁজিৰ অভাৱ, গৰু-ম'হ চাবলৈ জনশক্তিৰ নাটনি আৰু পশু সেৱাৰ অনুপস্থিতিত গৰু-ম'হৰ বৰ্দ্ধিতভাৱে অস্বাভাৱিক মৃত্যু। জনশক্তি নাটনিৰ কাৰণ হ'ল আজি-কালি আদিবাসী ল'ৰা-ছোৱালীবোৰ অধিক সংখ্যক ৰূপত স্কুলত ভৰ্তি হয়। পূৰ্বতে এইবোৰ ল'ৰা-ছোৱালীয়েই গৰু চৰাবৰ বাবে গৰুবোৰক হাবিলৈ নিছিল আৰু যিসকল লোকে বিকাশ প্ৰয়োজনীয়তালৈ চাই পশু পালনৰ কথা কোৱা হয় সেই ক্ষেত্ৰত তেওঁলোকে গাহৰি আৰু কুকুৰাৰ পৰিৱৰ্তে ছাগলীহে পালন কৰিবলৈ পছন্দ কৰে।

**(৩) কৃষি**

কৃষি খণ্ডত বিকাশ আৱশ্যকতা বিষয়বোৰ তালিকাখনৰ ৩-৯ কলমত উল্লেখ কৰা হৈছে। আমাৰ কথাবোৰৰ

প্ৰতি সাঁহাৰি জনাওঁতাসকলৰ সৰহভাগেই প্ৰথম তিনিটা প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দিয়ে। সেয়া হ'ল— জলসিঞ্চন, মাটিবোৰ সমান কৰা আৰু বিনিয়োগৰ বাবে মূলধন। জলসিঞ্চনৰ সমস্যাৰ বিষয়ে আমি আগতেই উল্লেখ কৰিছোঁ। এতিয়া ইয়াত অন্যান্য সমস্যাৰ বিষয়হে আলোচনা কৰিম।

মাটি সমান কৰা সমস্যাটো জলসিঞ্চিত কৰা মাটিৰ স'তে জড়িত আছে। মাটিবোৰ সমান কৰি মাজে মাজে সৰু সৰু আলি বান্ধি দিয়া হয় যাতে যথেষ্ট পৰিমাণে বৰষুণৰ পানী সেইবোৰত ৰৈ যায় আৰু সেই পানীৰে মাটিভাগৰ সিক্ততা অক্ষুণ্ণ ৰখা হয়। এই সিক্ততা বা আৰ্দ্ৰতা বাঢ়ি অহা শস্যৰ বাবে প্ৰয়োজন। এনে ধৰণৰ মাটি সমান কৰাৰ প্ৰয়োজনীয়তা সমগ্ৰ জিলাখনতেই ব্যাপকভাৱে আৱশ্যক হয়। কিন্তু সমস্যা হ'ল ওপৰ ভাগত মাটি গলি পানী ধৰি ৰাখিব নোৱাৰে। ফলস্বৰূপে বৰষুণৰ পানীয়ে সেই বান্ধি দিয়া সৰু আলিবোৰ ভাঙি পেলায় আৰু সিয়ে ভূমি স্খলনৰ পথ প্ৰশস্ত কৰে। এনে মাটিৰ কিছুভাগ অলপতে মহাত্মা গান্ধী এনৰেগা আঁচনিৰ অধীনত সমান কৰি পেলোৱা হয়। সেই মাটিবোৰত কৃষকসকলৰ বাবে প্ৰয়োজনীয় বিনিয়োগ কৰিবৰ মন— যাতে তেওঁলোকে তেনে মাটিত শস্য উৎপাদন কৰিব পাৰে।

সকলোৱেই বিনিয়োগ পুঁজি দাবী কৰা সমস্যাটো থাকিলেও সাঁহাৰি জনাওঁতাসকলে এটা বিষয়ত জোৰ দিয়ে আৰু সেয়া হ'ল বাণিজ্যিক শস্যৰ খেতি কৰা। তেওঁলোকে এনে খেতি আৰম্ভ কৰিছেই। পিছে চৰকাৰী বিভাগৰ পৰা সময়মতে বিনামূলীয়া কিম্বা সাহায্যকৃত বীজ আৰু সাৰ প্ৰাপ্ত কৰিব নোৱাৰাৰ বাবে সমস্যা বাঢ়ি গৈছে। যথেষ্ট সংখ্যক সাঁহাৰি জনাওঁতা— যাৰ সংখ্যা হ'ব ১৪.৯৮ শতাংশ— তেওঁলোকে বিকাশ সাধনৰ প্ৰয়োজনীয়তা ৰূপে এহাল গৰুৰ আৱশ্যক হয় বুলি কয়। কিন্তু এহাল খেতি কৰা গৰুৰ বিষয়টো আদিবাসী গাঁওবোৰত গৰুৰ সংখ্যা কমি যোৱাৰ স'তে জড়িত আছে। বনাঞ্চল আৰু চৰণীয়া ভূমি কমি অহাৰ বাবেই এনে হৈছে। তথাপি মাটি চহোৱা কাম ব্যাপক ক্ষেত্ৰতেই বলদ গৰুৰ দ্বাৰা এতিয়াও অব্যাহত আছে।

**সংহত কৰ্ম আঁচনিৰ পৰিসৰৰ ভিতৰত বিকাশৰ আৱশ্যকতা**

বাওঁপন্থী উগ্ৰবাদৰ দ্বাৰা আক্ৰান্ত হোৱা এলেকাবোৰৰ বিকাশ সাধনৰ অৰ্থে ২০১০ চনৰ নৱেম্বৰত ১০০ শতাংশ ভিত্তিত এক অতিৰিক্ত কেন্দ্ৰীয় সাহায্য আঁচনি ৰূপে সংহত কৰ্ম আঁচনিখন তৈয়াৰ কৰা হয়। এয়া হ'ল প্ৰতিখন জিলাৰ বাবে যথাক্ৰমে ২৫ কোটি আৰু ৩০ কোটি টকাৰ খণ্ড মঞ্জুৰী ২০১০-১১ আৰু ২০১১-১২ বৰ্ষৰ কালছোৱাত প্ৰদান কৰা হয়। জিলা কলেক্টৰ/জিলা দণ্ডাধীশৰ নেতৃত্বাধীনত গঠন কৰা এখন কমিটীত জিলাখনৰ আৰক্ষী অধীক্ষক আৰু জিলা বন বিষয়াক অন্তৰ্ভুক্ত কৰা হয়। এই কমিটীখনকেই পৰিকল্পনা তৈয়াৰ কৰা কথা তথা তাৰ ৰূপায়ণৰো দায়িত্ব দিয়া হয়। পৰিকল্পনাত সেৱা আৰু ৰাজহুৱা আন্তঃগাঁথনি সৃষ্টি কৰা প্ৰস্তাৱসমূহো অন্তৰ্ভুক্ত কৰা হয়। তেনে আন্তঃগাঁথনি আৰু সেৱাসমূহ হ'ল— স্কুল বিল্ডিং, অঙ্গনবাড়ী কেন্দ্ৰ, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, খোৱাপানী যোগান, গ্ৰাম্য পথ, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু স্কুল আদিৰ দৰে ৰাজহুৱা স্থানত লাইটৰ ব্যৱস্থা। কৰ্ম আঁচনিখনে সম্প্ৰতি নখন ৰাজ্যৰ ৮২ খন জিলাক সামৰি লৈছে। ৰাজ্যকেইখন হ'ল— অন্ধ্ৰ প্ৰদেশ, বিহাৰ, ছত্তীশগড়, ঝাৰখণ্ড, মধ্য প্ৰদেশ, মহাৰাষ্ট্ৰ, ওড়িছা, উত্তৰ প্ৰদেশ আৰু পশ্চিমবঙ্গ। ২০১০-১৩ বৰ্ষৰ কালছোৱাত এই আঁচনিৰ অধীনত ৪,১৭৭.৬৫ কোটি টকা ব্যয় কৰা হয় (ইকন'মিক্ছ টাইম্ছ; ২৫ এপ্ৰিল, ২০১৩)।

আমি জৰীপ কাৰ্য চলোৱা গাঁওবোৰ ছত্তীশগড়ৰ ছুৰগুজা জিলাৰ অন্তৰ্গত। সংহত কৰ্ম আঁচনিয়ে সামৰি লোৱা জিলাসমূহৰ ভিতৰত ই অন্যতম। উদ্দেশ্যৰ ফালৰ পৰা কৰ্ম আঁচনিখন হ'ল ভাৰত চৰকাৰৰ এখন 'সংবেদনশীল আঁচনি'। বিকাশ সাধনৰ জৰিয়তে বাওঁপন্থী উগ্ৰবাদৰ ভাবধাৰাক নিয়ন্ত্ৰিত কৰিবলৈ এই আঁচনিখনত ধ্যান দিয়া হয়। কৰ্ম আঁচনিৰ পৰিকল্পিত কাম-কাজৰ সন্দৰ্ভত আদিবাসীসকলে কোৱাৰ দৰে বিকাশৰ উপৰোক্ত আৱশ্যকতাবোৰক যদি আমি তুলনা কৰি চাওঁ তেনেহ'লে তাত এক প্ৰভেদ থকা সততেই দেখা যায়। সেয়ে সাংগঠনিক গাঁথনিৰ সম্প্ৰসাৰণ কৰা আৰু কৰ্ম আঁচনিখনৰ বিকাশমূলক যোজনাবোৰক নতুনকৈ ব্যৱস্থা কৰাৰ কথাকে সূচায়। আমাৰ জৰীপৰ পৰা এইটো পৰিলক্ষিত হয় যে আদিবাসী-সকলে তেওঁলোকৰ প্ৰয়োজনীয় বিষয়বোৰ সমাধানাৰ্থে এটা এজেন্সীৰ ওপৰত নিৰ্ভৰ নকৰি বহু সংস্থাৰ কথাহে ভাবে। সেয়ে এই ক্ষেত্ৰত গঠন কৰা বৰ্তমানৰ কমিটীখনত পঞ্চায়ত, গাঁও, নাগৰিক সমাজ সংগঠন আৰু বিকাশ কাৰ্যৰ স'তে জড়িত থকা পেছাদাৰী-সকলৰ সদস্যকো অন্তৰ্ভুক্ত কৰা আৱশ্যক। বিভিন্ন উৎসৰ পৰা প্ৰাপ্ত মতামতে পৰিকল্পনাৰ ক্ষেত্ৰত ক্ষেত্ৰ স্তৰৰ বাস্তৱতাকহে স্থিত কৰাত সহায় কৰিব।

সংহত কৰ্ম আঁচনিখনে ৰাজহুৱা সম্পত্তি সৃষ্টিৰ ওপৰত মনোনিৱেশ কৰিছে। তদুপৰি লোকসকলক জীৱন নিৰ্বাহৰ সম্পদৰাজিৰো আৱশ্যক হয়। সেয়ে সংহত কৰ্ম আঁচনিক সেৱা আৰু ৰাজহুৱা আন্তঃগাঁথনি সৃষ্টিৰ এক নিটোল ৰূপত সজাই তুলিবৰ কাৰণে প্ৰয়াস কৰা উচিত আৰু লগতে যি সম্পত্তিৰে জীৱিকা নিৰ্বাহৰ ব্যৱস্থা সুদৃঢ় কৰে তাৰ প্ৰতিও ধ্যান দিয়া কৰ্তব্য। তেনেবোৰ সম্পত্তিৰ উৎস হ'ব পাৰে চেক্ বান্ধ, বনাঞ্চল, পশুধন, কৃষি সেৱা কেন্দ্ৰ আৰু অন্যান্য। এইবোৰ উল্লিখিত তালিকাৰ জৰুৰী দিশৰ পৰা গুৰুত্বপূৰ্ণ বিষয়। ❐

**কৃতজ্ঞতা স্বীকাৰ ঃ**

লেখকে চৌপালৰ সক্ৰিয় কৰ্মীসকল, ছত্তীশগড়ৰ ছুৰগুজা জিলাৰ অম্বিকাপুৰৰ এক জনজাতীয় এন জি অ'ক তথ্যপাতি সংগ্ৰহত সহায় কৰাৰ কাৰণে ধন্যবাদ জ্ঞাপন কৰিছে।

---

**(১০ পৃষ্ঠাৰ পৰা)**

নিয়ামগিৰি ৰায়দানৰ পাছত অধিক সক্ৰিয় কৰি তুলিছে। এই ৰায়দানে আদিবাসী গ্ৰাম সভাক যথেষ্টভাৱে শক্তিশালী কৰি তুলিছে। ন্যায়িক ব্যৱস্থা আৰু সংবাদ মাধ্যমৰ সহায়ত এইটো অধিক গুৰুত্ব প্ৰদান কৰিবলৈ সম্ভৱ কৰি তুলিছে যে আধুনিক বিকাশক আদিবাসীসকলক অৱজ্ঞা কৰি সাধন কৰিব পৰা নাযায়। কাজেই উদাৰমুখী গণতান্ত্ৰিক প্ৰশাসনৰ মূল সূত্ৰসমূহ ৰাজ্য চৰকাৰে আদিবাসী এলেকাসমূহৰ ক্ষেত্ৰত এফলীয়া কৰি নাৰাখিবৰ বাবে নিশ্চয়তা কৰাৰো সুবিধা আছে। এই দিশত পঞ্চায়তী ব্যৱস্থাৰ সম্প্ৰসাৰণ বিষয়ক আইনখন হ'ল প্ৰথম পদক্ষেপ। ইয়াৰ দ্বাৰাই আদিবাসীসকলৰ সংস্কৃতি জীয়াই ৰখা তথা তাক উৎসাহ প্ৰদান কৰাত প্ৰেৰণা যোগাব। সম্পদৰাজিৰ সঠিক ব্যৱহাৰ আৰু সু-সম্পৰ্ক গঢ়ি তোলাতো বৰঙণি যোগাব। ইয়াৰ প্ৰমাণ স্বৰূপে মেক্সিকোত হোৱা চিপাসকলৰ গণ আন্দোলনৰ কথা উল্লেখ কৰিব পাৰি। এই চিপা সম্প্ৰদায়ৰ নেতৃবৰ্গই পঞ্চায়তী ব্যৱস্থাৰ সম্প্ৰসাৰণ বিষয়ক আইনখনক তেওঁলোকৰ নিজাববীয়া খচৰা সংবিধান তৈয়াৰ কৰিবৰ কাৰণে উল্লেখনীয় বিষয়সমূহৰ অন্যতম ৰূপে ব্যৱহাৰ কৰিছে।

২০০৬ চনত মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আইন আৰু তথ্য জনাৰ অধিকাৰ আইনখন গ্ৰহণ কৰা ক্ৰমে উল্লেখিত পঞ্চায়তী ব্যৱস্থাৱলী সম্প্ৰসাৰণ আইনৰ উপযুক্ততা যথেষ্টভাৱে বৃদ্ধি কৰিছে। এই আইনখনৰ ব্যৱস্থাৱলীৰ সুবিধা লৈ পঞ্চম অনুসূচী এলেকাবোৰৰ সৰু সৰু গণ সংগঠনবোৰে সমগ্ৰ দেশতে স্ব-শাসনৰ বিষয়বোৰ পূৰণ কৰিবলৈ কামত লগোৱাৰ এতিয়া অনেক উদাহৰণ আছে। সেই একেদৰে অনেক আদিবাসী গণ সংগঠনে দীৰ্ঘদিনীয়া অভিযানৰ কামো হাতত লয় আৰু তাৰ ফলস্বৰূপে অনুসূচিত জনজাতি তথা অন্য বনাঞ্চল বাসিন্দা (অধিকাৰ স্বীকৃতি) আইন, ২০০৬ প্ৰণয়ন কৰা হয়। ইয়াক সাধাৰণতে বনাঞ্চল অধিকাৰ আইন ৰূপে জনা যায়। ই পঞ্চম অনুসূচীৰ ব্যৱস্থাৱলীৰ ক্ষেত্ৰত এক কাৰক শক্তি ৰূপে কাম কৰে আৰু ভাৰতীয় বন অঞ্চলৰ ৰূপায়ণৰ জৰিয়তে আদিবাসী-সকলৰ প্ৰতি যি অন্যায় কৰা হয় তাক উপেক্ষা কৰি গ্ৰাম সভাবোৰক গুৰুত্বপূৰ্ণ কৰি তোলে।

ওপৰত কৰা আলোচনাৰ পৰা এইটো যথেষ্টভাৱে পৰিষ্কাৰ হৈ উঠিছে যে আদিবাসীসকলৰ স্ব-শাসন একমাত্ৰ সম্ভৱ হৈ উঠিব যদিহে ইয়াৰ সমৰ্থনত তৃণমূল স্তৰত সমূহীয়াকৈ তেওঁলোকে মাৰবান্ধি উঠে। স্বাধীনোত্তৰ কালৰ গ্ৰহণ কৰা নীতিয়ে আদিবাসীসকলৰ পৰম্পৰাগত সামূহিক অভ্যাসৰাজি পতনৰ পিনে আগুৱাই নিয়ে; আৰু সেয়ে আদিবাসীসকলে নিজেই এক বিকেন্দ্ৰী-কৃত স্তৰত পুনৰুজ্জীৱিত প্ৰয়াস কৰিব লাগিব। সম্প্ৰদায়সমূহৰ সমূহীয়া সংস্কৃতিৰ বিষয়ৰ বাহিৰেও শান্তি আৰু সু-প্ৰশাসনে প্ৰাকৃতিক সম্পদৰাজিকো ৰক্ষা কৰিব। তাৰ লগতে জলবায়ু পৰিৱৰ্তনৰ সন্দৰ্ভত এক আশাব্যঞ্জক প্ৰভাৱ পেলাব (ক্ৰুজ, ২০০৯)। সেই দেখি আগত থকা পথ হ'ল সুনিয়াৰি ৰূপায়ণ আৰু আদিবাসীসকলক উন্মেষ সাধন কৰা আইনবোৰ কাৰ্যত পৰিণত কৰাটো— যি সংবিধানৰ পঞ্চম অনুসূচীত লিপিবদ্ধ কৰাৰ দৰে স্ব-শাসনক উৎসাহিত কৰিব। ইয়েই হ'ল শান্তি আৰু সু-প্ৰশাসনৰ অভাৱৰ কাৰণে একমাত্ৰ সৰ্বৰোগনাশক ঔষধ। ❐

# অসমৰ জলবায়ুত ম'হ পালন

**ডাঃ প্ৰবীণ কুমাৰ নেওগ***

পৃথিৱীৰ ভিতৰত পচান্নবৈ ভাগ ম'হ গ্ৰীষ্ম মণ্ডলত পোৱা যায়। ভাৰতবৰ্ষৰ সৰহ গাখীৰ দিয়া গৰুৰ জাতৰ ভিতৰত যেনেকৈ সিন্ধি, চহিয়াল, থাৰ্পাৰ্কাৰ্, গীৰ, দেৱনী, হাৰিয়ানা জাতৰ গৰু, ঠিক সেইদৰে ম'হৰ ক্ষেত্ৰতো মূৰা, নীলি, মেহচানা, চুৰ্টি, নাগপুৰী, জফৰবাদী, কুন্দি আদি উন্নত জাতৰ ম'হ পোৱা যায়।

পৃথিৱীৰ আধাসংখ্যক ম'হ আমাৰ ভাৰতবৰ্ষত আছে। পোহনীয়া জন্তুৰ ভিতৰত ভাৰতবৰ্ষত শতকৰা ৬০ ভাগ গাখীৰ ঘৰচীয়া ম'হৰ পৰা উৎপাদন হয়। ভাৰতৰ মাংস উৎপাদনৰ শতকৰা ১৩.৪৬ ভাগ ম'হৰ পৰা আহে আৰু এনে মাংসৰ এক বুজন পৰিমাণ বিদেশলৈও ৰপ্তানি হয়।

অসমৰ বিভিন্ন অঞ্চলত পোৱা ম'হবোৰ উন্নত জাতৰ নহয়। ঠাই বিশেষে অসমৰ ঘৰচীয়া ম'হক 'পেৰা বেংগল' জাতৰ ম'হ বুলি কয়। কৃষি ভিত্তিক ৰাজ্য অসমত কৃষি কৰ্মত নিয়োজনৰ তাগিদাৰে খেতিয়কসকলে ম'হ পালন কৰে। বিশেষকৈ অসমৰ দ অঞ্চলৰ কৃষকসকলৰ মাটি চহোৱাৰ অন্যতম উপায় হ'ল মতা ম'হ। যিবোৰ অঞ্চলৰ মাটি দ আৰু আলতীয়া, ৰুবৰ সময়তো যিবোৰ মাটিত যথেষ্ট পানী থাকে, যিবোৰ অঞ্চলত জোকৰ উপদ্ৰৱ বেছি, সেই অঞ্চলৰ কৃষকে কৃষিৰ বাবে ম'হৰ ওপৰত নিৰ্ভৰ নকৰিলে নচলে, কিয়নো এনে দ ঠাইত গৰু অথবা ট্ৰেক্টৰেৰে হাল বাব নোৱাৰি। অন্যহাতে অসমৰ বিভিন্ন অঞ্চলত থকা চৰণীয়া পথাৰবোৰত 'বহা' সাজি, ম'হৰ খুঁটিত মাইকী ম'হ পালনৰ দ্বাৰা গাখীৰ উৎপাদন কৰি এক বৃহৎ সংখ্যক অসমীয়া লোকে জীৱন নিৰ্বাহ কৰি আছে। এনে একোটা খুটিত একোজন গুৱালৰ শজনী পৰ্যন্ত মাইকী ম'হৰ একোটা জাক আছে, যাৰ সুস্থ প্ৰতিপালনেই গুৱালজনৰ প্ৰধান আৰু দৈনিক কৰ্তব্য হিচাপে বিবেচিত হৈছে। আমাৰ এই আলোচনাত আমি ম'হ পালক আৰু গুৱালসকলে সন্মুখীন হোৱা কিছু সমস্যাৰ সমাধানত আলোকপাত কৰিবলৈ যত্ন কৰিম।

**গুৱালসকলে সন্মুখীন হোৱা সমস্যা-সমূহ ঃ**

বৰ্তমান অসমত গাখীৰৰ যোগানতকৈ চাহিদা বহুত বেছি। সেয়েহে বজাৰ অঞ্চল বা নগৰৰ পৰা সুদূৰত অৱস্থিত হ'লেও গাখীৰ বিক্ৰীৰ ক্ষেত্ৰত গুৱালসকল বিশেষ সমস্যাৰ সন্মুখীন হোৱা নাই। কিন্তু আন কিছুমান সমস্যাই ম'হৰ গুৱালসকলক সততে অসুবিধা দি থাকে। তেনে কিছুমান সমস্যা হ'ল ঃ

১) অসমৰ দ অঞ্চলসমূহত থকা ম'হৰ খুঁটিবিলাকৰ বাবে পশু-চিকিৎসাৰ সাহায্য মুঠেও সুলভ নহয়। চৰকাৰীভাৱে দৰব আদিৰ যোগানটো নায়েই ব্যক্তিগত খৰচত চিকিৎসা কৰিবলৈও পশু চিকিৎসক অথবা ক্ষেত্ৰ-সহায়কসকলক গুৱাল-সকলে থাওকতে নাপায়।

২) অসমত সেমেকা জলবায়ুত পেলুজাতীয় পৰজীৱীয়ে সঘনে বিস্তাৰ লাভ কৰে। অসমক পৰজীৱীৰ ভূস্বৰ্গ বুলিয়েই অভিহিত কৰা হয়। বছৰি বহুসংখ্যক ম'হৰ পোৱালি পেলুৰ আক্ৰমণতে মৃত্যু হয়।

৩) বানপানী অধ্যুষিত এলেকাত অৱস্থিত অসমৰ ম'হ খুঁটিবোৰত সঘনাই মহামাৰীয়ে দেখা দিয়ে। বিশেষকৈ এনথ্ৰাক্স আৰু গলফুলা জাতীয় মহামাৰীৰ কবলত বছৰি অসমত ব্যাপক সংখ্যক উৎপাদন উপযোগী ম'হৰ মৃত্যু হোৱাটো এটা ভয়ানক আশংকাৰ কাৰণ হৈ পৰিছে। এনে মহামাৰীত কেতিয়াবা একোটা খুঁটি সমূলঞ্চে উছন্ন হোৱাৰ উদাহৰণ আছে।

৪) 'কচোৱা' জাতীয় চেপেটা কৃমিৰ আক্ৰমণ দ অঞ্চলত এক সাধাৰণ ঘটনা। বিশেষকৈ পানীত হোৱা দল ঘাঁহ, এৰালি, বাঁহপতীয়া, বাওঁধান আদি ম'হৰ মুখ্য খাদ্য হিচাপে বিবেচিত হোৱা বাবে কচোৱাৰ আক্ৰমণে তল বয়সৰ পোৱালিবোৰক সঘনে মৃত্যুৰ মুখত পেলায়।

*ডাঃ প্ৰবীণ কুমাৰ নেওগ মধ্য যোৰহাট উন্নয়ন খণ্ড, কাকজান, যোৰহাটৰ পশুপালন সম্প্ৰসাৰণ বিষয়া

৫) কু-সংস্কাৰ আৰু অন্ধবিশ্বাসে আৱৰি থকা আমাৰ সমাজখনত ম'হপালকসকলো অন্যতম অংশীদাৰ। মহামাৰী আদিৰ সময়ত বহুতো ম'হপালকে প্ৰতিষেধক টীকা অথবা বিজ্ঞানসন্মত চিকিৎসা আদিৰ পৰিৱৰ্তে দেৱতা পূজা, আইনাম আদিৰ ওপৰতহে অধিক গুৰুত্ব দিয়া বাবেও বহুসংখ্যক ম'হ আৰু খীৰঁতী ম'হ মৃত্যুৰ মুখত পৰে।

উল্লিখিত সমস্যাবোৰ দূৰীকৰণৰ উপায় উদ্ভাৱন আৰু ব্যৱস্থা গ্ৰহণৰ ওপৰতেই নিৰ্ভৰ কৰিছে অসমৰ থলুৱা ম'হপালকসকলৰ অৰ্থনৈতিক ভৱিষ্যৎ আৰু জনজীৱনৰ বাবে গাখীৰ উৎপাদন প্ৰক্ৰিয়া।

**ঘৰচীয়া ম'হৰ মহামাৰী গলফুলা ঃ**

গলফুলাক বিজ্ঞানৰ ভাষাত Haemorrhagic septicaemia বুলি কোৱা হয়। চমুকৈ বহুতে ইয়াক 'HS' বুলিও কয়। *Pasteurella maltocida* নামৰ বেক্টেৰীয়াৰ আক্ৰমণত এই ৰোগ হয়। এইবিধ বীজাণুৰ বিৰুদ্ধে উৎকৃষ্টতাৰে কাম কৰা এণ্টিবায়টিক আছে, কিন্তু দীৰ্ঘদিন ধৰি নিয়মীয়া মাত্ৰাতকৈ অধিক ঔষধ ব্যৱহাৰ নকৰিলে সুফল পাব নোৱাৰি। যিহেতুকে এই বেমাৰে ১২ ঘণ্টামানৰ ভিতৰতে ম'হৰ মৃত্যু ঘটাব পাৰে সেয়ে খৰতকীয়া চিকিৎসাৰ ব্যৱস্থা কৰিব নোৱাৰিলে সুফলৰ আশা কৰিব নোৱাৰি। তদুপৰি শৰীৰত বীজাণুৱে আক্ৰমণ আৰম্ভ কৰাৰ লগে লগে বীজাণুৱে দ্ৰুত গতিত বংশ বৃদ্ধি কৰে আৰু তেজ দূষিত কৰি পেলায়। সেয়ে দৰবৰ খৰতকীয়া ক্ৰিয়াৰ বাবে এণ্টিবায়টিক ইন্জেকচন পৰাপক্ষত সিৰাত দিব লাগে।

অৱশ্যে গলফুলা ৰোগ কেৱল ম'হৰহে হয় যে এনে নহয়; গৰু আৰু গাহৰিৰ দেহতো এই ৰোগ দেখা দিয়ে আৰু সোনকালেই মৃত্যু ঘটায়।

**গলফুলাৰ ছিজন আৰম্ভ হোৱাৰ আগে আগে ঃ**

সাধাৰণতে এপ্ৰিলৰ পৰা জুন-জুলাই মাহলৈকে এই সময়ছোৱাতে গলফুলা ৰোগে অসমত মহামাৰীৰ ৰূপ ধাৰণ কৰে। এই ৰোগৰ বীজাণুবোৰ অসমৰ সেমেকা জলবায়ুত নিয়মীয়াভাৱেই বাস কৰে যদিও এক নিৰ্দিষ্ট ঋতুকালীন সময়তহে ই মহামাৰীৰ ৰূপ ধাৰণ কৰে।

আমাৰ ম'হপালকসকলৰ এটা দোষ হ'ল যে তেওঁলোক ইয়াৰ আগতীয়া প্ৰতিষেধকৰ বাবে বিশেষ আগ্ৰহী নহয়। বহুতো পালকে আকৌ মহামাৰী আৰম্ভ হোৱালৈকে প্ৰতিষেধক দিবলৈ ৰৈ থাকে। সাধাৰণতে যিকোনো প্ৰতিষেধক টিকা বেমাৰৰ ঋতু আৰম্ভ হোৱাৰ আগতেই দি থ'ব লাগে। নৱেম্বৰৰ পৰা ফেব্ৰুৱাৰী মাহলৈকে এই সময়ছোৱাই প্ৰতিষেধক দিয়াৰ উৎকৃষ্ট সময়। গলফুলাৰ এটা প্ৰতিষেধক টিকাই সাধাৰণতে এবছৰলৈ গৰু-ম'হক সুৰক্ষা দিয়ে যদিও ছমাহৰ মূৰে মূৰে এই প্ৰতিষেধক দিয়াৰ ব্যৱস্থা কৰিলে অধিক সুৰক্ষা আশা কৰিব পাৰি।

সাধাৰণতে বহুতো ম'হপালকে অভিযোগ কৰে যে প্ৰতিষেধক টিকা দিয়াৰ পাছতো এই ৰোগ হয়। ইয়াৰ কাৰণ বিভিন্ন হ'ব পাৰে। প্ৰথম কথা, আমাৰ খুঁটিৰ মাইকী ম'হবোৰ সাধাৰণতে বৰ হিংস্ৰ; গুৱালৰ বাদে আন মানুহক সিহঁতে আসৈ নিদিয়ে। ফলস্বৰূপে এনে ম'হবোৰক প্ৰতিষেধক টিকা দিয়াটোও এটা জটিল প্ৰক্ৰিয়া; যাৰ ফলত বহুসময়ত ম'হৰ গাত প্ৰয়োজনীয় পৰিমাণৰ ঔষধ প্ৰৱেশ নকৰিবও পাৰে। দ্বিতীয়তে এনে প্ৰতিষেধক বেজীবোৰ দীৰ্ঘ সময়ৰ বাবে ৰ'দ-বতাহৰ সংস্পৰ্শত থাকিলে ঔষধৰ গুণ নষ্ট হয়। ফাৰ্মাচী বা অন্য ঠাইৰ পৰা অনা বেজী যিমান সোনকালে পৰা যায় সিমান সোনকালে দিওৱাৰ ব্যৱস্থা কৰিব লাগে। তৃতীয়তে, প্ৰতিষেধক বেজীৰ বাবে চৰকাৰী বিনামূলীয়া বেজীলৈ বাট চাই থকাতকৈ নাম থকা কোম্পানীৰ বেজী কিনি দিয়াই ভাল। এনে বেজী কিনোতে ম্যাদ ওকলাৰ তাৰিখ ভালদৰে চাই ল'ব লাগে। চতুৰ্থতে, প্ৰতিষেধক বেজী দিয়াৰ পাছত ম'হৰ শৰীৰত প্ৰতিৰোধ ক্ষমতা গঢ় লৈ উঠিবলৈ ২১ দিন সময় লাগে। ২১ দিনৰ ভিতৰত গলফুলা হ'লে প্ৰতিষেধকে কাম কৰা নাই বুলি ক'ব পৰা নাযাব। সেয়েহে গলফুলা মহামাৰী এটা খুঁটিত আৰম্ভ হোৱাৰ পাছত প্ৰতিষেধক দিলেও কেতিয়াবা জন্তুবোৰৰ বেমাৰে দেখা দিয়ে।

**বেমাৰ আৰম্ভ হোৱাৰ লগে লগে ঃ**

গলফুলা বেমাৰৰ সাধাৰণতে লক্ষণ হ'ল যে এই বেমাৰ হ'লে ডিঙিটো ফুলি উঠে, জ্বৰ হয়, জন্তুটোৱে খাবলৈ এৰে, পেটটো সামান্য ফুলে, নাকেদি পানী ওলায়। কেতিয়াবা মুখেদি ফেনায়, মূৰটো ওপৰলৈ কৰি ৰাখে আৰু ম'হটো দীৰ্ঘ সময়ৰ বাবে থিয় হৈ থাকে। এইটো বেমাৰত বহুতো ম'হ থিয়ৈ থিয়ৈ মৰে বুলি ক'ব পাৰি, কিয়নো মৃত্যুৰ আগে আগেহে বহুতো ম'হ মাটিত পৰে। উশাহ লওঁতে পাছৰ ফালৰ ঘেৰঘেৰণি শব্দ হয়। কোনো ম'হৰ ৰোগত আক্ৰান্তৰ লক্ষণ ফুটি উঠিলেই তৎক্ষণাৎ তাক জাকৰ পৰা নিলগাই বেলেগে খোৱা-বোৱাৰ ব্যৱস্থা কৰি দিব লাগে।

চিকিৎসকে সোনকালে পালে এই ৰোগত আক্ৰান্ত ম'হৰ আৰোগ্যৰ আশা থাকে। এই ৰোগত আক্ৰান্ত হোৱা ম'হ আক্ৰান্ত হোৱা ঠাইৰ পৰা বহু দূৰলৈ খোজকঢ়াই লৈ যাব নালাগে। তেনে কৰিলে ৰোগৰ আক্ৰমণ অধিক খৰতকীয়া হোৱা পৰিলক্ষিত হয়। পৰাপক্ষত গলফুলাত আক্ৰান্ত হোৱা ম'হক চিকিৎসা কৰোঁতে মাটিত পেলাই নোলোৱাকৈ থিয়ৈ থিয়ৈ চিকিৎসা দিবলৈ যত্ন কৰিব লাগে। কাষ্টিং কৰিলে কেতিয়াবা গলফুলাত আক্ৰান্ত ম'হৰ হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ হঠাতে মৃত্যুমুখত পৰে।

**মৃত্যু হোৱা ম'হৰ ব্যৱস্থা ঃ**

গলফুলাত মৃত্যু হোৱা ম'হ সদায় পুতি পেলাব লাগে। য'তে ত'তে মৃত ম'হবোৰ পেলাই দিলে সহজেই বেমাৰৰ বিস্তৃতি ঘটে। গোহালি বা খুঁটিৰ খোলাৰ ওপৰত পটাচ পানী ছটিয়াই পৰিষ্কাৰ কৰিব লাগে।

**ঘৰচীয়া ম'হৰ 'মাটি খোৱা' বেমাৰ ঃ**

ম'হবোৰ সাধাৰণতে দ ঠাইত চৰে। এৰালি, উৰিদল, কৰঙাদল, ভাতমেটেকা, বাঁহপতীয়া আদি ঘাঁহবোৰ পানীসেৰুৱা মাটিত বেছিকৈ হয় আৰু ঘৰচীয়া ম'হৰ এইবোৰ প্ৰধান খাদ্য। নক'লেও হ'ব যে অসমৰ চৰ অঞ্চলৰ আৰু বানপানী অধ্যুষিত এলেকাৰ বাসিন্দাসকলেই খেতি-বাতিৰ বাবে গৰুতকৈ ম'হক অধিক গুৰুত্ব দিয়ে। পানীসেৰুৱা অঞ্চলৰ ঘাঁহখোৱা ম'হবোৰৰ মাটি খোৱা লক্ষণযুক্ত এবিধ বিশেষ বেমাৰে দেখা দিয়ে। 'গলফুলা' জাতীয় বেমাৰৰ দৰে ই মহামাৰীজনিত অথবা হঠাতে মৃত্যু ঘটোৱা বেমাৰ নহ'লেও ই পালকসকলৰ যথেষ্ট ক্ষতি কৰে। 'মাটি খোৱা ম'হ নাবাচে' বুলি পালকসকলে প্ৰায় ধৰিয়েই লয়। অৱশ্যে চিকিৎসা লোৱাত হেমাহি নকৰিলে আৰু দক্ষ চিকিৎসকৰ পৰামৰ্শ ল'লে এই বেমাৰ আৰোগ্য কৰিব পাৰি।

**ম'হে মাটি খায় কিয়?**

মানুহৰ নিচিনাকৈ গৰু-ম'হৰো শৰীৰৰ বিভিন্ন প্ৰয়োজন পূৰাবলৈ মণিক পদাৰ্থসমূহ প্ৰয়োজন হয়। কেলচিয়াম, ফচফৰাচ, লো, আয়'ডিন, ছ'ডিয়াম, মেগনেছিয়াম, তাম আদি মণিক পদাৰ্থসমূহো অন্যান্য জীৱ-জন্তু আৰু মানুহৰ নিচিনাকৈ ঘৰচীয়া ম'হকো লাগে। কিবা কাৰণত এই মণিক পদাৰ্থসমূহৰ অভাৱে শৰীৰত দেখা দিলেই ম'হে মাটি খাবলৈ আৰম্ভ কৰে।

এই মণিক বা খনিজ পদাৰ্থসমূহৰ অভাৱ যিকোনো কাৰণত হ'ব পাৰে। দৈনিক যোগান ধৰা খাদ্যত যথেষ্ট পৰিমাণে খনিজ পদাৰ্থ নাথাকিলে অথবা সৰু পোৱালিবোৰ ঘূৰণীয়া পেলুজনিত ৰোগত আক্ৰান্ত হ'লেও খনিজ পদাৰ্থৰ অভাৱ ঘটে; কিন্তু পানীসেৰুৱা অথবা বানপানী অধ্যুষিত অঞ্চলৰ শতকৰা ৯০ ভাগ ম'হৰ ক্ষেত্ৰতে দেখা যায় যে ইয়াৰ মূল কাৰণ হ'ল যকৃত কৃমিৰ দ্বাৰা হোৱা আক্ৰমণ আৰু যকৃতত হোৱা বাবেই এইবিধ পেলুক যকৃত কৃমি বুলি কোৱা হয়। গাঁৱৰ ফালে ইয়াক 'কচোৱা' বা 'চতিয়াই ধৰা' বুলিও কয়। এই যকৃত কৃমিয়ে আক্ৰমণ কৰিলে ম'হৰ দেহত খনিজ পদাৰ্থ জমা হোৱা প্ৰক্ৰিয়াটো ধ্বংস হয় আৰু খনিজ পদাৰ্থৰ প্ৰয়োজন পূৰাবলৈ জন্তুবিলাকে খনিজ পদাৰ্থৰ উৎস মাটি খাবলৈ লয়। কোনো কোনো ক্ষেত্ৰত চাবোন খোৱা, চুলি খোৱা, বালি খোৱা, মৰা জন্তু চেলেকা আদি লক্ষণো দেখা যায়। এনে ধৰণেৰে অখাদ্য খোৱা অৱস্থাটোক চিকিৎসা বিজ্ঞানৰ ভাষাত 'পাইকা' (Pica) বুলি কোৱা হয়।

যদিও মাটি খোৱাৰ মূল কাৰণ শৰীৰত খনিজ লৱণৰ অভাৱ আৰু খনিজ লৱণৰ অভাৱৰ বাবে বিভিন্ন কাৰণ জড়িত হ'ব পাৰে। এই আলোচনাত আমি মাটি খোৱাৰ কাৰণ যকৃত কৃমিৰ আক্ৰমণৰ বিষয়েহে আলোচনা কৰিম। কিয়নো মাটি খোৱা লক্ষণযুক্ত বেমাৰৰ শতকৰা ৯০ ভাগেই মূলতঃ যকৃত কৃমিৰ আক্ৰমণৰ বাবেহে হয়।

**আনুষংগিক কি কি লক্ষণে দেখা দিব পাৰে?**

এই ৰোগত আক্ৰান্ত হ'লে ম'হবোৰৰ গোবৰ পাতল হয়। প্ৰথমে লাহে লাহে আৰম্ভ কৰি পাছলৈ বেছিকৈ মাটি খাবলৈ লয়। কোনো কোনো ক্ষেত্ৰত ১৫/২০ দিনৰ অন্তৰে অন্তৰে ম'হবোৰে চেৰেলিয়াব পাৰে। ক্ৰমে গোবৰ অধিক ঢিলা হোৱাৰ লগতে দুৰ্গন্ধযুক্ত হয়। কেতিয়াবা জণ্ডিচৰ লক্ষণো দেখা দিব পাৰে। পেটত গেছ হোৱাৰ বাবে কিছুমান ম'হে সঘনাই হামিয়ায়। ছালবোৰ সোঁতোৰা পৰে। স্বাভাৱিকতেই ম'হটো বা ম'হজনী দুৰ্বল হৈ পৰে। কেতিয়াবা গাৰ ছাল এৰাই যায়। ক্ৰমে দুৰ্বল হৈ ম'হটোৰ স্বাস্থ্য ভাগি পৰে।

**যকৃত কৃমিৰ জীৱন চক্ৰ আৰু আক্ৰমণ প্ৰক্ৰিয়া ঃ**

আগতেই কোৱা হৈছে যে যকৃত কৃমিৰ আক্ৰমণেই মূলতঃ মাটি খোৱা বেমাৰ কৰে। ফেচিৱলা হেপাটিকা *(Fasciola hepatica)* আৰু ফেচিৱলা জাইগানটিকা *(Fasciola zygantica)* নামৰ দুবিধ যকৃতত হোৱা কৃমি ইয়াৰ

প্ৰধান কাৰণ। দ শেলাই ধৰা অঞ্চলৰ ম'হৰ দেহত এইবিধ পেলু সহজে হয় কিয়নো এই পেলুবিধৰ জীৱন চক্ৰৰ এটা অংশ লিমনিয়া (Lymnoea) নামৰ শামুকৰ দেহত গঢ় লয়। এইবিধ শামুক জেলুকীয়া মাটি বা পানীত থাকে। যকৃত কৃমিত আক্ৰান্ত ম'হৰ দেহৰ পৰা গোবৰৰ লগত পেলুবিধৰ কণী বাহিৰ হয়। শৰীৰৰ পৰা ওলাই অহাৰ পাছত যকৃত কৃমিৰ কণীবোৰ মিৰাচিডিয়াম (Miracidium) নামৰ পেলুৰ স্তৰলৈ পৰিৱৰ্তন হয়। এই মিৰাচিডিয়ামবোৰ পাছত শামুকে ভক্ষণ কৰিলে মেটাচাৰকেৰিয়া (Metasarcaria) আৰু চাৰকেৰিয়া (Sarcaria) নামৰ দুবিধ মধ্যৱৰ্তী স্তৰলৈ উন্নীত হয়। এই মধ্যৱৰ্তী স্তৰটোৱেই মূলতঃ বেমাৰ কৰিব পৰা স্তৰ। এই চাৰকেৰিয়াসমূহ শামুকৰ দেহৰ পৰা ওলাই আহি ঘাঁহ-বনৰ পাতত লাগি থাকে আৰু এনে ঘাঁহ ম'হে খালে ম'হৰ দেহত এই বিধ পেলু বা চেপেটা কৃমিয়ে বাহ লয়।

চাৰকেৰিয়াবিলাক ম'হৰ মুখেদি সোমাই পেটলৈ যায়। পেটৰ ক্ষুদ্ৰান্ত্ৰৰ পৰা পিত্তনলীৰ মাজেদি গৈ যকৃতত বাহ লয় আৰু তাতে ইহঁতে পূৰ্ণাংগ যকৃত কৃমিৰ আকাৰ পায়। সংখ্যা বৃদ্ধি হৈ গ'লে ই যকৃতৰ অনিষ্ট কৰে; যকৃত কোষ (Liver cells) বিলাক নষ্ট কৰি পেলায়। পেটৰ ক্ষুদ্ৰান্ত্ৰৰ বেৰৰ মাজেদি চাৰকেৰিয়াবিলাক পাৰ হৈ পিত্তনলীলৈ যাওঁতে ইহঁতে ক্ষুদ্ৰান্ত্ৰৰ বেৰখনত ঘা লগায় আৰু সেয়েহে এনে অৱস্থাত গোবৰৰ লগত অলপকৈ বা কেতিয়াবা বেছিকৈ তেজ যায়। যকৃতত বাহ লোৱা অৱস্থাত এইবিধ কৃমিয়ে খনিজ পদাৰ্থ, ভিটামিন আদি গ্ৰহণ কৰি শৰীৰৰ দ্বাৰা পোষক দ্ৰব্যৰ স্বাভাৱিক শোষণত বাধা দিয়ে। ফলস্বৰূপে প্ৰয়োজনীয় পোষক দ্ৰব্যৰ অভাৱত ম'হবিলাক দুৰ্বল হৈ পৰে।

**সময়ত চিকিৎসা কৰিলে এই ৰোগ আৰোগ্য হয় ঃ**

মাটি খোৱা লক্ষণযুক্ত ৰোগৰ চিকিৎসা খৰতকীয়া কৰিব লাগে। গোবৰ ঢিলা হ'বলৈ আৰম্ভ হোৱাৰ আগে আগে এই ৰোগৰ চিকিৎসা কৰিলে আৰোগ্য কৰাটো সহজ, কিন্তু যেতিয়া গোবৰ একেবাৰে ঢিলা হৈ পৰে আৰু শৰীৰত থকা চৰ্বভাণ্ডাৰবোৰ ভাগি ম'হটো দুৰ্বল হৈ পৰে তেতিয়া ইয়াৰ চিকিৎসা কৰাটো যথেষ্ট কষ্টসাধ্য আৰু ব্যয়বহুল হৈ পৰে। আৰোগ্যৰ আশাও হৈ পৰে ক্ষীণ।

আৰম্ভণিতে যকৃত কৃমিৰ দৰব খুৱাই দিলে সহজেই এই ৰোগৰ পৰা আৰোগ্য লাভ কৰা দেখা যায় যদিও এটা নিৰ্দিষ্ট সময়ৰ অন্তৰত আৰু কিছুদিন চিকিৎসাটো চলাই ৰাখিব লাগে কিয়নো যকৃত কৃমিৰ পুনৰাক্ৰমণ এটা স্বাভাৱিক ঘটনা। এবাৰ দৰব খুওৱাৰ দুমাহমানৰ ভিতৰতে বাহিৰৰ পৰা অথবা শৰীৰৰ ভিতৰৰ অপূৰ্ঠ যকৃত কৃমিবোৰ পুনৰ পূৰ্ঠ হৈ আগৰ লক্ষণে দেখা দিব পাৰে।

আটাইতকৈ সুবিধাজনক কথাটো হ'ল ঘৰচীয়া ম'হবোৰক বাৰিষাৰ আগত আৰু পাছত, অন্ততঃ বছৰেকত দুবাৰকৈ পাইখানা পৰীক্ষা কৰাব লাগে আৰু অন্ততঃ দুবাৰ যকৃত কৃমিৰ প্ৰতিৰোধী ঔষধ খুৱাব লাগে।

**ম'হ পালনৰ কেইটামান সৰু-সুৰা খুটি-নাটি ঃ**

**নেগুৰধেনা ঃ** ম'হৰ নেগুৰডালৰ তলফালৰ পৰা পাব পাবকৈ ছিগি যোৱা এটা ৰোগ মাজে মাজে হয় যাক পালকসকলে 'নেগুৰধেনা' বুলি কয়। প্ৰকৃততে ই নিজে এটা ৰোগ নহয়, অন্যান্য ভিতৰুৱা ৰোগৰ লক্ষণহে। এনেকুৱা নেগুৰধেনা হোৱা ম'হৰ ক্ষেত্ৰত ম'হটোৱে মাটি খাবলৈ আৰম্ভ কৰিছে নেকি ভালকৈ পৰ্যবেক্ষণ কৰিব লাগে, কিয়নো মাটি খোৱা লক্ষণেও নেগুৰধেনা সৃষ্টি কৰিব পাৰে। পেলুৰ আক্ৰমণৰ বাবেও নেগুৰধেনা হ'ব পাৰে। গোবৰ পৰীক্ষা কৰিলে কেনে জাতীয় পেলুৱে আক্ৰমণ কৰিছে তাক ধৰা পেলাব পাৰি। প্ৰতিখন জিলাৰ জিলা পশুপালন বিষয়াৰ কাৰ্যালয়ত থকা ৰোগ নিৰ্ণায়ক পৰীক্ষাগাৰত বিনামূলীয়াকৈ ম'হৰ গোবৰ পৰীক্ষা কৰিব পাৰি। পালকসকলে গোবৰ পৰীক্ষা কৰি আনি দিলে চিকিৎসকে চিকিৎসা দিয়াত সহায় হয়। কেতিয়াবা কোনো কোনো ক্ষেত্ৰত তেনেকুৱা নেগুৰধেনা ম'হৰ নেগুৰৰ ২ ইঞ্চিমান কাটি পেলাবলগীয়া হয়।

**গাভিনী ম'হৰ প্ৰতিষেধক টিকা ঃ**

বহুতো পালকে গাভিনী ম'হক প্ৰতিষেধক টিকা নিদিয়ে; আনকি পশু চিকিৎসাৰ লগত জড়িত বহুতো ব্যক্তিয়েও গাভিনী ম'হক টিকা দিবলৈ ভয় কৰে। প্ৰকৃততে এই ভয়ৰ কোনো কাৰণ নাই। বজাৰত ব্যৱসায়ভিত্তিক-ভাৱে নামী কোম্পানীবোৰে উলিওৱা সকলোবোৰ টিকাই গাভিনী ম'হক নিশ্চিন্তমনে দিব পাৰি। বিশেষকৈ চবকাৰ প্ৰতিষেধক গাভিনী ম'হক দিবই লাগে, কিয়নো গাভিনী ম'হজনী জগাৰ আগে আগে চবকা হ'লে পাছত জন্ম হোৱা পোৱালি বচোৱাটো কষ্টসাধ্য হৈ পৰে আৰু বহুসময়ত এনে পোৱালি মৃত্যুমুখতো পৰে।

**ম'হ পোৱালিৰ প্ৰতিপালন ঃ**

জন্ম হোৱাৰ লগে লগে ম'হ পোৱালিক যথেষ্ট পৰিমাণে ফেঁহু খাবলৈ দিব লাগে। এই ক্ষেত্ৰত মন কৰিবলগা

কথাটো হ'ল যে ফেঁহু খালে পেলু হয় বুলি বহুতো ম'হ পালকে ভবা কথাটো শুদ্ধ নহয়। ফেঁহুত যথেষ্ট পৰিমাণে প্ৰ'টিন থাকে, যি ম'হ পোৱালিটো তজবজীয়া হোৱাত সহায় কৰে। দ্বিতীয়তে ফেঁহুত ৰোগ প্ৰতিৰোধ কৰিব পৰাকৈ এবিধ এণ্টিবডি থাকে। এনে এণ্টিবডিয়ে পোৱালিটোৰ শৰীৰৰ স্বাভাৱিক ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি কৰে।

পোৱালিবোৰক জন্মৰ পৰা ২১ দিনৰ মূৰে মূৰে তিনিবাৰমান একেৰাহে পেলুৰ ঔষধ খুৱাব লাগে। বহুতো পালকে নিজেই বজাৰৰ পৰা piperazine citrate কিনি খুৱায়। এই ব্যৱস্থা সুফলদায়ক নহয় কিয়নো piperazine citrate-এ কেৱল ঘূৰণীয়া পেলুৰ বিৰুদ্ধেহে কাম কৰে। আজি-কালি বহল পৰিসৰৰ (wide spectrum) কাম কৰা উত্তম পেলুৰ ঔষধ ওলাইছে। অভিজ্ঞ চিকিৎসকৰ পৰামৰ্শ লৈ এনে দৰব খুৱাব লাগে। তদুপৰি নিজে বজাৰৰ পৰা কিনি খুওৱা ঔষধৰ ক্ষেত্ৰত মাত্ৰাৰ (Dose) কম-বেছিয়ে পোৱালিবোৰৰ বহু সময়ত অনিষ্ট কৰাও দেখা যায়।

ইয়াৰ পাছতো প্ৰতি তিনি মাহমানৰ মূৰে মূৰে পোৱালিবোৰক পেলুৰ দৰব খুৱাব লাগে। গলফুলা, খোৰা ভেকোলা, চবকা আদিৰ প্ৰতিষেধক পোৱালিবোৰৰ ১ মাহমানৰ পৰাই দিব লাগে।

**মাকবিহীন ম'হ পোৱালিক কি খুৱাব?**

কেতিয়াবা দুৰ্ঘটনাক্ৰমে ম'হজনী জগাৰ পাছতে মাকজনী মৰি থাকে, পোৱালিটো থাকি যায়। এনে অৱস্থাত পোৱালিটো বচাবলৈ পালকে কিছু কষ্ট কৰিব লগা হয়। এনে পোৱালিক অন্য ম'হৰ গাখীৰ দৈনিক ২ লিটাৰ পৰ্যন্ত খুৱাব পাৰি। গৰুৰ গাখীৰ খুৱালেও কোনো অসুবিধা নাই। তথাপি তাৰ আহাৰ অধিক সুষম হ'বলৈ হ'লে নিম্নোক্ত ধৰণেৰে এটা গাখীৰৰ প্ৰতিস্থাপক (Replacer) তৈয়াৰ খুৱাব পাৰি।

এটা কেঁচা কুকুৰা কণী ৩০০ মিলিলিটাৰ কুহুমীয়া গৰম পানীত ফেটি ল'ব লাগে। তাত এক চামুচ এৰাতেল বা কেষ্টৰ তেল, এক চামুচ ভিটামিন-এ, আধালিটাৰ গৰম গাখীৰ, ৫০ মিলিগ্ৰাম এমপিচিলিন পাওদাৰ মিহলাই ভালদৰে লৰাই সুষমভাৱে মিহলি কৰিব লাগে। এই মিশ্ৰণ দিনে তিনিভাগ কৰি খুৱাব লাগে আৰু এনেকৈ ৩-৪ দিন খুৱাব লাগে।

**চেউৰী ম'হ গৰম নোহোৱা হ'লে ঃ**

মাইকী ম'হ পোৱালিবোৰ ১৮ মাহৰ পৰা ২৮ মাহমানৰ ভিতৰতে গাভিনী হ'ব লাগে, কিন্তু ম'হ পোৱালিবোৰে যথেষ্ট বয়স অতিক্ৰম কৰা সত্ত্বেও গৰম নোহোৱাকৈ থাকে। ইয়াৰ কাৰণ বিভিন্ন হ'ব পাৰে। যেনে—

১) পেলুৰ আক্ৰমণ
২) অন্যান্য ৰোগৰ আক্ৰমণৰ বাবে স্বাস্থ্যৰ অৱনতি
৩) উন্নত খাদ্যৰ অভাৱ
৪) দেহৰ বাবে প্ৰয়োজনীয় মাত্ৰাৰ খনিজ পদাৰ্থ আৰু ভিটামিনৰ অভাৱ
৫) দীৰ্ঘ সময়ৰ বাবে পায়খানা ঢিলা হৈ থকা ইত্যাদি।

এনে অৱস্থাতে চিকিৎসকৰ দিহা-পৰামৰ্শ ল'ব লাগে। যিটো সম্ভাব্য কাৰণৰ বাবে চেউৰীজনী দীৰ্ঘ সময়ৰ বাবে গৰম নোহোৱাকৈ আছে তাক ধৰা পেলাই সেই মতে চিকিৎসাৰ বিধান কৰিলে সোনকালেই চেউৰীজনীৰ গৰম (Heat) আহিব। সোনকালে গৰম আনিবলৈ আজি-কালি বজাৰত বহুতো ভাল ঔষধ ওলাইছে।

**ম'হ পালকসকলৰ বাবে কেইটামান পৰামৰ্শ ঃ**

এই আলোচনাত আমি ম'হ পালকসকলৰ বাবে কেইটামান সংক্ষিপ্ত পৰামৰ্শ আগবঢ়াইছোঁ যিকেইটা পালন কৰিলে ম'হ পালকসকলে কিছু হ'লেও উপকাৰ পাব বুলি আমাৰ বিশ্বাস। আপুনি যদি এজন পেছাদাৰী ম'হপালক, ম'হপালনক যদি জীৱন নিৰ্বাহক আপুনি একমাত্ৰ অথবা অনন্য অৱলম্বন হিচাপে গ্ৰহণ কৰিছে, তেন্তে আপুনি এই পৰামৰ্শকেইটা মানি চলিবলৈ যত্ন কৰকচোন ঃ

১) আপোনাৰ খুঁটিৰ ম'হজাক আন খুঁটিৰ ম'হৰ পৰা পৰাপক্ষত নিলগাই চৰাওক। বিশেষকৈ ৰোগৰ প্ৰাদুৰ্ভাৱৰ সময়ত এই নীতি কঢ়াভাৱে মানি চলক।
২) গাভিনী ম'হবোৰ পৰাপক্ষত আন খীৰঁতী আৰু মতা ম'হৰ পৰা নিলগাই ৰাখিব পাৰিলে ভাল। বিশেষকৈ ভৰ গাভিনীৰ সময়-ছোৱাত সিহঁতে যাতে বিশেষ কষ্ট নাপায় আৰু যথেষ্ট পৰিমাণে খাদ্য খাবলৈ পায় তাৰ প্ৰতি চকু ৰাখিব লাগে।
৩) বহুতো পালকে প্ৰতিজনী ম'হৰে একোটা নাম দি লয়। এনেকুৱা একোটা নাম থাকিলে ভাল। গোবৰ পৰীক্ষা কৰোঁতে অথবা চিকিৎসকৰ ব্যৱস্থাপনা লওঁতে এই নামটো উল্লেখ থাকিলে দৰব আদি ব্যৱহাৰ কৰাত খেলি-মেলি লগাৰ সম্ভাৱনা নাথাকে।
৪) বছৰেকত কমেও দুবাৰ ম'হকেইজনীৰ গোবৰ পৰীক্ষা কৰি পেলুৰ দৰব খুৱাব লাগে।
৫) অসমৰ জলবায়ুত কচোৱা বা যকৃত কৃমিৰ আক্ৰমণ এটা সাধাৰণ ঘটনা।

গোবৰ পৰীক্ষা কৰিলে এই কচোৰাৰ আক্ৰমণ ধৰা পেলাব পাৰি। বছৰেকত কমেও দুবাৰ কচোৰা বা যকৃত কৃমি প্ৰতিৰোধী ঔষধ ম'হবোৰক খুৱাব লাগে। কচোৰাৰ ঔষধ গাভিনী ম'হক খুৱাব নোৱাৰি বুলি ভবাটো শুদ্ধ নহয়; গাভিনী অৱস্থাতো দিব পৰা উৎকৃষ্ট দৰব আজি-কালি ওলাইছে।

৬) ম'হ পোৱালিবোৰক প্ৰথম মাহৰ পৰাই পেলুৰ ঔষধ খুৱাওক। অভিজ্ঞ চিকিৎসকৰ পৰা প্ৰথম মাহতে এবছৰৰ বাবে পেলু দৰবৰ ব্যৱহাৰৰ তালিকা লৈ লওক। মনত ৰাখিবলগীয়া কথা যে অসমৰ জলবায়ুত মৃত্যু হোৱা ম'হ পোৱালিৰ আধাতকৈ বেছিৰ মৃত্যু হয় কেৱল পেলুৰ আক্ৰমণত।

৭) ম'হৰ পাল খুৱাওতে ব্যৱহাৰ কৰা মতা ম'হটো যাতে নিৰোগী, স্বাস্থ্যৱান, শান্ত আৰু তজবজীয়া হয় তালৈ চকু ৰাখক।

৮) গাভিনী ম'হজনীক শেষৰ তিনিমাহ বিশেষ যত্ন সহকাৰে খুওৱাৰ ব্যৱস্থা কৰক। শেষৰ তিনিমাহৰ বিশেষ যত্নই উৎকৃষ্ট পোৱালি দিয়াত সহায় কৰাৰ লগতে গাখীৰৰ পৰিমাণো বৃদ্ধি কৰে। কেলচিয়াম আৰু ফচফৰাচৰ প্ৰয়োজন এই সময়ত বৰ বেছি। এই প্ৰয়োজন পূৰাবলৈ খনিজ লৱণ আৰু কেলচিয়াম ঔষধ খুৱাবলৈ অভ্যাস কৰক।

৯) জগাৰ লগে লগে পোৱালিবোৰক যথেষ্ট পৰিমাণে ফেঁহু খাবলৈ দিয়ক। ফেঁহু খালে পেলু হয় বুলি ভবা কথাটো শুদ্ধ নহয়।

১০) তিনি মাহলৈকে ম'হ পোৱালিবোৰক যথেষ্ট পৰিমাণে গাখীৰ খাবলৈ দিয়ক। গাখীৰ খালে পেলু হয় বুলি থকা ধাৰণা শুদ্ধ নহয়।

১১) ম'হৰ মাটি খোৱা উপসৰ্গই দেখা দিলে তৎকালেই চিকিৎসকৰ পৰামৰ্শ লওক।

১২) প্ৰতিজনী মাইকী ম'হক বছৰেকত দুবাৰকৈ চবকাৰ প্ৰতিষেধক দিয়াওক। গাভিনী ম'হক চবকাৰ প্ৰতিষেধক টীকা দিওৱাটো অত্যন্ত জৰুৰী।

১৩) নৰেম্বৰৰ পৰা ফেব্ৰুৱাৰী মাহৰ ভিতৰতে গলফুলা, ব্লেক কোৱাৰ্টাৰ আদি মহামাৰীবোৰৰ প্ৰতিষেধক টিকা দিয়াওক। এপ্ৰিল-মে' মাহত এই প্ৰতিষেধকৰ পুনৰ বুষ্টাৰ ইন্‌জেকচন দিব পাৰিলে ভাল।

১৪) বহুতো পালকে গাভিনী ম'হক প্ৰতিষেধক টীকা নিদিয়ে। গলফুলা, ব্লেক কোৱাৰ্টাৰ আৰু চবকাৰ প্ৰতিষেধক গাভিনী ম'হকো বিনা দ্বিধাই দিব পাৰি।

১৫) দৈনিক কিছুসময়ৰ বাবে ম'হবোৰক পানীত পৰিবলৈ দিয়ক। যদি তেনে কৰাৰ সুবিধা নাই তেন্তে সপ্তাহত অন্ততঃ দুদিন ম'হবোৰক ভালকৈ পানী মাৰি গা ধুৱাওক।

১৬) পোৱালিবোৰৰ গাত ওকণি, চিকৰা আদি হ'লে নিয়ন্ত্ৰণৰ বাবে যথোপযুক্ত দৰব ব্যৱহাৰ কৰক।

১৭) পানীত তল যোৱা দলঘাঁহ ম'হক খুওৱাৰ আগতে পৰাপক্ষত কিছুসময়ৰ বাবে ৰ'দত দি লেৰেলা পেলাই লওক। এনে কৰিলে দলৰ পাতত লাগি থকা পেলুজাতীয় বীজাণুৰ কণী কিছু হ'লেও নিয়ন্ত্ৰণ হয়। ❐


## ‘পয়োভৰা’ৰ গ্ৰাহক হোৱা নিয়মাৱলী

▯ ▯ গ্ৰাহক বছৰৰ যিকোনো সময়তে হ'ব পাৰি। ▯ গ্ৰাহক মূল্য এবছৰৰ ১০০.০০ টকা, দুবছৰৰ ১৮০.০০ টকা আৰু তিনি বছৰৰ বাবে ২৫০.০০ টকা। ▯ গ্ৰন্থাগাৰ, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে ১০ শতাংশ ৰেহাই দিয়া হয় (তাৰ বাবে উপযুক্ত প্ৰমাণ-পত্ৰৰ প্ৰয়োজন)। ▯ গ্ৰাহক মূল্য ব্যক্তিগতভাৱে ‘পয়োভৰা’ৰ গুৱাহাটী কাৰ্য্যালয়লৈ আহি, প্ৰতিনিধি পঠাই বা মণি-অৰ্ডাৰযোগে জমা দিব পাৰি। ▯ মণি-অৰ্ডাৰ পঠোৱা ঠিকনা ঃ সম্পাদক, পয়োভৰা, প্ৰকাশন বিভাগ, তথ্য আৰু অনাতাঁৰ মন্ত্ৰালয়, কে কে বি পথ, নিউ কলনি, গৃহ নং-৭, চেনিকুঠী, গুৱাহাটী-৭৮১০০৩। ▯ আলোচনীখন সাধাৰণ ডাকত পঠোৱা হয়।

# ছাবলা ঃ কিশোৰীসকলৰ বাবে সবলীকৰণ আৰু স্ব-সন্মানৰ এক পথ

মনীষা জৈন*

বয়ঃসন্ধিকাল সকলো শিশুৰ বাবে এক গুৰুত্বপূৰ্ণ সময়। এই কালছোৱাত তেওঁলোকৰ শাৰীৰিক আৰু মানসিক পৰিৰৰ্তনৰ লগতে সামাজিক ধাৰণা আৰু আকাঙ্খ্যাবোৰৰ পৰিৰৰ্তন হয়। জীৱনৰ এই সময়ছোৱাত যুৱক-যুৱতীসকলৰ পিতৃ-মাতৃ আৰু পৰিয়ালৰ লগত সম্পৰ্ক কিছু আঁতৰি যায় আৰু সম-পৰ্যায়ৰ বা বন্ধু-বান্ধৱ আৰু বাহ্যিক জগতৰ দ্বাৰা ব্যাপকভাৱে প্ৰভাৱিত হয়। এই সময়ত তেওঁলোকক বেছিকৈ বুজাৰ আৰু যত্ন লোৱাৰ প্ৰয়োজন হয়।

সমগ্ৰ বিশ্বত ১০ বছৰৰ পৰা ১৯ বছৰ বয়সৰ প্ৰায় ১.২ বিলিয়ন বয়ঃসন্ধিকাল প্ৰাপ্ত ল'ৰা-ছোৱালী আছে।

আজিৰ বিশ্বত বহু নিযুত বয়ঃসন্ধিকাল প্ৰাপ্ত ল'ৰা-ছোৱালীয়ে গুণগত শিক্ষা, বুনিয়াদী যৌনতা আৰু প্ৰজননক্ষম স্বাস্থ্য-যত্ন, মানসিক স্বাস্থ্য আৰু সক্ষমতাৰ ক্ষেত্ৰত সমৰ্থন, হিংসা, তিৰস্কাৰ আৰু শোষণৰ পৰা সুৰক্ষা আৰু সক্ৰিয়া অংশগ্ৰহণৰ বাবে মঞ্চত প্ৰৱেশৰ অধিকাৰ ভোগ কৰিব পৰা নাই বুলি অধ্যয়নসমূহত প্ৰকাশ পাইছে।

দেশৰ মুঠ জনসংখ্যাৰ প্ৰায় অৰ্ধেক অংশ মহিলা যদিও বিভিন্ন সামাজিক-সাংস্কৃতিক, লিংগ বৈষম্যৰ বাবে এক ভাৰসাম্যমূলক সম বিকাশৰ ক্ষেত্ৰত বেয়াকৈ ক্ষতিগ্ৰস্ত হ'ব লগা হৈছে। এই প্ৰভাৱ স্বাস্থ্য, পৰিপুষ্টি, সাক্ষৰতা, শৈক্ষিক সমতা, দক্ষতাৰ পৰ্যায়, জীৱিকাৰ পদমৰ্যাদা আদি গুৰুত্বপূৰ্ণ সামাজিক বিকাশৰ প্ৰতিচ্ছৱিত প্ৰতিফলিত হৈছে। অনুৰূপ ছবিখন কিশোৰীসকলৰ ক্ষেত্ৰতো দেখিবলৈ পোৱা গৈছে। দেশৰ বয়ঃসন্ধিপ্ৰাপ্ত সকলৰ প্ৰায় ৪৭% শতাংশই হ'ল ১০-১৯ বছৰ বয়সৰ কিশোৰী। কিন্তু তেওঁলোকৰ উন্নয়ন বিভিন্ন সমস্যাৰে ভাৰাক্ৰান্ত। প্ৰায় ৫০% ছোৱালী বৈধ বয়সৰ পূৰ্বেই বিবাহপাশত আৱদ্ধ হয়। এই ক্ষেত্ৰত কিশোৰৰ হাৰ হ'ল ১০%। তদুপৰি, ১৫-২৯ বছৰ বয়সৰ প্ৰতি ৬ জনী ছোৱালীৰ ভিতৰত এজনী ছোৱালী সন্তান্‌ৰ মাক হয়। গ্ৰাম্য এলেকা আৰু নিৰক্ষৰ মহিলাৰ মাজত সোনকালে মাতৃ হোৱাটো তেনেই সাধাৰণ ঘটনা। প্ৰসূতিকালীন মৃত্যুৰ ৪১% ১৫-২৪ বছৰ বয়সৰ মহিলা, ৫৬% কিশোৰী ৰক্তাল্পতা ৰোগত আক্ৰান্ত (এই ক্ষেত্ৰত ল'ৰাৰ হাৰ হ'ল ৩০%)। ৰক্তাল্পতা ৰোগত ভূগি থকা কিশোৰী মাতৃৰ গৰ্ভপাত, প্ৰসূতিকালীন মৃত্যু, কম ওজনৰ সন্তান জন্ম দিয়া বিপদৰ আশংকা বাঢ়ে। আনহাতে, বিদ্যালয় এৰা ল'ৰা-ছোৱালীৰ ভিতৰত কিশোৰীৰ হাৰ অধিক। কিশোৰীৰ ক্ষেত্ৰত ইয়াৰ হাৰ হ'ল ২১% আৰু কিশোৰৰ ক্ষেত্ৰত ৮%। বিদ্যালয়ৰ দূৰত্ব, পুৰুষ শিক্ষক, বিদ্যালয়ত প্ৰস্ৰাৱগাৰ বা তেনে ধৰণৰ সা-সুবিধাৰ অভাৱ, কম বয়সত বিবাহ আৰু ঘৰুৱা দায়িত্ব আদিৰ বাবেই ছোৱালীৰ নিৰক্ষতাৰ হাৰ অধিক বুলি কোৱা হৈছে।

ৰাষ্ট্ৰীয় বিকাশৰ বাবে কিশোৰী-সকল হ'ল এক সম্পদ। তেওঁলোকৰ স্বাস্থ্য আৰু উন্নয়নৰ বাবে বিনিয়োগ কৰাৰ অৰ্থ হ'ল দেশৰ বৃহত্তৰ মংগলৰ বাবে বিনিয়োগ কৰা। কিশোৰীসকলে বিদ্যালয় এৰা, কম বয়সত বিবাহপাশত আৱদ্ধ হোৱা, স্বাস্থ্য, শিক্ষা আৰু অন্যান সেৱাত তেওঁলোকৰ প্ৰতি থকা বৈষম্য, স্পৰ্শকাতৰ পৰিস্থিতিত কাম কৰা, সম-বয়সীয়াৰ পৰা পোৱা হেঁচা আদি কাৰণত কিশোৰীসকলৰ প্ৰতি বিশেষ মনোযোগৰ প্ৰয়োজন। গৰ্ভাৱস্থা, প্ৰসূতিকালীন আৰু নৱজাতকৰ মৃত্যুৰ আশংকা, যৌন সংক্ৰমিত ৰোগ, যৌন সংক্ৰান্তীয় সংক্ৰমণ, এইচ আই ভি-ৰ বৰ্দ্ধিত ঘটনা আদি জনস্বাস্থ্য বিষয়ক প্ৰত্যাহ্বানসমূহৰ বিষয়ে কিশোৰীসকলক সজাগ কৰাৰ প্ৰয়োজন। ভৱিষ্যতৰ সমাজৰ সন্তানৰ জননী হিচাপে তেওঁলোকক দল বা গোট আৰু ব্যক্তিগত ৰূপতো চোৱা-চিতা কৰাৰ প্ৰয়োজন। কিশোৰীসকলৰ এনেধৰণৰ প্ৰয়াজনসমূহৰ বিষয়ে বিবেচনা কৰি তেওঁলোকক সবলীকৰণৰ বাবে ১১-১৮ বছৰ বয়সৰ কিশোৰীৰ বাবে ৰাজীৱ গান্ধী আঁচনি— ছাবলা প্ৰৱৰ্তন কৰা হৈছে। দেশৰ ২০৫ খন জিলাত পৰীক্ষামূলক ভিত্তিত এই আঁচনি বৰ্তমান আৰম্ভ কৰা হৈছে।

বিগত দুটা বছৰত ছাবলা প্ৰকল্পত সমূহীয়া অংশগ্ৰহণ বৃদ্ধি পাইছে। কিশোৰীসকলৰ অধিকাৰ আৰু প্ৰয়োজনৰ বিষয়ে জনসাধাৰণক সজাগ কৰি তেওঁলোকৰ অংশগ্ৰহণেৰে এই ফল লাভ কৰিব পৰা গৈছে।

সংহত শিশু উন্নয়ন আঁচনিৰ মঞ্চ ব্যৱহাৰ কৰি এই আঁচনিয়ে ১১-১৮ বছৰ বয়সৰ ১ কোটি কিশোৰী আঁচনিখনৰ অধীনলৈ আনিছে। ছাবলাই এই বয়সৰ কিশোৰীসকলক স্ব-আস্থাশীল কৰি তুলি তেওঁলোকৰ সৰ্বাঙ্গীন বিকাশৰ বাবে লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে।

অংগনবাড়ী কেন্দ্রত বিদ্যালয় বহির্ভূত ১১-১৪ বছৰ বয়সৰ কিশোৰীৰ বাবে প্ৰতিদিনে গৰম ৰন্ধা খাদ্য বা ঘৰলৈ দিয়া ৰেচন সামগ্ৰীৰ ৰূপত ৬০০ কেলৰি আৰু ১৮-২০ গ্ৰাম প্ৰোটিনেৰে পৰিপূৰক পৰিপুষ্টিৰ যোগান ধৰি আছে। এই আঁচনিৰ অধীনত ১৪-১৮ বছৰ বয়সৰ বিদ্যালয় বহিৰ্ভূত কিশোৰীৰ বাবে এবছৰত ৩০০ দিনৰ উপৰোক্ত পৰিমাণৰ আহাৰ যোগান দিয়া হয়।

তদুপৰি বিদ্যালয় বহিৰ্ভূত কিশোৰীসকলক পৰিপুষ্টি সেৱাৰ বাহিৰেও জীৱন দক্ষতাৰ শিক্ষা, আইৰণ আৰু ফলিক এচিদ ঔষধৰ পৰিপূৰকতাৰ বিষয়ে সাপ্তাহিক তদাৰক কৰা আৰু পৰিপুষ্টি পৰামৰ্শ, যৌন আৰু প্ৰজননক্ষম স্বাস্থ্য শিক্ষা আৰু পৰামৰ্শ, নেতৃত্বৰ দক্ষতা, সমস্যাৰ সমাধান কৰা, সিদ্ধান্ত গ্ৰহণ আৰু জনসেৱা আদি বিষয়ত শিক্ষা আগবঢ়োৱা হয়।

স্বেচ্ছাসেৱী সংগঠনসমূহেও এ আৰ এছ এইচ-ৰ অধীনত বয়ঃসন্ধিকাল প্ৰজনন যৌন স্বাস্থ্য পৰামৰ্শৰ ক্ষেত্ৰত সেৱা আগবঢ়ায়।

তদুপৰি, ডাঙৰ কিশোৰীসকলক (১৬ বছৰ বয়সৰ পৰা ১৮ বছৰ বয়সলৈকে) স্ব-নিৰ্ভৰশীল হ'ব পৰাকৈ বৃত্তিমূলক শিক্ষা দিয়া হয়। এই আঁচনিয়ে স্বাস্থ্য, শিক্ষা, যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া, পঞ্চায়তীৰাজ প্ৰতিষ্ঠানৰ বিভিন্ন কাৰ্যসূচীসমূহৰ একমুখী সেৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

সমূহীয়া ভিত্তিক আগশাৰীৰ কৰ্মী (অংগনবাড়ী কৰ্মী) আৰু নাগৰিক সমাজ গোটৰ সম্পৰ্কত কিশোৰীসকলক কিশোৰীসমূহ নামৰ দলত সংগঠিত কৰা হৈছে। প্ৰতি সমূহৰ নেতৃত্ব দিয়ে এগৰাকী সমবয়সী নেত্ৰীয়ে (কিশোৰী সখী)। কাৰ্যসূচী সেৱা আৰু সমবয়সী সমৰ্থন গোটৰ কাৰ্য লাভৰ কাৰণে সপ্তাহত অতি কমেও ৫-৬ ঘণ্টাৰ বাবে তেওঁলোক মিলিত হয়।

অংগনবাড়ী কৰ্মী আৰু কিশোৰী-সমূহৰ মাজত এক সু-সমন্বয় আছে। এগৰাকী অংগনবাড়ী কৰ্মীৰ অধীনত এটা বা দুটা সমূহ থাকে।

ছাবলাত ভৰ্তি হোৱা প্ৰত্যেক গৰাকী ছোৱালীক ছাবলাৰ অধীনত সেৱা লাভ কৰাৰ বাবে প্ৰৱেশৰ আহিলা হিচাপে এখন কিশোৰী কাৰ্ড প্ৰদান কৰা হয়। ছাবলাৰ অধীনত থকা পৰিপুষ্টি বিষয়ৰ বাহিৰেও অন্য সেৱাৰ বাবে বিদ্যালয়লৈ নোযোৱা কিশোৰী ছোৱালীক কিশোৰী সমূহৰ সভা-সমিতিৰ জৰিয়তে সামৰি লোৱা হয়। প্ৰত্যেকটো কিশোৰীৰ দল ১৫ৰ পৰা ২৫ গৰাকী কিশোৰীৰে গঠিত। দুগৰাকী সহযোগী 'চহেলী'ৰ সহযোগত কিশোৰী সখীয়ে দলটোক নেতৃত্ব দিয়ে। সখী আৰু চহেলীসকলে কিশোৰীসকলৰ বাবে সমবয়সী চোৱা-চিতা কৰোঁতা আৰু শিক্ষকৰ দৰে সেৱা আৰু প্ৰশিক্ষণ আগবঢ়ায়। দলটোৰ সেৱাৰ কাৰণে এটা বছৰত প্ৰত্যেকজনী ছোৱালীয়ে যাতে সখী হৈ সেৱা আগবঢ়াব পাৰে তাৰ বাবে আৱৰ্তিন ভিত্তিত চাৰি মাহৰ বাবে 'সখী'ৰ সেৱা নিৰ্দিষ্ট কৰা হয়। কিশোৰী ছোৱালীসকলে অংগনবাড়ী কৰ্মীসকলৰ প্ৰাক-বিদ্যালয় শিক্ষা, বিকাশৰ নিৰীক্ষণ আদি কামত অংশগ্ৰহণ কৰিব পাৰে। তেওঁলোকে অংগনবাড়ী কৰ্মীসকলৰ লগত (এবাৰত ২-৩ জনী ছোৱালী) গৃহ পৰিদৰ্শনৰ কামত যাব পাৰে— যিটো ভৱিষ্যতে প্ৰশিক্ষণৰ প্ৰাথমিক শিক্ষা হিচাপে সেৱা আগবঢ়াব পাৰে।

তামিলনাডুৰে ছাবলাত ভাল কাম কৰি আছে। কিন্তু দিল্লীত ইয়াৰ প্ৰদৰ্শন দুখ লগা। দিল্লীত যথেষ্ট সংখ্যক ছাবলা সঁজুলিৰ অভাৱ, তদুপৰি পঞ্জীয়ন নথি ভালদৰে চলাব পৰা নাই। প্ৰচাৰ সম্পৰ্কীয় নথি-পত্ৰও মুদ্ৰণ কৰা হোৱা নাই। বহু ৰাজ্যত পুঁজি আছে কিন্তু সদ্-ব্যৱহাৰ হোৱা নাই। যি অলপীয়া পুঁজি আছে সেয়াও ব্যৱহাৰ হোৱা নাই। হায়দৰাবাদৰ প্ৰশাসনীয় কৰ্মচাৰী প্ৰশিক্ষণ প্ৰতিষ্ঠানে এই আঁচনিসমূহৰ অহৰহ নিৰীক্ষণ কাৰ্য চলাই আছে। ৰাজ্য চৰকাৰে প্ৰতি তিনি মাহৰ অন্তৰে অন্তৰে এটা প্ৰতিবেদন প্ৰেৰণ কৰে। সচিবৰ দ্বাৰা নেতৃত্বাধীন ৰাষ্ট্ৰীয় নিৰীক্ষণ আৰু সমন্বয় কমিটী ইয়াৰ মূল্যায়ণ কাৰ্যৰ দায়িত্বত আছে।

সম্প্ৰদায় আৰু ছোৱালীসকলক শিক্ষিত কৰাৰ প্ৰয়োজন। তেওঁলোকে নিজৰ অধিকাৰ আৰু প্ৰাপ্যৰ বিষয়ে জানিবৰ বাবে প্ৰচাৰ-পত্ৰ বিতৰণ কৰা হৈছে। গণমাধ্যম আৰু চৰকাৰে এই ক্ষেত্ৰত বিজ্ঞাপনো প্ৰচাৰ কৰে।

স্বেচ্ছাসেৱী সংগঠন আৰু অংগনবাড়ী কৰ্মীসকলৰ জৰিয়তে ছোৱালীসকলক উজ্জীৱিত কৰি শিশু সৰবৰাহ অপৰাধ ৰোধ কৰাৰ বাবে এক গোট বিকশিত কৰা হৈছে।

কিশোৰী ছোৱালীয়ে স্ব-মূল্যায়ন বৃদ্ধি কৰা, পৰিপুষ্টি আৰু উন্নত স্বাস্থ্য লাভ কৰিবলৈ সক্ষম হ'বৰ বাবে ছাবলাই প্ৰচেষ্টা চলাইছে। কিশোৰী-সকলৰ দক্ষতা আৰু সামৰ্থ্য বৃদ্ধি কৰাৰ বাবে ছাবলাই লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে। কিশোৰী ছোৱালীসকলৰ শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষাৰ বাবে শিক্ষা অধিকাৰৰ বিষয়ে বুজাবলৈ আৰু তেওঁলোকক বিকশিত কৰিবলৈ ছাবলা আৰু চৰকাৰে বিভিন্ন আঁচনিৰ জৰিয়তে স্বাস্থ্য পৰিপুষ্টি আদিৰ ক্ষেত্ৰত বিনিয়োগ কৰিছে। এই প্ৰচেষ্টাই ভৱিষ্যতে লিংগ সমতা আৰু ন্যায় পোৱাত তেওঁলোকক নিশ্চয় সহায় কৰিব। ❐

উত্তম অনুশীলন

# আত্মনিৰ্ভৰশীলতা গঠন

**শৈলেন্দ্ৰ সিন্‌হা***

ডুমকেইন ঝাৰখণ্ডৰ পৰা ২৭ কিলোমিটাৰ দূৰত্বৰ কাঠিকুণ্ড উন্নয়ন খণ্ডৰ পাহাৰপুৰৰ সুশীলা মুৰ্মু নামৰ জনজাতীয় মহিলাগৰাকীয়ে তেওঁৰ সুন্দৰ ভৱিষ্যতৰ আশা মষিমূৰ কৰা গাঁওবাসীৰ মানসিকতা পৰিৱৰ্তন কৰিবলৈ তিনি বছৰৰ আগলৈকে সংগ্ৰাম কৰিবলগীয়া হৈছিল। কিন্তু আজি, তেওঁ পিছলৈ উভতি চালে সমগ্ৰ গাঁওবাসীয়ে তেওঁক জনোৱা সমৰ্থনৰ বাবে মন সন্তুষ্টিৰে ভৰি পৰে। সি যি কি নহওক তেওঁৰ এই যাত্ৰা সহজ নাছিল।

সমগ্ৰ গাঁওখনৰ ভিতৰত স্কুলীয়া শিক্ষা সম্পূৰ্ণ কৰা সুশীলাই হ'ল একমাত্ৰ মহিলা। তেওঁৰ সম্প্ৰদায়ৰ মানুহে কৃষি কাৰ্যত লোকচান হোৱাৰ বাবে কৃষি কাৰ্য এৰি জীৱিকাৰ সন্ধানত আন ৰাজ্যলৈ প্ৰব্ৰজন কৰিবলৈ বাধ্য হৈছিল। এই ধাৰা সাময়িকভাৱে বন্ধ কৰিবলৈ তেওঁ বিচাৰিছিল। তেওঁৰ স্বামী মহাদেৱ টুডুৰ লগ লাগি আশাৰ বীজেৰে অনুৰ্বৰ ভূমিত খেতি আৰম্ভ কৰিছিল। তেওঁ অনুৰ্বৰ ভূমিক সেউজীয়া পথাৰলৈ ৰূপান্তৰ কৰিবলৈ দিন-ৰাতি উছৰ্গা কৰিছিল আৰু নিজৰ গাঁওবাসীক অনুপ্ৰাণিত কৰিবলৈ সকলো ধৰণৰ প্ৰচেষ্টাই চলাইছিল কিন্তু একো ফল ধৰা নাছিল।

কিন্তু তেওঁ চেষ্টা এৰি নিদিলে। তেওঁ এইবাৰ মহিলাসকলক কেন্দ্ৰ কৰিয়েই আকৌ কাম আৰম্ভ কৰিলে। আশাশুধীয়া প্ৰচেষ্টা আৰু উৎসাহেৰে তেওঁ আদিবাসী মহিলাসকলৰ বিশ্বাস জিনিবলৈ সমৰ্থ হ'ল। সোনকালে তেওঁ অলাভজনক সংগঠন 'লহন্তি'ৰ লগত জড়িত হৈ পৰিল আৰু নিজৰ আত্মসহায়ক গোট আৰম্ভ কৰিলে। তেওঁ গোটটোৰ নাম দিলে 'বেলিলহান্ত' আত্মসহায়ক গোট। তেতিয়াৰ পৰা তেওঁ পিছলৈ উভতি চোৱা নাই। শেহৰ কেইটামান বছৰত সুশীলাই পুৰণি, সময় পৰীক্ষিত জীৱন ধাৰণৰ বাবে শস্য উৎপাদন পদ্ধতিৰে কৃষি কাৰ্যৰ জৰিয়তে স্ব-নিৰ্ভৰশীলতা সফলভাৱে দেখুৱাবলৈ সমৰ্থ হৈছে। সুশীলাৰ পূৰ্বপৰিকল্পিত প্ৰচেষ্টা আৰু সমূহীয়া কৃষিৰ পৰা হোৱা লাভে বিস্ময়কৰ সপোনক ক্ৰমাৎ বাস্তৱলৈ পৰিৱৰ্তন কৰিলে। সামাজিক বহিৰ্ভূত দলৰ লোকৰ কল্যাণৰ কাৰণে ইউ কে চৰকাৰৰ আন্তৰ্জাতিক বিকাশ বিভাগৰ উদগনিমূলক আঁচনি দৰিদ্ৰ এলেকাৰ নাগৰিক সমাজৰ (পি এ ছি এছ) সহযোগত এই ৰূপান্তৰ সম্ভৱ হ'ল।

পি এ ছি এছ-ৰ অভিলাসী জীৱিকা কাৰ্যসূচীৰ জৰিয়তে সুশীলাই মহিলাৰ এটা দলক একত্ৰিত কৰি তেওঁলোকক সমূহীয়া খেতিৰ আভাস দিছে। তেওঁৰ অহৰহ প্ৰচেষ্টা কেৱল মহিলাৰ সবলীকৰণেই নাছিল, একত্ৰিত আৰু সংহত প্ৰচেষ্টাৰে দাৰিদ্ৰ্যৰ বেহু ভাঙিবলৈ আদিবাসীসকলক উৎসাহিত কৰাটোও আছিল আন এক উদ্দেশ্য। নিজৰ অভিজ্ঞতা আনৰ স'তে ভগাই কৃষকৰ ৰ'ল মডেলগৰাকীয়ে গৰ্বেৰে কয়— "জনজাতীয় মহিলাসকলক তেওঁলোকৰ সম্প্ৰদায়ৰ মেৰুদণ্ড বুলি বিশ্বাস কৰা হয়। আমি এই ক্ষেত্ৰত অস্তিত্ব ৰক্ষাৰ কাৰণে সংগ্ৰাম কৰা চাওতাল সম্প্ৰদায়ৰ লোকসকলৰ মাজত বিশ্বাস ইয়াৰ ফলাফল সকলোৰে সন্মুখত আছে ঃ আমি কেনেকৈ শিলাময় আৰু শুকান ভূমিক আমাৰ একত্ৰিত প্ৰচেষ্টাৰে খেতিৰ যোগ্য কৰি তুলিছোঁ।"

বৰ্তমান গাঁৰৰ পৰা ঋতুকালীন জন প্ৰব্ৰজন উল্লেখযোগ্যভাৱে হ্ৰাস পাইছে আৰু ইয়াৰ বাসিন্দাসকলে একত্ৰিতভাৱে অৰ্জন কৰা সমৃদ্ধিৰ আনুপাতিক বৃদ্ধি উপভোগ কৰিছে। সম্প্ৰতি গাঁওখন খাদ্য আৰু অৰ্থনৈতিকভাৱে সুৰক্ষিত। যিটো আগতে কেতিয়াও নাছিল। প্ৰব্ৰজনৰ বাবে তেওঁলোকৰ ল'ৰা-ছোৱালী বিদ্যালয়ৰ পৰা আঁতৰি থাকিব লগা হৈছিল। বৰ্তমান কৃষিত আত্মনিৰ্ভৰশীলতাই আগতে খালি হৈ পৰি থকা ভূমিত সমূহীয়া খেতিৰ জৰিয়তে তেওঁলোকক জীৱিকাৰ পথ দিছে।

বৰ্তমান গাঁওবাসী প্ৰত্যয় গৈছে যে, এইয়া হ'ল তেওঁলোকৰ সমৃদ্ধিশালী ভৱিষ্যতৰ আৰম্ভণিহে, তেওঁলোকৰ সন্তান এতিয়া সমগ্ৰ বছৰটোত একো যতি নপৰাকৈ অধ্যয়ন কৰাত সমৰ্থ হৈছে।

সুশীলাৰ আত্মসহায়ক গোটে এম এনৰেগাৰ বিষয়ে সচেতনতাৰ সৃষ্টি কৰিছে আৰু আগ্ৰহীসকলৰ বাবে জব-কাৰ্ড সংগ্ৰহ কৰিছে। সোনকালে মহিলাৰ দলটোৱে সম্প্ৰদায়টোক কেন্দ্ৰৰ

পৃষ্ঠপোষিত গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনিৰ অধীনত গাঁওবাসীৰ নামত জব-কাৰ্ড আৰু পাছবুক প্ৰদান একচেটিয়া কৰা দালালৰ বিৰুদ্ধে এক আন্দোলনত ভাগ লৈছে। ইয়াৰ পাছত দলটোৱে দুখীয়া গঞাৰ জীৱন অসহনীয় কৰি তোলা শোষণকাৰী ব্যক্তিগত ধনদাতা-সকলৰ বিৰুদ্ধে আন্দোলন গঢ়ি তোলে।

"আমি আমাৰ গাঁওবাসীক তেওঁলোকৰ পাহাৰপুৰ, কেদাৰকেলা, লগনপুৰ, কাডসা, পকৰদিহ আৰু মঞ্জদিহাৰৰ ভূমিৰ ওপৰত পুনৰ দাবী কৰিবলৈ অভিপ্ৰেত কৰিছিলো। অসৎ ঋণদাতাসকলৰ ভূমি সংক্ৰান্তীয় ব্যৱসায় বৰ্তমান পশ্চাদ্ধাবন কৰা হৈছে" — সুশীলাই গৌৰৱেৰে এনেদৰে কয়।

এনে ধৰণৰ ভালেমান প্ৰাপ্তিৰ পাছত সুশীলাই গাঁওবাসীৰ বিশ্বাস জিনিবলৈ সক্ষম হৈছে। অৱশেষত সুশীলাই সমগ্ৰ আদিবাসী সম্প্ৰদায়ৰ লগত একেলগে আগবাঢ়ি আহি তেওঁলোকে সন্মুখীন হৈ অহা বেছিভাগ জৰুৰী সমস্যাৰ সামাজিক বহনক্ষমযোগ্য সমাধান উলিওৱাত সমৰ্থ হৈছে।

"আত্মসহায়ক গোটৰ প্ৰথম মূল্যায়নৰ পাছতেই আমি বেংকৰ পৰা ২৫ হাজাৰ টকা ধাৰ লৈছিলো, আমি আলু খেতি কৰি ২০ কুইণ্টল ফচল পাইছিলো। ৰাহি উৎপাদনখিনি বিক্ৰী কৰাৰ পাছত আমি ধাৰ সুজিছিলো। বৰ্তমান আমি কৃষিত আত্মনিৰ্ভৰশীল আৰু প্ৰায় সকলো শস্যৰ খেতি কৰিছো। ফলস্বৰূপে, গাঁওখনৰ প্ৰত্যেকগৰাকী মহিলাই কৃষি আৰু আন আনুষংগিক কামৰ জৰিয়তে মাহিলি ১৫০০ টকা উপাৰ্জন কৰে। কিছুমান পৰিয়ালে তেওঁলোকৰ ব্যৱসায় আৰম্ভ কৰিবলৈ সমৰ্থ হৈছে।" নিজৰ গোটৰ প্ৰচেষ্টাৰ সফলতাৰ কাহিনীৰ তালিকা উল্লেখ কৰি সুশীলাই এইদৰে কয়।

এই গোটটোৱে স্বতন্ত্ৰ অৰ্থত অনুপ্ৰাণিত কৰাই নহয়, এই কঠোৰ পৰিশ্ৰমী মহিলাসকলৰ মনত ক্ৰমশ দায়িত্বৰ ধাৰণাও সুমুৱাই দিছে। সুশীলাৰ দ্বাৰা অনুপ্ৰাণিত মহিলাৰ দলটোৱে তেওঁলোকৰ অৰ্থনৈতিক সবলীকৰণ নিশ্চিত কৰাৰ উপৰি সম্প্ৰদায়টোৰ মাজৰ পৰা সামাজিক অশুভ শক্তিৰ শিপা উভালি পেলাবলৈ অত্যন্ত পৰিশ্ৰম কৰিছে। তেওঁলোকৰ এই সংগ্ৰামৰ ফলস্বৰূপে অঞ্চলটোত সুৰা বেচা-কিনা বহু পৰিমাণে হ্ৰাস পাইছে আৰু অবৈধ সুৰা তৈয়াৰ কাৰ ঘাটিসমূহো বন্ধ হৈছে। বাস্তৱিকতে পুৰুষসকলে এতিয়া সংগঠিত আৰু সবলীকৃত মহিলাসকলৰ সিদ্ধান্ত অমান্য কৰাটো কঠিন হৈ পৰিছে।

মহিলাসকলে তেওঁলোকৰ ঘৰৰ পৰাই পঞ্চায়ত ভৱন চৌহদলৈ এই তৎপৰতা আৰম্ভ কৰিছে। প্ৰতি বৃহস্পতিবাৰে তেওঁলোকে চৰকাৰৰ কল্যাণমূলক আঁচনিসমূহৰ লগত সম্পৰ্কিত তথ্য অতি কৌতুহলেৰে সংগ্ৰহ কৰে। এই সভাসমূহত তেওঁলোকে সামাজিক বিকাশৰ বিষয়সমূহো উত্থাপন কৰে। "উদাহৰণ স্বৰূপে আমাৰ গোটৰ সদস্যসকল অত্যন্ত সচেতন। তেওঁলোকে কেৱল পঞ্চায়তৰ নিৰ্বাচনত অংশগ্ৰহণ কৰাই নহয়, পঞ্চায়ত কমিটী আৰু ৱাৰ্ড সদস্যৰ আসনৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিছে আৰু জয়লাভো কৰিছে। গোটটোৰ প্ৰচেষ্টাৰ স্বীকৃতি দি জিলা প্ৰশাসনে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ ৰূপায়ণৰ কাম তেওঁলোকলৈ হস্তান্তৰ কৰিছে আৰু এনেদৰে অৱৰোধিত আঁচনিখনলৈ স্বচ্ছতা আনিছে।

এই নতুন অভিযানটোৰ প্ৰধান প্ৰতিবন্ধক বিত্তীয় অসুবিধাৰ বিষয়ে উল্লেখ কৰি কাডৱা পঞ্চায়তৰ ৱাৰ্ড সদস্য সুহাসিনী ছ'ৰেণে কয় যে, "বেংকে সাধাৰণতে আমাৰ দৰে ক্ষুদ্ৰ আৰু প্ৰান্তীয় কৃষকৰ লগত সহযোগিতা নকৰে। ঋণ লোৱাৰ ক্ষেত্ৰত কিছুমান স্ব-নিয়োজন আঁচনিৰ অসুবিধাসমূহ যদি সবলীকৰণ কৰা হয়, তেনেহ'লে চৰকাৰে কল্যাণমূলক আঁচনিৰ জৰিয়তে উপকাৰ কৰাৰ বাবে দিয়া প্ৰতিশ্ৰুতিৰ লাভ গাঁওবাসীয়ে লাভ কৰিবলৈ সমৰ্থ হ'ব। ❒

*পয়োভৰা ৰাইজৰ আলোচনী—*

*নিজে পঢ়ক, আনকো পঢ়ুৱাওক—*

*দেশ গঢ়াত নিজৰ মতামত আগবঢ়াওক—*

# ভাঁজ দিয়া আসনসহ ভ্ৰমণ বেগ

**নিশা চৌবে***

ৰেল ষ্টেচন বা বাছ আস্থানত কোনেবাৰু আসন পোৱাৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হোৱা নাই! প্ৰতিদিনে বাছ বা ৰেলগাড়ীৰ কাৰণে ষ্টেচনত অপেক্ষা কৰি ৰৈ থাকোঁতে যাত্ৰীসকলে সন্মুখীন হোৱা সমস্যাৰ কথা বিবেচনা কৰি ১৯ বছৰীয়া নিশাই ভ্ৰমণ কৰোঁতে লগত নিয়া বেগত পাতল ওজনৰ ভাঁজ কৰিব পৰা আসন লৈ যোৱাৰ পৰামৰ্শ আগবঢ়াইছে— যাতে প্ৰয়োজন হ'লেই তাক ব্যৱহাৰ কৰিব পৰা যায়।

নিশা হ'ল হাঁহি-মাতি ঘূৰি ফুৰা তৰুণী। এক সৃষ্টিশীল মনৰ গৰাকীও তেওঁ। সেয়ে বিভিন্ন ধৰণৰ ভাবধাৰাই নিশাৰ মনটো উদ্বেলিত হৈ থাকে। এগৰাকী ভাল ছাত্ৰী; আৰু অধ্যয়ন তথা 'হবি' অৰ্থাৎ চিৰাচৰিত প্ৰিয় কাৰ্যৰ মাজত সময়বোৰ ভালদৰে খটুৱায়। নিশাই কবিতা আৰু ৰচনা লিখিবলৈও ভাল পায়। এই গুণাৱলীৰ ফলতেই তেওঁ এখন ৰচনা প্ৰতিযোগিতাত জয়লাভ কৰে আৰু তাৰ জৰিয়তে পোৱা বৃত্তিৰে এক শিক্ষামূলক ভ্ৰমণত চীনলৈ যায়। নিশাই এক সপ্তাহৰ বাবে ছাত্ৰী হিচাপে টাইম্‌ছ অব ইণ্ডিয়াৰ সম্পাদকীয় দলত কাম কৰে। কাকতখনত প্ৰকাশৰ বাবে ছাত্ৰ-ছাত্ৰীৰ নানা ভাব আৰু চিন্তাধাৰা সংগ্ৰহ কৰি সেইবোৰ যুগুতাই নিজৰ তৰফৰ পৰা লিখিব লগা হয়। নিশা এগৰাকী ভাল চিত্ৰশিল্পীও আৰু সময় পালেই ছবি আঁকিবলৈ ভাল পায়।

নিশাই যি ভাল পায় তাকে কৰিবলৈ সুবিধা দিয়াৰ কাৰণে তেওঁৰ পিতৃ-মাতৃৰ প্ৰতি কৃতজ্ঞ। "মোৰ মা-দেউতা হ'ল মোক আটাইতকৈ অধিক উৎসাহ প্ৰদান কৰা ব্যক্তি; কিয়নো তেওঁলোকে মোক মোৰ প্ৰয়াস জাৰি ৰাখিবলৈ প্ৰত্যয় নিয়ায়— তেহেলৈ সেয়া যিয়েই নহওক। সময় অনুযায়ী মই কি অনুভৱ কৰোঁ তাৰ ওপৰত নিৰ্ভৰ কৰি তেওঁলোকে মোক দিহা-পৰামৰ্শ আগবঢ়ায়, প্ৰশ্নও কৰে আৰু সান্ত্বনাও দিয়ে।" —নিশাই কয়। পিছে সৰু ভায়েক আৰু ভনীয়েকক লৈ ঘৰখনত কাম কৰিবলৈ অলপ মস্কিল হয়। নিশাৰ বক্তব্য হ'ল— "মোৰ সৰু ভাইটি চতুৰ্থ শ্ৰেণীৰ আৰু ভাল ল'ৰা; কিন্তু দশম শ্ৰেণীত পঢ়া ভনীজনীক সময়ে সময়ে নিয়ন্ত্ৰণ কৰিবলৈ অসুবিধা হয়। আমি প্ৰত্যেক ক্ষেত্ৰত যুঁজ কৰা যেন লাগে। কিন্তু তেনে বিৰোধ ভাব খন্তেকীয়া। শীঘ্ৰেই আমি সহজ হৈ পৰোঁ।"

### ভাবৰ মূল কথা

এক ভাবৰ কাৰণে প্ৰেৰণা লাভ কৰাটো তেনে ভাব উদয় হোৱা আমোদজনক বিষয়ৰ দৰেই। নিশাই আইতাকৰ ঘৰলৈ যাওঁতে বাটতে ট্ৰেভেলিং বেগৰ এটা ডাঙৰ বিজ্ঞাপন দেখে। সেই বিজ্ঞাপনত শ্বাহৰুখ খানক বেগটোৰ কাষতে ফ্লোৰত বহি থকা দেখুৱাইছে। নিবিষ্ট মনেৰে চাই থাকোঁতে নিশাই ভাবিলে "শ্বাহৰুখ খানে তলত বহাৰ পৰিৱৰ্তে যদি বহিবৰ কাৰণে চকী এখন থাকিলহেঁতেন আৰু ভাল হ'লহেঁতেন।" এই বিষয়ে ভাবি ভাবি নিশাই উপলব্ধি কৰিলে যে বাছ বা ৰেলগাড়ীৰ কাৰণে ৰৈ থকাটো এক সাধাৰণ সমস্যা। তেনে অৱস্থাত লগতে যদি এক আসন থাকে বৰ ভাল হ'ব।

নিশাই ভবাৰ দৰেই এক নমুনা সৃষ্টি কৰিলে। তাৰ পিছত নেচনেল ইন'ভেচন ফাউণ্ডেচন- ইণ্ডিয়া নামৰ প্ৰতিষ্ঠানটোৱে তেওঁ ভাবি উলিওৱা নমুনাৰ ওপৰত ভিত্তি কৰি এক দেখনিয়াৰ আৰু বজাৰত উলিয়াব পৰাকৈ বহা আসন সৃষ্টি কৰিবৰ বাবে বহু ডিজাইনত সিদ্ধহস্ত ফাৰ্মসমূহক সেই কামত ন্যস্ত কৰিলে। সেই মতে ছটা নমুনা তৈয়াৰ কৰা হ'ল আৰু ইয়াৰ চূড়ান্ত নমুনাক বাস্তৱ ৰূপ দি সম্প্ৰতি সাজু কৰা হৈছে। উক্ত সংস্থাটোৱে নিশাৰ নামত ডিজাইন পঞ্জীকৰণৰ বাবে এক আবেদন পত্ৰ দাখিল কৰিছে। এতিয়া এইটো আশা কৰা হৈছে যে নিশাৰ মনত উদয় হোৱা ভাবৰ বাস্তৱ ৰূপটো সোনকালেই বজাৰত দেখা পোৱা যাব।

### আশা আৰু স্বপ্ন

স্কুলত পঢ়াৰ পাছত নিশাই বি টেক্ পঢ়িবলৈ লয়, কিয়নো তেওঁক এনে শিক্ষা গ্ৰহণে কাৰিকৰী জ্ঞান আহৰণ কৰাত সহায় কৰিব; আৰু তাৰ ফলস্বৰূপে তেওঁৰ নতুন নতুন ভাববোৰ কাৰ্যত ৰূপায়ণ কৰাত সহায় কৰিব। বি টেক্ পাছ কৰাৰ পাছত নিশাই নেচনেল ইন'ভেচন পাউণ্ডেচন-ইণ্ডিয়াত যোগদান কৰিবলৈ বিচাৰে। তাৰ কাৰণ হ'ল— "মই নতুন নতুন বস্তু উদ্‌ঘাটন কৰিবলৈ ভাল পাওঁ আৰু কিবা এটা ভিন্ন ধৰণৰ কাম কৰিবলৈ বিচাৰোঁ আৰু সৃষ্টিশীল কাম কৰা সংগঠনত যোগদান কৰাতকৈ আৰু কি ভাল হ'ব পাৰে," —নিশাই কয়। ❐

# আপুনি জানেনে?

**ইছলামীয় বেংকিং কি?**

ইছলামীয় বেংকিং ইছলাম ধৰ্মৰ এই আদৰ্শৰ ওপৰত প্ৰতিষ্ঠিত যে ঋণ দিয়া ধনৰ ওপৰত সুদ লগোৱা অনুচিত। ইয়াত ৰিস্ক শ্বেয়াৰিং আৰু মুনাফা শ্বেয়াৰিঙৰ ওপৰত জোৰ দিয়া হয় য'ত সুদ লগোৱাটো নিষেধ কৰা হয়, কিয়নো ই ঋণদাতাজনক ঋণ লওঁতাজনৰ ওপৰত সুবিধা প্ৰদান কৰে। ঋণৰ প্ৰয়োজন হোৱা ব্যক্তিয়ে সচৰাচৰ ঋণদাতাজনৰ অযৌক্তিক শোষণৰ বলি হ'ব লগা হয়। ইছলাম ধৰ্মত ধনক সম্পদ হিচাপে ধৰা নহয় যদিও মূল্য নিৰ্দ্ধাৰণৰ আহিলা হিচাপে গণ্য কৰা হয়। ঋণ দিয়া ধনৰ পৰা আয় অৰ্জন কৰাতকৈ ৰিস্ক অথবা মুনাফা শ্বেয়াৰ কৰাতোহে ইয়াৰ মূল উদ্দেশ্য। ইয়াক সামাজিক দায়িত্ববোধসম্পন্ন বিনিয়োগ বুলিহে ধৰা হয়। সুদ লগোৱাটো অন্যায় আৰু ঋণদাতাজনৰ পক্ষত থকা বুলি বিবেচনা কৰা হয় আৰু এনেদৰে সুদ লোৱাটো ইছলাম ধৰ্মৰ গ্ৰহণযোগ্য নহয়। শ্বেৰীয়া (ইছলামৰ নীতি) ই কোম্পানী শ্বেয়াৰ কিনাত অনুমতি তেতিয়াহে দিয়ে যেতিয়া কোম্পানীটোৱে নিষিদ্ধ কাৰ্যকলাপ যেনে জুৱা, সুৰা উৎপাদন আদিৰ সৈতে জড়িত নহয়।

ষাঠিৰ দশকত ইছলামীয় দেশসমূহত এনেধৰণৰ বেংকিঙে গা কৰি উঠে। ১৯৭৫ চনত সদস্য ৰাষ্ট্ৰক পুঁজি প্ৰদানৰ বাবে ইছলামীয় উন্নয়ন বেংকৰ স্থাপনা হয়। ইয়াৰ মুখ্য কাৰ্যালয় জেদ্দাহ (চৌডি আৰব)ত অৱস্থিত। মৰক্কো, মালয়ছিয়া আৰু ছেনেগালত ইয়াৰ চাৰিটা আঞ্চলিক কাৰ্যালয় আছে। ইয়াৰ বিত্তীয় বৰ্ষ হিজ্ৰী বৰ্ষৰ হিচাপত ধৰা হয়। ইছলামীয় আদৰ্শ অনুসাৰে আৰ্থ-সামাজিক উন্নয়ন সাধন কৰাটোৱে ইয়াৰ উদ্দেশ্য। সদস্য ৰাষ্ট্ৰক সহযোগ আগবঢ়োৱাৰ উপৰি এই বেংকে সমাংশ মূলধনত ভাগ লয় আৰু উৎপাদনশীল উদ্দেশ্যৰ বাবে ঋণ অনুমোদন কৰে। জমাধন গ্ৰহণ কৰাৰ উপৰি এই বেংকে শ্বেৰীয়া ৰীতি অনুসাৰে সম্পদ সূচল কৰে। বৈদেশিক বাণিজ্য বিশেষকৈ সদস্য ৰাষ্ট্ৰসমূহৰ মাজত মূলধনী সামগ্ৰীৰ সৰবৰাহতো ই উৎসাহ যোগায়। ৫৬ খন ইছলামীয় ৰাষ্ট্ৰ বৰ্তমান এই বেংকৰ সদস্যভুক্ত হৈছে। ১৯৯২ বৰ্ষৰ জুন মাহলৈকে এই বেংকৰ প্ৰাধিকৃত পুঁজিৰ পৰিমাণ আছিল দুই বিলিয়ন ইছলামীয় দিনাৰ (ইছলামীয় স্বৰ্ণমুদ্ৰা বিশেষ) যিটো আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ বিশেষ আহৰণ অধিকাৰৰ সম পৰ্যায়ৰ। এক প্ৰতিবেদন অনুসৰি ইছলামৰ প্ৰসাৰৰ হাৰ প্ৰতিবছৰত ১০ৰ পৰা ১৫ শতাংশ। ইছলামীয় বেংকৰ সমগ্ৰ বিশ্বজুৰি ৫১ খন ৰাষ্ট্ৰত প্ৰায় ৩০০ৰো অধিক প্ৰতিষ্ঠান আছে। শ্বেৰীয়া অনুৱৰ্তী সম্পদৰ পৰিমাণ ৮২২ বিলিয়ন আমেৰিকীয় ডলাৰ বুলি অনুমান কৰা হৈছে। ই ২০০৫ বৰ্ষত ধাৰ্য কৰা বিশ্বৰ সৰ্বমুঠ সম্পদৰ ০.৫ শতাংশ।

ইছলামীয় বেংকৰ উদ্দেশ্য আৰু কাৰ্যাৱলী অইন প্ৰচলিত বেংকৰ সৈতে একেই। মাত্ৰ এই বেংকে ইছলামীয় নীতিৰ অনুসৰণত দৃঢ়প্ৰতিজ্ঞ। ইছলামীয় বেংকে এই কথা দাবী কৰে যে তেওঁলোকে ন্যায়পৰায়ণ বিনিয়োগ আৰু নীতিমূলক ক্ৰয়ৰ জৰিয়তে ব্যৱসায় চলায়। ইছলামীয় বেংকসমূহে কেতবোৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগা হৈছে আৰু কিছুমান মুছলমানধৰ্মী ৰাষ্ট্ৰত তেওঁলোকৰ কাৰ্যকলাপ গৌণ-প্ৰাথমিক খণ্ডতে সীমাবদ্ধ হৈ আছে।

★ ★ ★

**অ'পেন ছ'ৰ্চ ছফ্টৱেৰ কি?**

অ'পেন ছ'ৰ্চ ইনিচিয়েটিভ অনুসৰি অ'পেন ছ'ৰ্চ ছফ্টৱেৰ এনে ছফ্টৱেৰ যিটো যিকোনো ব্যক্তিয়ে স্বাধীনভাৱে ব্যৱহাৰ, পৰিৱৰ্তন আৰু বিনিময় (পৰিৱৰ্তিত বা অপৰিৱৰ্তিত ৰূপত) কৰিব পাৰে। অ'পেন ছ'ৰ্চ ছফ্টৱেৰ বিভিন্ন ব্যক্তিয়ে প্ৰস্তুত কৰে আৰু এনে ছফ্টৱেৰৰ সংজ্ঞাৰ সৈতে মিলা ধৰণৰ অনুজ্ঞা পত্ৰ সহ বিতৰণ কৰে। অ'পেন ছ'ৰ্চ ছফ্টৱেৰ এনে এটা কম্পিউটাৰ ছফ্টৱেৰ যাৰ প্ৰতিলিপি স্বত্বাধিকাৰজনে অনুজ্ঞা পত্ৰ থকা যিকোনো ব্যক্তিকে তাৰ অধ্যয়ন, পৰিৱৰ্তন আৰু বিতৰণৰ অধিকাৰ প্ৰদান কৰে।

আমেৰিকা যুক্তৰাজ্যৰ কেলিফৰ্ণিয়াৰ পল' অ'ল্টত ১৯৯৮ চনৰ ৩ ফেব্ৰুৱাৰীত অনুষ্ঠিত হোৱা এক সভাত অ'পেন ছ'ৰ্চৰ ধাৰণাৰ উৎপত্তি হয়। উক্ত সভাখনত এৰিক ৰেমণ্ড আৰু মাইকেল টাইমেন উপস্থিত আছিল। ১৯৯১ চনৰ অক্টোবৰ মাহত অ'পেন ছ'ৰ্চ ইনিচিয়েটিভে অনুমোদন প্ৰাপ্ত অনুজ্ঞা পত্ৰৰ প্ৰথম আনুষ্ঠানিক তালিকা ৰাজহুৱা কৰে। চৰকাৰ আৰু মানক সংস্থাৰ লগতে বিভিন্ন তৃতীয় পক্ষই ইয়াক স্বীকৃতি প্ৰদান কৰে। ফ্ৰী ছফ্টৱেৰ ফাউণ্ডেচন হোৱাৰ উপৰি অ' এছ আই বিনামূলীয়া আৰু অ'পেন ছ'ৰ্চ

ডেভেলপাৰ্চৰ সমৰ্থন আৰু প্ৰচাৰ কৰা প্ৰমুখ সংস্থা দুটাৰ ভিতৰত অন্যতম হৈ পৰে। মালিকীস্বত্ব থকা ছফ্‌টৱেৰতকৈ অ'পেন ছফ্‌টৱেৰত অধিক স্বতন্ত্ৰতা পোৱা যায়। ই ছফ্‌টৱেৰৰ উন্নয়নত অধিক সংখ্যক লোকক নিযুক্ত কৰে। এটা ক্লজ্‌ড্ ছ'ৰ্চ ছফ্‌টৱেৰে ইয়াৰ ছ'ৰ্চ কোড ৰাজহুৱা নকৰে। অ'পেন ছ'ৰ্চ ছফ্‌টৱেৰ এটাত ভালেমান এপ্লিকেচন থাকে আৰু দূৰসংযোগজাত পণ্যদ্ৰব্য, বিদ্যায়তনিক গৱেষণা আদি বিভিন্ন ক্ষেত্ৰত ই খুবেই কাৰ্যকৰী বুলি প্ৰমাণিত হৈছে।

সামূহিক কল্যাণৰ অৰ্থে অ'পেন ছ'ৰ্চ মণ্ডলৰ বিভিন্ন সমষ্টিৰ মাজত সমন্বয় সাধন কৰাই অ'পেন ছ'ৰ্চ ছফ্‌টৱেৰৰ মূল উদ্দেশ্য। ইয়াৰ সমৰ্থকসকলৰ মত অনুসাৰে ই আৰ্থিক তথা কৌশলগত সুবিধা প্ৰদান কৰে।

বাণিজ্যিক উদ্দেশ্যতো অ'পেন ছ'ৰ্চ ছফ্‌টৱেৰ ব্যৱহাৰ কৰিব পাৰি। অৱশ্যে ছফ্‌টৱেৰটো ব্যৱহাৰ কৰা ব্যক্তিজনে আনক সেইটো ব্যৱহাৰৰ ক্ষেত্ৰত বাধা নিষেধ আৰোপ কৰিব নোৱাৰে। অ'পেন ছ'ৰ্চৰ অনুজ্ঞা পত্ৰ থকা প্ৰ'গ্ৰাম এটা মানুহে যেনেভাৱে ব্যৱহাৰ কৰে তাৰ ওপৰত সীমাবদ্ধতা আৰোপ কৰিব নোৱাৰি। এনেধৰণৰ প্ৰগ্ৰাম ব্যৱহাৰ কৰা লোক বা বৰ্গৰ মাজত কোনোধৰণৰ বৈষম্য নাথাকে। অনুমোদিত অনুজ্ঞা পত্ৰ নথকাকৈ ছফ্‌টৱেৰ এটাক অ'পেন ছ'ৰ্চ বুলি ক'ব নোৱাৰি। অ'পেন ছ'ৰ্চ ছফ্‌টৱেৰৰ সমৰ্থনকৰ্তাসকলৰ মতে ছফ্‌টৱেৰৰ স্বতন্ত্ৰতাৰ বিষয়টো ভাবাদৰ্শগত নহৈ বাস্তৱিকহে। ৰাজহুৱা ক্ষেত্ৰত থকা ছফ্‌টৱেৰ এটাও একধৰণৰ অ'পেন ছ'ৰ্চ ছফ্‌টৱেৰ হয়। তৎসত্ত্বেও এই বিষয়টোত কিছু জটিলতাও নথকা নহয়। অ' এছ আই-ৰ দৰে সংস্থাবিলাকে নিজকে আইনী সেৱা নথকা সংস্থা বুলি কয় আৰু প্ৰতিলিপি স্বত্বৰ অনুজ্ঞা উলংঘা হোৱাৰ ক্ষেত্ৰত কোনোধৰণৰ সহায়তা আগবঢ়াব নোৱাৰে বুলিও সাধাৰণতে কয়। ❒

---

**(২৫ পৃষ্ঠাৰ পৰা)**

সামৰণিত এইটো কোৱা সমীচীন হ'ব যে ভাৰত চৰকাৰ, ব্যক্তিগত খণ্ড, এন জি অ', নাগৰিক সমাজ সংগঠনবোৰে সমূহীয়াভাৱে বিভিন্ন স্তৰত থকা বিভিন্ন ধৰণে কাম কৰা বহুমুখী এজেন্সিবোৰক একত্ৰিত কৰা উচিত— যাতে উন্নত দেশবোৰে বিকাশশীল দেশবোৰত জলবায়ু পৰিৱৰ্তনৰ হেতু অৱস্থাৰ স'তে খাপ খোৱা কৰিবলৈ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ ব্যয় বহন কৰে। কাৰণ উন্নত দেশবোৰে কৰা ত্ৰুটীৰ বাবে শুধৰণি স্বৰূপে এনে কৰা দৰকাৰ। ৰাষ্ট্ৰসংঘৰ জলবায়ু পৰিৱৰ্তন বিষয়ক প্ৰতিষ্ঠান ইউ এন এফ চি চি চি-ৰ দৰে আন্তৰ্জাতিক ফ'ৰামবোৰত ভাৰতে অধিক মাত্ৰাৰ কাৰ্বনৰ ঠাইৰ বাবে নিজৰ অধিকাৰ প্ৰতিপন্ন কৰিবলৈ দৃঢ়ভাৱে মাত মাতিব লাগিব; কিয়নো ইয়াৰ জনমূৰি নিৰ্গমনৰ পৰিমাণ আমেৰিকা, ৰাছিয়া, ইউৰোপীয় সংঘ, জাপানৰ দৰে উন্নত দেশবোৰ আৰু চীনৰ দৰে আগলৈ ওলাই অহা আঞ্চলিক ক্ষমতাপূৰ্ণ দেশতকৈ অনেক কম। ভাৰতে 'উমৈহতীয়া আৰু ভিন্নমুখী দায়িত্ব'ৰ মতত দৃঢ় হৈ থাকিব লাগিব— যাতে বিকাশশীল দেশবোৰে নিকা প্ৰযুক্তি হস্তান্তৰকৰণৰ সুবিধা পাব পাৰে আৰু জলবায়ু পৰিৱৰ্তনৰ স'তে নিজকে খাপ খুৱাবৰ কাৰণে প্ৰয়োজনীয় পুঁজি উন্নত দেশবোৰৰ পৰা পায়। এই উন্নত দেশবোৰেই অতীতত কাৰ্বন আদি গেছ সৰহভাগ নিৰ্গত কৰিছিল আৰু এতিয়াও প্ৰতিখন দেশৰেই তেনে কাৰ্য অব্যাহত আছে। সম্প্ৰতি এনেবোৰ দেশে স্বেচ্ছামূলকভাৱে নিকা প্ৰযুক্তিৰ জৰিয়তে কাৰ্বনৰ মাত্ৰা হ্ৰাস কৰিবলৈ সকলো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা উচিত। এল ই ডি, চি এন জি-ৰ দৰে সংহত দৃষ্টিভংগী গ্ৰীণ বিল্ডিং, বহনক্ষম বিল্ডিং আৰু শক্তি সংক্ৰান্তীয় ক'ড আদি কামবোৰ ৰূপায়িত কৰিব লাগে। তদুপৰি ৰাজহুৱা পৰিবহনক উৎসাহিত কৰিব লাগে। তেনেদৰে মটৰবিহীন পৰিবহনকো উৎসাহিত কৰিব লাগে। তেনে মটৰবিহীন পৰিবহন হ'ল, যেনে— চাইকেল, ৰিক্সা, উট, ঘোঁৰা, গৰুগাড়ী ইত্যাদি। লগতে পুনৰ ব্যৱহাৰযোগ্য শক্তি (বায়ু, সৌৰ শক্তি ইত্যাদি) জনপ্ৰিয় কৰা আৰু ব্যাপক আকাৰত 'হ্ৰাস, পুনৰ উপলব্ধ আৰু পুনৰ ব্যৱহাৰ' সূত্ৰক অৱলম্বন কৰিবৰ অৰ্থে এই দিশত শক্তিশালী ৰাজনৈতিক ইচ্ছা গঢ়ি তোলাও প্ৰয়োজন।

অৱশেষত আমি এইটো ক'ব পাৰো যে জলবায়ু হ'ল এক দীৰ্ঘদিনীয়া ডাঙৰ সমস্যা। ইয়াৰ বাবে আৱশ্যক এক দীৰ্ঘকালীন সমাধান। সেয়ে সকলো স্তৰতে স্বচ্ছভাৱে সকলো ধৰণৰ বিকাশমূলক প্ৰয়াসক ঘাই সুঁতিলৈ আনি এনেবোৰ কামত জড়িত থকা আটাইবোৰ সংগঠন, বিভাগ আৰু প্ৰতিষ্ঠানে কেৱল হ্ৰস্বম্যাদী ব্যৱস্থাই নহয়, তদুপৰি মজলীয়া তথা দীৰ্ঘকালীন ব্যৱস্থা গ্ৰহণ কৰিবলৈও প্ৰয়াস কৰা উচিত। ❒